**অসতো মা সদ্‌গময়**
**তমসো মা জ্যোতির্গময়**
**মৃত্যোর্মামৃতং গময়েতি**
**হে পৰমপূজনীয় ঈশ্বৰ, মোক অসৎ পথৰ পৰা সৎ পথলৈ নিয়া, আন্ধাৰৰ পৰা পোহৰলৈ নিয়া,**
**মৃত্যুৰ ভয়ৰ পৰা মুক্তি দি অমৃতত্বৰ সন্ধান দিয়া।**

**মাননীয় অধ্যক্ষ মহোদয়,**

আজি এই পৱিত্ৰ সদনত সমগ্ৰ ২০১৬-১৭ বৰ্ষৰ আয় আৰু ব্যয় সাপেক্ষে বাৰ্ষিক বিত্তীয় বিৱৰণ অৰ্থাৎ বাজেট উত্থাপন কৰিব খুজিছোঁ।

২। বৃহদাৰণ্যক উপনিষদৰ তৃতীয় ব্ৰাহ্মণৰ এই পৱিত্ৰ মন্ত্ৰ উচ্চাৰণ কৰি মাননীয় মুখ্যমন্ত্ৰী, গতিশীল নেতা শ্ৰীসৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন এই চৰকাৰৰ চলিত বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰিবলৈ মই আগবাঢ়িছোঁ। বাজেট উপস্থাপনৰ পৱিত্ৰ দায়িত্ব পালন কৰিবলৈ যাওতে উপনিষদৰ এই পৱিত্ৰ মন্ত্ৰই স্থান দিয়া 'বাস্তৱতা', 'জ্ঞান' তথা 'অমৰত্ব আৰু নিঃস্বাৰ্থতা'ক মূলধন হিচাপে লোৱা হৈছে।

৩। বাজেট উত্থাপন এক পৱিত্ৰ দায়িত্ব। তদুপৰি, ই এক ঐতিহাসিক প্ৰথা, বিধিগত অনুশীলন আৰু সাংবিধানিক দায়ৱদ্ধতা। অসমৰ ইতিহাসত ১৯৩৭ চনৰ ৩ আগষ্টত প্ৰথমবাৰৰ বাবে বাজেট উত্থাপন কৰিছিল সেই সময়ৰ মুখ্যমন্ত্ৰী মৌলবী চৈয়দ ছাৰ মহম্মদ ছাদুল্লা ডাঙৰীয়াই আৰু স্বৰাজোত্তৰ কালত ১৯৪৮ চনৰ ১১ মাৰ্চত প্ৰথম বাজেট উত্থাপন কৰিছিল তেতিয়াৰ বিত্তমন্ত্ৰী স্বৰ্গীয় বিষ্ণুৰাম মেধি ডাঙৰীয়াই। এই পৰম্পৰাৰ অংশীদাৰ হ'বলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা।

৪। আমাৰ চৰকাৰৰ এইখন প্ৰথম বাজেট। বিগত বিধানসভা নিৰ্বাচনৰ আগেয়ে এটা বিস্তৃত গুণাগথাৰ মাজেৰে আমি প্ৰস্তুত কৰিছিলো অসম ভিজন ডকুমেণ্ট ২০১৬-২১ (Assam Vision Document, 2016-21)। এই ঘোষণাপত্ৰত উল্লেখ কৰা আটাইবোৰ বিষয়কে আমাৰ প্ৰথমখন বাজেটত আমি নিশ্চয় সামৰিব পৰা নাই। কিন্তু এই ঘোষণাপত্ৰৰ প্ৰতিটো বিষয়ৰ প্ৰতি আমি সমৰ্পিত থাকিম আৰু পাঁচ বছৰীয়া কাৰ্যকালৰ ভিতৰত সেইসমূহৰ ৰূপায়ণৰ বাবে আমি সততাৰে চেষ্টা চলাম।

৫। বাজেট দাখিলৰ এই পৱিত্ৰ মুহূৰ্তত মোৰ প্ৰাথমিক আৰু প্ৰধান দায়িত্ব হৈছে অসমৰ ৰাইজৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা। মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱালৰ গতিশীল নেতৃত্বাধীন ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ, বড়োলেণ্ড পিপলছ ফ্ৰণ্ট, ৰাভা যৌথ সংগ্ৰাম সমিতি আৰু তিৱা জাতীয় ঐক্যমঞ্চৰ মিত্ৰজোঁটৰ এইখন চৰকাৰৰ তৰফৰ পৰা মই ৰাজ্যত বসবাস কৰা প্ৰতিজন লোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত ৰাজ্যবাসীৰ অকুণ্ঠ সমৰ্থন আৰু আশীৰ্বাদে এই চৰকাৰক এক দৃঢ় জনাদেশ প্ৰদান কৰিছে। তেওঁলোকক ধন্যবাদ জনাবলৈ আজি মোৰ ভাষাৰ অভাৱ হৈছে। কিন্তু আমি প্ৰতিজ্ঞা কৰিছোঁ যে গভীৰ নিষ্ঠা, অকুণ্ঠ আন্তৰিকতা আৰু অবিচলিত অংগীকাৰেৰে সৈতে আমি তেওঁলোকক সেৱা কৰিম। এই ক্ষেত্ৰত প্ৰয়োজন হোৱা তেজোময় চালিকা শক্তি আৰু চিৰস্থায়ী মূল্যবোধ আমি আহৰণ কৰিছোঁ আমাৰ প্ৰতি থকা মানুহৰ মৰম, ভালপোৱা আৰু আস্থাৰ পৰা।

৬। ৰাজ্যখনৰ বিকাশৰ প্ৰতি ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অকুণ্ঠ আন্তৰিকতা আৰু আত্মোৎসৰ্গ তথা বিশ্বৰ মানসত ভাৰতবৰ্ষৰ নেতৃত্বক প্ৰতিষ্ঠা কৰিবলৈ তেখেতে দেখুওৱা দৃঢ়তা আমাৰ চৰকাৰৰ বাবে আদৰ্শ। প্ৰশংসনীয় দূৰদৃষ্টিসম্পন্ন ভাৰতৰ এইজনা প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ উন্নয়নৰ প্ৰতি দেখুওৱা অবিচল দৃঢ়তা ইয়াৰ আগেয়ে আনে দেখুওৱা নাছিল। এই অভূতপূৰ্ব আৰু অতুলনীয় দৃঢ়তাৰ বাবে আমাৰ

চৰকাৰে শ্ৰদ্ধেয় শ্ৰীমোদী ডাঙৰীয়াৰ প্ৰতি গভীৰ সন্মান জ্ঞাপন কৰিছে। শ্ৰীমোদী ডাঙৰীয়াই দেশত আৰম্ভ কৰা ষ্টাৰ্টআপ ইণ্ডিয়া, ষ্টেণ্ড আপ ইণ্ডিয়া, স্কীল ইণ্ডিয়া আৰু অন্যান্য ধ্বজ্জাবাহী জনকল্যাণমূলক আঁচনিসমূহ আমাৰ ৰাজ্যতো ৰূপায়িত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অকুণ্ঠ সহযোগ আগবঢ়াব যাতে দেশৰ প্ৰত্যাশা আমি পূৰণ কৰিব পাৰোঁ।

৭। অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱালদেৱে দায়িত্বভাৰ লোৱাৰ পৰাই চৰকাৰ গঠন আৰু সু-শাসনৰ নীতি প্ৰণয়ন কৰাত অতুলনীয় সাহসিকতা, দূৰদৃষ্টি আৰু উৎসৰ্গামূলক মনোভাৱ প্ৰদৰ্শন কৰিছে। নিজৰ প্ৰথম ভাষণতে তেখেতে আমাৰ চৰকাৰৰ দায়বদ্ধতাক আঙুলিয়াই দি কৈছিল যে এই চৰকাৰে অসমৰ জনতাক ভয় আৰু ভক্তি কৰি চলিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই নীতিত আমাৰ চৰকাৰ অটল হৈ থাকিব। তেখেতৰ নিকা ভাৱমূৰ্তি, উচ্চ নৈতিক প্ৰমূল্যবোধ আৰু ৰাজ্যৰ মংগলৰ প্ৰতি তেখেতৰ প্ৰতিশ্ৰুতিবদ্ধতা আমাৰ চৰকাৰৰ প্ৰধান চালিকা শক্তি। তেখেতৰ ভৱিষ্যৎ দৰ্শন আৰু পৰামৰ্শ এই বাজেটত সন্নিৱিষ্ট কৰা হৈছে যাতে এখন আধুনিক আৰু বিকশিত অসম গঢ়াৰ ক্ষেত্ৰত আমি সফল হওঁ।

৮। তদুপৰি, চৰকাৰ গঠন কৰা মিত্ৰজোঁটৰ অংশীদাৰ দলসমূহ — ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ, বড়োলেণ্ড পিপলছ ফ্ৰণ্ট, ৰাভা যৌথ সংগ্ৰাম সমিতি আৰু তিৱা জাতীয় ঐক্যমঞ্চৰ নেতৃত্বই জনতাৰ আশা-আকাংক্ষা পূৰ কৰাৰ বাবে চৰকাৰক দিয়া সমৰ্থন আৰু দিহা-পৰামৰ্শৰ বাবে মই তেওঁলোকৰ প্ৰতিও ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এতিয়া মই আপোনালোকৰ সন্মুখত ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে এক আভাষ দিব বিচাৰিছো।

## ৯। ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা ঃ

২০১৪-১৫ বৰ্ষৰ অসমৰ মুঠ ঘৰুৱা উৎপাদন আছিল ১,৮৩,৭৯৮.০০ কোটি টকা আৰু জনমূৰি আয় আছিল বাৰ্ষিক ৪৮,৪৯০.০০ টকা (বৰ্তমানৰ

মূল্যত)। সেই অনুসৰি সৰ্বভাৰতীয় পৰ্যায়ত অসমৰ স্থান ঊনবিংশ আৰু ৮৮,৫৩৩.০০ টকাৰ ৰাষ্ট্ৰীয় জনমূৰি আয়তকৈ ৰাজ্যৰ জনমূৰি আয়ো বহু কম।

অৰ্থনৈতিক বিকাশৰ হাৰৰ ক্ষেত্ৰত ২০১৪-১৫ বৰ্ষত সৰ্বভাৰতীয় ৭.৩ শতাংশৰ বিপৰীতে আমাৰ ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ হাৰ আছিল ৬.৪৪ শতাংশ। কিন্তু ৰাজ্যৰ এই বিকাশৰ হাৰত আমি সন্তুষ্ট হোৱা নাই কিয়নো ৰাজ্যখনৰ বুনিয়াদী বিকাশৰ হাৰ নিম্নমানৰ আৰু প্ৰকৃত বিকাশৰ ক্ষেত্ৰত ৰাজ্যত বহুখিনি কৰণীয় বাকী আছে।

আমি জানো যে অসম এখন কৃষিপ্ৰধান ৰাজ্য। ৰাজ্যৰ বিকাশৰ মুখ্য সূচক হৈছে কৃষিভিত্তিক আয়। ২০০২-০৩ ৰ পৰা ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত NSSO এ চলোৱা এক পৰিস্থিতি মূল্যায়ন জৰীপৰ (Situation Assessment Survey-SAS) মতে সেই দশকটোৰ CGAR (Compound Growth of Annual Rate) ৫.২ শতাংশ ৰাষ্ট্ৰীয় হাৰৰ বিপৰীতে অসমৰ কৃষিভিত্তিক আয়ৰ প্ৰকৃত বিকাশ আছিল ০.৮৮ শতাংশ।

এক আনুমানিক হিচাপৰ পৰা দেখা গৈছে যে এই অৱস্থা চলি থাকিলে অহা ১৩.৫৬ বছৰৰ ভিতৰত দেশৰ কৃষিভিত্তিক আয় দুগুণলৈ বৃদ্ধি পাব যদিও ৰাজ্যৰ কৃষি উৎপাদন দুগুনলৈ বৃদ্ধি কৰিবলৈ অসমে অপেক্ষা কৰিব লাগিব সুদীৰ্ঘ ৭৯.৩৪ বছৰ। ইয়াতকৈ অধিক কোৱা বাহুল্য মাঁথো। প্ৰকৃতিয়ে অসমক উদাৰচিত্তে দান কৰা সত্বেও উপৰিউক্ত পৰিসংখ্যাই চৰকাৰৰ সন্মুখত বৃহৎ প্ৰত্যাহ্বানৰূপে থিয় দিছে। দেখা গৈছে যে এক গতানুগতিক বা অনুষ্টুপীয়া চৰকাৰী প্ৰক্ৰিয়াৰে সমস্যাটোৰ সমাধান সম্ভৱ নহয়।

অসমৰ ক্ষেত্ৰত ঋণ-আমানত অনুপাত (Credit-Deposit Ratio) দেশৰ ভিতৰতে নিম্ন — প্ৰায় ৫০ শতাংশৰ ওচৰা-ওচৰি। ২০১৫-১৬ বৰ্ষত বেংকসমূহে জনসাধাৰণৰ পৰা এক লাখ কোটিৰো অধিক টকা মুঠ জমা হিচাপে সংগ্ৰহ কৰাৰ বিপৰীতে মুঠ ঋণ মোকলাই দিছিল কেৱল ৫৪,৩৭১.০০ কোটি টকা। আনহাতে, তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশৰ দৰে ৰাজ্যই এই ক্ষেত্ৰত ১০০ শতাংশ হাৰকো অতিক্ৰম কৰি গৈছিল। কৃষি খণ্ড, উদ্যোগত তথা সেৱা খণ্ডত বিনিয়োগৰ বাবে

জনসাধাৰণৰ জমা ধন ঋণৰ ৰূপত বিনিয়োগকাৰীৰ হাতলৈ উলিয়াই অনাটো নিতান্তই প্ৰয়োজন।

বিগত বৰ্ষত উদ্যোগ খণ্ডৰ বিকাশৰ হাৰ আছিল ৭.৩৭ শতাংশ।

ৰাজ্যৰ সামাজিক সূচকাংকৰ ক্ষেত্ৰতো একেই হতাশাজনক ছবি ফুটি উঠিছিল। ২০১১-১৩ বৰ্ষত ৰাজ্যৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ আছিল প্ৰতি লাখত ৩০০। এই হাৰ দেশৰ ভিতৰতে সৰ্বোচ্চ আৰু ৰাষ্ট্ৰীয় হাৰ ১৬৭তকৈ বহু বেছি। একেদৰে ২০১৪ চনৰ নৱজাতকৰ মৃত্যুৰ হাৰ আছিল ৪৮। এই হাৰ ২০১১-১৩ বৰ্ষৰ ৰাষ্ট্ৰীয় হাৰ ৪০তকৈ অধিক।

শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শৈক্ষিক যোজনা আৰু প্ৰশাসন বিশ্ববিদ্যালয় (National University Education Planning and Administration) আৰু মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে ২০১৪-১৫ বৰ্ষত উদ্ভাৱন কৰা শৈক্ষিক বিকাশ সূচকাংক (Education Development Index) অনুযায়ী অসমে ৩৬ খন ৰাজ্যৰ মাজত বিভিন্ন সূচকৰ ভিতৰত শিক্ষকৰ সূচকৰ বিপৰীতে ৩৪ সংখ্যক, আন্তঃগাঁথনিৰ সূচকৰ বিপৰীতে ৩৪ সংখ্যক আৰু শিক্ষা উপলব্ধতাৰ (Access) সূচকৰ বিপৰীতে ৭ম স্থান লাভ কৰিছিল। উচ্চ প্ৰাথমিক খণ্ডৰ বাবে এই স্থানবোৰ আছিল যথাক্ৰমে ২৯ সংখ্যক, ৩৬ সংখ্যক আৰু ৩৪সংখ্যক।

আমাৰ চৰকাৰে উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা উপৰিউক্ত সূচকাংকসমূহ মুঠেও উৎসাহজনক নহয়। বাজেট প্ৰস্তুত কৰাৰ সময়ত আমি এই অৱস্থাটোক আগেয়ে উল্লেখ কৰি অহা ‘বাস্তৱতা’ ৰূপে গ্ৰহণ কৰিছোঁ।

১০। **ৰাজ্যৰ বিত্তীয় অৱস্থা ঃ**

২০১৫-১৬ বৰ্ষত (BE) ৰাজ্যখনৰ সৰ্বমুঠ ৰাজহ সংগ্ৰহ আছিল ৫৭,০৬৪.১০ কোটি টকা আৰু সৰ্বমুঠ ৰাজহ ব্যয় আছিল ৫১,৫৬২.৮৫ কোটি টকা। সেই অনুসৰি উদ্বৃত্ত ৰাজহৰ (Revenue Surplus) পৰিমাণ আছিল ৫,৫০১.২৫ কোটি টকা; মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বিপৰীতে ঋণৰ অনুপাত আছিল ১৭.৪৩ শতাংশ আৰু মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ শতকৰা হাৰত

বিত্তীয় ঘাটিৰ পৰিমাণ আছিল (-) ২.৩৩ শতাংশ। এই ৰাশিসমূহ অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫ এ ধাৰ্য কৰা নিৰিখত সীমাবদ্ধ হৈ থকা দেখা গৈছে। অৱশ্যে এই বিত্তীয় সূচকাংকসমূহৰ চূড়ান্ত আৰু প্ৰকৃত মান অনাগত সময়ত সলনি হ'ব পাৰে।

উদাহৰণ স্বৰূপে, যদিও ২০১৪-১৫ বৰ্ষৰ বাজেটত উদ্বৃত্ত ৰাজহৰ (Revenue Surplus) পৰিমাণ ৪,০৬৫.৫১ কোটি টকা হ'বগৈ বুলি প্ৰক্ষেপ কৰা হৈছিল, কিন্তু সেই বছৰ চূড়ান্ত ৰাজহ ঘাটিৰ পৰিমাণ হ'লগৈ ৮৯৬.৬৮ কোটি টকা। সেইবাবে সেইবছৰ ৰাজ্যখনে NSSF ঋণৰ বিপৰীতে প্ৰযোজ্য সুদ ৰেহাইৰ সুবিধাৰ পৰা বঞ্চিত হ'ল আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে ২৯.৮৭ কোটি টকা আদায় কৰি লৈ গ'ল।

বিগত ২০১৫-১৬ বৰ্ষত ৰাজ্যৰ নিজস্ব ৰাজহৰ জৰিয়তে ১৭,২১৮.২৩ কোটি টকা আহৰণৰ লক্ষ্য স্থিৰ কৰা হৈছিল, অথচ সেই বছৰ আহৰণ কৰা হৈছিল কেৱল ১২,২৬৫.০০ কোটি টকা।

৩১-০৩-২০১৫ তাৰিখলৈকে পৰিশোধ কৰিবলৈ বাকী থকা ঋণৰ পৰিমাণ আছিল ৩১৩০০.৯৯ কোটি টকা। ইয়াৰ পৰিমাণ হৈছে— এ-এফ-আৰ-বি-এম আইনৰ দ্বাৰা নিৰ্দ্ধাৰিত সীমা ২৮.৫ শতাংশ আন কথাত ক'বলৈ গ'লে ৫২৩৮২.৪৩ কোটি টকাৰ এ-এফ-আৰ-বি-এম সীমাৰ বিপৰীতে ২১০৮১.৪৪ কোটি টকাৰ সম্ভাব্য ভৱিষ্যত ঋণক বাদ দি ৰাজ্যখনে ৩১৩০০.৯৯ কোটি টকা লাভ কৰিছে।

২০১৫-১৬ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা হস্তান্তৰিত ৰাশিৰূপে লাভ কৰা হয় ১৬,৭৮৫.০০ কোটি টকা। তাৰ পূৰ্বৱৰ্তী বৰ্ষত এই পৰিমাণ আছিল ১২,২৮৪.০০ কোটি টকা।

বিগত বিত্তীয় বৰ্ষত পৰিকল্পনা শিতানত কৰা ব্যয় আছিল কেৱল ৩৬.১৪ শতাংশ। বিত্তীয় সম্পদৰ কোনোধৰণৰ বাস্তৱ মূল্যায়ন নকৰাকৈ পৰিকল্পনা ব্যয় ধাৰ্য কৰাটোৱেই ইয়াৰ কাৰণ আছিল। ৰাজহৰ যোগান নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় সম্পদ নথকাকৈ এনেদৰে সামঞ্জস্যহীন বাজেট প্ৰস্তুত কৰা এই অশুভ পৰম্পৰাৰ বিষয়ে বৰ্তমানৰ চৰকাৰ গঠন কৰা দহ দিনৰো কম সময়ৰ ভিতৰত এখন বিত্তীয় শ্বেতপত্ৰ প্ৰকাশ কৰি এই পৱিত্ৰ সদনক জনোৱা হৈছিল।

ৰাষ্ট্ৰ আৰু কোষাগাৰৰ বিষয়ে চাণক্যই কোৱা এষাৰ উক্তি মই স্মৰণ কৰিব খোজোঁ। তেওঁ কৈছিল — 'যদিহে কোষাগাৰ সম্পদেৰে উপচি থাকে, তেতিয়াহে সামাজিক হিতৰ বাবে গ্ৰহণ কৰা আঁচনিবোৰ সহজে ৰূপায়ণ কৰিব পাৰি। কেৱল কঠোৰ শ্ৰমেই ইপ্সিত ফল লাভ কৰিবৰ বাবে যথেষ্ট নহয়।' আমাৰ চৰকাৰ উদ্ভাৱনীমূলক পৰিকল্পনাৰে পুষ্ট তথা যিকোনো পৰিমাণৰ কঠোৰ শ্ৰম কৰিবলৈ প্ৰস্তুত। কিন্তু সমাজহিতৈষী কাম কৰিবলৈ কেৱল সেয়াই যথেষ্ট নহয়, বহু প্ৰয়োজনীয় ৰাজহ আহৰণৰ বাবেও যথা সাধ্য কৰিবলৈ আমি সাজু থাকিব লাগিব।

যিকোনো চৰকাৰৰ বাবে কৰ আৰোপণ (Taxation) এক ন্যূনতম দায়িত্ব আৰু প্ৰধান কৰ্তব্য। সৰ্বোচ্চ সুখানুভূতিৰ দেশবোৰত সৰ্বোচ্চ কৰ সংগ্ৰহ হোৱা দেখিবলৈ পোৱা যায়। তেনেবোৰ দেশত সামাজিক কল্যাণত প্ৰচুৰ ধন বিনিয়োগ কৰা হয়। চৰকাৰে যেতিয়া সামাজিক কল্যাণত ধন বিনিয়োগ কৰে তেতিয়া অৱধাৰিতভাৱে ব্যক্তিগত পৰ্যায়ত কৰ পৰিশোধ কেইবাগুণো বৃদ্ধি পায়। প্ৰশাসন আৰু বিকাশ সম্পৰ্কীয় এনে বাস্তৱিকতাৰ সৈতে আমাৰ মানসিকতাক খাপ খুৱাই লোৱাৰ প্ৰয়োজন আছে। যদিহে সংগৃহীত কৰ চৰকাৰে জনসাধাৰণৰ ইচ্ছাৰ বিপৰীতে বিনিয়োগ কৰে তাক নিশ্চিতভাৱে জনসাধাৰণে অনুমোদন নজনাব আৰু চৰকাৰকো ক্ষমাৰ দৃষ্টিৰে নাচাব।

আপোনালোকে জানি সুখী হ'ব আমাৰ ৰাজ্যত অলপতে কৰৰ হাৰৰ পৰিৱৰ্তন কৰাৰ পিছতো উৎপাদনকাৰী তথা ব্যৱসায়ীসকলে সামগ্ৰীৰ খুচুৰা বিক্ৰী মূল্য বৃদ্ধি কৰা নাছিল। চৰকাৰৰ প্ৰতি এইক্ষেত্ৰত ব্যৱসায়ী আৰু উৎপাদনকাৰীসকলে দেখুওৱা সদিচ্ছা আৰু সহযোগিতাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছো।

পৰিকল্পনা বহিৰ্ভূত শিতানৰ ব্যয় যোৱা কিছু বছৰ ধৰি বৃদ্ধি পাবলৈ ধৰিছে। বিগত কেইটামান বছৰৰ বাজেট পৰিপূৰ্ণ হৈ আছিল ব্যক্তিগত হিতাধিকাৰীৰ লাভালাভৰ বাবে প্ৰস্তুত কৰা আঁচনিৰে। তেনে আঁচনিবোৰে ৰাজ্যৰ বিকাশ ত্বৰান্বিত কৰিব নোৱাৰে। বিগত সময়ত দেখা গৈছে ঘোষিত এনে আঁচনি ৰূপায়ণ

নোহোৱাকৈ ৰৈ গৈছে। কোনো কোনো ক্ষেত্ৰত ৰূপায়িত হোৱা আঁচনিও সম্পূৰ্ণ নোহোৱাকৈ থাকি গৈছে। আন কোনো ক্ষেত্ৰত সম্পূৰ্ণ হোৱা আঁচনিৰ বিপৰীতে পৰ্যাপ্ত ৰাজহৰ অভাৱত ধন মোকলাই দিবলৈ বাকী আছে। এই আটাইবোৰৰ ফলাফল হৈছে ৰাজ্যৰ ৰাজকোষৰ ওপৰত অসহনীয় ধাৰৰ বোজা। কেনেদৰে এই বৃহৎ আৰ্থিক দায়ৰ সত্যাসত্য বিচাৰ কৰি, দিবলগীয়া ধন মুকলি কৰি দিয়া যায় সেয়াহে গুৰুত্বপূৰ্ণ কথা। তাৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন। এই সমগ্ৰ ব্যৱস্থাটোৱে বাজেটৰ পৱিত্ৰতাক বহু পৰিমাণে ম্লান কৰি পেলাইছে।

চৰকাৰৰ হাতত উপলব্ধ সম্পদৰ ওপৰত ভিত্তি কৰি আৰু সময় নিৰ্দিষ্ট কাৰ্যসূচী অনুসৰি আঁচনিসমূহৰ বিপৰীতে পৰিশোধ কৰিবলগীয়া সকলোবোৰ ধন পৰিশোধ কৰাৰ বাবে চৰকাৰে যে নিশ্চিত পদক্ষেপ হাতত ল'ব তাত কোনো সন্দেহ নাই। কিন্তু ইয়াৰ বাবে যথেষ্ট পৰিমাণৰ সময় আৰু সম্পদৰ প্ৰয়োজন হ'ব।

এই সমগ্ৰ প্ৰেক্ষাপটত বাজেটৰ পৱিত্ৰতা ৰক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ বদ্ধপৰিকৰ। বাজেটৰ পৱিত্ৰতা কেৱল ৰাজহৰ আয় আৰু ব্যয়ৰ মাজতেই সীমাবদ্ধ হৈ নাথাকে বৰং সু-শাসনৰ ক্ষেত্ৰতো বাজেটৰ পৱিত্ৰতাই এক নিৰ্ণায়ক ভূমিকা পালন কৰে।

চৰকাৰৰ সন্মুখত ১০,০১৮.৯৩ কোটি টকাৰ বাধ্যতামূলক আৰ্থিক দায় আছে। ২০১৬ চনৰ ১ জানুৱাৰীৰ পৰা কৰ্মচাৰীসকলৰ মৰগীয়া বানচ তথা সংশোধিত দৰমহাৰ বাবদ দিব লগা বকেয়া ইয়াত অন্তৰ্ভুক্ত হৈ আছে। অৱশ্যে সকলো বিভাগৰ পৰা তথ্য আহি নোপোৱাৰ বাবে এই ধনৰাশিৰ কিছু সালসলনি হোৱাৰ সম্ভাৱনা আছে। শেষ পৰ্যন্ত এই আৰ্থিক দায় ১৪,২৭৬.৯৭ কোটি টকা হোৱাৰ অনুমান কৰা হৈছে। এই ৰাশি বাজেট গৃহীত হোৱাৰ সময়লৈ অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে কিয়নো বিভাগসমূহে বিগত বছৰ পৰ্যন্ত নিজা নিজা বাধ্যতামূলক আৰ্থিক দায়বদ্ধতাৰ শুদ্ধ হিচাপ নতুনকৈ দাখিল কৰাৰ সম্ভাৱনা আছে।

ৰাজ্যৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত চৰকাৰে উপৰিউক্ত

বাস্তৱিকতাসমূহ যেনে — পশ্চাৎমুখী অৰ্থনীতি, অসংগত বাজেট আৰু বৰ্ধিত আৰ্থিক দায়ক মানি লৈয়ে আগবাঢ়িব লাগিব। কাৰণ আমি পৰিৱৰ্তনক বিশ্বাস কৰোঁ আৰু পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত সকলোবোৰ হিতধাৰকক (Stakeholder) জড়িত কৰি আমি দৃশ্যপট সলনি কৰিব বিচাৰোঁ। মোৰ জীৱন পৰিক্ৰমাত, এটি চমু কবিতাৰ পৰা মই সদায় অনুপ্ৰেৰণা পাই আহিছো। আমাৰ সন্মানীয় নেতা শ্ৰী অটল বিহাৰী বাজপেয়ীয়ে প্ৰায়েই এই কবিতাটো আবৃত্তি কৰিছিল। কবিতাটো এনেধৰণৰ —

ক্যা হাৰ মে’, ক্যা জীত মে’,
কিঞ্চিত নেহী ভয়ভীত মে’,
কৰ্তব্য পথ পৰ যো ভী মিলা,
য়হ ভী সহী, ৱহ ভী সহী,
বৰদান নেহী মাংগোংগা...
হো কুচ, পৰ হাৰ নেহী মানুংগা

**১১। ‘পৰিৱৰ্তন’ ঃ সাত ৰূপান্তৰৰ শিখৰত আমাৰ ৰাজ্য**

মই সঁকীয়াই দিব খোজোঁ যে গণতন্ত্ৰত একে ৰাতিতে পৰিৱৰ্তন সম্ভৱ নহয়। একে ৰাতিতে হোৱা পৰিৱৰ্তনে সমাজত অস্থিৰতা সৃষ্টি কৰিব পাৰে। এনে অস্থিৰতাই মানুহৰ মনত এক ‘বিপ্লৱ’ৰ ধাৰণাৰ জন্ম দিব পাৰে। সেয়ে আমাৰ চৰকাৰে বিচাৰিছে জনতাৰ সৈতে গভীৰতম সম্পৰ্ক স্থাপনৰ জৰিয়তে সমাজৰ প্ৰতিগৰাকী ব্যক্তিকে সাঙুৰি লৈ এক ক্ৰমবিকাশৰ মাধ্যমেৰে অহা পৰিৱৰ্তন।

কেৱল ‘ৰাজনৈতিক’ আৰু ‘অৰ্থনৈতিক’ গণ্ডীতে আৱদ্ধ হৈ এনে ৰূপান্তৰৰ আশা কৰা বৃথা। তাৰো উৰ্দ্ধত এক সামাজিক ৰূপান্তৰৰ আকাংক্ষা আমাৰ চৰকাৰে ব্যক্ত কৰিছে। ৰাজ্যৰ জন গাঁথনিৰ এক বৃহৎ অংশই হৈছে যুৱ প্ৰজন্ম। এই পৰিপ্ৰেক্ষিতত এক নতুন যুগৰ সামাজিক ৰূপান্তৰৰ অনুৰণন আমি চৌদিশে শুনিবলৈ পাইছোঁ। তাৰ লগত যুক্ত হৈছে ৰাজহুৱা জীৱনত সংঘটিত হৈ থকা বল্গাহীন দুৰ্নীতি আৰু কু-শাসনৰ প্ৰতি জনতাৰ ক্ৰমবৰ্দ্ধমান ক্ষোভ আৰু

অসহিষ্ণুতা। আমাৰ সন্মুখৰ পথ এতিয়া স্পষ্ট আৰু চৰকাৰ এই পথত খোজ পেলাবলৈ সাজু।

আগেয়ে কোৱা হৈছে যে ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ এইখনেই প্ৰথম বাজেট। বাজেট প্ৰস্তুতিৰ সমগ্ৰ পৰ্বটোৰ সৈতে কেইবাটাও ঐতিহাসিক ঘটনাৰ গৌৰৱময় সংযোগ মই অনুভৱ কৰিছোঁ।

(i) প্ৰথমতে, এই বছৰ হৈছে পণ্ডিত দীন দয়াল উপাধ্যায়ৰ জন্ম শতবাৰ্ষিকী আৰু এই শতবাৰ্ষিকী উদ্‌যাপনৰ অন্ত পৰিবলৈ আৰু মাত্ৰ দুটা মাহ বাকী আছে। তদুপৰি ২০২১ চনত যেতিয়া এই চৰকাৰৰ কাৰ্যকালৰ অন্ত পৰিব সেই বছৰেই হ'ব ভাৰতৰ স্বৰাজৰ হীৰক জয়ন্তী বৰ্ষ আৰু দিছপুৰৰ পৰা ৰাজ্য শাসন আৰম্ভ কৰাৰ সোণালী জয়ন্তী বৰ্ষ।

(ii) দ্বিতীয়তে, দেশৰ সুযোগ্য নেতা মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বৰ মাজত দেশে পৰিৱৰ্তনৰ এক স্বপ্ন ৰচিছে। দেশৰ নাগৰিকৰ বহু আকাংক্ষিত এই 'পৰিৱৰ্তনে' সমগ্ৰ দেশকে চুই গৈছে।

দেশৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে পোষকতা কৰা পৰিৱৰ্তনৰ গুৰুত্বপূৰ্ণ দিশকেইটা মই আপোনালোকৰ দৃষ্টিগোচৰ কৰিব খোজোঁ। প্ৰথম, বিশ্বৰ মঞ্চত ভাৰতক 'বিশ্বগুৰু' হিচাপে সৰ্বোচ্চ স্থানত প্ৰতিষ্ঠা কৰাৰ চেষ্টাত তেখেত সফল হ'ল। স্বামী বিবেকানন্দৰ পৰৱৰ্তী কালত ভাৰতবৰ্ষৰ নেতৃত্বৰ মাজত এইধৰণৰ দূৰদৃষ্টি আমি দেখিবলৈ পোৱা নাছিলোঁ। দ্বিতীয়তে, মাননীয় প্ৰধানমন্ত্ৰীয়ে বিশ্বাস কৰে যে দেশৰ বোজা হোৱাৰ বিপৰীতে প্ৰতিগৰাকী নাগৰিকে সমাজৰ প্ৰতি অৰিহণা যোগাব। অসমো এই প্ৰেৰণামূলক আদৰ্শৰ অন্তৰ্ভুক্ত হ'ব খোজে আৰু দেশৰ ওপৰত নিৰ্ভৰশীল হৈ থকাতকৈ অসমেও দেশৰ প্ৰতি অৰিহণা যোগাব খোজে। তৃতীয়তে, দুৰ্নীতিৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰীয়ে যুদ্ধ ঘোষণা কৰি কৈছে যে 'আমি নিজেও নাখাওঁ আৰু আনকো খাবলৈ নিদিওঁ'। প্ৰধানমন্ত্ৰীৰ এই বহু চৰ্চিত উক্তি আমাৰ সু-শাসনত স্পষ্টকৈ প্ৰতিফলিত হ'ব। এই পবিত্ৰ মুহূৰ্তত শ্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰৰ হৈ মই দোহাৰিব খোজোঁ যে 'আমি নিজেও নাখাওঁ আৰু আনকো খাবলৈ নিদিওঁ'। আমাৰ চৰকাৰৰ বিগত দুটা মাহৰ কাৰ্যকালত

এই দিশত ইতিমধ্যে কিছু পদক্ষেপ লোৱা হৈছে। তদুপৰি দুৰ্নীতি ৰোধৰ ক্ষেত্ৰত এলানি শাস্তিমূলক আৰু সংস্কাৰমূলক কাৰ্যসূচীৰো প্ৰস্তাৱ কৰা হৈছে, যিটোৰ বিষয়ে খন্তেক পিছতে মই আলোচনা কৰিম।

(iii) তৃতীয়তে, সমগ্ৰ দেশতে পৰিকল্পনা আৰু বাজেট ব্যৱস্থাটোৱে এক ৰূপান্তৰৰ মাজেৰে গতি কৰিবলৈ ধৰিছে। সমগ্ৰ দেশৰ সৈতে একেলগে আমিও এখন আধুনিক অসম গঢ়াৰ দিশে যাত্ৰা কৰাৰ সময় হৈছে। পৰিকল্পনা আয়োগৰ বিলুপ্তিৰ লগে লগে কেন্দ্ৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ৰাজ্যসমূহে নিজাকৈ পৰিকল্পনা আৰু বাজেট প্ৰস্তুত কৰাৰ বাবে ক্ষমতা লাভ কৰিছে। এই ঘটনা প্ৰৱাহৰ সৈতে সংগতি ৰাখি আমাৰ ৰাজ্যতো পৰিৱৰ্তনৰ প্ৰয়োজন হৈছে। এনে এক পৰিৱৰ্তন বিগত বৰ্ষতেই আৰম্ভ হ'ব লাগিছিল। অৱশ্যে ইয়াক আমি এতিয়া আৰম্ভ কৰিছোঁ আৰু অসমৰ পৰিকল্পনা আৰু বাজেট প্ৰস্তুতিৰ এই পৰিৱৰ্তিত যাত্ৰাৰ সৈতে জড়িত কৰিবলৈ পোৱাটো মোৰ বাবে এক সন্মানৰ বিষয় বুলি মই গণ্য কৰোঁ। মই ভাবো যে এয়া আমাৰ বাবে এক প্ৰত্যাহ্বানমূলক সুযোগ আৰু যি সুযোগে মুকলি কৰিব **উদ্ভাৱন, পুনৰগঠন** আৰু **ন-যাত্ৰাৰ দুৱাৰ**। ইয়াৰেই অংশ হিচাপে অহা এটা বা দুটা বছৰত প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰি তুলিবলৈ এই বাজেটতে আমি আমাৰ কৰ্মসূচী নিৰ্ধাৰণ কৰিছোঁ। পৰিকল্পনা অথবা পৰিকল্পনা বহিৰ্ভূত আদি শিতানৰ অৱলুপ্তি ঘটাই আমি সেই ইপ্সিত ৰূপান্তৰৰ দিশত কিছু পদক্ষেপ আৰম্ভ কৰিব বিচাৰিছোঁ। মই ভাবো, এই প্ৰক্ৰিয়া সম্পূৰ্ণ হওঁতে কিছু সময়ৰ প্ৰয়োজন হ'ব। ২০১৭-১৮ চনৰ ভিতৰত পূৰ্বৰ পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান লুপ্ত কৰি ৰাজহ আৰু মূলধন — এই দুই শিতানত সমগ্ৰ বাজেটক সাঙুৰিব পৰা যাব। অহা বৰ্ষৰ পৰাই পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতানৰ সম্পূৰ্ণ অৱলুপ্তি সম্ভৱপৰ হ'ব। পৰিকল্পনা আৰু উন্নয়ন তথা বিত্ত এই দুই বিভাগ সংযুক্তিকৰণৰ যোগেদি এটা বিভাগলৈ ৰূপান্তৰিত কৰিবলগীয়া হ'ব পাৰে।

(iv) চতুৰ্থতে, বিত্তীয় ব্যৱস্থাপনাৰ এক অন্যতম অংশ কৰ আৰোপণৰ (Taxation) ওপৰত উল্লেখযোগ্য পৰিৱৰ্তনৰ পোষকতা কৰা হৈছে। মূল্য

সংযোজিত কৰৰ পৰিৱৰ্তে আমি সামগ্ৰী আৰু সেৱা কৰ (Goods and Services Tax – GST) ব্যৱস্থাৰ দিশে অগ্ৰসৰ হ'ব খুজিছোঁ। ৰাজ্যই প্ৰতি প্ৰযোজ্য পৃথক মূল্য সংযোজিত কৰাৰোপণে একক বজাৰ সৃষ্টিত যি হেঙাৰৰ সৃষ্টি কৰে তাক আঁতৰ কৰাৰ বাবে এই নতুন ব্যৱস্থা এক অন্যতম শক্তিশালী সংস্কাৰৰূপে বিবেচিত হৈছে। এই ব্যৱস্থাই মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি কৰাৰ লগে লগে মুদ্ৰাস্ফীতিও ৰোধ কৰিব বুলি আশা কৰিব পাৰি। অসমেও বহু আকাংক্ষিত এই পৰিৱৰ্তিত ব্যৱস্থাৰ অংশীদাৰ হ'ব খোজে।

(v) পঞ্চমতে, কল্যাণকামী বহু আঁচনিৰ নামত ৰাজ্যৰ ৰাজহ অপচয় কৰা এক আত্মঘাটী ব্যৱস্থাৰ বিলুপ্তি ঘটাব খোজা হৈছে। ৰাজহৰ এনে অপচয়ে আমাৰ ৰাজ্যক বিকাশ, উন্নয়ন, নিয়োজন আৰু ন্যায্যতাৰ পৰা বহুদূৰ আঁতৰাই লৈ গ'ল। মই জনাবলৈ পাই সুখী হৈছোঁ যে আমাৰ চৰকাৰে ইতিমধ্যেই পৰিকল্পনা আৰু বাজেট প্ৰক্ৰিয়াৰ সংস্কাৰৰ বাবে এক তিনিজনীয়া পুনৰীক্ষণ সমিতি গঠন কৰি দিছে। সমিতিয়ে ইতিমধ্যে তেওঁলোকৰ প্ৰতিবেদনৰ প্ৰথম খণ্ড দাখিল কৰিছে আৰু তাক পৰীক্ষা কৰি থকা হৈছে। বিকাশ, উন্নয়ন, নিয়োজন আৰু ন্যায্যতাৰ বাবে বহু প্ৰয়োজনীয় বিনিয়োজন যাতে বাজেটৰ জৰিয়তে সম্ভৱ কৰিব পাৰি তাক নিশ্চিত কৰিবলৈ প্ৰতিগৰাকী হিতধাৰকৰ (Stakeholder) সৈতে আলোচনা কৰিবলৈ চৰকাৰ প্ৰস্তুত।

(vi) ষষ্ঠতে, সু-শাসনৰ প্ৰতিটো দিশতে নাগৰিকৰ যোগদান নিশ্চিত কৰাৰ এক প্ৰক্ৰিয়া আমাৰ চৰকাৰে আৰম্ভ কৰিছে। বাজেট প্ৰস্তুতকৰণ আৰু সু-শাসনৰ ক্ষেত্ৰত ৰাজ্যৰ নাগৰিকসকলৰ পৰা আমি পৰামৰ্শ বিচাৰিছিলোঁ। নাগৰিকৰ সঁহাৰিয়ে আমাক অভিভূত কৰিছে। এসপ্তাহৰো কম সময়ত আমি প্ৰায় ৮০০ ই-মেইল লাভ কৰিছিলোঁ। সেইবোৰৰ বেছিভাগেই নতুন প্ৰজন্মৰ আকাংক্ষা আৰু উদ্ভাৱনী চিন্তাক বহন কৰি আনিছিল। তেওঁলোক আটাইকে মই ধন্যবাদ জনাব খোজোঁ আৰু এই বুলি নিশ্চয়তা দিব খোজোঁ যে প্ৰয়োজনীয় আৰু প্ৰাসংগিক আটাইবোৰ বিষয়কে যোগাত্মকভাৱে বিবেচনা কৰি চোৱা হ'ব। দৰাচলতে, সেই পৰামৰ্শলানিৰ মাজত কিছুমান পৰামৰ্শ ইমানেই উদ্ভাৱনীমূলক আছিল যে মই গৌৰৱেৰে সৈতে

ক’ব খোজোঁ যে তাৰে কিছুমান পৰামৰ্শ মই বাজেটৰ দ্বিতীয় খণ্ডত উত্থাপন কৰিম। একেদৰে বাজেট প্ৰস্তুতকৰণৰ পূৰ্বে উদ্যোগ আৰু বাণিজ্য খণ্ডৰ হিতধাৰক (Stakeholder) প্ৰতিনিধিবৰ্গৰ সৈতে আমাৰ এলানি আলোচনা হৈ যায়। সেই আলোচনাত উদ্ভূত হোৱা বিপুল পৰিমাণৰ পৰামৰ্শকো আমি ৰাজ্যৰ স্বাৰ্থৰ অনুকূলে ব্যৱহাৰ কৰাৰ বাবে বিবেচনা কৰিছোঁ।

(vii) সপ্তম আৰু অন্তিম পৰিৱৰ্তন হৈছে যে জনতাই এইবাৰ সেৱক হিচাপে আমাক নিৰ্বাচিত কৰিছে। আমাৰ মিত্ৰজোঁটে কেতিয়াও চৰকাৰ গঠন কৰা নাছিল। বিনম্ৰতা আমাৰ ভূষণ। মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱালে এই পৱিত্ৰ সদনত বিগত অধিৱেশনত ৰাজ্যপালৰ ভাষণৰ উত্তৰ দিবলৈ গৈ কৈছিল যে চৰকাৰে অসমৰ ৰাইজৰ প্ৰতি ভয় আৰু ভক্তি কৰি চলিব। ‘নাই ধৃষ্টতা, কেৱল সু-শাসন’ এই বাণীয়েই হৈছে আমাৰ আচৰণবিধি। সেইবাবে মিত্ৰজোঁটৰ এই চৰকাৰ সকলোধৰণৰ পূৰ্ব সংস্কাৰ, কুসংস্কাৰ আৰু ন্যস্ত স্বাৰ্থৰ পৰা সম্পূৰ্ণৰূপে মুক্ত। সন্মুখৰ সকলো প্ৰত্যাহ্বানেই চৰকাৰৰ বাবে একোটা সুযোগ। উদ্ভাৱনী চিন্তা আৰু জনতাৰ সহযোগ সু-শাসনৰ যাত্ৰাত চৰকাৰৰ অন্যতম পথেয়।

১১.৪ এনেকৈয়ে আমি পৰিৱৰ্তনৰ এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছোঁ। এই পৰিৱৰ্তন কোনো স্পৰ্শনীয় উপকৰণ নহয়, এলানি কৰ্মসূচীৰ যোগেৰে সমাজত প্ৰতিফলিত হ’ব পৰা ই এক যোগাত্মক পৰিণতি মাত্ৰ। এই কৰ্মসূচীৰ মাজত কিছুমানৰ সূচনাৰ প্ৰয়োজন, আন কিছুমান কৰ্মসূচীৰ ৰূপায়ণৰ প্ৰয়োজন আৰু আন কিছুমান সমাজৰ প্ৰতিজন সদস্যই স্বতঃপ্ৰণোদিতভাৱে পালন কৰা প্ৰয়োজন। মই উল্লেখ কৰিব খোজোঁ যে আমাৰ মুখ্যমন্ত্ৰীগৰাকী বিনয়ী আৰু একে সময়তে কঠোৰ পৰিশ্ৰমীও। তেখেতে দিনৰ প্ৰায় ১৪ ঘণ্টা কৰ্মব্যস্ত হৈ থাকে। ৰাজ্যৰ মুখ্য সচিবেও তাকেই কৰে। তেওঁলোক দুয়োজনে দৃষ্টান্তমূলক নিদৰ্শন দাঙি ধৰিছে। এয়া হৈছে পৰিৱৰ্তন। এতিয়া প্ৰতিজন শিক্ষক, চিকিৎসক, কৰ্মচাৰী আৰু সমাজৰ প্ৰত্যেকেই স্বতঃপ্ৰণোদিতভাৱে আৰু সৰ্বান্তকৰণেৰে প্ৰতিদিনেই ১০ ঘণ্টাকৈ কৰ্মব্যস্ত হৈ থাকে। শিক্ষাৰ গুণাগুণত, স্বাস্থ্যসেৱাত আৰু সু-শাসনত পৰিৱৰ্তন সাধন হয়। পৰিৱৰ্তন এখন চৰকাৰী জাননীৰূপে ওলমি থকা বস্তু নহয়।

১১.৫ তদুপৰি আমাৰ নেতা শ্ৰী সৰ্বানন্দ সোণোৱালে নিৰৱচ্ছিন্নভাৱে এটি সুসংগবদ্ধ দল — 'টীম অসম' (Team Assam) গঠনৰ পোষকতা কৰি আহিছে। 'টীম অসম'ৰ দুৱাৰ প্ৰত্যেকৰ বাবেই খোলা আছে, আনকি বিৰোধী দলৰ সদস্যৰ বাবেও। এয়ে আমাৰ চৰকাৰে কৈ থকা পৰিৱৰ্তনৰ কেন্দ্ৰীয় দৰ্শন।

১১.৬ সংঘবদ্ধভাৱে হে এতিয়া গভীৰ মনন কৰাৰ সময়, এয়া কামৰ সময় আৰু ফলাফল প্ৰাপ্তিৰ সময়। এই সময়ত জনতাৰ জীৱনলৈ যোগাত্মক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত আমি কিছুমান অতীব প্ৰয়োজনীয় আৰু সাহসী পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হ'ব। যাত্ৰাৰ আৰম্ভণিতে আমি কলুষিত ৰাজনীতি আৰু লোকসেৱাত নিহিত দুৰ্নীতিৰ ৰক্তবীজক নিৰ্বাসন দিয়াত গুৰুত্ব প্ৰদান কৰিব খুজিছোঁ। ইয়াৰ বাবে আমাক এটা আদৰ্শ প্ৰশাসন লাগিব।

## ১২। নতুন আদৰ্শ প্ৰশাসন

আমাৰ সন্মুখত অযুত সমস্যা। কিন্তু শ্ৰী সৰ্বানন্দ সোণোৱালদেৱৰ নেতৃত্বত আমাৰ চৰকাৰে নবেল বঁটা বিজয়ী সাহিত্যিক আৰু কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সেই উক্তি অনুসৰণ কৰিব য'ত কবিগুৰুৱে কৈছে 'সমুদ্ৰ তটত কেৱল থিয় হৈ আৰু সলিল ৰাশিলৈ ৰ লাগি চাই তুমি সাগৰ পাৰ হোৱাৰ আশা নকৰিবা'। আমাক এক বিকল্প লাগে। আমি উদ্ভাৱনী শক্তিৰে, সম্পৰীক্ষা কৰি, শিকি-বুজি আৰু প্ৰতিযোগিতা কৰি, লগতে অসমৰ তিনি কোটি জনতাৰ সমৰ্থন আৰু উদগণিত সেই সাগৰ পাৰ কৰিম। আমাৰ লক্ষ্য হ'ল ৰাজ্যৰ অৰ্থনীতিক ভিতৰৰ পৰা টনকিয়াল কৰি তোলা। এক দীৰ্ঘম্যাদী ব্যৱস্থাৰে আমাৰ আভ্যন্তৰীণ ৰাজহৰ উৎসসমূহ বিকশাই তুলি আমি আত্মনিৰ্ভৰশীল হোৱা প্ৰয়োজন। ভাৰতৰ স্বৰাজৰ ৭৫ বছৰীয়া জয়ন্তীত আমাৰ ৰাজ্যই আভ্যন্তৰীণ ৰাজহৰ উৎসৰ পৰা অন্ততঃ সম্পূৰ্ণ দৰমহা আৰু অৱসৰকালীন ভাট্টা মোকলাই দিব পৰা উচিত যাতে কেন্দ্ৰৰ পৰা লাভ কৰা ধন সম্পূৰ্ণৰূপে মূলধনী ব্যয়ত খটুৱাব পৰা যায়। এই লক্ষ্যত উপনীত হ'ব পাৰিলেহে অসমৰ অৰ্থনীতিৰ এক শক্তিশালী কাঠামো গঢ় লৈ উঠিব।

সন্মানীয় অধ্যক্ষ মহোদয়, মই এই পৱিত্ৰ সদনক জনাব খোজোঁ যে

আমাৰ চৰকাৰে দুমাহতকৈ কম সময়ত হৃদয় আৰু আত্মাৰ তাগিদাত এই বাজেট প্ৰস্তুত কৰিছে। এই অনুশীলনৰ মৌলিক উদ্দেশ্য হৈছে সু-শাসনৰ বাবে যেন বাজেটখন এক অতি গুৰুত্বপূৰ্ণ সাধনত পৰিণত হয়। বাজেট মানে কেৱল আয় আৰু ব্যয় নহয়। ই কেৱল টকা-পইচাৰ হিচাপ আৰু গাণিতিক ৰাশিৰ প্ৰকাশ নহয়। বাজেট মানে উন্নয়নৰ কাৰ্যক্ৰমণিকা, যি উন্নয়নে নতুন আদৰ্শ প্ৰশাসনৰ বাবে নতুন স্তম্ভ তৈয়াৰ কৰে।

এই পৰিপ্ৰেক্ষিতত আমাৰ মিত্ৰজোঁটৰ চৰকাৰে মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত 'নতুন আদৰ্শ প্ৰশাসন' গঢ়ি তুলিবলৈ প্ৰতিজ্ঞাবদ্ধ। এই 'নতুন আদৰ্শ প্ৰশাসন'ৰ মূল উপকৰণ হৈছে নিষ্কলুষক ৰাজনীতি আৰু পৰিচ্ছন্ন লোকসেৱা। ৰাজনীতি আৰু প্ৰশাসনৰ কলুষ-কালিমাৰ সম্পূৰ্ণ বিপৰীতে এই 'নতুন আদৰ্শ প্ৰশাসন'ৰ মূল চাৰিটা স্তম্ভ হ'ব (১) ব্যক্তি জীৱনৰ সততা (২) ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ (৩) প্ৰশাসনিক ন্যায্যতা আৰু (৪) জন অংশীদাৰিত্ব। সেয়ে এই চাৰি মূলমন্ত্ৰৰে আমাৰ এইবাৰৰ বাজেট প্ৰস্তুত কৰা হৈছে।

বহু আকাংক্ষিত এই 'নতুন আদৰ্শ প্ৰশাসন'ৰ চাৰি মূলমন্ত্ৰ গ্ৰহণ কৰা হৈছে পণ্ডিত দীন দয়াল উপাধ্যায়ৰ জীৱনাদৰ্শৰ পৰা। তেখেতে আগবঢ়োৱা **'একাত্ম মানৱতাবাদ'**ৰ ধাৰণাই হৈছে আমাৰ প্ৰশাসনৰ মূল ভেটি। **'একাত্ম মানৱতাবাদ' ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰা আধাৰিত এটি বিশিষ্ট দৰ্শন। বিকেন্দ্ৰীকৰণ আৰু ব্যক্তিসত্বাৰ অৰ্থনৈতিক বিকাশৰ পোষকতা কৰাৰ বাবে 'একাত্ম মানৱতাবাদ' এক অতি মৰ্যাদা সম্পন্ন দৰ্শনৰূপে পৰিগণিত হৈছে।** পণ্ডিত দীন দয়াল উপাধ্যায় আমাৰ প্ৰেৰণাৰ উৎস। দৰিদ্ৰতম জনৰ কল্যাণ তেখেতৰ সমগ্ৰ চিন্তা জগতৰ মুখ্যতম বিষয় আছিল। **দৰিদ্ৰ নাৰায়ণৰ সেৱা আৰু ৰাষ্ট্ৰৰ কল্যাণৰ বাবে কেনেদৰে একোটা জীৱন সমৰ্পিত হ'ব পাৰে সেই উদাহৰণ পণ্ডিত দীন দয়াল উপাধ্যায়। ৰাজনৈতিক সংগঠক হিচাপে তেখেত এজন কিংবদন্তী উদাহৰণ।** ক্ষমতাৰ মায়াময় আহ্বানক আওকান কৰি তেখেতে কেৱল কাম কৰিছিল নিঃস্বাৰ্থভাৱে।

'ব্যক্তি জীৱনৰ সততা' নিশ্চিতকৰণৰ বাবে এই বাজেটত এনে এক ব্যৱস্থা

আৰু কাৰ্য প্ৰণালীৰ প্ৰয়োগৰ চেষ্টা কৰা হৈছে যাতে আৰু প্ৰশাসনিক ব্যৱস্থা আৰু আনকি সমাজৰ পৰাই দুৰ্নীতি পুলিয়ে পোখাই নিৰ্মূল কৰা হয়। এই বিষয়ে মোৰ ভাষণৰ পৰৱৰ্তী অংশত বহলাই ব্যাখ্যা কৰিম।

'ৰাজনৈতিক অন্তৰ্ভূক্তিকৰণ' সন্দৰ্ভত বাজেটৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ আৰু অংশৰে অন্তৰ্ভূক্তিকৰণ চেষ্টা চলোৱা হৈছে। এই ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য কৰি লোৱা হৈছে উপান্ত আৰু সংকটাপন্ন শ্ৰেণীৰ লোকসকলক। সামাজিক নিৰাপত্তাৰ এক বেহু গঢ়ি তোলা হৈছে আৰু ৰাজ সাহায্য মুক্ত কিন্তু এক মানৱীয় হৃদয়ৱান এখন চৰকাৰৰ প্ৰতিষ্ঠা কৰা হৈছে। 'সংপৃক্তি' হৈছে আমাৰ আদৰ্শ। ইয়াৰ অৰ্থ হৈছে জাতি-ধৰ্ম-বৰ্ণ তথা ৰাজনৈতিক আদৰ্শ নিৰ্বিশেষে প্ৰতিজন দীন দৰিদ্ৰকে চৰকাৰে আঁচনিৰ অন্তৰ্ভুক্ত কৰি ল'ব।

তৃতীয়তে, প্ৰশাসনিক ন্যায্যতা প্ৰদানৰ উদ্দেশ্যে এটি প্ৰশাসনিক দৰ্শন আৰু প্ৰতিষ্ঠানিক ব্যৱস্থা প্ৰৱৰ্তনৰ দিহা কৰা হৈছে যাৰ দ্বাৰা আইন প্ৰণয়নৰ ক্ষেত্ৰত আহি পৰা সকলোবোৰ সুৰুঙা বন্ধ কৰিব পৰা যায়। এই ব্যৱস্থাই জনসাধাৰণ আৰু আইন বলবৎকাৰী সংস্থা, যেনে — আৰক্ষী, কৰ সংগ্ৰহকাৰী কৰ্তৃপক্ষ আদিৰ মাজত সু-সম্পৰ্ক স্থাপন কৰাত সহায় কৰিব। নিজে সৎ আৰু দুৰ্নীতিমুক্ত নোহোৱাকৈ আমি কাৰো পৰাই ন্যায্যতা দাবী কৰিব নোৱাৰোঁ।

চতুৰ্থতে, আমি অতি গভীৰভাৱে অনুভৱ কৰোঁ যে ৰাজ্যখনৰ নাগৰিকসকলেই আমাৰ প্ৰশাসনৰ মধ্যবিন্দু। আমাৰ চৰকাৰৰ প্ৰতিখন আঁচনিয়েই হ'ব নাগৰিকৰ উদ্দেশ্যে আৰু প্ৰতিজন নাগৰিককেই প্ৰশাসনৰ একো একোজন হিতধাৰক (Stakeholder) ৰূপে পৰিগণিত হ'ব। এনেদৰে এই চতুৰ্থস্তম্ভৰেই আমাৰ চৰকাৰৰ সৌধ নিৰ্মাণ হ'ব।

বহনক্ষম উন্নয়নৰ লক্ষ্যৰাজি (Sustainable Development Goals – SDG) হৈছে অৰ্থনৈতিক উন্নয়ন, ঔদ্যোগিক উন্নয়ন, আন্তঃগাঁথনি আৰু শক্তিৰ উপলব্ধতাৰ জৰিয়তে বহনক্ষম বিকাশ সাধনৰ এক ৰূপৰেখা। আমাৰ চৰকাৰে এই লক্ষ্যৰাজিৰ গুৰুত্ব উপলব্ধি কৰে আৰু সেই লক্ষ্যৰাজিত উপনীত হোৱাৰ

বাবে চেষ্টাৰ ত্ৰুটি নকৰে। সকলো পৰ্যায়ত দৰিদ্ৰতা নিৰ্মূলকৰণ আমাৰ চৰকাৰৰ সৰ্বোচ্চ প্ৰাথমিকতা। 'সবকা সাথ, সবকা বিকাশ' এই নীতিতেই দৰিদ্ৰতাৰ বিৰুদ্ধে আমাৰ অংগীকাৰৰ কথা প্ৰতিফলিত হৈছে।

'আজি ভাৰতবৰ্ষৰ উন্নয়নৰ অধিকাংশ কাৰ্যসূচীয়েই বহনক্ষম উন্নয়নৰ লক্ষ্যত (SDG) প্ৰতিফলিত হৈছে।' ২০১৫ চনৰ ২৫ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত বহনক্ষম উন্নয়নৰ শীৰ্ষ বৈঠকত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই এইদৰে কৈ বহনক্ষম উন্নয়নৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক ঘোষণা কৰি থৈছে। এই ঘোষণাৰ সৈতে আমাৰ পৰিকল্পনা আৰু বাজেট প্ৰস্তুতি প্ৰক্ৰিয়াৰ সামঞ্জস্য থকা বাঞ্ছনীয়।

১৩। **নতুন আদৰ্শ প্ৰশাসনৰ প্ৰথম বছৰ ঃ ২০১৬-১৭**

বিগত কালত বাজেটৰ প্ৰয়োজনীয় পুঁজি আহৰণত যে যথোচিত গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল মই সেই বিষয়ে আপোনালোকৰ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ। পূৰ্বৰ পৰম্পৰা ভংগ কৰি আমাৰ ৰাজ্যই ৰাজহ সংগ্ৰহৰ নিজা উৎসৰ বিকাশ ঘটোৱাটো এই চৰকাৰে বিচাৰে। এই পৱিত্ৰ সদনত বিত্ত বিভাগৰ শ্বেতপত্ৰ দাখিল কৰি মই উল্লেখ কৰিছিলোঁ যে বৃটিছৰ শাসন কালত আমাৰ ৰাজ্যখনে ৰাজহ আহৰণত আগশাৰীত অৱস্থান কৰিছিল। স্বৰাজৰ সময়ত এই ৰাজ্য আছিল দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজহ আহৰণকাৰী ৰাজ্যৰ মাজত এখন।

আনকি ১৯৫০-৫১ চনত ৰাজ্যৰ জনমূৰি আয় সৰ্বভাৰতীয় হাৰতকৈ ৪ শতাংশ অধিক আছিল (উৎস পৰিকল্পনা আয়োগ, ২০০২)। স্বৰাজোত্তৰ ৬৮ বছৰৰ পিছত অসম এতিয়া চতুৰ্থ দৰিদ্ৰতম ৰাজ্য। ৰাজ্যৰ সকলো সামাজিক আৰু অৰ্থনৈতিক সূচকাংকই নিৰাশাজনক আৰু এইবোৰে ৰাজ্যখনক তললৈ আৰু তললৈ অৱনমিত কৰি নি আছে।

আমি এই নতুন আদৰ্শ প্ৰশাসন দৈনন্দিন প্ৰশাসনিক কাৰ্যৰ প্ৰতিটো দিশতে প্ৰয়োগ কৰিম। সেই অনুযায়ী আমাৰ চৰকাৰে ৰাজহ সংগ্ৰহৰ হাৰ বৃদ্ধিৰ বাবে

মিছনৰ ৰূপত এনে এলানি কৰ্মসূচী ইতিমধ্যে আৰম্ভ কৰিছে যাক কোৱা হৈছে ReSTART (Restructuring Systems and Technology for Augmentation of Resources for Transformed Assam — ৰূপান্তৰিত অসমৰ উদ্দেশ্যে সম্পদ বৰ্ধনৰ বাবে প্ৰণালী আৰু তথ্যৰ পুনৰ নিৰ্মাণ)। এই কৰ্মসূচীৰ শীৰ্ষ নেতৃত্বত আছে আমাৰ মুখ্যমন্ত্ৰী আৰু মই বিত্তমন্ত্ৰী হিচাপে কাৰ্যকৰী সমিতিৰ দায়িত্ববাহী হিচাপে আছোঁ। যোৱা মাহৰ ৰাজহ সংগ্ৰহৰ ফলাফলৰ পৰাই স্পষ্ট হৈছে যে এই ব্যৱস্থা এক ফলপ্ৰসূ ব্যৱস্থাৰূপে উদ্ভাসিত হ'ব।

আমাৰ চৰকাৰে বহিসাহাৰ্য্যৰে পৰিচালিত ১৮ টাকৈ প্ৰকল্পৰ উপৰি অভ্যন্তৰীণ জল পৰিবহন, পৰ্যটন, স্মাৰ্ট চিটি, চহৰ উন্নয়ন, ব্ৰহ্মপুত্ৰ নদ উন্নয়ন, জিলা ঘাইপথ আদি বিভিন্ন প্ৰকল্পৰ ৰূপায়ণৰ বাবে পুঁজি আহৰণ কৰিবলৈ এচিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেন্ট বেঙ্ক, নিউ ডেভেল'পমেণ্ট বেংক (ব্ৰিকছ) ইত্যাদিৰ কাষ চাপিব।

আপোনালোকে জানে যে ভাৰত চৰকাৰে ইতিমধ্যে ৰাজহুৱা খণ্ডৰ তৈল কোম্পানীসমূহক অসমে পাবলগীয়া ১,৪৮০.০০ কোটি টকা তেলৰ ৰয়েল্টি মোকলাই দিবলৈ নিৰ্দেশ দিছে। মই সন্মানীয় সদস্যসকলক এই কথা জনাবলৈ পাই সুখী হৈছোঁ যে ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা পাবলগীয়া ধনৰাশি অহা কেইমাহমানতে আমি আদায় পাম। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপৰ বাবে আমি চৰকাৰৰ তৰফৰ পৰা মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ মাননীয় ৰাজ্যিক মন্ত্ৰী শ্ৰী ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই জনাবলৈ পাই সুখী হৈছোঁ যে প্ৰস্তাৱিত পৰিকল্পনাসমূহৰ দিশত অগ্ৰসৰ হৈ আমি প্ৰথমবাৰৰ বাবে দুটা খণ্ডৰ বাজেট দাখিল কৰিবলৈ ওলাইছোঁ। বৰ্তমান মই পঢ়ি থকা এইটো বাজেটৰ প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ডত থাকিব আভ্যন্তৰীণ ৰাজহ বৃদ্ধিৰ প্ৰস্তাৱেৰে কৰ আৰু অনাকৰৰ প্ৰস্তাৱৰাজি — যাতে বাজেটৰ প্ৰয়োজনীয় পুঁজি আহৰণৰ ক্ষেত্ৰত বিজ্ঞানসন্মত আৰু বস্তুনিষ্ঠ প্ৰক্ৰিয়াৰে আগবাঢ়িব পাৰি।

বছৰ বছৰ জুৰি ৰাজনীতিক সকলৰ ভাষণত দৰিদ্ৰ জনতাৰ বিষয়বোৰে

ঠাই দখল কৰি আহিলেও প্ৰকৃতাৰ্থত দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত কথা আৰু কামৰ বিৰাট পাৰ্থক্য দেখা গৈছে। আমাৰ চৰকাৰে কথা আৰু কামৰ এই পাৰ্থক্য নিৰ্মূল কৰিবলৈ প্ৰচেষ্টা লৈছে। এই প্ৰচেষ্টাসমূহৰ ব্যাপ্তি আৰু মাত্ৰা বিশাল আৰু অভূতপূৰ্ব হ'লেও আমি নিশ্চিত যে অসমৰ ৰাইজৰ আশীৰ্বাদত এই প্ৰচেষ্টাৰাজি ৰূপায়িত কৰি আমি ইপ্সিত ফলাফল লাভ কৰিব পাৰিম।

১৪। **বাজেট পুনৰনিৰ্মাণ ঃ নিৰ্ণায়ক সিদ্ধান্ত আৰু বাস্তৱ অনুভৱৰ বছৰ**

দেশত পৰিকল্পনা ব্যৱস্থাৰ পৰিবৰ্তন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহে পূৰ্বৰ পৰিকল্পনা আয়োগ বা আন আন কেন্দ্ৰীয় সংস্থাৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ সলনি নিজাকৈ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ সক্ষম হৈছে। ফলস্বৰূপে আমিও এই ব্যৱস্থাৰ সৈতে সংগতি ৰাখি পৰিকল্পনা আৰু বাজেট প্ৰস্তুত প্ৰক্ৰিয়াৰ পুনৰীক্ষণ কৰাৰ প্ৰয়োজন হৈছে। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে আমাৰ চৰকাৰে পৰিকল্পনা আৰু উন্নয়ন তথা বিত্ত বিভাগক সংযুক্তিকৰণ কৰাৰ প্ৰস্তাৱ দিছে।

আগেয়ে কোৱাৰ দৰে অহা বছৰৰ পৰাই বাজেটৰ শিতান শ্ৰেণীকৰণ ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তন কৰা হ'ব। পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান বাতিল কৰি তাৰ ঠাইত ৰাজহ আৰু মূলধন শিতান অন্তৰ্ভুক্ত কৰা হ'ব। এই পৰিৱৰ্তন আৰম্ভ হৈ ৰূপান্তৰৰ এক প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ি গৈ ২০১৭-১৮ বৰ্ষত এই ৰূপান্তৰে পৰিপূৰ্ণ ৰূপ পাবগৈ।

বাজেট ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তনৰ বিষয়টো এক ব্যাপক আৰু বুনিয়াদী প্ৰক্ৰিয়া। এই বিষয়ত আমি অত্যন্ত বিজ্ঞানসন্মতভাৱে তথা প্ৰণলীবদ্ধভাৱে আগবাঢ়িব লাগিব। তৎসত্বেও সুশাসন প্ৰৱৰ্তন কৰাৰ স্বাৰ্থত আমি ইতিমধ্যে কিছু কিছু হিচাপৰ শিতানত (Heads of Account) হাত-ফুৰোৱা, উন্নীতকৰণ বা সংশোধনীকৰণৰ ব্যৱস্থা কৰিছোঁ।

প্ৰণিধানযোগ্য যে বাজেটত ধনৰ ব্যৱস্থা কৰাটো এক গুৰুত্বপূৰ্ণ বিষয়। কিন্তু ততোধিক গুৰুত্বপূৰ্ণ হ'ল যে সেই আৱণ্টিত ধন সূচলভাৱে মোকলাই অনাৰ ব্যৱস্থা কৰা আৰু খৰচৰ ক্ষেত্ৰত এক জবাবদিহিতাৰ ব্যৱস্থা কৰা। তাৰ বাবে ধন মোকলোৱাৰ ব্যৱস্থাটোত এক সংস্কাৰ অনাৰ প্ৰয়োজন, যাতে এক

পৰিচ্ছন্ন আৰু বাধাহীন ব্যৱস্থাৰ মাজেৰে আৱণ্টিত ধন মোকলাব পাৰি। এই ব্যৱস্থাটো আন একো নহয়, কেৱল শ্ৰেণীভুক্ত হিচাপৰ শিতান (Classified Heads of Account) আৰু ধন মোকলোৱাৰ এক কাৰ্যপ্ৰণালীৰ প্ৰয়োগ। আমি প্ৰস্তাৱ কৰা কিছুমান উল্লেখনীয় পৰিৱৰ্তনৰ বিষয়ে মই ইয়াত উদাহৰণ দাঙি ধৰিব খোজোঁ।

যোৱা বছৰলৈকে গড়কাপ্তানি বিভাগত পথ মেৰামতিৰ নামত বাজেটৰ ১১টা শিতানত ধনৰ ব্যৱস্থা ৰখা হৈছিল। ইয়াৰ কাৰণ কি আছিল সেই ব্যাখ্যা মই কৰিব খোজা নাই। কিন্তু ফলস্বৰূপে গড়কাপ্তানি বিভাগে ১১টা শিতানতেই ধন মোকলোৱাৰ প্ৰক্ৰিয়া আগবঢ়াব লগাত পৰিছিল। এতিয়া এই বছৰ এই ১১টা শিতানক সংযুক্তিকৰণ কৰি তিনিটা শিতানলৈ কমাই অনা হ'ল আৰু অহা বছৰলৈ ইয়াক দুটালৈ কমাই অনা হ'ব। এই সংস্কাৰৰ সৈতে আন এটা যোগাত্মক দিশ সংযোজিত কৰা হৈছে আৰু সেয়া হৈছে পথ মেৰামতিৰ নামত ধনৰ আৱণ্টন বিগত বৰ্ষৰ প্ৰায় ৩০০ কোটি টকাৰ বিপৰীতে এই বছৰ ৬০০ কোটি টকালৈ বঢ়াবলৈ প্ৰস্তাৱ ৰখা হৈছে। ইয়াৰে ৫৩৫ কোটি টকা সহায়ক অনুদানৰূপে (Grants-in-Aid) অসম পথ ৰক্ষণ পুঁজি (Assam Road Maintenance fund) লৈ আগবঢ়োৱা হ'ব। ইয়াৰ পৰাই বুজা গৈছে যে একোটা কামৰ ফাইল টেবুলে টেবুলে গৈ বিত্ত বিভাগলৈকে যোৱাৰ কোনো প্ৰয়োজন নাই। তদুপৰি আমি এই প্ৰস্তাৱো ৰাখিছোঁ যে অন্ততঃ ৭০ৰ পৰা ৮০ শতাংশ পথ এনে এক ঠিকাভিত্তিক ব্যৱস্থাৰ অধীনলৈ অনা হওঁক যাতে অহা পাঁচ বছৰৰ বাবে এক মিতব্যয়ী আৰু কাৰ্যকুশল ব্যৱস্থাৰে আমি পথ মেৰামতি কৰাব পাৰোঁ

বাজেট শিতানৰ প্ৰস্তাৱিত শ্ৰেণী বিভাজন আৰু বাজেটৰ সংস্কাৰৰ প্ৰক্ৰিয়া অহা বছৰ সম্পূৰ্ণ কৰি তোলাৰ আশা কৰিছোঁ। আশা কৰা হৈছে এই ব্যৱস্থাৰ জৰিয়তে বাজেটৰ শিতানসমূহতে আমি উন্নয়নমূলক আৰু অনা উন্নয়নমূলক ব্যয়ৰ প্ৰকৃত প্ৰতিফলন দেখিবলৈ পাম।

বাজেটৰ হিচাপ প্ৰণালীত আৰু কিছু পৰিৱৰ্তন আনিবলৈকো মই প্ৰস্তাৱ দিছোঁ। এই পৰিৱৰ্তনবোৰে হিচাপৰ শিতানবোৰলৈ অধিক স্বচ্ছতা আনিব আৰু

কৰ্মক্ষেত্ৰত কি ঘটি আছে তাৰ এক স্পষ্ট ছবি বাজেটখনে দাঙি ধৰিব।

১৪.৮ সন্মানীয় অধ্যক্ষ মহোদয়, মই পৱিত্ৰ সদনক জনাব খোজোঁ যে আমাৰ চৰকাৰে এই দিশত ইতিমধ্যে কিছু কাম আৰম্ভ কৰিছে। তিনিজনীয়া পুনৰীক্ষণ সমিতিয়ে পৰিকল্পনা আৰু বাজেটৰ সংস্কাৰৰ বাবে তেওঁলোকৰ প্ৰতিবেদনত প্ৰথম খণ্ডত উল্লেখ কৰা অনুসৰি কিছু প্ৰণালীবদ্ধ সংস্কাৰৰ কাম চৰকাৰী বিভাগসমূহৰ সৈতে আলোচনা কৰি কৰা হৈছে। এই প্ৰতিবেদনৰ ভিত্তিত পৰিকল্পনা আৰু বাজেটৰ প্ৰণালীবদ্ধ সংস্কাৰৰ বাবে দুটা প্ৰশস্ত ক্ষেত্ৰ চিনাক্ত কৰা হৈছে।

প্ৰথমে আছে বছৰৰ পাছত বছৰ ধৰি চৰকাৰে ঘোষণা কৰা অসংখ্য আঁচনিৰ কথা। সেইবোৰৰ বেছিভাগেই ঘোষণা কৰা হয় সদনৰ বাহিৰত, নতুন বছৰৰ উপলক্ষে, স্বাধীনতা দিৱসৰ উপলক্ষে অথবা গণতন্ত্ৰ দিৱসৰ উপলক্ষে। এই আঁচনিবোৰৰ অধিকাংশই ব্যক্তিগত হিতাধিকাৰীৰ লাভালাভৰ বাবে ঘোষিত আঁচনি। ৰাজ্যখনৰ বিকাশ ত্বৰান্বিতকৰণ, ন্যায্যতা নিশ্চিতকৰণ অথবা নিয়োজন কোনোটো ক্ষেত্ৰতে এই আঁচনিবোৰৰ কোনো অৱিহণা দেখা নাযায়। এতিয়া এইবোৰৰ পুনৰীক্ষণ কৰি এক নিৰ্ণায়ক পদক্ষেপ লোৱা প্ৰয়োজন। বিকাশমুখী আঁচনিসমূহ পুনৰুজ্জীৱিত কৰি তোলা প্ৰয়োজন যাতে এই সমূহত ব্যৱহাৰ হোৱা প্ৰতিটো টকাৰ বিপৰীতে কেইবাগুণো বিকাশ সাধন কৰিব পৰা যায়।

দ্বিতীয়তে, অসংখ্য আৰু একেধৰণৰ আঁচনিৰ আধিক্যই তথা বিভিন্নধৰণৰ ৰাজ সাহায্যৰ ঘোষণাই বছৰৰ পাছত বছৰ জুৰি বাধ্যতামূলক আৰ্থিক দায়বদ্ধতাৰ (Committed Liability) সৃষ্টি কৰি ৰাজকোষৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আহিছে।

এই পৰিপ্ৰেক্ষিতত মই বৰ্তমানৰ বাজেটত শুদ্ধ বিবেচিত হোৱা আৰু আইনসংগত বাধ্যতামূলক আৰ্থিক দায়সমূহৰ বাহিৰে বাকীবোৰ অন্তৰ্ভুক্ত নকৰাৰ প্ৰস্তাৱ ৰাখিছোঁ। তদুপৰি মই এখন তিনিজনীয়া আয়োগৰ জৰিয়তে চৰকাৰৰ হাতলৈ অহা বাধ্যতামূলক আৰ্থিক দায়দ্ধতাৰ সকলোবোৰ প্ৰস্তাৱ পৰীক্ষা কৰি সত্যাসত্য নিৰূপণ কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ। যাতে ন্যায়সংগত প্ৰস্তাৱসমূহহে

বিবেচনাৰ অধীনলৈ আনি পৰিপূৰক অথবা বাৰ্ষিক বাজেটৰ জৰিয়তে পৰিশোধ কৰিব পৰা যায়।

আমাৰ চৰকাৰে শক্তিখণ্ডৰ হিচাপ ৰক্ষণৰ বাবেও সক্ৰিয়ভাৱে চিন্তাচৰ্চা কৰি আছে। দীৰ্ঘ সময় ধৰি শক্তি খণ্ডৰ আৰ্থিক দায় (Liability) দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈ আহিছে। শক্তি বিভাগক হিতাধিকাৰীৰ প্ৰাপ্য ৰাজ সাহায্য পোনে পোনে হিতাধিকাৰীৰ বেংকৰ খাতাত প্ৰত্যক্ষ লাভ হস্তান্তৰ (Direct Benefit Transfer - DBT) ব্যৱস্থাযোগে জমা দিবলৈ পৰামৰ্শ দিয়া হৈছিল। মই আশা কৰোঁ এই বিষয়ত কিছু যোগাত্মক ফল আমি লাভ কৰিম।

কৰ্মচাৰীৰ সময় নিৰ্ধাৰিত বেতন পৰিশোধ কৰাটো আমাৰ চৰকাৰৰ এক নৈতিক দায়িত্ব। বাজেটৰ কিছু প্ৰক্ৰিয়াগত আসোঁৱাহৰ বাবে কৰ্মচাৰী সমাজৰ কিছু কেজুৱেল কৰ্মচাৰী (Casual Employee) ক্ষতিগ্ৰস্ত হৈ আহিছে। কেজুৱেল কৰ্মচাৰীৰ ভাট্টাৰ ক্ষেত্ৰত এই আসোঁৱাহ আছে। মই বিনা দ্বিধাই ক'ব খোজোঁ বিগত চৰকাৰে ২০১৫-১৬ বৰ্ষত এই আসোঁৱাহৰ আংশিক সংশোধন কৰিছিল। বহু বিভাগত বিশেষকৈ ১৯৯৪ চনত নিষিদ্ধ কৰাৰ পৰৱৰ্তী কালত এনে কৰ্মচাৰীসকলৰ ভাট্টা 'কাৰ্যালয় আৰু সংৰক্ষণ' (O&M) শিতান অথবা 'অন্যান্য' শিতানৰ পৰা ব্যয় কৰা হৈ আছে। ইয়াৰ ফলস্বৰূপে প্ৰথমতে, ভাট্টাসমূহ অনিয়মীয়া হয় আৰু এয়া এক নৈতিকতাৰ প্ৰশ্ন হৈ ধৰা দিয়ে। দ্বিতীয়তে,ইয়াৰ ফলত ভাট্টাৰ নামত হোৱা খৰচৰ প্ৰকৃত তথ্য চৰকাৰৰ হাতত নাথাকে। তৃতীয়তে, এনে কাৰ্যই আমাৰ চৰকাৰী কাৰ্যালয় ভৱনৰ সংৰক্ষণৰ বাবে নিৰ্ধাৰিত পুঁজি হ্ৰাস কৰি পেলায়।

বৰ্তমানৰ বাজেটত এই বিষয়টো নিষ্পত্তি কৰিব খোজা হৈছে আৰু বিত্ত বিভাগে ভাট্টা মোকলাই দিয়াৰ সময়ত প্ৰয়োজনীয় চিলিং নিৰ্ধাৰণৰ ব্যৱস্থা (FOC) বাতিল কৰিবলৈ প্ৰস্তাৱ দিছে।

তদুপৰি মই পৰিকল্পনা শিতানৰ প্ৰায় ৪৫০ কোটি টকাৰ দৰমহা আৰু ভাট্টাক পৰিকল্পনা বহিৰ্ভূত শিতানলৈ অনাৰ ঘোষণা কৰিছোঁ যাতে এই দৰমহা আৰু ভাট্টাসমূহ সময়মতে মোকলাই দিয়াত কোনো সমস্যা নহয়। এতিয়াৰ

পৰা অসম চৰকাৰৰ প্ৰায় সকলোবোৰ কৰ্মচাৰীয়ে তেওঁলোকৰ দৰমহা আৰু ভাট্টা পৰিকল্পনা বহিৰ্ভূত শিতানৰ পৰা লাভ কৰিব যাৰ ফলত তেওঁলোকৰ দৰমহা আৰু ভাট্টা মুকলি কৰি দিয়াত কোনো অসুবিধা নহ'ব। মই ভাবো ইয়াৰ ফলত জনসাধাৰণৰ সেৱাত সৰ্বান্তকৰণেৰে আত্মনিয়োগ কৰিবলৈ কৰ্মচাৰীসকলে উৎসাহ পাব।

সামগ্ৰী ক্ৰয় প্ৰক্ৰিয়াটোত স্বচ্ছতা আৰু গুণাগুন নিশ্চিত কৰাৰ স্বাৰ্থত ৰাজ্যখনত ক্ৰয় নীতিৰ (Procurement Policy) আমূল সংস্কাৰৰ প্ৰয়োজন আছে। চৰকাৰী প্ৰয়োজনত ক্ৰয় কৰিব লগা সামগ্ৰী অথবা সেৱাৰ বিনিময়ত যোগানদাৰক সময় নিৰ্দিষ্ট ধন পৰিশোধ কৰাটো এক প্ৰয়োজনীয় কথা। এই কথাবোৰ মনত ৰাখিয়েই দেখা গৈছে যে এইবোৰৰ সহজ সমাধান আছে ইলেক্ট্ৰনিক ক্ৰয় প্ৰক্ৰিয়াৰ (E-procurement) মাজত। এনে সংস্কাৰৰ স্বাৰ্থত, বিভাগসমূহৰ যিবোৰ ক্ৰয় দহ লাখ টকাৰ অধিক তেনেবোৰ ক্ৰয়ৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক ক্ৰয় ব্যৱস্থা (E-procurement) প্ৰৱৰ্তনৰ প্ৰস্তাৱ ৰখা হৈছে।

১৫। **ৰাজহুৱা ব্যয় ব্যৱস্থাপনা আৰু পৰ্যবেক্ষণ**

বিভিন্ন ধৰণৰ আৰ্থিক দায় বৃদ্ধিৰ বাবে দুৰ্বল ব্যয় আৰু বিত্তীয় ব্যৱস্থাপনাকে জগৰীয়া কৰিব পাৰি।

অধ্যক্ষ মহোদয়, আপুনি জানি আচৰিত হ'ব যে কোষাগাৰসমূহত যি কাৰ্য প্ৰণালী চলি আছে সেয়া স্বৰাজৰ পূৰ্বৰে পৰা প্ৰচলিত হৈ আছে। কোষাগাৰসমূহত প্ৰৱৰ্তিত হৈ থকা অসম কোষাগাৰ বিধিৰাজিও ১৯৩৭ চনতে প্ৰণয়ন কৰা হৈছিল। ভাৰত চৰকাৰ আইন, ১৯৩৫ ৰ আধাৰত কোষাগাৰ বিধিসমূহ প্ৰস্তুত কৰা হৈছিল। আমাৰ ব্যয় ব্যৱস্থা সম্পৰ্কে অজানা বহু কথাই উপৰিউক্ত তথ্যই আমাক জনাই দিয়ে। ইয়াৰ বিপৰীতে সমগ্ৰ দেশজুৰি ৰাজহুৱা বিত্ত ব্যৱস্থাপনাই এনে এক উচ্চতালৈ গতি কৰিলে যে আন অঞ্চলত বিত্ত প্ৰণালীটো পৰিচালিত কৰিবলৈ তথ্য প্ৰযুক্তিৰ বহুল ব্যৱহাৰ কৰা হৈছে।

ইতিমধ্যে নতুন কোষাগাৰ বিধি প্ৰণয়নৰ দিশত আমি কাম আৰম্ভ কৰিছোঁ আৰু আমি আশাবাদী যে ৰাজ্যত এক স্বচ্ছ, কাৰ্যকৰী আৰু ফলপ্ৰসূ বিত্তীয়

ব্যৱস্থাপনা ইয়াৰ জৰিয়তে নিশ্চিত কৰিব পৰা যাব।

গড়কাপ্টানি বিভাগকে আদি কৰি বিভিন্ন বিভাগে বিভিন্ন সামগ্ৰী বা সেৱাৰ ক্ৰয়মূল্য নিৰূপণ কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে বিলাতী মাটি (Cement), তীখা (Steel) আদিৰ ক্ৰয়মূল্য নিৰূপণ কৰি ঠিকাদাৰসকলৰ পৰা সেই মূল্যতহে কাম আদায় কৰা হয়। যি প্ৰক্ৰিয়া আৰু পৰম্পৰাৰে সামগ্ৰীবোৰৰ ক্ৰয়মূল্য নিৰূপণ কৰা হৈ আছে সেই বিষয়টোত চকু দিব লগা আছে।

চিলিং এনে এক শব্দ, যি শব্দ কেৱল বোধহয় অসমতেই প্ৰযোজ্য। ইয়াৰ প্ৰকৃত পৰিভাষা হ'ল 'চিলিং নিৰ্ধাৰণ' (Fixation of Ceiling)। পূৰ্বে ইয়াক বোলা হৈছিল LOC। পশুপালন বিভাগৰ এক কুখ্যাত কেলেংকাৰিৰ পাছত এই পৰিভাষা FOC লৈ পৰিৱৰ্তন কৰা হয়। ই হ'ল নগদ ধন ব্যৱস্থাপনাৰ এক সঁজুলি। আমি দেখিবলৈ পাইছোঁ যে দীৰ্ঘ সময় ধৰি এই সঁজুলিবিধ পৰিণত হৈছে এক এৰাব নোৱাৰা আপদত।

এই ব্যৱস্থাক দক্ষতৰ কৰি তোলাৰ বাবে আমি ইতিমধ্যে পদক্ষেপ লৈছোঁ। ইয়াৰ অংশ হিচাপে ২০১৬ চনৰ ১ জুলাইৰ পৰা আমি অনলাইন চিলিং দিয়াৰ ব্যৱস্থা কৰিছোঁ। দায়িত্বভাৰ লোৱাৰ মাত্ৰ ৪০ দিনৰো কম সময়ত এই কাম সম্পন্ন কৰাটোৱেই এক অভিলেখ। সময়ৰ লগে লগে এই ব্যৱস্থাটোৰ উন্নতি সাধন কৰি এনে এক পৰ্যায়লৈ নিয়া হ'ব য'ত বিভাগসমূহৰ পৰা কোনোধৰণৰ জড় নথিপত্ৰ (Physical File) বিত্ত বিভাগলৈ নিনিয়াকৈ চিলিং মোকলাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

কেন্দ্ৰীয় চৰকাৰৰ অংশ হিচাপে লাভ কৰা পুঁজিৰ ক্ষেত্ৰত বিত্ত বিভাগে প্ৰশাসনিক বিভাগক নিজাববীয়াকৈ চিলিং নিৰ্ধাৰণ (FOC) কৰি প্ৰেৰণ কৰিবৰ বাবে মই প্ৰস্তাৱ দিছোঁ। বিত্ত বিভাগে এনে চিলিঙৰ বিপৰীতে প্ৰশাসনিক বিভাগক ধন আহৰণৰ বাবে ৩০ দিন মানৰ সময় বান্ধি দিব। যদিহে প্ৰশাসনিক বিভাগে এই ধন ব্যৱহাৰ কৰিবলৈ অপাৰগ হয়, তেন্তে সংশ্লিষ্ট মন্ত্ৰীৰ যোগেদি মুখ্যমন্ত্ৰীলৈ এই সম্পৰ্কীয় কাৰণ দৰ্শাই ফাইলত টোকা দিব। মুখ্যমন্ত্ৰীয়ে সেই কাৰণত সন্তুষ্ট হ'লে বিত্ত বিভাগক ধন আহৰণৰ সময় বঢ়াই দিবলৈ নিৰ্দেশ দিব আৰু

তেনে নিৰ্দেশ পালে বিত্ত বিভাগে চিলিঙৰ ম্যাদ বঢ়াই দিব।

জনতাৰ সৈতে বিত্ত বিভাগৰ যোগাযোগৰ এটা মাধ্যম হ'ল ৰাজ্যৰ কোষাগাৰসমূহ। কোষাগাৰত জনতাৰ বিল অনুমোদন কৰোঁৱাৰ সময়ত যিবোৰ অভিশাপ জড়িত হৈ থাকে সেই বিষয়ে আমি সকলোৱে জ্ঞাত। কোষাগাৰ ব্যৱস্থাত স্বয়ংক্রিয়তা প্রয়োগ কৰি ভিৰ হ্রাস কৰাৰ বাবে আৰু জনতাৰ সৈতে কোষাগাৰৰ প্রত্যক্ষ যোগাযোগ যিমানখিনি পৰা যায় কমাই আনিবলৈ আমি চেষ্টা চলাই আছোঁ। যিবোৰ স্থানত যথেষ্টসংখ্যক আহৰণ আৰু বিতৰণ প্রাধিকাৰী (DDO)ৰ কাৰ্যালয় আছে, তেনেবোৰ স্থানত অনাগত কিছু সময়ত কোষাগাৰৰ সংখ্যা বঢ়াই এই সমস্যা সমাধান কৰা হ'ব।

এই পৰিপ্রেক্ষিতত অহা পাঁচ বছৰত পৰ্যায়ক্রমে বিভিন্ন উন্নয়ন খণ্ডত ২৫ টাকৈ নতুন উপ-কোষাগাৰ স্থাপন কৰাৰ বাবে মই প্রস্তাৱ দিছোঁ। প্রস্তাৱিত উপ-কোষাগাৰকেইটা হ'ল — ৰহা, সৰভোগ, টীয়ক, শুৱালকুছি, ঢেকীয়াজুলি, বৰজেলেঙা, সোণাপুৰ, ছিপাঝাৰ, সোণাই, দুধনৈ, চাবুৱা, আমগুৰি, চিলাপথাৰ, মুছলপুৰ, নাওবৈচা, ভূৰবন্ধা, কমলপুৰ, মাজবাট, ডুমডুমা, গোলকগঞ্জ, পাটাছাৰকুছি, মৰাণ, জামগুৰি, কাজলগাঁও আৰু মানিকপুৰ।

ইয়াৰ অতিৰিক্তভাৱে ২০১৬ চনৰ ২৪ জুনত কাছাৰ জিলাৰ লক্ষীপুৰ মহকুমাত এটা নতুন উপ-কোষাগাৰৰ জাননী জাৰি কৰা হৈছে। উক্ত উপ-কোষাগাৰৰ মুখ্য কাৰ্যালয় থাকিব লক্ষীপুৰত আৰু ২০১৬ চনৰ ১ অক্টোবৰৰ পৰা এই উপ-কোষাগাৰে সেৱা আৰম্ভ কৰিব।

তদুপৰি, কোষাগাৰসমূহৰ নিৰাপত্তা আৰু সতৰ্কতা বৃদ্ধি কৰাৰ বাবে সকলোবোৰ কোষাগাৰ আৰু উপ-কোষাগাৰত পৰ্যায়ক্রমে চিচিটিভি (CCTV) স্থাপন কৰিবৰ বাবে মই প্রস্তাৱ দিছোঁ। আৰম্ভণিতে কামৰূপ (মহানগৰ), দিছপুৰ আৰু নিউ গুৱাহাটী কোষাগাৰত এই চিচিটিভি (CCTV) সংস্থাপন কৰা হ'ব। এই ব্যৱস্থাৰ বাবে মই চলিত বৰ্ষৰ বাজেটত এক কোটি টকাৰ প্রস্তাৱ দিছোঁ।

সন্মানীয় অধ্যক্ষ মহোদয়, আপুনি জানিবলৈ পাই সুখী হ'ব যে অহা মাহৰ পৰাই বিলৰ ধন মোকলোৱা স্থিতি সম্পৰ্কে আহৰণ আৰু বিতৰণ প্রাধিকাৰী

(DDO) আৰু ধন পৰিশোধ কৰা ব্যক্তিগৰাকীক এছ্ এম এছ্ আৰু ই-মেইল যোগে জনাই দিয়াৰ ব্যৱস্থা কৰা হ'ব। অগ্ৰাহ্য কৰা বিলৰ ক্ষেত্ৰতো অগ্ৰাহ্যৰ কাৰণ একে প্ৰক্ৰিয়াৰে জনাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

ইয়াৰ উপৰি আমি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সৈতেও যোগাযোগ চলাই আছোঁ যাতে ৰাজ্যৰ ৰাজহুৱা ব্যয় ব্যৱস্থাটোক ৰিজাৰ্ভ বেংকৰ ই-কুবেৰ (E-kuber) ব্যৱস্থাৰ সৈতে জড়িত কৰিব পাৰোঁ। ইয়াকে কৰিব পাৰিলে বিল আৰু স্ক্ৰল (Scroll)ৰ নিকাশ (Clearance) ইলেক্ট্ৰনিক মাধ্যমেৰে সম্পন্ন কৰিব পৰা যাব। এই ব্যৱস্থাৰ অন্য এক সুফল হ'ল কোষাগাৰসমূহে প্ৰস্তুত কৰি মহাগাণনিকৰ কাৰ্যালয়ত দাখিল কৰিব লগা মাহেকীয়া হিচাপ স্বয়ংক্ৰিয়ভাৱে দাখিল কৰা হ'ব।

অধ্যক্ষ মহোদয়, আপুনি জানিবলৈ পাই সুখী হ'ব যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশমৰ্মে বিত্ত বিভাগত ফাইল অনুসৰণ কৰাৰ এক ইলেক্ট্ৰনিক ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ বাবেও পদক্ষেপ লোৱা হৈছে। এনে ব্যৱস্থা প্ৰৱৰ্তন হ'লে ফাইল একোটাৰ স্থিতি জানিব পৰাৰ লগতে প্ৰতীক্ষাৰ সময় হ্ৰাস কৰিব পৰা যাব। অতি সোনকালে বিত্ত বিভাগত এই ব্যৱস্থা ৰূপায়ণ কৰিব পৰা যাব আৰু সেয়া হ'লে বিত্তীয় প্ৰস্তাৱসমূহ মোকলাই দিয়াত বিভাগটোৰে এটা যোগাত্মক ভূমিকা পালন কৰিব পাৰিব।

ৰাজহুৱা ব্যয় ব্যৱস্থাত জবাবদিহিতা আনিবৰ বাবে এটি অভিনৱ আৰু নতুন প্ৰণালী প্ৰয়োগৰ মই প্ৰস্তাৱ কৰিছোঁ। আঁচনিৰ সময়-নিৰ্দিষ্ট ৰূপায়ণেই হ'ল অৰ্থনীতিৰ মূলমন্ত্ৰ। বিলম্বই ব্যয় বৃদ্ধিত অৰিহণা যোগোৱাৰ লগে লগে কামৰ গুণাগুণো হ্ৰাস কৰে। চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত কোনো বিষয়াই এনেধৰণৰ বিলম্বৰ দ্বাৰা অবাবদত ধন ব্যয় কৰিব নোৱাৰিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ ওপৰত চকু ৰাখিবলৈ ৰাজ্যিক বিধান মণ্ডলৰ কৰ্তৃত্ব থাকিব। এনে পৰিকল্পনাৰে যথা সময়ত এখন 'অসম ৰাজহুৱা ব্যয় জবাবদিহিতা আইন' বিধানসভাত উত্থাপন কৰিবলৈ মই প্ৰস্তাৱ ৰাখিছোঁ। এই আইনে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ন্যায়সংগত সময় ধাৰ্য কৰি দিব আৰু সময়-নিৰ্দিষ্ট ৰূপায়ণত অপাৰগ হ'লে বিভাগৰ জ্যেষ্ঠতম

সচিবগৰাকী ব্যক্তিগতভাৱে বিধায়িনী সমিতিৰ ওচৰত জবাবদিহি হ'ব।

সামগ্রিকভাৱে এই কথা ক'ব পাৰি যে এক স্বচ্ছ আৰু জবাবদিহী কর্ম প্রণালী প্রয়োগ কৰি বিত্ত বিভাগে ৰাজহুৱা ব্যয় ব্যৱস্থাপনা প্রক্রিয়াটোৰ উন্নতি সাধন কৰাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্রহণ কৰিব।

## উন্নয়নৰ কার্যসূচী আৰু গুৰুত্বপূর্ণ খণ্ড, ২০১৬-১৭

**১৬. আভ্যন্তৰীণ সুৰক্ষা আৰু আৰক্ষী ব্যৱস্থা ঃ**

ৰাইজৰ স্বার্থত ত্যাগ স্বীকাৰ কৰা আৰক্ষী বাহিনীৰ লোকসকলক আমাৰ চৰকাৰৰ হৈ মই হিয়াভৰা শলাগ লৈছো। এইটো উল্লেখ কৰা নিষ্প্রয়োজন যে বহুতো সাহসী আৰক্ষী লোকে জনসাধাৰণৰ সেৱাত প্রাণ আহুতি দি শ্বহীদ হৈছিল। আৰক্ষী হৈছে চৰকাৰ এখনৰ পৰিবর্তনৰ প্রতীকস্বৰূপ। ৰাজ্যখনৰ সুৰক্ষা আৰু আৰক্ষী ব্যৱস্থাত এক আমূল পৰিৱর্তন সাধিত হৈছে। আমি যদি এই সত্যক স্বীকৃতি দিওঁ, পৰিৱর্তন আহিবই। চৰকাৰে বিশ্বাস কৰা পৰিৱর্তনৰ এই উদ্যমেৰে মই আৰক্ষী ব্যৱস্থাপনাৰ বাবে আমাৰ লক্ষ্যসমূহ আলোকপাত কৰিব বিচাৰিছো।

পৰিৱর্তনৰ বাতাবৰণে ইয়াৰ অস্তিত্বক গঢ় দিয়ে। ৰাজ্যখনত আৰক্ষী বাহিনীৰ পূর্বৰ বাতাবৰণ সন্ত্রাস প্রতিৰোধী কার্যকলাপৰ দ্বাৰা প্রভাৱিত আছিল। ই জনসাধাৰণৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক গঢ়ি তোলাত প্রতিবন্ধকতাৰ সৃষ্টি কৰিছিল। এতিয়া পৰিৱর্তনৰ সময় আহিছে। মানুহে আৰক্ষীক বন্ধুৰ দৃষ্টিৰে চোৱা উচিত আৰু মৈত্রীৰ বাবে আগবাঢ়ি অহা উচিত। ইয়াৰ বাবে এক ব্যাপক পৰিৱর্তনৰ প্রয়োজন। পৰিৱর্তিত পৰিৱেশত জনতাৰ সৈতে আৰক্ষীৰ সম্পর্ক নতুনকৈ নির্মাণৰ পোষকতাৰে আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনি আৰু আৰক্ষীৰ লোকসকলৰ মানসিকতাৰ পৰিৱর্তনৰ প্রয়োজনীয়তা আছে। আৰক্ষীসকল আৰু জনসাধাৰণৰ প্রয়োজনৰ বাবে আৱশ্যকীয় বুনিয়াদী সা-সুবিধা প্রদান অবিহনে এইটো সম্ভৱ নহয়।

**মৈত্রী (দায়িত্বশীল ভাৱমূর্তিৰ বাবে থানাসমূহৰ সর্বাংগীণ উন্নয়ন অভিযান) ঃ সম্পর্কসমূহৰ পুনৰ নির্মাণ**

১৬.৪ উপৰোক্ত পটভূমিত, এই লক্ষ্যত উপনীত হ'বৰ বাবে আমাৰ

চৰকাৰে অভিযান আকাৰত থানা ভিত্তিত সময় নিৰ্ধাৰিত পদ্ধতিৰে এক সংস্কাৰমুখী কাৰ্য্যসূচী ৰূপায়ণৰ প্ৰস্তাৱ লৈছে। ইয়াক 'মৈত্ৰী' (দায়িত্বশীল ভাৱমূৰ্তিৰ বাবে থানাসমূহৰ সৰ্বাংগীণ উন্নয়ন অভিযান) নামৰ অভিযানৰ অধীনত ৰূপায়ণ কৰা হ'ব।

এই অভিযানৰ জৰিয়তে অহা পাঁচ বছৰৰ ভিতৰত প্ৰতিখন থানাত ২ (দুই) কোটি টকা ব্যয়ৰে ৰাজ্যখনৰ ৩৪৫ খন থানাৰ সাকাৰাত্মক আন্তঃগাঁথনি, ইণ্টাৰনেট সংযোগ আৰু ছাইবাৰ ক্ৰাইম চিনাক্তকৰণৰ আৱশ্যকীয় প্ৰাথমিক আহিলাৰ উন্নয়ন সধা হ'ব।

নতুন প্ৰজন্মৰ অপৰাধসমূহ যেনে ড্ৰাগ্‌চ সেৱন, ছাইবাৰ ক্ৰাইম আদিৰ মোকাবিলা কৰিব পৰাকৈ সৌহাৰ্দ্যতা আৰু সংবেদনশীলতাৰ উৎকৰ্ষ সাধনেৰে আৰক্ষীৰ লোকৰ সামৰ্থ্য বৃদ্ধি আৰু যুৱ অপৰাধীসকলক পৰামৰ্শ দানৰ বাবে প্ৰয়োজনীয় সা-সুবিধা প্ৰদানকো এই অভিযানে সামৰি ল'ব।

চলিত বাজেটত প্ৰথম বৰ্ষৰ বাবে মই ২০ (বিশ) কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ কৰিছো আৰু অহা পাঁচ বছৰত এই অভিযানৰ লক্ষ্য বাস্তৱ কৰাৰ বাবে সহায় অব্যাহত থাকিব।

অসম হৈছে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে বৃহত্তম ৰাজ্য আৰু এই ৰাজ্যখনৰ সীমা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যকেইখনৰ লগত সংলগ্ন হৈ আছে। বিগত কেইবাটাও দশক ধৰি বিৰাজ কৰি থকা অশান্ত আভ্যন্তৰীণ নিৰাপত্তাজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিদ্ৰোহ প্ৰতিৰোধমূলক অভিযানত অসমে গধুৰ বোজা বহন কৰিব লগা হৈছে। শেহতীয়াকৈ বিদ্ৰোহাত্মক কাৰ্যকলাপ প্ৰতিৰোধমূলক অভিযানত নিৰাপত্তা বাহিনীসমূহে যথেষ্ট সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু আমাৰ চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা নতুনকৈ উদ্ভৱ হোৱা জেহাদী সন্ত্ৰাসবাদৰ প্ৰতি নিৰাপত্তা বাহিনীসমূহে গুৰুত্ব প্ৰদান কৰিব লগা হৈছে। এই জেহাদী সন্ত্ৰাসবাদ হৈছে দৰাচলতে সমগ্ৰ দেশখনৰ বাবেই এক গুৰুতৰ ভাবুকি স্বৰূপ। অসম চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে লৈছে আৰু এই সমস্যাটো মোকাবিলা কৰাৰ অৰ্থে চৰকাৰে বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্যিক সংস্থাৰ সহযোগত সৰ্বতোপ্ৰকাৰৰ প্ৰচেষ্টা হাতত লৈছে।

৩৬০০ গৰাকীতকৈ অধিক আত্মসমৰ্পণকাৰী উগ্ৰপন্থী আৰু যুদ্ধবিৰতিত থকা উগ্ৰপন্থীক উপযুক্ত পুনৰ সংস্থাপন ব্যৱস্থাৰে মূল সুঁতিলৈ ওভতাই অনা সম্পৰ্কে আমাৰ চৰকাৰ সজাগ। এই লোকসকলক নিয়োজনৰ যোগ্য কৰি গঢ়ি তুলিবলৈ উদ্যমিতাৰ দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ অৰ্থে আমাৰ চৰকাৰে সকলো প্ৰয়োজনীয় পদক্ষেপ হাতত ল'ব, যাতে এই লোকসকলক উপযুক্তভাৱে পুনৰ সংস্থাপিত কৰিব পৰা যায় আৰু তেওঁলোকে যাতে সন্মানসহকাৰে স্বাভাৱিক জীৱন যাপন কৰিব পাৰে।

মই জনাবলৈ পাই সুখী হৈছো যে ৰাজ্যিক আৰক্ষীৰ সক্ষমতা বৃদ্ধিৰ অৰ্থে চলিত বিত্তীয় বৰ্ষৰ ভিতৰত প্ৰায় ৩৯৮০ গৰাকী আৰক্ষী আৰু ৩৪৬ গৰাকী উপ-পৰিদৰ্শককে ধৰি ৪০০০ গৰাকীতকৈও অধিক আৰক্ষীৰ লোকক নিযুক্তি প্ৰদান কৰা হ'ব। ই সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণ আৰু তেওঁলোকৰ সা-সম্পত্তিৰ সুৰক্ষা দিবলৈ আমাৰ সক্ষমতাক বিশেষভাৱে শক্তিশালী কৰিব। এই উদ্দেশ্যৰ বাবে মই ৮.৯৬ কোটি টকা বাজেট আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

বৰ্ধিত পথ দুৰ্ঘটনাৰ বিষয়টোক লৈ আমি উদ্বিগ্ন আৰু যান-বাহনৰ উপযুক্ত নিয়ন্ত্ৰণৰ ওপৰত আমি অধিক গুৰুত্ব আৰোপ কৰিম। নগৰাঞ্চলৰ যান-বাহনৰ উন্নত নিয়ন্ত্ৰণৰ বাবে অসমৰ ৯৯ টা নগৰীয়া স্থানত 'ট্ৰেফিক চিগ্‌নেলৰ ব্যৱস্থা' স্থাপনৰ বাবে প্ৰকল্প গ্ৰহণ কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত গুৱাহাটী আৰু আন ১০ খন মহানগৰ আৰু নগৰ যেনে— শিলচৰ, ডিফু, ধুবুৰী, নগাঁও, লখিমপুৰ, ডিব্ৰুগড়, কোকৰাঝাৰ, তিনিচুকীয়া, যোৰহাট আৰু তেজপুৰক সামৰি লোৱা হৈছে।

প্ৰায় এবছৰৰ আগেয়ে গুৱাহাটীত অনুষ্ঠিত আৰক্ষী সঞ্চালক প্ৰধানসকলৰ সন্মিলনত প্ৰদান কৰা ভাষণত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰক্ষীক 'স্মাৰ্ট' বাহিনী হ'বলৈ, কঠোৰ আৰু সংবেদনশীল, আধুনিক আৰু গতিশীল, সজাগ আৰু জবাবদিহি, বিশ্বাসী আৰু দায়বদ্ধ, প্ৰযুক্তি জ্ঞানসম্পন্ন আৰু প্ৰশিক্ষিত হ'বলৈ আহ্বান জনাইছিল। আৰক্ষীক জনমুখী কৰাৰ লগতে আৰক্ষী থানাসমূহক সমাজৰ এক অন্যতম গুৰুত্বপূৰ্ণ অংশ হিচাপে গণ্য কৰাৰ মানসিকতা সৃষ্টিৰ

প্ৰয়াস কৰা হৈছে। এই সন্দৰ্ভত মহিলাৰ বিৰুদ্ধে সংঘটিত অৰাধ ৰোধ কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ ৬৩ খন আৰক্ষী থানাত মহিলা কোষ (ৰ'মেন চেল) স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তদুপৰি জনাসাধাৰণ আৰু আৰক্ষীৰ মাজত সু-সম্পৰ্ক স্থাপনৰ বাবে ৰাজ্যখনৰ ৩৪৭ খন থানাত নাগৰিক সমিতি গঠন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। আৰক্ষী বাহিনীক নাগৰিক হিতৈষী, নাগৰিকৰ প্ৰতি সঁহাৰিপূৰ্ণ আৰু নাগৰিক সহানুভূতিশীল হিচাপে গঢ়ি তোলাটো অসম চৰকাৰৰ অন্যতম লক্ষ্য।

দেশৰ বিভিন্ন অংশত বসবাস কৰি থকা অসমৰ লোকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ উদ্দেশ্যে এটা নতুন প্ৰকল্প গ্ৰহণ কৰা হ'ব।

১৭। **অসম চুক্তি**

১৯৮৫ চনৰ অসম চুক্তি চৰকাৰে গ্ৰহণ কৰা বহুসংখ্যক উন্নয়নমূলক তথা সুৰক্ষামূলক ব্যৱস্থাৰ আধাৰশিলাস্বৰূপ। অসম চুক্তিৰ সঠিক ৰূপায়ণ তথা ইয়াৰ প্ৰভাৱ সম্পৰ্কে নতুন ধৰণে সূক্ষ্ম বিবেচনা কৰিবলৈ বিভাগটোক পুনৰুজ্জীৱিত কৰাৰ লগতে অধিক শক্তিশালী কৰা হ'ব।

অসম আন্দোলন মাথো বিদেশীৰ আগ্ৰাসনৰ পৰা অসমকখনক বচোৱাৰ বাবে কৰা এক আন্দোলনেই নাছিল, ই আছিল দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ বাবে কৰা এক আন্দোলনো। এই আন্দোলনৰ কালচোৱাত বহুতো যুৱক-যুৱতীয়ে নিজৰ মহান মাতৃভূমিৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল। অসমৰ এই ছহিদসকলৰ ত্যাগৰ লগত কোনো আৰ্থিক অনুদান অথবা স্বীকৃতিৰেই তুলনা নহয়। সি যি কি নহওক, তেওঁলোকৰ ত্যাগৰ স্বীকৃতি স্বৰূপে অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতিটো পৰিয়ালকে ৫ (পাঁচ) লাখ টকাকৈ এককালীন অনুদান আগবঢ়োৱাৰ বাবে আমি প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে এই বাজেটত মই ৩০ (ত্ৰিশ) কোটি টকা বাজেট আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

এই ছহিদসকলৰ প্ৰতি সন্মান জনাই এক স্মাৰক আৰু উদ্যান নিৰ্মাণৰ বাবেও আমি সিদ্ধান্ত লৈছো। এই স্মাৰক 'ছহিদ ক্ষেত্ৰ' ৰূপে পৰিচিত হ'ব। ইয়াৰ বাবে প্ৰাৰম্ভিক পুঁজি হিচাপে মই ১ (এক) কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

মই এই কথাও জনাবলৈ পাই সুখী হৈছো যে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী পৰিষদে বিশ্ববিদ্যালখনৰ 'ভাৰতীয় ভাষা, সাহিত্য আৰু সংস্কৃতি অধ্যয়ন কেন্দ্ৰ' (Centre of Indian Language, Literature and Culture Studies)ত এখন অসমীয়া আসন স্থাপনত অনুমোদনৰ বাবে সিদ্ধান্ত লৈছে।

১৮। **ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণ**

চৰকাৰে এই কথা অৱগত কৰিব বিচাৰে যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে চলি থকা কাম-কাজ হৈছে অসম চৰকাৰৰ বাবে সৰ্বপ্ৰথম অগ্ৰাধিকাৰৰ বিষয়। অসমৰ মানীয় মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে এই প্ৰক্ৰিয়াৰ তদাৰক কৰি আছে। চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ তথ্য প্ৰকাশ পাব বুলি আশা কৰা হৈছে। ৰাজ্যিক বাজেটৰ পৰা ইয়াৰ বাবে ২৪৯.৩২ কোটি টকা আবণ্টনৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

আমাৰ সাংবিধানিক কৰ্তব্য আখৰে আখৰে পালন কৰাৰ বাবে ৰাজ্যখনৰ বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণৰ কাম-কাজৰ পদ্ধতি শক্তিশালী কৰা আৰু সহায় আগবঢ়োৱাৰ প্ৰতি মোৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিব।

১৯। **সীমান্ত**

সীমান্ত সুৰক্ষা আমাৰ চৰকাৰৰ বাবে এক অগ্ৰাধিকাৰৰ বিষয়। কিন্তু আমি জনাবলৈ পাই সুখী হৈছো যে কাঁইটীয়া তাঁৰৰ বেৰা নিৰ্মাণৰ ৯৯.৯৭ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। ২০১৬ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত বাকী থকা ০.০৩ শতাংশ (ষাঠি মিটাৰ) কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অস্থায়ীভাৱে এই এলেকাটো একশাৰীৰ কাঁইটীয়া তাঁৰৰ বেৰাৰে ছীল কৰি দিয়া হৈছে। চি.পি.ডব্লিউ.ডি আৰু আই.বি.বি.এফ.এল.ডিয়ে ইতিমধ্যে ফ্লাড লাইটিঙৰ কাম সম্পূৰ্ণ কৰি তুলিছে। ইতিমধ্যে স্থাপন কৰা ফ্লাড লাইটসমূহলৈ এপিডিচিএলৰ অধীনত বিদ্যুৎ সংযোগৰ কাম চলি আছে।

আমাৰ চৰকাৰে এইটোও সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিব যাতে এই

বেৰাসমূহৰ মান গুজৰাটৰ ভাৰত-পাকিস্তান সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰাসমূহৰ সমপৰ্যায়ৰ হয়। মাথোঁ অনুপ্ৰৱেশ ৰোধেই নহয়, নিচাযুক্ত দ্ৰব্য আৰু ড্ৰাগ্‌চ সৰবৰাহৰ ক্ষেত্ৰটো সক্ৰিয়ভাৱে ব্যৱস্থা ল'বলৈ সীমান্ত এলেকাৰ লোকসকলক সজাগ কৰিবলৈও আমি গুৰুত্ব সহকাৰে পদক্ষেপ গ্ৰহণ কৰিম।

২০। **পাৰপত্ৰ বিভাগ**

প্ৰব্ৰজন সেৱাসমূহৰ শৃংখলাবদ্ধকৰণ তথা উন্নীতকৰণৰ লক্ষ্যৰে প্ৰব্ৰজন ভিছা আৰু বিদেশী পঞ্জীয়ন তথা অনুসন্ধান ব্যৱস্থাৰ সন্দৰ্ভত আই ভি এফ আৰ টি নামৰ অভিযান আকাৰৰ এক প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পটো আৰক্ষী বিশেষ শাখাৰ মুখ্য কাৰ্যালয় আৰু গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত ইতিমধ্যে কাৰ্যক্ষম কৰা হৈছে আৰু এই প্ৰকল্পক নিয়ন্ত্ৰণ কেন্দ্ৰ জিলা হিচাপে তেজপুৰ, যোৰহাট, নগাঁও, ডিব্ৰুগড়, শিৱসাগৰ, শিলচৰ, কৰিমগঞ্জ, ডিফু, গোলাঘাট, গুৱাহাটী, দক্ষিণ শালমাৰা, বঙাইগাঁও, কামৰূপ, বাগ্‌ছা জিলাত আৰু ৰাজ্যিক নিয়ন্ত্ৰণ কেন্দ্ৰ হিচাপে কাহিলিপাৰাক কাৰ্যক্ষম কৰি তোলা হৈছে।

২১। **নিযুক্তি**

তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তিৰ বাবে যিহেতু ব্যক্তিগত মূল্যায়ন একান্ত প্ৰয়োজনীয় নহয়, সেয়ে এনে নিযুক্তিৰ ক্ষেত্ৰত মৌখিক পৰীক্ষা ব্যৱস্থা উঠাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

চৰকাৰী চাকৰিত মহিলাৰ সংৰক্ষণ ৩৫ শতাংশ পৰ্যন্ত বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰে খচৰা নীতি প্ৰস্তুত কৰিছে।

অসম আন্দোলনত নিৰ্যাতিত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰে খচৰা নীতি প্ৰস্তুত কৰিছে।

শ্ৰীতপন লাল বৰুৱা সমিতি আৰু শ্ৰীএম. পি. বেজবৰুৱা সমিতিৰ অনুমোদনাৱলী মৰ্মে সুচল, দক্ষ তথা দায়বদ্ধভাৱে কামকাজ কৰাত সহায়ক হোৱাকৈ অসম চৰকাৰে অসম লোকসেৱা আয়োগৰ সংস্কাৰৰ অৰ্থে এক নীতি প্ৰস্তুত কৰিছে।

## ২২। কাৰাগাৰ ঃ সংস্কাৰৰ প্ৰতিষ্ঠান

জন্মতে সকলো মানুহেই সমান। সকলোৰে একেই মৌলিক অধিকাৰ থাকে। এই অধিকাৰসমূহ মূলতঃ জীয়াই থকা আৰু স্বাধীনতাৰ অধিকাৰ। কিন্তু যদি কোনো ব্যক্তিয়ে সমাজৰ নীতি-নিয়ম উলংঘা কৰে, তেনে ব্যক্তিক উক্ত অধিকাৰৰ পৰা বঞ্চিত কৰি উচিৎ শাস্তি প্ৰদান কৰা হয়। সেয়েহে কাৰাগাৰসমূহ হৈছে নিয়ম ভংগকাৰীসকলক সমাজৰ মূল সুঁতিলৈ ঘূৰাই অনা সংস্কাৰমূলক প্ৰতিষ্ঠান।

আমি কাৰাগাৰসমূহৰ ফলপ্ৰসূ কাৰ্যসম্পাদনৰ অৰ্থে প্ৰয়োজনীয় আন্তঃগাঁথনিমূলক সা-সুবিধা উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিবলৈ পদক্ষেপ লৈছো। মই বিশেষভাৱে উল্লেখ কৰিব বিচাৰো যে অভয়াপুৰী জিলা কাৰাগাৰৰ কাম-কাজ চলি আছে আৰু চলিত বৰ্ষত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

কাৰাগাৰৰ কয়দীসকলে কাৰাবাসৰ পৰা মুক্ত হোৱাৰ পিছত যাতে সন্মানসহকাৰে জীৱন নিৰ্বাহ কৰিব পাৰে, তাৰ বাবে কাৰাবন্দীসকলক কাৰিকৰী প্ৰশিক্ষণ প্ৰদানৰ প্ৰচেষ্টা লোৱা হৈছে। কাৰাগাৰসমূহৰ ভিতৰত থকা উৎপাদনমূলক গোটবিলাকত কাৰাবন্দীসকলক যাৱতীয় কাৰিকৰী প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। তিনিচুকীয়া জিলা কাৰাগাৰত 'স্নাইডাৰ'(Schneider)ৰ সহযোগত 'আৰ্ট অৱ লিভিং' নামৰ বেচৰকাৰী সংস্থা এটিৰ অধীনত বৈদ্যুতিক সা-সৰঞ্জাম তথা সৌৰশক্তি পেনেলৰ মেৰামতিৰ এক প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে।

কাৰাবন্দীসকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ লগতে অবাঞ্ছিত ঘটনা ৰোধৰ অৰ্থে ৰাজ্যখনৰ আটাইকেইখন কাৰাগাৰতে চি চি টিভি সংস্থাপন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

মই প্ৰতিখন কাৰাগাৰতে সমাজকৰ্মী তথা বেচৰকাৰী সংস্থাসমূহৰ সহযোগত যোগাভ্যাস প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ লৈছো।

মই উপলব্ধি কৰিছো যে কাৰাবন্দীসকলৰ বাবে খাদ্য আৰু ঔষধ হৈছে

অতিকৈ প্ৰয়োজনীয় সামগ্ৰী। মই এই সামগ্ৰীসমূহ 'এফ অ' চি' (FOC)ৰ পৰা ৰেহাই দিবলৈ প্ৰস্তাৱ লৈছো যাতে কাৰাবন্দীসকলে গুণগত খাদ্য আৰু সময়মতে ঔষধ লাভ কৰিব পাৰে। আমি এইক্ষেত্ৰত নিৰ্দিষ্ট সময়ৰ ব্যৱধানত পুণৰীক্ষণ কৰিবলৈ কিছুমান পৰ্যবেক্ষণ ব্যৱস্থাও গ্ৰহণ কৰিম।

**২৩। গ্ৰাম্য উন্নয়ন ঃ বিকাশৰ মূল কেন্দ্ৰ হিচাপে প্ৰতিখন গাঁও**

অসম ঘাইকৈ গাঁওপ্ৰধান। অসমৰ প্ৰতিখন গাঁও ইয়াৰ শক্তিৰ ওপৰত ভিত্তি কৰি সংহত ধৰণে উন্নয়ন কৰাই হ'ল আমাৰ কৰ্তব্য। ৰাজ্যখনৰ প্ৰতিজন লোকক শক্তিশালী কৰা তথা প্ৰতিটো পৰিয়ালৰ আয় বৃদ্ধি কৰাৰ আমি প্ৰয়োজনবোধ কৰো। সমাজৰ একেবাৰে নিঃস্বজনৰ মুখতো হাঁহি বিৰিঙোৱাটোৱেই হ'ল আমাৰ চৰকাৰৰ লক্ষ্য। জাতিৰ পিতা মহাত্মা গান্ধীয়ে তেওঁৰ প্ৰগাঢ় সামাজিক চিন্তাধাৰা ব্যক্ত কৰি আমাক দিয়া তাবিজটো যদি আমি মানি চলো তেন্তে আমাৰ অভিপ্ৰায়ৰ ক্ষেত্ৰত থকা সন্দেহ আৰু বহল দৃষ্টিভংগী লোৱাৰ ক্ষেত্ৰত থকা সকলো দ্বিধাবোধ নাইকিয়া হ'ব। এই মহান পুৰুষজনালৈ আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ১৯৪৮ চনত তেওঁৰ অন্তিম লেখাসমূহৰ ভিতৰত এটা টোকা মই পাঠ কৰিব খুজিছো।

'মই তোমাক এটা তাবিজ দিম।

যেতিয়াই তোমাৰ মনত সন্দেহ জাগে অথবা অহংভাবে তোমাৰ ওপৰত প্ৰভাৱী হ'বলৈ ধৰে, তেতিয়াই এই পৰীক্ষাটো কৰি চাবা।

তুমি দেখা পোৱা অতি গৰিব আৰু দুৰ্বলতম ব্যক্তিজনৰ মুখাবয়ৱ মনত পেলোৱা, আৰু নিজকে সোধা যে যি পদক্ষেপ ল'বলৈ তুমি চিন্তা-চৰ্চা কৰিছা সেই পদক্ষেপ সেই ব্যক্তিগৰাকীৰ বাবে কিমান উপযোগী হ'ব।

ইয়াৰ দ্বাৰা তেওঁৰ কিবা লাভ হ'বনে?

ইয়াৰ দ্বাৰা কি তেওঁ নিজৰ জীৱন আৰু ভাগ্যৰ ওপৰত কিবা নিয়ন্ত্ৰণ ৰাখিব পাৰিবনে?

অন্য কথাত ইয়াৰ দ্বাৰা ক্ষুধা তথা আত্মাৰ অতৃপ্ততাত ভোগা সেই কোটি

কোটি লোকে স্বৰাজ পাবনে?

তেতিয়া তুমি গম পাবা যে তোমাৰ মনৰ সন্দেহ দূৰ হৈছে আৰু অহংভাৱ নাইকিয়া হৈছে।

মহাত্মা গান্ধীৰ এই তাবিজটোৱেই হ'ল আমাৰ চৰকাৰৰো তাবিজ। এই দিশত এই বাজেটে কাৰ্য্যসূচী নিৰ্ধাৰণ কৰিছে। সমাজৰ দৰিদ্ৰতম আৰু দুৰ্বলতম লোকসকলৰ প্ৰতিয়েই আমাৰ চৰকাৰৰ নীতিসমূহ অতি কেন্দ্ৰীভূত হ'ব যাৰ দ্বাৰা তেনে লোকসকলে নিজৰ জীৱন তথা ভাগ্য পুনৰুদ্ধাৰ কৰিব পাৰে। অন্য অৰ্থত এই ঐশ্বৰ্য্যশালী ৰাজ্যখনৰ ক্ষুধা তথা আত্মাৰ অতৃপ্ততাত ভোগা অজস্ৰ লোকৰ পৰিত্ৰাণৰ অৰ্থে আমাৰ চৰকাৰৰ প্ৰতিটো কাৰ্যই উৎসৰ্গিত হ'ব। সেয়ে আমাৰ চৰকাৰে লোৱা সকলো প্ৰচেষ্টাৰ লক্ষ্য হ'ল ৰাজ্যখনৰ অতি নিঃস্বজনৰ মুখত হাঁহি বিৰিঙোৱা। সেয়ে মই কওঁ যে আমাৰ চৰকাৰখন দুখীয়াসকলৰ বাবে। অন্ত্যোদয়া অথবা সমাজৰ অতি দুখীয়া লোকজনলৈ সেৱা আগবঢ়োৱা মহান চিন্তাবিদ পণ্ডিত দীন দয়াল উপাধ্যায়ৰ নীতিৰ দ্বাৰা চৰকাৰখন গভীৰভাৱে অনুপ্ৰাণিত।

**বৃহৎ অভিযান ঃ মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY)**

উপৰি উক্ত পটভূমিত ২০১৬-১৭ বৰ্ষৰ পৰা ৫ বছৰৰ বাবে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY) নামৰ এখন 'বৃহৎ অভিযান' হাতত লোৱাৰ প্ৰস্তাৱ কৰা হৈছে আৰু ২০২১-২২ বৰ্ষত ভাৰতৰ স্বাধীনতাৰ ৭৫তম জয়ন্তীৰ সময়ত এই অভিযানৰ ৰূপায়ণ সমাপ্ত হ'ব। ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীৰ ভৱিষ্যদৰ্শনৰ লগত সংগতি ৰাখি কৃষি আয় দুগুণ কৰাটোৱেই হ'ল ইয়াৰ প্ৰধান উদ্দেশ্য।

মই আগতে উল্লেখ কৰাৰ দৰে বিকাশৰ বৰ্তমানৰ হাৰত অসমৰ কৃষিৰ আয় দুগুণ কৰিবলৈ প্ৰায় ৮০ বছৰ লাগিব। এইক্ষেত্ৰত এই সমস্যাটো সমাধান কৰিবলৈ চৰকাৰে লোৱা সাধাৰণ পদক্ষেপেই পৰ্যাপ্ত নহ'ব। সেইবাবে কৃষি আয় দুগুণ কৰাৰ সপোনটো বাস্তৱায়িত কৰাৰ অৰ্থে কেন্দ্ৰীভূত আৰু ঐক্যবদ্ধভাৱে ৫ বছৰত সম্পূৰ্ণ গ্ৰাম্য সবলীকৰণৰ বাবে গ্ৰামাঞ্চলত ব্যাপক বিনিয়োগ কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

এয়া— (ক) পোনপটীয়া অৰ্থনৈতিক কাম-কাজ (খ) বজাৰ সম্পৰ্কীয় দিশটোক সামৰি সকলো ধৰণৰ সাহায্য আৰু (গ) সামূহিক সাহায্যত কেন্দ্ৰীভূত পদক্ষেপৰ জৰিয়তে প্ৰতিখন ৰাজহ গাঁৱক সামৰি সংপৃক্ত আৰ্হি (Saturation model)-ৰ যোগেদি এই লক্ষ্যত উপনীত হ'বলৈ বিচৰা হৈছে।

ওপৰোক্ত পদক্ষেপসমূহ নটা গুৰুত্বপূৰ্ণ বিষয়ত গ্ৰহণ কৰা হ'ব আৰু সম্পৰ্কিত উপ-অভিযানসমূহ হ'ব ঃ

(১) মীন অভিযান (২) দুগ্ধ অভিযান (৩) জৈৱিক অভিযান (৪) ভূমি ব্যৱস্থাপনা তথা সংৰক্ষণ অভিযান (৫) ৰেচম, খাদী আৰু কুটীৰ উদ্যোগ অভিযান (৬) পথ আৰু ব্ৰডবেণ্ড সংযোগ (৭) অৰ্দ্ধ-সংসাধন, সংসাধন তথা বিপণন সংযোগ (৮) "যুৱ-যোগ-ক্ৰীড়া" অভিযান (৯) ঐতিহ্যময় নামঘৰ তথা আন সমূহীয়া প্ৰতিষ্ঠান সমূহৰ সবলীকৰণৰ জৰিয়তে গ্ৰামীণ জ্ঞান কেন্দ্ৰ বিকাশৰ দ্বাৰা ই- গ্ৰাম অভিযান।

এই ক্ষেত্ৰত এখন বৃহৎ অভিযান আৰু নটা উপ-অভিযান থাকিব। এই নটা নৱৰত্ন উপ-অভিযানৰ জৰিয়তে ইয়াক ৰূপায়ণ কৰা হ'ব। কৃষি-আয় দুগুণ কৰাৰ একমাত্ৰ লক্ষ্যটোৰ সৈতে বিভিন্ন উপ-অভিযানসমূহৰ মাজত সহযোগিতা অৰ্জন কৰা হ'ব। প্ৰতিটো উপ-অভিযানৰ স্বকীয় লক্ষ্য আৰু ফলাফল থাকিব। যি সমূহ বৃহৎ অভিযানখনৰ সামগ্ৰিক লক্ষ্যসমূহক পুঞ্জীভূত তথা অভিসৰিত হ'ব। প্ৰতিটো উপ-অভিযানত সংশ্লিষ্ট সহযোগী বিভাগসমূহক এক প্ৰকল্প আৰ্হিত সম্পূৰ্ণৰূপে জড়িত কৰোৱা হ'ব। অসম চৰকাৰৰ অধীনত এখন পঞ্জীয়নভূক্ত সমিতি থাকিব। এই বৃহৎ অভিযানখন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই সমিতিখনে প্ৰধান প্ৰতিষ্ঠান হিচাপে সেৱা আগবঢ়াব। সম্পূৰ্ণ অৰ্থনৈতিক কাম-কাজৰ আৱশ্যকীয় সমিলমিল, সহযোগিতা আৰু সংযোগ স্থাপন সুনিশ্চিত কৰাৰ অৰ্থে এই সমিতিৰ অধীনত প্ৰতিটো উপ-অভিযানে কাম কৰিব।

অভিযানৰ শেষলৈ কৃষি আয় দুগুণ হোৱাটো সুনিশ্চিত কৰিবলৈ সকলো উপ-অভিযান যাতে সময়মতে ৰূপায়ন হয়, সময়মতে যাতে পুঁজি মুকলি কৰা হয় তথা সময়ে সময়ে ফলাফলবোৰ নিৰীক্ষণ আৰু মূল্যায়ন হয় তাৰ বাবে যথাস্থানত প্ৰকৃত নিৰীক্ষণ ব্যৱস্থাসহ এটা উৎসৰ্গিত প্ৰকল্প বাহিনী এই

সমিতিখনত থাকিব।

সম্ভাৱনাৰ যথাযথ জৰীপৰ পিছত বিনিয়োগৰ প্ৰধান উপাদান হ'ব মীন, দুগ্ধ আদিৰ লেখীয়া মূল অৰ্থনৈতিক কামকাজকেন্দ্ৰিক ক্ষেত্ৰসমূহ। বৰ্তমানে থকা সমূহীয়া প্ৰতিষ্ঠানসমূহ উন্নত কৰি কৃষক সকলৰ উৎপাদন সংস্থা (FPOs), যুটীয়া দায়িত্ববাহী গোট (JLGs), আত্মসহায়ক গোটসমূহৰ লেখীয়া বিভিন্ন সম্প্ৰদায় ভিত্তিক সংস্থা (CBOs) সমূহৰ জৰিয়তে সম্প্ৰদায়ক সংগঠিত কৰি পথ আৰু ব্ৰডবেণ্ড সংযোগ, বজাৰ সংযোগ, গ্ৰাম্য জ্ঞান কেন্দ্ৰৰ দৰে অন্যান্য কাম-কাজৰ যোগেদি ইয়াক সাহায্য প্ৰদান কৰা হ'ব।

অৰ্থনৈতিক কাম-কাজ গাঁওসমূহৰ বাবে সুনিৰ্দিষ্ট হ'ব আৰু পাৰ্বত্য অঞ্চলৰ দৰে স্থানসমূহে ৰবৰ, বাঁহ আৰু উদ্যানশস্য বাগিচাৰ লেখীয়া সম্ভাৱনীয়তাৰ খণ্ড সমূহত গুৰুত্ব আৰোপ কৰিব পাৰিব। সংক্ষেপতে, প্ৰত্যেক গাঁৱেই প্ৰধান অৰ্থনৈতিক কাম-কাজ নিৰ্ণয় কৰি ল'ব আৰু সেয়ে এইবোৰ নিজাববীয়াকৈ নিৰ্দ্ধাৰণকৃত হ'ব আৰু ওপৰৰ পৰা আৰোপিত নহ'ব।

এই বৃহৎ অভিযানখনৰ জৰিয়তে এক গণ আন্দোলন গঢ়ি তোলা হ'ব আৰু ৰূপায়ন প্ৰক্ৰিয়াত সম্প্ৰদায়টোৰ উদ্যম আৰু শক্তি সম্পূৰ্ণভাৱে কামত লগোৱা হ'ব যাতে সঁচা অৰ্থত অসমত সম্পূৰ্ণ গ্ৰাম্য সবলীকৰণৰ লক্ষ্যত উপনীত হ'ব পৰা যায়।

বৃহৎ আৰু গুৰুত্ব আৰোপিত পদক্ষেপ সমূহৰ দ্বাৰা উৎপাদিত গুৰুত্বপূৰ্ণ সাধাৰণ সামগ্ৰীসমূহে বজাৰ সমূহক উজ্জীৱিত কৰি তুলিব আৰু ৰাজ্যখনৰ ভিতৰত তথা বাহিৰৰ প্ৰসিদ্ধ বজাৰ সমূহৰ সংযোগ স্থাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। ইয়াৰ বাবে খণ্ড সদৰ কাৰ্য্যালয় আদিৰ দৰে যথোপযুক্ত পৰ্যায়ত সকলোধৰণৰ প্ৰয়োজনভিত্তিক সুবিধা প্ৰদান কৰা হ'ব।

অসমত ২৫,৪২৫ খন গাঁও (২০১১ চনৰ পিয়লমতে) আছে। চাৰি বছৰৰ বাবে বছৰি কমেও এক চতুৰ্থাংশ গাঁও সামৰি লোৱাৰ দ্বাৰা প্ৰতিখন ৰাজহ গাঁও এই অভিযানৰ সমাপ্তিলৈ সামৰি লোৱাটো সংপৃক্ত আৰ্হিয়ে দাবী কৰে। ইয়াৰ অৰ্থ হৈছে ২০১৭-১৮ বৰ্ষৰ পৰা ২০২১-২২ বৰ্ষলৈকে এই অভিযানত বছৰি প্ৰায় ৬,৩৫৬ খন গাঁও সামৰি লোৱাৰ প্ৰয়োজন হ'ব।

ৰাজহ গাঁৱেপ্ৰতি পৰিকল্পিত বিনিয়োগৰ পৰিমাণ হৈছে প্ৰায় ১.২০ কোটি টকা। পাঁচ বছৰত এই অভিযানৰ বাবে মুঠ প্ৰয়োজনীয় ধনৰ পৰিমাণ হৈছে ৩০,০০০ কোটি টকা। প্ৰস্তাৱিত মুঠ বিনিয়োগৰ ১০ শতাংশ ধন ভূমি, কৰ্মদিনৰ লেখীয়া সমূদায় সম্পদৰ ৰূপত খৰচ কৰা হ'ব আৰু বাকী ৯০ শতাংশ ধন আহিব ৰাজ্যিক সম্পদৰ পৰা।

চলিত বৰ্ষত মই ৰাজ্যিক বাজেটত ৫০০ কোটি টকা আৱণ্টন দিবলৈ প্ৰস্তাৱ কৰিছো।

ৰাজ্যখনত ইয়াৰ আগতে কেতিয়াও এইদৰে গুৰুত্ব প্ৰদান কৰি ব্যাপক মাত্ৰাত বিনিয়োগ কৰা হোৱা নাছিল। প্ৰতিখন গাঁৱে সামূহিক মালিকীস্বত্বৰে সামূহিক সম্পদ ট্ৰেক্টৰ, কল্ড চেইন ভেহিক'ল, খীৰতি গাই, মাছৰ পোনা উৎপাদন কেন্দ্ৰ ইত্যাদিৰ লেখীয়া সুবিধাসমূহ লাভ কৰিব। আৰ. আই. ডি. এফ. (RIDF) কেন্দ্ৰীয় চৰকাৰৰ আঁচনি, বেংক সেৱা ইত্যাদিৰ লেখীয়া বৰ্তমানে থকা উৎস সমূহৰ পৰা সকলো বতৰৰ উপযোগী পথ, দ্ৰুততম ব্ৰডবেণ্ড সংযোগী ব্যৱস্থা আৰু অন্যান্য সৰ্বতোপ্ৰকাৰৰ সুবিধা প্ৰদান কৰা হ'ব।

এই বৃহৎ অভিযানটোৰ মুখ্য দিশটো হৈছে ই গ্ৰাম্য যুৱক-যুৱতী তথা জনসাধাৰণৰ শক্তি কামত খটুৱাবলৈ সক্ষম হ'ব। পাঁচ বছৰৰ ভিতৰত উন্নয়নৰ ক্ষেত্ৰত জনসাধাৰণক জড়িত কৰাৰ অৰ্থে ২৫,৪২৫ খন ৰাজহ গাঁৱত থকা প্ৰতিটো যুৱ সংঘক (Youth Club) সাঙুৰি লোৱাৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

চলিত বিত্তীয় বৰ্ষ (২০১৬-১৭)-ৰ পৰা ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই বৃহৎ অভিযানকেন্দ্ৰিক আৰ্থিক সাহায্য বিচাৰিব যাতে অৰ্থনীতি উজ্জীৱিত কৰা, নিয়োগ সৃষ্টি, জনসাধাৰণৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত ৰাজ্যখনৰ বাবে সহায়ক হয় আৰু এইদৰে যাতে ৰাজ্যখনে বহনক্ষম ভিত্তিত ভৱিষ্যতে ইয়াৰ সম্পদ বৃদ্ধি কৰিব পাৰে।

এম. জি. এনৰেগা ৰূপায়ন সুসংবদ্ধ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। সকলো জৱকাৰ্ডধাৰীলৈ পাৰিশ্ৰমিক যাতে একক ৰাষ্ট্ৰীয় একাউণ্টৰ পৰা তেওঁলোকৰ নিজস্ব একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰা হয় সেয়া আমি দৃঢ়ভাৱে সুনিশ্চিত কৰিম। সেইদৰে এম. জি. এনৰেগাৰ অধীনত আনুমানিক কেন্দ্ৰীয় অংশৰ পৰিমান

হ'ল ১৩১১.৮৪ কোটি টকা। মই সেইবাবে ৰাজ্যিক অংশ হিচাপে ১১৮.৩৩ কোটি টকা আছুতীয়াকৈ ৰাখিছো। সম্পূৰ্ণ পুঁজি ব্যৱহাৰৰ বাবে আমি সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিম।

ইন্দিৰা আৱাস যোজনা এতিয়া প্ৰধান মন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G) হিচাপে পুনৰ্গঠন কৰা হৈছে। আৰ্থ-সামাজিক আৰু জাতি পিয়ল, ২০১১-ৰ প্ৰতিবেদন অনুসৰি হিতাধিকাৰী নিৰ্বাচন কৰি থকা হৈছে। প্ৰতিটো গৃহ নিৰ্মাণৰ ব্যয় পূৰ্বৰ ৭৫,০০০ টকাৰ পৰা ১.৩০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। এম. জি. এনৰেগাৰ অধীনত হিতাধিকাৰীসকললৈ শৌচাগাৰ নিৰ্মাণৰ অৰ্থে ১২,০০০ টকা আৰু ৯৫ দিনৰ কামৰ বাবে ১৭,২৯০.০০ টকা প্ৰদানৰ অতিৰিক্ত ব্যৱস্থা আছে।

ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত ৰাজ্যিক অংশৰ বিপৰীতে ২৪ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। আনহাতে এই অভিযানৰ অধীনত আনুমানিক কেন্দ্ৰীয় অংশৰ পৰিমান হৈছে ২১৬.৩৮ কোটি টকা।

## ২৪। কৃষি ঃ প্ৰগতিৰ পথ

ৰাজ্যখনৰ সকলো লোকৰ বাবে কৃষকসকলে খাদ্যৰ যোগান ধৰে। কিন্তু আৰ্থ-সামাজিক উন্নয়নত তেওঁলোকৰ অৱদানে এতিয়াও স্বীকৃতি পাবলৈ বাকী আছে। কৃষকসকলৰ সেৱাৰ কথাটি স্বীকাৰ কৰি আমাৰ চৰকাৰে কৃষকসকললৈ পৰিচয়-পত্ৰ প্ৰদান কৰিব। কৃষি উন্নয়নৰ বাবে চৰকাৰী উদ্যোগত প্ৰতিজন কৃষকৰ ডাটাবেজ উন্নত কৰাৰ বাবে এটি একক পৰিচয় হিচাপে ব্যৱহৃত হোৱাৰ উপৰিও এই পৰিচয় পত্ৰই ৰাজ্যখনৰ অৰ্থনীতিলৈ তেঁওলোকে আগবঢ়োৱা অৱদানৰ ক্ষেত্ৰত এক স্বীকৃতিবোধ আনি দিব।

আমাৰ চৰকাৰে কৃষিলৈ সৰ্বাধিক অগ্ৰাধিকাৰ দিছে। সেয়েহে, মই এইখন পৰিকল্পনা বাজেটত ১,০৪,১৭৯.৮১ লাখ টকাৰ বুজন পৰিমাণৰ ধন আবণ্টন দিছো।

কৃষিজাত সামগ্ৰীৰ উৎপাদন আৰু উৎপাদনশীলতা ভালেখিনি নিৰ্ভৰ কৰিব জলসিঞ্চনৰ ওপৰত। ৬১,০০০ টা অগভীৰ নলী-নাদ স্থাপন কৰাৰ বাবে এখন অভিলাষী আঁচনিৰ কাম আৰম্ভ কৰাৰ কথা ঘোষণা কৰিবলৈ পাই মই সুখী। চলিত বাজেটত, এই উদ্দেশ্যে মই ৫,৭৯২ লাখ টকা আবণ্টন কৰাৰ প্ৰস্তাৱ

কৰিছো। যদি এই অগভীৰ নলী-নাদবোৰ চলিত বৰ্ষত স্থাপিত হয়, আমাৰ চৰকাৰে কৃষি খণ্ডলৈ সৰ্বাধিক অগ্ৰাধিকাৰ দিয়াৰ পৰিপ্ৰেক্ষিতত মই অধিক পুঁজিৰ আবণ্টন দিম।

মহাশয়, মই এই সদনক মনত পেলাই দিব খোজো যে মাননীয় প্ৰধানমন্ত্ৰীয়ে কৈছিল পূৰ্বোত্তৰ ৰাষ্ট্ৰৰ জৈৱিক কেন্দ্ৰ। অসমৰ কৃষিভূমিৰ অধিক অংশই স্বাভাৱিকতেই জৈৱিক আৰু সেয়েহে আমাৰ চৰকাৰে পৰম্পৰাগত কৃষি বিকাশ যোজনাৰ অধীনত অধিক জৈৱিক কৃষিক উদ্‌গনি যোগাব।

বিভিন্ন ধৰণৰ সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত দুৰ্নীতিৰ অভিযোগ সম্পৰ্কে উত্থাপিত হোৱাত পৰিপ্ৰেক্ষিতত কৃষি বিভাগৰ অতীত ভাৱমূৰ্তি সম্পৰ্কে আমি সকলো অৱগত। এই পদ্ধতিৰ সংশোধন ঘটাই কৃষকলৈ আস্থা ঘূৰাই অনাৰ বাবে আমি প্ৰতিজ্ঞৱদ্ধ। এইদৰে, ক্ৰয় প্ৰক্ৰিয়াত স্বচ্ছতা অনাৰ অৰ্থে চৰকাৰে বিভাগত ই-নিবিদা আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে আৰু ইয়াৰ আৰ্হিসমূহ ইতিমধ্যে চূড়ান্ত কৰা হৈছে।

বৰ্তমানে কৃষকলৈ শস্য ঋণৰ ওপৰত থকা ৩ শতাংশ সুত ৰেহাই আঁচনিখন ২০১৬-১৭ বিত্তীয় বৰ্ষটো অব্যাহত থাকিব। আঁচনিখনৰ অধীনত ৩৫ হাজাৰ টকা পৰ্যন্ত শস্য ঋণৰ ওপ ৰত কৃষকে দিবলগীয়া সুতৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৩ শতাংশ ৰাজ সাহায্য দিব। চলিত বৰ্ষৰ বাবে মই ৩১০ লাখ টকা আবণ্টন দিয়াৰ বাবে প্ৰস্তাৱ কৰিছো।

২৫। **মীন বিভাগ ঃ অসম- এটি স্বাভাৱিক পচন্দ**

আমাৰ ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত মীন খণ্ডটোৱে এখনি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ই এক শক্তিশালী আয় আৰু নিয়োগ সৃষ্টিকাৰী খণ্ড হিচাপে স্বীকৃত।

আমাৰ চৰকাৰে এই খণ্ডটোৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়াস কৰিব যাতে ৰাজ্যখনে পৰ্যাপ্ত মাছ উৎপাদনৰে আত্ম নিৰ্ভৰশীল হ'ব পাৰে আৰু অধিক নিয়োগৰ সুবিধা সৃষ্টি তথা অতি সোনকালে গ্ৰাম্য জনসাধাৰণৰ জীৱিকা বৃদ্ধিত সহায় কৰিব পাৰে।

মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত মীন উৎপাদনৰ ক্ষেত্ৰত

আমি প্ৰতিখন সম্ভাৱনীয়তা থকা গাঁৱক সামৰি লোৱাৰ প্ৰস্তাৱ কৰিছো। আটাইতকৈ ভাল ফলাফল পোৱাৰ বাবে আমি অন্যান্য খণ্ডৰ সৈতে সমন্বয় সাধনৰ প্ৰচেষ্টাৰো প্ৰস্তাৱ কৰিছো।

প্ৰধান উন্নয়নমূলক আঁচনি/কাৰ্যসূচীসমূহৰ ভিতৰত গুণগত মাছৰ পোনা আৰু মাছৰ উৎপাদন বৃদ্ধিৰ বাবে বিভাগীয় মাছ আৰু মাছৰ পোনাৰ ফাৰ্ম উন্নয়ন কৰিবলৈ প্ৰস্তাৱ হাতত লোৱা হৈছে। আমাৰ চৰকাৰে মীন সম্প্ৰসাৰণ কৰ্মীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে 'মৎস্য জাগৰণ' নামৰ এক পাইলট প্ৰজেক্ট হাতত ল'ব।

ৰাষ্ট্ৰীয় কল্যাণ পুঁজি আৰু মৎস্য পালকৰ অধীনত ভাৰত চৰকাৰৰ বিত্তীয় সাহায্যৰে এক লাখ পঞ্চাশ হাজাৰ মীন পালকক গ্ৰুপ দুৰ্ঘটনা বীমা আঁচনিৰ অধীনত সামৰি লোৱা হ'ব।

নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত গ্ৰাম্য মাছৰ বজাৰ আৰু মৎস্য কেন্দ্ৰ নিৰ্মাণ জলাশয় আৰু বিভাগীয় ফাৰ্মসমূহৰ উন্নয়নৰ বাবে মই প্ৰস্তাৱ কৰিছো।

২৬। **পশুপালন আৰু পশু চিকিৎসা ঃ পৱিত্ৰ সম্পদ**

মহোদয়, আপুনি জানিবলৈ পাই আচৰিত হ'ব যে এই খণ্ডটোত যথেষ্ট কাম-কাজ কৰিবলগীয়া আছে আৰু সেয়েহে আমাৰ চৰকাৰে এক কৰ্মসূচী প্ৰস্তুতৰ বাবে প্ৰস্তাৱ লৈছে।

এইখণ্ডটো হ'ল নিয়োগৰ অন্যতম প্ৰধান উৎস। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাত দুগ্ধ, হাঁহ-কুকুৰা আদিকে ধৰি বহু ধৰণৰ কাম-কাজ সামৰি লোৱা হ'ব। বিভাগটোৱে নিবনুৱা সমস্যা সমাধানৰ অৰ্থে হাঁহ-কুকুৰা, গাহৰি, ছাগলী, ভেড়া আৰু বটা চৰাই পালনক পৃথক পৃথক উদ্যোগৰূপে গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

ইয়াৰোপৰি, আমাৰ চৰকাৰে চলিত বৰ্ষত ৪ খন জিলাত ৪০ খন অধিক দুগ্ধ সমবায় সমিতি স্থাপন কৰাৰ লগতে ধেমাজিত ১৩ খন বাণিজ্যিক দুগ্ধ পামৰ কাম-কাজ আৰম্ভ কৰিব।

২৭। **হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ঃ অদ্বিতীয় বয়নকাৰ্য্য**

শুৱালকুছি হ'ল ৰাজ্যখনৰ পাট উদ্যোগৰ প্ৰাণকেন্দ্ৰস্বৰূপ। এই বয়নকেন্দ্ৰটোৰ

অতীতৰ গৰিমা পুনঃপ্ৰতিষ্ঠিত কৰাৰ প্ৰয়োজনীয়তা আছে। সেয়েহে মই শুৱালকুছিৰ পাট উদ্যোগক পুনৰুজ্জীৱিত কৰাৰ বাবে পৰিকল্পনা শিতানৰ অধীনত ৫০ লাখ টকা আছুতীয়াকৈ ৰখাৰ প্ৰস্তাৱ কৰিছো আৰু ইয়াৰ দ্বাৰা সমগ্ৰ ৰাজ্যখনতে এই উদ্যোগটো পুনৰুজ্জীৱিত কৰিবলৈ বিচৰা হৈছে।

ৰেচম আৰু বয়ন হৈছে অসমীয়া সমাজৰ আবেগ স্বৰূপ। মুগা অভিযানৰ অংশ হিচাপে ইয়াৰ সংশ্লিষ্ট কাম-কাজসমূহ হাতত লোৱাৰ লগতে আমি পৰৱৰ্তী দহ বছৰত মুগা উৎপাদন দুগুণ কৰি তোলাৰ উদ্দেশ্যে অসম চিল্ক আউট'ৰিচ মিছনৰ জৰিয়তে প্ৰচেষ্টাসমূহ ত্বৰান্বিত কৰিবলৈও প্ৰস্তাৱ লৈছো। ইয়াৰ বাবে যাৱতীয় প্ৰাথমিক কাম-কাজ চলি আছে।

সূতাৰ নিচিনা কেঁচা সামগ্ৰীৰ নিয়মীয়া যোগান হৈছে এক চিন্তাৰ বিষয়। সেয়েহে নটা সূতা ভঁৰাল স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এই উদ্দেশ্যে এই বছৰ ৪ কোটি টকাৰ মই আবণ্টন দিছো।

হস্ততাঁত খণ্ডটোত পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা আমি অনুভৱ কৰিছো। সেয়েহে, আমাৰ চৰকাৰে বিশ্বনাথ চাৰিআলিত এখন হস্ততাঁত উদ্যোগ স্থাপনৰ প্ৰস্তাৱ লৈছে আৰু ইয়াৰ প্ৰস্তুতিমূলক কাম-কাজৰ বাবে মই এক কোটি টকা আছুতীয়াকৈ ৰাখিছো।

আমাৰ পৰৱৰ্তী পদক্ষেপ হ'ল বয়ন আৰু ফেশ্বন ডিজাইনিং খণ্ডত দক্ষতা বিকাশ কৰা আৰু উন্নত মানসম্পন্ন ফেশ্বন প্ৰযুক্তিবিদ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ সামৰ্থ বৃদ্ধিৰ বাবে মৰিগাঁও জিলাৰ জাগীৰোডত ফেশ্বন প্ৰযুক্তি কেন্দ্ৰৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (National Institute of Fashion Technology Centre) এখন স্থাপন কৰিবলৈ আমি প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে এই বাজেটত আগতীয়া কাম-কাজৰ ব্যয় হিচাপে মই এক কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

ৰাজ্যখনৰ শিপিনীসকলৰ দ্বাৰা উৎপাদিত হস্ততাঁত সামগ্ৰী বিপণনৰ বাবে উপযুক্ত স্থান প্ৰদান কৰিবলৈ মাছখোৱা (হেণ্ডলুম হাভেলি)ত এটা হস্ততাঁত ব্যৱসায়িক চৌহদ স্থাপন কৰিবলৈও আমাৰ চৰকাৰে প্ৰস্তাৱ লৈছে। ইয়াৰ বাবে এই বাজেটত ৫০ লাখ টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

পাট, সংস্কৃতি, বয়ন আৰু ফেশ্বন— এইকেইটা পৰস্পৰে পৰস্পৰৰ লগত সংযুক্ত হৈ আছে। এনেকুৱা কামৰ বাবে চৰকাৰী আৰু বে-চৰকাৰী প্রতিষ্ঠান উভয়ৰে পৰা ঐক্যবদ্ধ প্রচেষ্টাৰ প্রয়োজন হয়। পাট উদ্যোগৰ বিকাশৰ ক্ষেত্রত শুৱালকুছি ফেশ্বন প্রযুক্তি প্রতিষ্ঠান (Sualkuchi Institute of Fashion Technology) নে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আছে আৰু সেয়েহে মই এই প্রতিষ্ঠানটোলৈ সাহায্য অনুদান হিচাপে ২৫ লাখ টকা আবণ্টন দিবলৈ প্রস্তাৱ কৰিছো।

২৮। **উদ্যোগ ঃ নিয়োগ সৃষ্টিৰ শক্তিকেন্দ্র**

কেন্দ্রৰ 'এক্ট-ইষ্ট' নীতিৰ কেন্দ্র হিচাপে অসমক প্রতিষ্ঠা কৰাটোৱেই হৈছে আমাৰ লক্ষ্য। এই দিশত আমি গুৱাহাটীত এক আন্তঃৰাষ্ট্রীয় স্তৰৰ গোলকীয় বাণিজ্য কেন্দ্র স্থাপনৰ প্রস্তাৱ লৈছো। ই সমগ্র উত্তৰ-পূৰ তথা চুবুৰীয়া ৰাষ্ট্রসমূহৰ বাণিজ্যিক কেন্দ্র হিচাপে কাম কৰিব। ইয়াৰ প্রাৰম্ভিক কাম-কাজৰ বাবে মই ৫০০ লাখ টকাৰ আৱণ্টন দিছো।

ৰাজ্যখনলৈ সম্ভাৱনাপূর্ণ বিনিয়োগকাৰীসকলক আকর্ষিত কৰাৰ বাবে আমাৰ চৰকাৰে আন্তঃৰাষ্ট্রীয় পর্যায়ৰ বাণিজ্য সন্মিলন অনুষ্ঠিত কৰিব। 'ভিভেচিয়াছ আছাম' নামেৰে পূৰ আৰু উত্তৰ-পূৰ ভাৰতত অনুষ্ঠিত হ'বলগীয়া ই হ'ব এনে ধৰণৰ প্রথমখন সন্মিলন যিয়ে পূৰ আৰু দক্ষিণ-পূৰ এছীয় ৰাষ্ট্রসমূহৰ বিনিয়োগকাৰীসকলৰ দৃষ্টি আকর্ষণ কৰিব বুলি আশা কৰিব পাৰি। এই সন্মিলনখনৰ বাবে মই ২০০০ লাখ টকা আৱণ্টন কৰিবলৈ প্রস্তাৱ লৈছো।

বিনিয়োগকাৰীসকলৰ ব্যৱসায়িক গোট স্থাপনত সহায় কৰাৰ অর্থে ৰাজ্যখনত এটা ভূমি বেংক স্থাপন কৰা হ'ব।

এই দিশত গ্রহণ কৰা এক পদক্ষেপ হৈছে বর্তমান চৰকাৰৰ প্রথমখন অধিবেশনতে 'দ্যা আছাম ইজ্ অৱ ডুইং বিজনেছ বিল, ২০১৬' (The Assam Ease of Doing Business Bill, 2016) নামৰ বিধেয়কখন গৃহীত হোৱা। প্রাৰম্ভিকভাৱে প্রথমটো পর্যায়ত ৮৭ টা সেৱা অন্‌লাইযোগে উপলব্ধ হ'ব। 'ইজ অফ্ ডুইং বিজনেছ'ৰ অধীনত 'ছিংগল্ উইণ্ড' এজেঞ্চী'ৰ কার্যালয়ৰ কাম-কাজ অতি শীঘ্রে আৰম্ভ হ'ব।

'ইজ্ অৱ ডুইং বিজনেছ এক্ট' নামৰ আইনখন গৃহীত হোৱাৰ লগতে গেছ ক্রেকাৰ প্রকল্পৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছত আভ্যন্তৰীণ ব্যৱস্থাসমূহ শক্তিশালী কৰাৰ নতুন পদক্ষেপ গ্রহণৰ লগে-লগে এতিয়া অসম উদ্যোগিক উন্নয়ন নিগমে এক মধ্যস্থতাকাৰীৰ ভূমিকা গ্রহণ কৰাৰ সময় আহি পৰিছে। এক সময় সাপেক্ষ বিস্তৃত অধ্যয়নৰ পাছত অসম উদ্যোগিক উন্নয়ন নিগমৰ বাবে আৱশ্যকীয় পুঁজিৰ পুনৰ যোগানৰ বিষয়ে সিদ্ধান্ত লোৱা হ'ব।

স্থানীয় উদ্যোগ আৰু উদ্যোগীসকলৰ উন্নয়নৰ অৰ্থে উদ্যোগ আৰু বাণিজ্য বিভাগে তলত উল্লেখিত তিনিখন নতুন উদ্ভাৱনীমূলক আঁচনি গ্রহণ কৰিব ঃ

১) বণিজ ঃ ই হৈছে গ্রাম্য আৰু উদ্যোগিক প্রতিষ্ঠানৰ বাবে এক বিশেষ অনুদান আঁচনি। এই আঁচনিৰ বাবে মই ৮০০ লাখ টকা আৱণ্টন দিবলৈ প্রস্তাৱ লৈছো।

২) সাৰথি ঃ ই হৈছে ৰাজ্যখনৰ নতুনকৈ আৰম্ভ কৰা উদ্যোগসমূহক উদ্‌গণি যোগোৱা এক আঁচনি। আমি ১০০০ লাখ টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্রীৰ 'প্রাৰম্ভণ পুঁজি' (Start-up fund) স্থাপনৰ প্রস্তাৱ লৈছো।

৩) বিপনী ঃ ৰাজ্যখনৰ ভিতৰে-বাহিৰে অতি ক্ষুদ্র আৰু ক্ষুদ্র উদ্যোগসমূহক তুলি ধৰিবলৈ মই ১০০০ লাখ টকা আৱণ্টনৰ বাবে প্রস্তাৱ দিছো।

আমাৰ ৰাজ্যখনত ১,২৫,৩০০ গৰাকী ক্ষুদ্র চাহ খেতিয়ক চাহ খেতিৰ সৈতে জড়ি হৈ আছে। ই হৈছে আমাৰ ভিতৰুৱা অঞ্চলসমূহত চলি থকা এক নিৰব বিপ্লৱ সদৃশ। ইয়াৰ ফলত সৃষ্টি হোৱা নিয়োগৰ পৰিমাণ তথা গ্রামাঞ্চলৰ পৰিয়ালসমূহত গাইগুটিয়াকৈ হোৱা আয় বৃদ্ধিৰ পৰিমাণ লেখতল'বলগীয়া।

আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই খণ্ডটোক অধিক উৎসাহিত কৰাৰ ক্ষেত্রত যথেষ্ট আগ্রহী আৰু সেই মৰ্মে মই এতিয়াৰে পৰা ক্ষুদ্র চাহ খেতিয়কসকললৈ খেতিৰ অনুপযোগী/চুন পৰা মাটিত নতুনকৈ চাহখেতি কৰিবলৈ প্রতিবিঘাত ৫০০০ টকাকৈ অনুদান আগবঢ়োৱাৰ প্রস্তাৱ লৈছো। এই আঁচনিখন ৰূপায়ণৰ বাবে আমি বিস্তৃত নিৰ্দেশাৱলী প্রস্তুত কৰিম।

২৯। **ৰাজহুৱা প্রতিষ্ঠান**

ৰাজহুৱা প্রতিষ্ঠান বিভাগে ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানসমূহৰ কৰ্মচাৰী আৰু

বোৰ্ডৰ সদস্যসকলক নিয়মীয়াকৈ শেহতীয়া জ্ঞান আগবঢ়োৱাৰ অৰ্থে সামৰ্থবৃদ্ধি কাৰ্যসূচীসমূহ ৰূপায়ণ কৰি থকাৰ লগতে এম আই এচ (MIS) পদ্ধতিৰ উন্নীতকৰণ, কম্পিউটাৰকৰণ, আই এচ অ' প্ৰমাণীকৰণ আৰু কৰ্মক্ষেত্ৰত উন্নত সুৰক্ষা ব্যৱস্থাৰ বাবে তথ্য প্ৰযুক্তিৰ আন্তঃগাঁথনিৰ শক্তিশালীকৰণৰ অৰ্থে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহলৈ বিত্তৰ যোগান ধৰি আছে।

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ পৰিচালনা সমিতিত এগৰাকী মহিলা সঞ্চালকৰ অন্তৰ্ভূক্তিৰ বাবে এক নীতিগত সিদ্ধান্ত লোৱা হৈছে আৰু উৎপাদনশীলতা বৃদ্ধিৰ উদ্দেশ্যে পুঞ্জীভূক্ত লোকচান নথকা লাভ অৰ্জনকাৰী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ সকলো কৰ্মচাৰীলৈ প্ৰকৃত লাভৰ ৩% প্ৰদৰ্শন ভিত্তিক উদগনি দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

বিভাগটোৱে "ৰাজহুৱা প্ৰতিষ্ঠান নীতি" ৰ বলিষ্ঠ খচৰা প্ৰস্তুতকৰণৰ কাম হাতত লৈছে যাতে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠাসমূহৰ দক্ষ পৰিচালনাৰ বাবে আৰু সেইবোৰক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰে এই নীতি গ্ৰহণ কৰিব পাৰে।

৩০। **শিক্ষা ঃ গুণগত বিশ্বজনীন শিক্ষা**

আমাৰ চৰকাৰৰ বাবে শিক্ষা এটি বিভাগ নহয়, ই বিদ্যালয় বা মহাবিদ্যালয়ৰ এটা সমষ্টিও নহয়। শিক্ষা হৈছে এক সামাজিক কল্যাণ। শিক্ষা হৈছে মই আগেয়ে কৈ অহা 'একাত্ম মানৱতাবাদ'ৰ প্ৰমূল্যবোধ জাগ্ৰত কৰা আৰু তাক ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰোথিত কৰা এক সঁজুলি। প্ৰখ্যাত শিক্ষাবিদ আৰু দাৰ্শনিক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে কৈছিল —

**মানৱ কা দানৱ হোনা উচকী হাৰ হ্যে,**
**মানৱ কা মহামানৱ হোনা উচকা চমৎকাৰ হ্যে,**
**মনুষ্য কা মানৱ হোনা উচকী জীত হ্যে**

প্ৰত্যেকজন মনুষ্যক একোজন মানৱলৈ ৰূপান্তৰিত কৰাত এক সহায়কাৰী আৰু সামগ্ৰিক ভূমিকা চৰকাৰে পালন কৰিব খোজে। এই সম্পৰ্কত মই জনাবলৈ পাই সুখী হৈছোঁ যে উন্নয়নৰ নামত ব্যক্তিগত হিতাধিকাৰীক 'উপঢৌকন' দিয়া অতীতৰ এক অশুভ প্ৰৱণতাৰ পৰা আঁতৰি আহি এইবাৰৰ বাজেটত অন্যধৰণৰ

কিছুমান প্ৰস্তাৱ ৰাখিবলৈ বিচৰা হৈছে। আপোনালোকে এই প্ৰস্তাৱসমূহত নতুনত্ব আৰু উদ্ভাৱনশীলতা যে দেখিবলৈ পাব তাত মই নিশ্চিত।

**সপ্তধাৰা**

জ্ঞান-সাধনা আৰু গোলকীয় গাঁৱৰ এই যুগত যদি আমি অতীজৰ পাঠ্যক্ৰম নিৰ্ভৰ শ্ৰেণীকোঠাৰ শিক্ষাৰ ওপৰতে নিৰ্ভৰ কৰি থাকোঁ তেন্তে আন্তৰ্জাতিক মানৱীয় প্ৰজ্ঞা আৰু জ্ঞানৰ পৰা অসম সদায় আঁতৰি থাকিব লাগিব। এয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে অভূতপূৰ্ব প্ৰক্ৰিয়াৰে বিশ্বজুৰি শিক্ষা বিস্তাৰ কৰাৰ যুগ।

মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী মোদীজীৰ স্বপ্ন এয়ে যে অনাগত দিনত ভাৰতবৰ্ষই বিশ্বৰ নেতৃত্ব বহন কৰি আলোক বাহকৰ দায়িত্ব পালন কৰিব লাগিব। এই পৰিপ্ৰেক্ষিতত আশা কৰা হৈছে যে ভাৰতৰ প্ৰত্যেক নাগৰিকে দেশৰ গৌৰৱময় প্ৰমূল্যবোধ, সংস্কৃতি আৰু ঐতিহাসিক সত্যক হৃদয়ঙ্গম কৰি লৈ বিশ্বৰ নেতৃত্ব ল'বলৈ নিজাকৈ পদক্ষেপ ল'ব পৰা হ'ব।

দেশৰ এই যাত্ৰাত অসমেও নেতৃত্ব লওক, আমাৰ চৰকাৰে তাক আশা কৰে। বিশ্বমানৰ শিক্ষা আৰু সীমাহীন জ্ঞান ভাণ্ডাৰৰ পৰা অসমৰ নৱপ্ৰজন্মই সৰ্বোচ্চ মাত্ৰাত শিক্ষা আহৰণ কৰক আৰু এই অভিযানত সকলোৰে সম সুবিধা লাভ কৰক আমি তাৰ ব্যৱস্থা কৰিব খুজিছোঁ। নতুন প্ৰজন্মৰ এই তাৰকাসকলে শিক্ষা সমাপ্ত কৰি যেতিয়া সমাজত ভৰি দিব তেতিয়া অসমৰ সমাজ জীৱনৰ সকলোবোৰ দিশ, যেনে— বিজ্ঞান, প্ৰযুক্তি, গৱেষণা, শিক্ষা, বাণিজ্য, প্ৰশাসন, সংস্কৃতি আৰু পৰম্পৰা আদি, এদল কৰ্ম দক্ষ আৰু বুদ্ধিমান তাৰকাৰে ভৰি পৰিব আৰু অসমৰ এক নতুন প্ৰতিচ্ছবি উদ্ভাসিত হৈ উঠিব।

সেই উদ্দেশ্যেই সপ্তধাৰাৰ পৰিকল্পনা কৰা হৈছে। ইয়াত আছে সাতটা ধাৰা। (১) জ্ঞানধাৰা (২) সৃজনীমূলক অভিব্যক্তি ধাৰা (৩) ৰং, কলা আৰু কৌশল ধাৰা (৪) নাট্যধাৰা (৫) গীত, সংগীত আৰু নৃত্য ধাৰা (৬) ব্যায়াম, যোগ আৰু ক্ৰীড়া ধাৰা আৰু (৭) সেউজ আৰু সামাজিক সেৱা ধাৰা।

এই ধাৰাসমূহ কেতবোৰ সৃজনীশীল আৰু বৈকল্পিক শিকন-শিক্ষণ অনুশীলনৰ যোগেৰে আৰু নাগৰিক সমাজ তথা বিশেষজ্ঞৰ সহযোগত ৰূপায়ণ

কৰিব খোজা হৈছে। ইয়াৰ বাবে অতিৰিক্ত পদ সৃষ্টি অথবা নতুন শিক্ষক নিযুক্তিৰ পৰা বিৰত থকা হ'ব। কেইটামান বছৰৰ ভিতৰত বিদ্যালয়ৰ পৰ্যায়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে আটাইবোৰ শিক্ষানুষ্ঠানকে এই ৰূপৰেখাৰ অধীনলৈ লৈ অনা হ'ব। একোখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অন্য এখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে পাৰস্পৰিক ভাৱ বিনিময়ৰ সুযোগ দিয়া হ'ব আৰু এই প্ৰক্ৰিয়াৰে ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ সৈতে তেওঁলোকৰ জোঁটবন্ধনক অধিক শক্তিশালী কৰি তুলিব পাৰিব।

সপ্তধাৰাৰ অংশ হিচাপে ষষ্ঠমান বা তাতকৈ ওপৰৰ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিজন বিদ্যাৰ্থীয়ে নামভৰ্তিৰ সময়ত বিদ্যালয় চৌহদত একোটিকৈ গছপুলি ৰোপণ কৰিব। বিদ্যালয় চৌহদত যদিহে ঠাইৰ নাটনি হয় তেন্তে চৌহদৰ বাহিৰত ৰাজহুৱা ঠাইত এই বনানীকৰণ কৰিব পাৰিব। আশা কৰা হৈছে যে বিদ্যালয়খনত শিক্ষাগ্ৰহণ কৰি থকা পৰ্যন্ত বিদ্যাৰ্থীজনে নিজে ৰোৱা গছপুলিটোৰ যতন লৈ থাকিব আৰু এই ব্যৱস্থাই বিদ্যাৰ্থীজনৰ মনত প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰতি এক নিৰ্ভেজাল প্ৰেম প্ৰোথিত কৰিব।

মই এই পৱিত্ৰ সদনক জনাবলৈ পাই আনন্দিত যে আমাৰ বিদ্যালয়বোৰত সপ্তধাৰাৰ সূত্ৰপাত ঘটাবলৈ পৰিকল্পনাৰ অধীনত প্ৰয়োজনীয় ধনৰ ব্যৱস্থা কৰা হৈছে।

৩১। **আৰোহণ ঃ অসমৰ ভৱিষ্যতৰ মন্ত্ৰণা**

ৰাজ্যখনৰ গ্ৰামাঞ্চল তথা চুকে-কোণে অজস্ৰ প্ৰতিভা লুকাই আছে। পথ নিৰ্দেশনাৰ অভাৱত দৰিদ্ৰ পৰিয়ালৰ লক্ষ লক্ষ উদীয়মান প্ৰতিভাধৰসকল পিছপৰি থাকিবলগীয়া হৈছে। সেই উদীয়মান তাৰকাসকলক উচিত পৰামৰ্শৰে আগুৱাই অনাটো সময়ৰ আহ্বান।

মই অকপটে স্বীকাৰ কৰিব খোজোঁ যে চৰকাৰী শিক্ষানুষ্ঠানসমূহত এনে কোনো ব্যৱস্থা নাই যাৰ দ্বাৰা এই অভাৱৰ মোকাবিলা কৰিব পাৰি। মোৰ মনত প্ৰশ্ন জাগিছিল যে উপায় কি? কেতিয়াবা প্ৰশ্নৰ মাজতে উত্তৰ বিচাৰি পোৱা যায়। স্বামী বিবেকানন্দৰ এটা প্ৰশ্নতে মোৰ উত্তৰ মই বিচাৰি পালোঁ। তেওঁৰ সেই উক্তিটো মই পঢ়ি শুনাইছোঁ —

*'দৰিদ্ৰজনলৈ আলোক কোনে কঢ়িয়াই আনিব ? তেওঁলোকৰ দুৱাৰে দুৱাৰে ঘূৰি কোনে শিক্ষা বিলাব ? এই দৰিদ্ৰলোকসকলক তোমাৰ ঈশ্বৰ জ্ঞান কৰিবা— তেওঁলোকৰ বিষয়ে ভাবিবা, তেওঁলোকৰ বাবে কাম কৰিবা, তেওঁলোকৰ বাবে অহৰ্নিশে প্ৰাৰ্থনা কৰিবা। ঈশ্বৰে তেতিয়াই তোমাক পথৰ সন্ধান দিব।'*

ঠিক এই মুহূৰ্ততে ঈশ্বৰে আমাৰ সন্মুখত এক পথ প্ৰশস্ত কৰি দিলে যাৰ নাম — আৰোহণ।

এই কাৰ্যক্ৰমৰ অংশ হিচাপে আৰম্ভণিতে মই অসমৰ গ্ৰামাঞ্চল তথা দুৰ্গম অঞ্চলৰ দৰিদ্ৰ পৰিয়ালৰ পঞ্চমমানৰ পৰা দশমমানলৈকে পঢ়ি থকা তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰি উলিওৱাৰ প্ৰস্তাৱ দিছোঁ। আমাৰ চৰকাৰে সকলো মন্ত্ৰী, ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া, ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া, ভাৰতীয় বন সেৱাৰ বিষয়া, অসম অসামৰিক সেৱাৰ বিষয়া, অসম আৰক্ষী সেৱাৰ বিষয়া আৰু অসম বিত্তীয় সেৱাৰ বিষয়াসকলক, প্ৰত্যেকেই অন্ততঃ পাঁচজনকৈ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দান কৰিবলৈ আহ্বান জনাব। অসম চৰকাৰে এই কাৰ্যক্ৰমৰ পৃষ্ঠপোষকতা কৰিব আৰু কিছু আনুষংগিক ব্যয় বহন কৰিব।

মই অতি বিনম্ৰভাৱে মাননীয় মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবকো দুজনকৈ ছাত্ৰৰ পৃষ্ঠপোষকতা কৰি এই পৱিত্ৰ আঁচনিৰ শুভাৰম্ভ কৰিবলৈ আহ্বান জনালোঁ।

মই নিশ্চিত যে এই কাৰ্যক্ৰমে পৰামৰ্শদাতাসকলৰ মনত এক গভীৰ আধ্যাত্মিক প্ৰমূল্যবোধৰ সৃষ্টি কৰিব আৰু অসমৰ চুকে-কোণে লুকাই থকা উদীয়মান প্ৰতিভাবোৰক প্ৰস্ফুতিত হ'বলৈ আৰু জীৱনৰ বাটত 'আৰোহণ' কৰিবলৈ এক বিৰল সুযোগ দিব। মই সংশ্লিষ্ট সকলোকে চৰকাৰৰ এই মহৎ প্ৰচেষ্টাত সহায় আৰু পথ প্ৰদৰ্শন কৰিবলৈ অনুৰোধ জনাইছোঁ যাতে কাৰ্যক্ৰমত ইপ্সিত ফলাফল লাভত সহায়ক হয়।

'আৰোহণ'ৰ আৰম্ভণিৰ বাবে ১০০ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে। অসমৰ জনতাৰ প্ৰতি মই এই আশ্বাস দিব খোজোঁ যে এই মহৎ আঁচনিখন ৰূপায়ণৰ পথত ধনৰ অভাৱে হেঙাৰ হৈ থিয় নিদিয়ে।

**'শিক্ষাক্ষেত্ৰ' ঃ বিদ্যালয় সংযুক্তিকৰণ**

অধ্যক্ষ মহোদয়, শিক্ষা আহৰণত ঘৰৰ পৰা বিদ্যালয়ৰ দূৰত্বই এক

উল্লেখনীয় ভূমিকা পালন কৰে। ৰাজ্যখনৰ সন্মুখত দেখা দিয়া এক সমস্যা এয়ে যে কিছু কিছু অঞ্চল যেনে— চৰাঞ্চল, চাহ বাগান আদিত পৰ্যাপ্ত বিদ্যালয় নথকাৰ বিপৰীতে আন কিছু কিছু অঞ্চলত বিদ্যালয়ৰ আধিক্যই দেখা দিছে।

আমি এই কথাত অৱগত যে নিয়ম অনুসৰি ছাত্ৰ-ছাত্ৰীৰ ঘৰৰ পৰা প্ৰাথমিক বিদ্যালয় এক কিলোমিটাৰ, মধ্য ইংৰাজী বিদ্যালয় তিনি কিলোমিটাৰ আৰু উচ্চ বিদ্যালয় পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকাটো বাধ্যতামূলক।

গুণগত শিক্ষা, উন্নত পৰ্যবেক্ষণ, উন্নত আন্তঃগাঁথনি তথা আৰ্থিক মিতব্যয়িতাৰ স্বাৰ্থত ওচৰা-ওচৰিকৈ থকা বিদ্যালয়সমূহক একত্ৰীকৰণ কৰি এক সন্মিলিত শিক্ষানুষ্ঠানলৈ ৰূপান্তৰিত কৰিব পাৰি।

সেইবাবে যিবোৰ ক্ষেত্ৰত সংযুক্তিকৰণ সম্ভৱ আৰু লাভদায়ক তেনে ক্ষেত্ৰত 'শিক্ষাক্ষেত্ৰ' নামৰ এই সংযুক্ত বিদ্যালয় চৌহদ স্থাপনৰ মই প্ৰস্তাৱ কৰিছোঁ।

**ভেঞ্চাৰ স্কুলৰ প্ৰদেশিকীকৰণ**

বিধানসভা নিৰ্বাচনৰ আগেয়ে ভাৰতীয় জনতা পাৰ্টিয়ে প্ৰণয়ন কৰা ভৱিষ্যদৰ্শনত প্ৰতিশ্ৰুতি দিয়া হৈছিল যে ৰাজ্যত বন্ধ হৈ থকা বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ বৰ্তমান চৰকাৰে পুনৰ মুকলি কৰিব। আমি এই প্ৰতিশ্ৰুতি পালনৰ বাবে বদ্ধপৰিকৰ। একেদৰে আমি গুণগত শিক্ষাৰ ক্ষেত্ৰতো আপোচহীন। আনহাতে, ৰাজ্যৰ উন্নয়নক বন্ধকত থৈ ৰাজহুৱা ধন অপচয় কৰাৰ আমি ঘোৰ বিৰোধী।

এই দুয়োটা দিশৰ পৰিপ্ৰেক্ষিতত আমি প্ৰাদেশিকীকৰণ আইনৰ সংশোধনীৰ বাবে সকলোবোৰ হিতধাৰকৰ (Stakeholder) সৈতে এক ব্যাপক বুনিয়াদী পৰামৰ্শৰ পোষকতা কৰিছোঁ। প্ৰস্তাৱিত এই সংশোধনীত প্ৰাদেশীকৃত অথচ অকামিলা বিদ্যালয়সমূহক অপ্ৰাদেশীকৃত কৰাৰ ব্যৱস্থা ৰাখিব খুজিছোঁ। তেনেবোৰ বিদ্যালয়ৰ শিক্ষকৰ অৱসৰৰ পাছত সেই পদবোৰ বিলুপ্ত হৈ যাব। শিক্ষাৰ অধিকাৰ আইন তথা ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ (NCTE) বিধি প্ৰযোজ্য কৰাৰ প্ৰয়োজন।

তদুপৰি অপ্ৰাদেশীকৃত অথচ উপযুক্ত বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণৰ বাবে বছৰি বৃহৎ অংকৰ ১,১০০ কোটি টকাৰ প্ৰয়োজন। এই ৰাশি প্ৰতি বছৰে বাঢ়ি যোৱাৰ সম্ভাৱনা আছে আৰু ৰাজ্যৰ বৰ্তমানৰ আৰ্থিক অৱস্থাৰে তাক কৰাটো

সম্ভৱ নহয়। গতিকে একমাত্ৰ বিকল্প উপায়  হিচাপে আইনৰ সংশোধনী ঘটাই এক শিক্ষা উপকৰ আৰোপ কৰিব লাগিব অথবা সমানুপাতিকভাৱে কৰ বৃদ্ধিৰ প্ৰস্তাৱ কৰিব লাগিব। এই কাম কৰাৰ আগেয়ে সকলো হিতধাৰকৰ সৈতে এক মন্ত্ৰণাৰ প্ৰয়োজন আছে, মই এই ক্ষেত্ৰত সকলো ৰাজনৈতিক দলকে চৰকাৰৰ হাত শক্তিশালী কৰিবলৈ বিনম্ৰতাৰে আহ্বান জনাও যাতে ৰৈ যোৱা অপ্ৰাদেশীকৃত বিদ্যালয়সমূহকো প্ৰাদেশিকীকৰণৰ আওতালৈ আনিব পাৰি।

**আনন্দৰাম বৰুৱা বঁটাৰ অধীনলৈ কেৱল তাৰকা ছাত্ৰ-ছাত্ৰী**

আমাৰ চৰকাৰে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক, বিশেষকৈ তথ্য প্ৰযুক্তিৰ এই যুগত আনন্দৰাম বৰুৱা বঁটাৰে উৎসাহিত কৰিব খোজে। পূৰ্বৰ চৰকাৰে দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ আনন্দৰাম বৰুৱা বঁটাৰ অধীনত একোটিকৈ লেপটপ কম্পিউটাৰ প্ৰদান কৰিছিল। আমাৰ চৰকাৰে আঁচনিখনৰ অন্তৰ্নিহিত দৰ্শনক সন্মান কৰে আৰু আঁচনিখনৰ স্থায়িত্ব কামনা কৰে।

কিন্তু ৰাজ্যৰ সীমিত সম্পদ খৰচ কৰোঁতে চৰকাৰে মিতব্যয়ী নীতি অৱলম্বন কৰা বাঞ্চনীয়। এক লোকৰঞ্জনবাদী (Populist) আঁচনি ৰূপায়ণ কৰাৰ নামত যোগানদাৰ তোষণকাৰীৰ ভূমিকাৰে সীমিত সম্পদৰ অপচয় কৰাটো আমাৰ চৰকাৰী নীতিৰ পৰিপন্থী। সেইবাবে আনন্দৰাম বৰুৱা বঁটা কেৱল তাৰকা নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত সীমিত ৰখাৰ বাবে মই প্ৰস্তাৱ কৰিছোঁ।

অৱশ্যে চলিত বৰ্ষত যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু হাই মাদ্ৰাছা পৰীক্ষাত উত্তীৰ্ণ হৈছে তেওঁলোকক পূৰ্বৰ দৰেই একোটাকৈ লেপটপ কম্পিউটাৰ দিয়া হ'ব। মই পৰিকল্পনা শিতানত ৫৭৭৭.৬০ লাখ টকা এই বঁটাৰ বাবে ব্যৱস্থা কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ।

**শৈক্ষিক নথিপত্ৰ সংৰক্ষণ**

বৰ্তমানৰ ডিজিটেল যুগত ছাত্ৰ আৰু বিদ্যালয় উভয়ে শৈক্ষিক তথ্যৰাজি তথ্য প্ৰযুক্তিৰ সহায়েৰে সংৰক্ষণ কৰা প্ৰয়োজন। শৈক্ষিক নথিপত্ৰ সংৰক্ষণৰ বাবে ই-লকাৰৰ (E-locker) আৰ্হিত এক ইলেক্ট্ৰনিক প্লেটফৰ্ম তৈয়াৰ কৰাৰ বাবে আমাৰ চৰকাৰে প্ৰস্তাৱ দিছে যাতে সংৰক্ষিত নথিসমূহ সুৰক্ষিত হৈ থাকে। তদুপৰি এই ব্যৱস্থাত হিতধাৰকসকলে সংশ্লিষ্ট পক্ষৰ অনুমতি সাপেক্ষে নথিসমূহ

সহজে পাব পৰা অৱস্থাত থাকে।

এই শিতানৰ বাবে মই আৰম্ভণিতে ৫০ লাখ টকাৰ বাজেট প্ৰস্তাৱ দাখিল কৰিছোঁ। ৰূপায়ণ সম্পূৰ্ণ হ'বলৈ অন্ততঃ দুবছৰ সময়ৰ প্ৰয়োজন হ'ব।

**নৱম আৰু দশমমানৰ বাবে বিনামূলীয়া পাঠ্যপুথি**

আমাৰ চৰকাৰখনে শিক্ষাৰ বৰ্ধিত খৰচৰ ওপৰত চোকা নজৰ ৰাখিছে আৰু পাঠ্যপুথিৰ খৰচ অতিশয় প্ৰাথমিক। ৰাজ্য চৰকাৰে অষ্টম শ্ৰেণীলৈকে শিক্ষাৰ্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগান ধৰি আহিছে।

নৱম আৰু দশম শ্ৰেণীৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকৰ আৰ্থিক কষ্টৰ প্ৰতি লক্ষ্য ৰাখি মই পৰৱৰ্তী বিদ্যায়তনিক বৰ্ষৰ বাবে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীকো বিনামূলীয়া পাঠ্যপুথি যোগানৰ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ বাবে অতিৰিক্ত ২০ কোটি টকাৰ প্ৰয়োজন হ'ব আৰু প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰতি বছৰে প্ৰায় ১৪০ কোটি ব্যয় হ'ব।

চলিত বাজেটত মই বিনামূলীয়া পাঠ্যপুথি যোগান আঁচনিৰ বাবদ ৫০০০ লাখ টকা বাজেট অনুমোদনৰ প্ৰস্তাৱ ৰাখিছোঁ।

অহা শৈক্ষিক বৰ্ষৰ পৰা চৰকাৰে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ কথা বিবেচনা কৰিব।

**কেন্দ্ৰীভূত বিতৰণ ব্যৱস্থা দ্বাৰা মধ্যাহ্ন ভোজন**

আমাৰ দেশত মধ্যাহ্ন ভোজনৰ আঁচনি অন্যতম সফল আঁচনি। ইয়াৰ দ্বাৰা বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ আৰু তেওঁলোকৰ পৰিপুষ্টিৰ হাৰ বৃদ্ধি পাইছে। কিন্তু বিজ্ঞানসন্মত আৰু স্বাস্থ্যকৰ খাদ্য প্ৰতিখন বিদ্যালয়ত যোগান ধৰাটো এতিয়াও এক প্ৰত্যাহ্বান হৈয়ে আছে। কামৰূপ জিলাৰ কিছুমান উন্নয়ন খণ্ডত অক্ষয়পাত্ৰ নামৰ আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংগঠনৰ দ্বাৰা কেন্দ্ৰীয়ভাৱে বিতৰণ কৰা ৰন্ধা খাদ্য আঁচনিৰ সফল অভিজ্ঞতা লাভ কৰা গৈছে।

শিক্ষা বিভাগে কেন্দ্ৰীয়ভাৱে বিতৰণ কৰিব পৰা মধ্যাহ্ন ভোজনৰ আঁচনি ৰূপায়িত কৰিবলৈ বিস্তৃত আৰ্হি প্ৰস্তুত কৰিব।

**অসম মাধ্যমিক শিক্ষা পৰিষদৰ (SEBA) পুনৰ গঠন**

শ্ৰী শ্ৰীনাথ বৰুৱা কমিটীৰ অনুমোদন সাপেক্ষে অসম মাধ্যমিক শিক্ষা

পৰিষদ পুনৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই ক্ষেত্ৰত কমিটীৰ নিৰ্দেশাৱলী পৰীক্ষা কৰি থকা হৈছে আৰু আমাৰ চৰকাৰে অসম মাধ্যমিক শিক্ষা পৰিষদক উচ্চতম মান বিশিষ্ট অনুষ্ঠানলৈ পৰ্যবসিত কৰিবলৈ অতিশয় আগ্ৰহী।

**উন্নত প্ৰদৰ্শন**

আমাৰ চৰকাৰে 'পঢ়ে ভাৰত, বাঢ়ে ভাৰত' আঁচনিৰ ওপৰত বিশেষ দৃষ্টি নিবদ্ধ কৰিব। অন্য এক আঁচনি 'শালা সিদ্ধি' বিদ্যালয়সমূহত স্বয়ং পৰীক্ষণৰ দ্বাৰা প্ৰদৰ্শন উন্নত কৰিবলৈ প্ৰয়োগ কৰা হ'ব।

ডিজিটেল ইণ্ডিয়াৰ স্বপ্ন পূৰ কৰিবলৈ কম্পিউটাৰ সহায়ক শিক্ষা ২৯৭ খন উচ্চ প্ৰাথমিক বিদ্যালয়লৈ সম্প্ৰসাৰিত কৰা হ'ব।

**কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ (CBSE) অধীনলৈ অতিৰিক্ত ৫০ খন বিদ্যালয়**

মহোদয়, কিছুমান বিদ্যালয়ে উন্নততৰ প্ৰদৰ্শনৰ বাবে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অধীনলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰিছে যাতে তেনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে চিকিৎসা পাঠ্যক্ৰম, অভিযান্ত্ৰিক পাঠ্যক্ৰম আদিৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষাত ভাল ফল প্ৰদৰ্শন কৰিব পাৰে। ইয়াৰ দ্বাৰা সৰ্বভাৰতীয় ক্ষেত্ৰত অসমৰ প্ৰতিনিধিত্ব বৃদ্ধি কৰাত সহায়ক হ'ব। এই ব্যৱস্থাই ৰাজ্যিক ব'ৰ্ড আৰু কেন্দ্ৰীয় ব'ৰ্ডৰ ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাৰ হাৰৰ পাৰ্থক্য হ্ৰাস কৰাত সহায়ক হ'ব। সেইবাবে অসম মাধ্যমিক শিক্ষা পৰিষদৰ কোনো কোনো বিদ্যালয়ে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ স্বীকৃতি বিচাৰি সেই ব'ৰ্ডৰ অধীনত শিক্ষাদান কৰিব খুজিলে তাক আমাৰ চৰকাৰে অনুমোদন জনাব। চলিত বৰ্ষত সৰ্বাধিক ৫০ খন বিদ্যালয়লৈ এই অনুমোদন আগবঢ়োৱা হ'ব।

**কন্যা বিদ্যালয়ৰ পৰা সহ শিক্ষানুষ্ঠানলৈ ৰূপান্তৰ**

সময়ৰ লগে লগে সমাজৰো পৰিৰ্তন হয়, কিন্তু চৰকাৰী প্ৰথাৰ সালসলনি নহয়। ইয়াৰ এটা জ্বলন্ত উদাহৰণ হ'ল অসমৰ লিংগ নিৰ্দিষ্ট বিদ্যালয়সমূহ। এই বিদ্যালয়সমূহে আমাৰ সমাজত চলি থকা লিংগ বৈষম্যক প্ৰকট ৰূপত তুলি ধৰিছে। পুৰুষ আৰু মহিলা একেখন সমাজৰে সমান অংশীদাৰ। তেনেস্থলত বালক আৰু বালিকাৰ নামত পৃথকে পৃথকে বিদ্যালয় পৰিচালনা কৰাৰ কোনো

যুক্তি নাই। সমাজৰ পৰা এই ঋণাত্মক পৰম্পৰা বিদায় দিয়াৰ সময় সমাগত।

সেইবাবে লিংগ নির্দিষ্ট বিদ্যালয় কর্তৃপক্ষসমূহে সেই বিদ্যালয়ক সহ শিক্ষানুষ্ঠানলৈ ৰূপান্তৰিত কৰিবলৈ মই প্ৰস্তাৱ আগবঢ়ালে তাক আমাৰ চৰকাৰে বিবেচনা কৰিব।

**ছাত্ৰ-ছাত্ৰীৰ বাবে মাছুল ৰেহাই**

আৰ্থিকভাৱে পিছ পৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিক সহায় প্ৰদান কৰিবলৈ মাধ্যমিক শিক্ষা বিভাগে নামভৰ্তি মাছুল, শিক্ষাদানৰ মাছুল তথা অন্যান্য মাছুল ৰেহাই দিয়াৰ এক আঁচনি প্ৰস্তুত কৰিছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে চলিত বৰ্ষত যিকোনো প্ৰাদেশিকৃত / চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জুনিয়ৰ কলেজত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছে আৰু যাৰ পিতৃ-মাতৃৰ সন্মিলিত আয় বছৰি এক লাখ টকাতকৈ কম তেনে ছাত্ৰ-ছাত্ৰীৰ বাবে এই আঁচনি প্ৰযোজ্য হ'ব। আঁচনিখনে পৰিয়ালৰ আয় নিৰ্বিশেষে বিশেষভাৱে সক্ষম লোকসকলকো সামৰি ল'ব।

মোৰ বাবে এইটো এটা পৰম সন্তুষ্টিৰ বিষয় যে এই আঁচনিৰ অধীনত ৬০ হাজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰী বৰ্তমানলৈকে উপকৃত হৈছে। সংশ্লিষ্ট সকলোবোৰ মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমূদায় ধন পৰিশোধ কৰাৰ বাবে মই প্ৰস্তাৱ দিছো আৰু সেই অনুসৰি ইয়াৰ বাবে ৫০০০ লাখ টকাৰ আবণ্টনৰ ব্যৱস্থা কৰিছোঁ।

**নতুন প'লিটেকনিক আৰু স্নাতক মহাবিদ্যালয়**

ৰাজ্যত অধিক সংখ্যাত প্ৰযুক্তিগতভাৱে যোগ্য মানৱ সম্পদ সৃষ্টি কৰাৰ বাবে ২১ খন জিলাত ২১ খন নতুন প'লিটেকনিক কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ যোগেদি স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

আমাৰ চৰকাৰে এই নতুন প'লিটেকনিকসমূহ তথা নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু আদৰ্শ স্নাতক মহাবিদ্যালয় স্থাপনৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰাৰ সিদ্ধান্ত লৈছে।

মই এই উপলক্ষে ২০,১৫৮.১৭ কোটি টকাৰ বাজেট আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

**বৰপেটা, বিহপুৰীয়া আৰু হোজাইত তিনিখন বিশ্ববিদ্যালয় স্থাপন**

বৰ্তমানৰ শৈক্ষিক ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত আৰু সমাজৰ বৰ্ধিত চাহিদা পূৰাবলৈ অসমত আৰু কেইখনমান বিশ্ববিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা আছে। সমগ্ৰ পৃথিৱীতে বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আৰু সেইবোৰে মহাবিদ্যালয়ক অন্তৰ্ভুক্ত কৰাৰ কিছুমান প্ৰতিষ্ঠিত নিয়ম আছে। মহাবিদ্যালয়সমূহৰ গুণাগুণ, শিক্ষাৰ মান আৰু সু-তত্বাৱধানৰ বাবে এনে নিয়ম বান্ধি দিয়া হৈছে। ৰাজ্যত যোৱা কেইটামান দশকত অবাধে মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা দেখা গৈছে আৰু এইসমূহ গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত হৈ আছে। ফলস্বৰূপে এই দুই বিশ্ববিদ্যালয়ৰ পক্ষে বৃহৎসংখ্যক মহাবিদ্যালয় নিয়ন্ত্ৰণ কৰা সহজ হৈ থকা নাই আৰু ফলস্বৰূপে উচ্চ শিক্ষাৰ মান নিম্নগামী হৈছে।

এই পৰিপ্ৰেক্ষিতত তিনিখন নতুন বিশ্ববিদ্যালয় বৰপেটা, বিহপুৰীয়া আৰু হোজাইত স্থাপন কৰিবলৈ মই প্ৰস্তাৱ দিছোঁ। প্ৰথম অসমীয়া গদ্য লেখক হিচাপে প্ৰতিষ্ঠিত সাহিত্যিক গৰাকী হ'ল বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য অৰ্থাৎ ভট্টদেৱ। ভাৰতীয় প্ৰান্তীয় আৰ্য ভাষাসমূহৰ ভিতৰত ভট্টদেৱেই পোন প্ৰথমে গদ্যত সাহিত্য সৃষ্টি কৰি অসমীয়া ভাষা সাহিত্যক সুপ্ৰতিষ্ঠিত কৰিছিল। বৰপেটাৰ প্ৰস্তাৱিত বিশ্ববিদ্যালয়খন শ্ৰীশ্ৰীভট্টদেৱৰ নামত স্থাপন হোৱাটো চৰকাৰে বিচাৰিছে। একেদৰে বিহপুৰীয়াৰ প্ৰস্তাৱিত বিশ্ববিদ্যালয়খন মহাপুৰুষ মাধৱদেৱৰ নামেৰে আৰু হোজাইৰ প্ৰস্তাৱিত বিশ্ববিদ্যালয়খন কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ নামেৰে স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

ইয়াৰ বাবে মই ৩০০০ লাখ টকাৰ বাজেট আৱণ্টনৰ প্ৰস্তাৱ দিছোঁ। ইয়াৰ অতিৰিক্তভাৱে চলিত বৰ্ষত ৭০০০ লাখ টকা অসম আন্তঃগাঁথনি বিনিয়োগ কৰ্তৃপক্ষৰ (Assam Infrastructure Financing Authority) তৰফৰ পৰা ব্যয় কৰিবলৈ মই প্ৰস্তাৱ দিওঁ। তদুপৰি অসমৰ ৰাইজক আশ্বস্ত কৰিব খোজোঁ যে গুৱাহাটী, ডিব্ৰুগড় আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়লৈকো অসম চৰকাৰে উদাৰভাৱে পৃষ্ঠপোষকতা আগবঢ়াই যাব।

কটন কলেজ আৰু কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ মাজত যি বিবাদ চলি আছে তাক দূৰ কৰাৰ বাবেও চৰকাৰে প্ৰচেষ্টা কৰিব যাতে অনাগত সময়ত

এই দুই শিক্ষানুষ্ঠানে উৎকৰ্ষৰ কেন্দ্ৰ হিচাপে উদ্ভাষিত হৈ উঠে।

সদনৰ কোনো কোনো সন্মানীয় সদস্যৰ মনত থাকিব পাৰে যে কেইবছৰমানৰ পূৰ্বে তেজপুৰ বিশ্ববিদ্যালয়ে জোনাইত এটা চৌহদ মুকলি কৰাৰ চেষ্টা কৰিছিল। আমাৰ চৰকাৰে সন্মানীয় উচ্চ শিক্ষানুষ্ঠানখনৰ চুকে-কোণে শিক্ষা বিস্তাৰৰ এই প্ৰচেষ্টাৰ শলাগ লয়। বিশ্ববিদ্যালয়খনৰ এই প্ৰচেষ্টাত আমাৰ চৰকাৰে সম্পূৰ্ণ সহযোগ কৰিব আৰু অনতিপলমে এই মহৎ কাৰ্য বাস্তৱায়িত কৰি তোলাৰ চেষ্টা কৰিব।

আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষা কেৱল এক স্বপ্ন। এনে আৰ্থিক অৱস্থাৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মই এই বাজেটত এনে ছাত্ৰ-ছাত্ৰীৰ সহায়ৰ বাবে প্ৰস্তাৱ কৰিছোঁ। এই ক্ষেত্ৰত উচ্চ শিক্ষা বিভাগে 'দৰিদ্ৰ মেধাৱী ছাত্ৰৰ বাবে আৰ্থিক সাহায্য আঁচনি' (Financial Assistance to the poor but Meritorious Students) নামৰ এখন আঁচনি ৰূপায়িত কৰি আহিছে।

তদুপৰি আমাৰ চৰকাৰে উচ্চ শিক্ষা গ্ৰহণ কৰিব খোজা ছাত্ৰ-ছাত্ৰীৰ শিক্ষা ঋণৰ সুদৰ ওপৰত উচ্চ শিক্ষা বিভাগৰ জৰিয়তে ৫০ শতাংশ ৰাজ সাহায্য দিয়াৰ প্ৰস্তাৱ কৰিছে। ইয়াৰ বাবে এই বাজেটত মই ৫০ লাখ টকাৰ প্ৰস্তাৱ কৰিছোঁ।

সদনৰ সন্মানীয় সদস্যসকলে নিশ্চয় জানে যে কিছুদিনৰ পূৰ্বে অসম চৰকাৰে যোৰহাট আৰু কোকৰাঝাৰত যথাক্ৰমে যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান আৰু বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় নামেৰে দুখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰিছিল। দুয়োখন মহাবিদ্যালয় অসমৰ মুখ্য সচিবৰ নেতৃত্বত গঠিত পঞ্জীয়নভুক্ত সমিতিৰ অধীনত পৰিচালিত হয়। এই দুয়োখন মহাবিদ্যালয়ক পূৰ্ণ পৰ্যায়ৰ চৰকাৰী কলেজলৈ ৰূপান্তৰিত কৰাৰ সময় আহিছে। এই নতুন ব্যৱস্থাত অনুষ্ঠান দুটাৰ ক্ষেত্ৰত বিকাশ, উন্নয়ন আৰু প্ৰতিযোগিতাৰ পৰিৱেশ সৃষ্টি কৰিব।

ইয়াৰ উপৰি কৰিমগঞ্জ, গোলাঘাট আৰু ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয় কেইখনক অনতিপলমে পূৰ্ণ পৰ্যায়ত কাৰ্যক্ষম কৰি তুলিবলৈ প্ৰয়োজনীয় পুঁজিৰ

বাজেট আৱণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

গুৱাহাটী আৰু যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় দুখনকো উৎকৰ্ষৰ কেন্দ্ৰৰূপে গঢ়ি তোলাত চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ইণ্টাৰনেট উপলব্ধ কৰিবলৈ মহাবিদ্যালয়ৰ পুথিভঁৰালত ৱাই-ফাই ব্যৱস্থা স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ বাবে দক্ষিণ-পূব এছিয়াৰ পণ্ডিত বুদ্ধিজীৱীসকলৰ মাজত ভাৱৰ নিয়মীয়া আদান-প্ৰদানৰ প্ৰয়োজন আছে। ইয়াৰ বাবে এখন উমৈহতীয়া মঞ্চৰ প্ৰয়োজন আৰু অসমতে তেনে এখন মঞ্চ তৈয়াৰ কৰি আমাৰ ৰাজ্যখনক দক্ষিণ-পূব এছিয়াৰ নাভিকেন্দ্ৰৰূপে প্ৰতিষ্ঠা কৰিবলৈ আমাৰ চৰকাৰে লক্ষ্য স্থিৰ কৰিছে।

সেইবাবে মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ দক্ষিণ এছিয়া অধ্যয়ন কেন্দ্ৰ এটা স্থাপন কৰাৰ আৰু এই কাম সূচনা কৰিবলৈ এক কোটি টকাৰ বাজেট আৱণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

শ্ৰীমন্ত্ৰী শংকৰদেৱ সংঘই নগাঁৱত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় স্থাপন কৰিছে। এই পৰিপ্ৰেক্ষিতত মই মহাপুৰুষ শ্ৰী মাধৱদেৱে মহাপুৰুষ শংকৰদেৱৰ প্ৰতি শ্ৰদ্ধা জনাই নামঘোষাত উল্লেখ কৰি যোৱা যোৱা এফাকি পদ পাঠ কৰিব খুজিছোঁ —

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু।।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক মই সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া ৰূপে গভীৰভাৱে শ্ৰদ্ধা কৰোঁ। অসমীয়া সমাজক এডাল একতাৰ দোলেৰে বান্ধি এক সমৃদ্ধিশালী সংস্কৃতি দি থৈ যোৱা শ্ৰীমন্ত শংকৰদেৱৰ মহত্তম অৱদানৰ তুলনাত আমি দিয়া এই সন্মান অতি নগণ্য। মই অতি বিনম্ৰতাৰে শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে ১০০০ লাখ টকা তিনি বছৰত আৱণ্টনৰ প্ৰস্তাৱ দিছোঁ। চলিত বৰ্ষত ৩৫০ লাখ টকাৰ বাজেট আৱণ্টনৰ প্ৰস্তাৱ ৰখা হৈছে।

এই ক্ষুদ্ৰ প্ৰচেষ্টাসমূহৰ উপৰি দেশৰ শীৰ্ষ পাঁচখন বিশ্ববিদ্যালয়ত আমি শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠা কৰিব খুজিছোঁ। এই উদ্দেশ্যে মই ৫০০ লাখ টকাৰ বাজেট আৱণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

অসমীয়া সাহিত্যলৈ মামণি ৰয়ছম গোস্বামীৰ অৱদান অতুলনীয়। তেখেতে অধ্যাপনা কৰা দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত তেখেতৰ নামত এটি পুঁজিদান স্মাৰক বক্তৃতা প্ৰচলন কৰিবলৈ বিচাৰিছোঁ। আমাৰ ৰাজ্যৰ এই মহান সাহিত্যিকগৰাকীৰ বিৰাট অৱদানৰ প্ৰতি এয়া আমাৰ নিঃকিন স্বীকৃতি মাথোন।

মোৰ ৰাজনৈতিক জীৱনৰ এক পৰিপূৰ্ণতম সাফল্য হৈছে টেট পৰীক্ষা অনুষ্ঠিত কৰি প্ৰাথমিক বিদ্যালয়বোৰত সম্পূৰ্ণ মেধাৰ ভিত্তিত ৬০ হাজাৰ শিক্ষক নিযুক্তি দিয়াটো। এই একক সাফল্যই আমাৰ ৰাজ্যখনত নিকা, শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিলে। আনক দোষাৰোপ নকৰাকৈ মই প্ৰকাশ কৰিব খোজোঁ যে এই শিক্ষকসকলে অদূৰ অতীতত মাহেকীয়া বেতনৰ পৰা বঞ্চিত হৈছিল। আমাৰ ভিজন ডকুমেণ্টত আমি প্ৰতিশ্ৰুতি দিছিলোঁ যে এই শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'ব যাতে তেখেতসকলে বিকশিত অসমৰ সেনানী হিচাপে আগবাঢ়ি যাব পাৰে। শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত অনুষ্ঠিত প্ৰথমখন কেবিনেট বৈঠকত এই টেট শিক্ষকসকলৰ নিয়মীয়া নিযুক্তিৰ বাবে ১০ হাজাৰ পদ মুকলি কৰি দিয়া হয়। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ অনুমোদন সাপেক্ষে এই সংখ্যা মই আৰম্ভণিতে ১২ হাজাৰলৈ বৃদ্ধি কৰিব বিচাৰিছোঁ আৰু আগন্তুক বৰ্ষৰ এপ্ৰিল মাহত আন পাঁচ হাজাৰ টেট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ আশা কৰিছোঁ। এই নিয়মীয়াকৰণ ২০১৬ চনৰ আগষ্ট মাহৰ পৰা আৰম্ভ হ'ব।

সৰ্বশিক্ষা অভিযানৰ অধীনত প্ৰায় ১৩ হাজাৰ শিক্ষক পদ খালী আছে। টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ টেট পৰীক্ষাৰ ম্যাদ তিনি বছৰৰ বাবে ৰেহাই দিলে এই প্ৰাৰ্থীসকলে আন কোনো বৃত্তিমুখী অৰ্হতা গ্ৰহণ কৰি শিক্ষক নিযুক্তিৰ বাবে যোগ্যতা আহৰণ কৰিব পাৰিব। এই প্ৰাৰ্থীসকলৰ টেটৰ ম্যাদ ৰেহাই দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে ৰাজ্য চৰকাৰে যোগাযোগ চলাই আছে।

শিক্ষাৰ ক্ষেত্ৰত নানা তৰহৰ পৰিৱৰ্তন ঘটি থকা পৰিপ্ৰেক্ষিতত আমাৰ

ভৱিষ্যৎ শিক্ষকসকলক প্ৰশিক্ষণ আদিৰে সময়ৰ সৈতে খাপ খোৱাকৈ উপযুক্ত কৰি ৰখা প্ৰয়োজন। শিক্ষাৰ অধিকাৰ আইনৰ মতে বৃত্তিমুখী অৰ্হতা যেনে — ডিগ্ৰী অথবা ডিপ্লমা অবিহনে শিক্ষক নিযুক্তি সম্ভৱ নহয়। এনেদৰে বৃত্তিমুখী অৰ্হতাপ্ৰাপ্ত শিক্ষক তৈয়াৰ কৰিবলৈ মই তলত দিয়া অঞ্চলবোৰত আঠটা নতুন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) স্থাপনৰ প্ৰস্তাৱ দিছোঁ।

হোজাই, উত্তৰ শালমাৰা, পশ্চিম কাৰ্বি আংলং, চৰাইদেউ, বিশ্বনাথ চাৰিআলি, বাগছা, চিৰাং, আৰু ওদালগুৰি।

শিক্ষা ক্ষেত্ৰৰ আৰু মাত্ৰ এটা ঐতিহাসিক ঘোষণাৰে মই শিক্ষা বিভাগৰ বাজেট প্ৰস্তাৱৰ সামৰণি মাৰিব খোজোঁ।

**গুণ উৎসৱ**

সমাজৰ অগ্ৰগতিৰ ভিত্তি প্ৰাথমিক শিক্ষা বুলি ক'লেও বঢ়াই কোৱা নহয়। নিকট অতীতত ভাৰতবৰ্ষই শিক্ষা ব্যৱস্থাৰ অভূতপূৰ্ব বিকাশ সাধন কৰিছে। অসমেও সেই পথ অনুসৰণ কৰিছিল। কিন্তু আজি গুণগত প্ৰাথমিক শিক্ষাৰ নিম্ন মান আমাৰ বাবে এক উদ্বেগৰ কাৰণ। শিক্ষাৰ গুণাগুনৰ ওপৰত সমাজৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সকলো হিতধাৰকৰ যোগদানেৰে এক গণ উৎসৱ পালন কৰাৰ প্ৰয়োজন আছে। এই ব্যৱস্থাই শিক্ষক, ছাত্ৰ, প্ৰশাসক, সম্প্ৰদায় আৰু হিতধাৰকসকলৰ মাজত গুণগত শিক্ষা সম্পৰ্কে সচেতনতা বৃদ্ধি কৰিব।

এই ক্ষেত্ৰত গুজৰাটে উৎসাহজনক ফল প্ৰদৰ্শন কৰিছে। আমি জানিব পাৰিছোঁ যে প্ৰাথমিক শিক্ষাৰ গুণাগুন নিশ্চিত কৰাৰ বাবে 'গুণ উৎসৱ' হৈছে এটা জবাবদিহি ব্যৱস্থা।

শিক্ষাখণ্ডৰ বাবে দুটা প্ৰধান উদ্বেগৰ বিষয় হৈছে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা সাং নকৰাকৈ বিদ্যালয় ত্যাগ কৰা আৰু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নিম্নহাৰৰ নামভৰ্তি। আমাৰ চৰকাৰে এই দুয়োটা সমস্যাৰ ক্ষেত্ৰতে পদক্ষেপ গ্ৰহণ কৰিব আৰু শিক্ষা সাং নকৰাকৈ বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমোৱা আৰু নামভৰ্তি বঢ়োৱাৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিব। আমাৰ উদ্দেশ্য হ'ব অহা পাঁচ বছৰত এই ক্ষেত্ৰত দেশৰ প্ৰথম পাঁচখন ৰাজ্যৰ মাজত স্থান লাভ কৰা।

সেইবাবে ৰাজ্যৰ সকলো প্ৰাথমিক বিদ্যালয়তে 'গুণ উৎসৱ' ৰূপায়িত কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ। চৰকাৰী বিষয়া, জনতাৰ নেতৃত্ব, পঞ্চায়ত প্ৰতিনিধি আদিক জড়িত কৰি বিদ্যালয়সমূহৰ কাৰ্য মূল্যায়ন কৰাৰ ব্যৱস্থা কৰা হ'ব। লিখিত বা মৌখিক পৰীক্ষাৰ জৰিয়তে একোটা নিৰ্দিষ্ট দিনত কিছুসংখ্যক বিদ্যালয়ৰ মাজত এই কাৰ্য মূল্যায়ন প্ৰক্ৰিয়া ৰূপায়ণ কৰি বিদ্যালয়সমূহক কাৰ্যৰ মান অনুযায়ী স্থান দিয়া হ'ব।

মই এইখিনিতে স্বীকাৰ কৰিব বিচাৰিছো যে গুজৰাটৰ সেই সময়ৰ মুখ্যমন্ত্ৰী হিচাপে শ্ৰীনৰেন্দ্ৰ মোদীয়ে গুজাৰট ৰাজ্যত এই পদক্ষেপ হাতত লৈছিল।

এই গুণগত পদক্ষেপৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰিবৰ বাবে মই বাজেটত দুশ লাখ টকাৰ ধাৰ্য্য কৰিবলৈ প্ৰস্তাৱ কৰিছো।

৩২। **স্বাস্থ্য ঃ গুণাগুণ আৰু পৰিব্যাপ্তি**

আমাৰ চৰকাৰৰ এটা অতি গুৰুত্বপূৰ্ণ বিভাগ হ'ল স্বাস্থ্য বিভাগ। বিভাগটোত কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে যদিও ৰাজ্যৰ স্বাস্থ্য সূচকাংকবোৰ এতিয়াও অতি হতাশজনক অৱস্থাতে আছে। ৰাজ্যত দীৰ্ঘদিন ধৰি চিকিৎসক, নাৰ্ছ আৰু অৰ্ধ-চিকিৎসাকৰ্মীৰ গুৰুতৰ নাটনি হৈছে। চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য চিকিৎসালয়সমূহৰ উন্নীতকৰণৰ কাম চলাই থকা হৈছে যদিও সেইবোৰৰ ক্ষেত্ৰত আন্তঃগাঁথনিমূলক আৰু অন্যান্য সমস্যা আছে বিশেষকৈ তৃতীয় পৰ্যায়ভুক্ত (tertiary) চিকিৎসা খণ্ডত। গুৰুতৰ চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ ৰোগীক লৈ যোৱাৰ প্ৰৱণতা এটা ৰাজ্যবাসীৰ মাজত গঢ়ি উঠাৰ বাবে চিকিৎসাৰ ক্ষেত্ৰত সাধাৰণ লোকৰ চিকিৎসা ব্যয় বৃদ্ধি পাব ধৰিছে। আমাৰ জনসাধাৰণৰ জীৱনত প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰাৰ এই গুৰুত্বপূৰ্ণ খণ্ডৰ প্ৰতি আমি গুৰুত্ব দিছোঁ।

এই পৰিপ্ৰেক্ষিতত এইবাৰৰ বাজেটত মই কেতবোৰ পদক্ষেপ প্ৰস্তাৱ কৰিব খুজিছোঁ।

অসুস্থতা, ৰুগ্নতা আৰু অকাল মৃত্যুৰ বিৰুদ্ধে আমাৰ সংগ্ৰামত আমি বিভিন্ন উৎসৰ পৰা অনুপ্ৰেৰণা লাভ কৰি আহিছোঁ। আজি এই বিশেষ মুহূৰ্তত আমি প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰী অটল বিহাৰী বাজপেয়ীৰ এটি চমু কবিতা পুনৰাই পাঠ কৰিবলৈ বিচাৰিছোঁ ঃ

হাৰ নেহী মানুংগা
ৰাৰ নেহী থানুংগা
কল কে কপাল পৰ লিখতা-মিটাতা হুঁ
গীত নয়া গাতা হুঁ

**অটল-অমৃত যোজনা ঃ স্বাস্থ্য নিশ্চিতি আঁচনি**

দীৰ্ঘদিনীয়া পুৰণি ৰোগেই হওক অথবা হঠাৎ হোৱা ৰোগেই হওক চিকিৎসা ব্যয় সৰ্বসাধাৰণৰ সাধ্যৰ অতীত। ৰোগীৰ চিকিৎসাত সৰ্বস্বান্ত হোৱা পৰিয়ালত সুদূৰ প্ৰসাৰী কুপ্ৰভাৱ পৰে। নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত পৰিয়ালত যেতিয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটে চিকিৎসা ব্যয়ৰ দুৰ্লংঘ্য প্ৰাচীৰ ভেদি চিকিৎসা গ্ৰহণ কৰা অসম্ভৱ হৈ উঠে। ভাৰতবৰ্ষৰ সংবিধানৰ ২১নং অনুচ্ছেদত প্ৰতিজন লোকৰ সৰ্বোচ্চ মানৰ স্বাস্থ্যৰ অধিকাৰক মৌলিক অধিকাৰৰূপে গণ্য কৰা হৈছে। অনুমান কৰা হৈছে যে ভাৰতবৰ্ষত চিকিৎসা ব্যয়ৰ ৭০ শতাংশ ধন ধাৰ কৰি পৰিশোধ কৰা হয়।

এই পৰিপ্ৰেক্ষিতত অসমৰ ৰাইজক দিয়া প্ৰতিশ্ৰুতি অনুযায়ী আমাৰ চৰকাৰে ছয়টা অধিক প্ৰাদুৰ্ভাৱ থকা আৰু ব্যয়বহুল ৰোগৰ ক্ষেত্ৰত এক আৰ্থিক সকাহ দিয়াৰ পৰিকল্পনা কৰিছে। এই ৰোগকেইটা হৈছে— (ক) হৃদ ৰোগ (Cardio-vascular Diseases) (খ) কৰ্কট ৰোগ (Cancer) (গ) বৃক্ক ৰোগ (Renal Disease) (ঘ) নৱজাতকৰ সহজাত ৰোগ (Neo Natal Diseases) (ঙ) স্নায়ু ৰোগ (Neurological Conditions) আৰু অগ্নিদগ্ধতা (Burns)। ইয়াৰ সমান্তৰালভাৱে অস্ত্ৰোপচাৰ আৰু অবিশ্ৰান্ত সুশ্ৰূষা (Intensive Care)কো এই আঁচনিৰে সামৰি লোৱাৰ প্ৰস্তাৱ কৰিছোঁ।

প্ৰস্তাৱিত আঁচনিখন চূড়ান্ত কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে শীঘ্ৰেই দাখিল কৰিব। আঁচনিখনক নগদ ধন ৰহিত, স্মাৰ্ট কাৰ্ড ভিত্তিক এক স্বাস্থ্য আঁচনি হিচাপে পৰিকল্পনা কৰা হৈছে। এই যোজনাৰ অধীনত প্ৰতিটো পৰিয়ালৰ বাবে প্ৰতি বছৰত উপৰিউক্ত তিনিটা ৰোগৰ বাবে সৰ্বমুঠ ২ লাখ টকা চিকিৎসা ব্যয় পৰিশোধৰ নিশ্চয়তা দিয়া হৈছে। দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ বাবে এই আঁচনি বিনামূলীয়া। আনহাতে, বছৰি সৰ্বোচ্চ ৫ লাখ টকাৰ আয়

হোৱা পৰিয়ালৰ ক্ষেত্ৰত সদস্যই প্ৰতি কিস্তিৰ পৰিমাণ বছৰি ১০০ টকাকৈ ধাৰ্য কৰা হৈছে। এই আঁচনিৰ অধীনত যিমানেই হিতাধিকাৰী বৃদ্ধি পাব সিমানেই আঁচনিখন বাজেট নিৰ্ভৰ হোৱাৰ সলনি স্ব-নিৰ্ভৰশীল হৈ উঠিব। হিতাধিকাৰী পৰিয়ালবৰ্গৰ মাজত একোখনকৈ স্মাৰ্ট কাৰ্ড প্ৰদান কৰা হ'ব আৰু একোটাকৈ একক পৰিচয় জ্ঞাপক নম্বৰ (Unique Identification Number) দিয়া হ'ব।

চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ যিবোৰ চিকিৎসালয়ত এই ৰোগসমূহৰ উন্নত চিকিৎসাৰ ব্যৱস্থা আছে তেনে চিকিৎসালয়সমূহক এই আঁচনিৰ অধীনত স্বীকৃতিপ্ৰাপ্ত বুলি চিনাক্ত কৰা হ'ব। নিম্ন বা নিম্ন-মধ্যবিত্ত পৰিয়ালৰ যিকোনো সদস্য ৰোগত আক্ৰান্ত হ'লে উক্ত আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

গৌৰৱৰ বিষয় যে শিক্ষা বিভাগে ৰাজ্যখনৰ চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীসকলক প্ৰস্তাৱিত আঁচনিখনৰ জৰিয়তে সামৰি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যখনৰ শ্ৰম বিভাগেও গুৰুত্ব সহকাৰে ৰাজ্যৰ অসংগঠিত শ্ৰমিক-কৰ্মচাৰীসকলক প্ৰস্তাৱিত আঁচনিখনৰ জৰিয়তে সামৰি ল'বলৈ চিন্তাচৰ্চা কৰি আছে। মই চৰকাৰী বিভাগসমূহ, অৰ্ধ চৰকাৰী অনুষ্ঠান তথা বেচৰকাৰী সংগঠনসমূহলৈ আহ্বান জনাও যেন তেখেতসকল আগবাঢ়ি আহি তেখেতসকলৰ শ্ৰমিক-কৰ্মচাৰীসকলক এই আঁচনিৰ সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা কৰে।

আঁচনিখনৰ প্ৰতি প্ৰত্যয়, বিশ্বাস আৰু সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আমি চলিত বৰ্ষত প্ৰস্তাৱিত আঁচনিখনৰ লাভ সকলো যোগ্য নাগৰিকলৈ, আনকি দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ সকলো ব্যক্তিলৈকে বিনামূলীয়াকৈ আঁচনিখন সম্প্ৰসাৰণ কৰিবলৈ বিচাৰিছোঁ।

আমি ২০১৬ চনৰ দ্বিতীয় অক্টোবৰত এই আঁচনিখনৰ শুভাৰম্ভ কৰিবলৈ লক্ষ্য স্থিৰ কৰিছোঁ। মহান দ্ৰষ্টা তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰী অটল বিহাৰী বাজপেয়ীৰ প্ৰতি সন্মান জনাই আঁচনিখন **'অটল অমৃত অভিযান'** নামেৰে নামকৰণ কৰিবলৈ বিচাৰিছোঁ। চলিত বিত্তীয় বৰ্ষৰ বাবে মই আঁচনিখনৰ বাবে ৪৫ কোটি টকা প্ৰস্তাৱ কৰা হৈছে।

**জিলাভিত্তিক চিকিৎসালয় স্থাপন**

আমি প্ৰতিখন জিলাতে এখনকৈ জিলাভিত্তিক চৰকাৰী চিকিৎসালয়

স্থাপনৰ বাবে সংকল্পবদ্ধ। আমাৰ সন্মানীয় সদস্যবৃন্দৰ এই কথা জ্ঞাত যে কেইখনমান নতুন জিলাৰ সৃষ্টি হৈছে। নতুন জিলা সৃষ্টিৰ অন্যতম প্ৰাথমিক কাৰণ হৈছে জনসাধাৰণে চৰকাৰী ব্যৱস্থাৱলীৰ কাষ চাপিবলৈ সহজসাধ্য হোৱাটো। ই স্বাস্থ্য সেৱাৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। এই দৃষ্টিকোণেৰে আমি বিশ্বনাথ, হোজাই, সোণাৰি, হামেৰন, মানকাচৰ আৰু মাজুলীৰ মহকুমা চিকিৎসালয়সমূহ জিলা চিকিৎসালয়লৈ উন্নীত কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছোঁ। উক্ত চিকিৎসালয়সমূহৰ সকলো প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নতি সাধন কৰিব লাগিব যাতে নকৈ সৃষ্ট জিলাসমূহে উন্নত স্বাস্থ্য সেৱা আৰু বিশিষ্ট চিকিৎসা লাভ কৰিব পাৰে। ইতিমধ্যে ভাৰত চৰকাৰৰ ওচৰত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত উক্ত হাস্পতালকেইখনৰ উন্নীতকৰণৰ প্ৰস্তাৱ দাখিল কৰা হৈছে।

**আদৰ্শ চিকিৎসালয়ৰ সম্পূৰ্ণকৰণ ঃ** এই পৱিত্ৰ সদনৰ সদস্যসকলে নিশ্চয় জানে যে আমি প্ৰতিটো বিধানসভা সমষ্টিতে উন্নত স্বাস্থ্য সেৱা প্ৰদান কৰিবলৈ একোখনকৈ আদৰ্শ চিকিৎসালয় স্থাপনৰ আঁচনিৰ শুভাৰম্ভ কৰিছোঁ। আমি ইতিমধ্যে এনে ১১৬ খন আদৰ্শ চিকিৎসালয় স্থাপনত অনুমোদন জনাইছোঁ। জাতিৰ পিতা মহাত্মা গান্ধীৰ নামেৰে নামাংকৃত এনে ৬০ খন হাস্পতাল ইতিমধ্যে সম্পূৰ্ণ হৈছে। মই সদনক নিশ্চিতি প্ৰদান কৰিবলৈ বিচাৰিছোঁ যে নিৰ্দিষ্ট সময়ৰ ভিতৰত বাকী চিকিৎসালয়কেইখনো প্ৰয়োজনীয় সা-সঁজুলি তথা মানৱ সম্পদেৰে সম্পূৰ্ণ হৈ উঠিব।

**বিশিষ্ট আৰু অতি-বিশিষ্ট শাখা**

মই পূৰ্বতে কোৱাৰ দৰে, অসমত উন্নত মানৰ তৃতীয় পৰ্যায়ভুক্ত (tertiary) চিকিৎসা সেৱা অনুষ্ঠানৰ অভাৱৰ ফলস্বৰূপে প্ৰতিবছৰে ৰাজ্যৰ এক বৃহৎসংখ্যক ৰোগীয়ে বিশাল পৰিমাণৰ ধন ভাঙি বহিঃ ৰাজ্যলৈ চিকিৎসাৰ বাবে যাব লগা হয়। আপাতকালীন চিকিৎসাৰ বাবে এনেদৰে ব্যয় কৰা আৰ্থিক বোজা লাঘৱ কৰিবৰ বাবে অতি বিশিষ্ট চিকিৎসা সেৱাৰ ক্ষেত্ৰত (Speciality Cap) আমাৰ চৰকাৰে কেইবালানিও পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ দিছে।

**কৰ্কটৰোগৰ চিকিৎসা ঃ** সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে আৰু বিশেষকৈ অসমত কৰ্কট ৰোগৰ প্ৰাদুৰ্ভাৱ অতি বেছি। এবাৰ মই এগৰাকী কৰ্কট ৰোগীৰ সৈতে

কথা পাতিছিলোঁ। তেখেতে মোক কৈছিল — 'সময় চমু চাপি আহিছে। কিন্তু এটা এটা দিন যে মই যুঁজিছোঁ আৰু জীয়াই আছোঁ সেয়াই মোৰ বাবে জয়।' সকলো কৰ্কট ৰোগীলৈ আমাৰ বাণী এয়ে যে আপোনালোকৰ এই যুঁজত আমি আপোনালোকৰ লগত আছোঁ।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় সংলগ্ন এখন ২০০ বিছনাযুক্ত কৰ্কট ৰোগ চিকিৎসালয় আমাৰ এক উল্লেখনীয় পদক্ষেপ। ইতিমধ্যে PET-CT Scan যন্ত্ৰ, Linear Accelerator, Cyclotron, Cobalt-60 আদি শেহতীয়া প্ৰযুক্তিৰ আধুনিক যন্ত্ৰপাতি ইতিমধ্যে স্থাপন কৰা হৈছে। আমাক কিছু অতি উচ্চ মানবিশিষ্ট তথা অভিজ্ঞ চিকিৎসক আৰু চিকিৎসা কৰ্মীৰো প্ৰয়োজন হ'ব। আমি স্বাস্থ্য খণ্ডৰ সৰ্বোত্তম মানৰ সম্পদক আকৰ্ষিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছোঁ। আন্তঃগাঁথনিগত কিছু কাম এতিয়াও বাকী আছে। কিছু লাগতীয়াল সা-সৰঞ্জামো আমি ক্ৰয় কৰিব লাগিব। এই আটাইবোৰৰ বাবে এই বাজেটত ১১ কোটি টকা প্ৰস্তাৱ কৰা হৈছে।

এইখন চিকিৎসালয় সম্পূৰ্ণ হৈ উঠিলে আমাৰ কৰ্কটৰোগীসকল যে বহু প্ৰকাৰে উপকৃত হ'ব সেয়া নিশ্চিত।

**চাৰিখন চিকিৎসা মহাবিদ্যালয়ত কৰ্কটৰোগ বিভাগ ঃ** ৰোগ নিৰ্ণয়, চিকিৎসা তথা চিকিৎসাৰ পৰৱৰ্তী যতনৰ উদ্দেশ্যে চৰকাৰে যোৰহাট, তেজপুৰ, শিলচৰ আৰু বৰপেটাৰ চিকিৎসা মহাবিদ্যালয় চাৰিখনত পৰ্যায়ভিত্তিক উন্নত সা-সুবিধাযুক্ত কৰ্কট ৰোগ বিভাগ স্থাপনৰ প্ৰস্তাৱ কৰিছে। ইয়াৰে প্ৰতিখনৰ বাবে ১০ কোটি টকাকৈ খৰচ কৰিব বিচৰা হৈছে। চলিত বৰ্ষৰ বাজেটত এই উদ্দেশ্যে ৪ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰা হৈছে। লগতে কাছাৰ কৰ্কট ৰোগ চিকিৎসালয় আৰু গৱেষণা কেন্দ্ৰলৈ এটা Linear Accelerator যন্ত্ৰ প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

এতিয়া মই অতি বিশিষ্ট চিকিৎসা সেৱাৰ (Super Specialty) বিষয়টোলৈ আহিব খুজিছোঁ। ২০০৭ চনত কেন্দ্ৰীয় চৰকাৰৰ সাহায্যৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এটা অতি বিশিষ্ট চিকিৎসা কোষৰ (Super Specialty block) নিৰ্মাণ আৰম্ভ কৰি ছটা বিভাগ সামৰি লোৱা হৈছিল, যেনে —

হৃদৰোগ (Cardiology), হৃদ শল্যচিকিৎসা (Cardio-Thoracic Surgery), স্নায়ুবিজ্ঞান (Neurology), স্নায়ু শল্যচিকিৎসা (Neurosurgery), মূত্ৰতন্ত্ৰ (Urology), বৃক্ক ৰোগ (Nephrology) আদি বিভাগৰাজি। কিন্তু ৰূপায়ণৰ বিলম্বৰ ফলত নিৰ্মাণ ব্যয় বৃদ্ধি পায় আৰু এই পৰিপ্ৰেক্ষিতত্তে এই অতি বিশিষ্ট চিকিৎসা কোষ আজিকোপতি সম্পূৰ্ণ হৈ উঠা নাই। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাৰ (PMSSY) তৃতীয় দশাৰ অন্তৰ্গত ৰক্তৰোগ (Hematology), শিশু শল্যচিকিৎসা (Pediatric Surgery), অন্ত্ৰতন্ত্ৰ (Gastroenterology), অন্ত্ৰতন্ত্ৰ শল্যচিকিৎসা (G I Surgery), অন্তঃস্ৰাৱী চিকিৎসা (Endocrinology) আৰু জুয়ে পোৰা (Burn Unit) চিকিৎসা বিভাগ সম্বলিত অন্য এক প্ৰস্তাৱ প্ৰেৰণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় এনে উন্নীতকৰণ প্ৰক্ৰিয়াৰ বাবদ ১৫০ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। দুয়োটা চিকিৎসা কোষৰ সম্পূৰ্ণ ফল পাবলৈ হ'লে পূৰ্বৰ আধৰুৱা কাম সম্পাদন কৰি তুলিব লাগিব কিয়নো দুয়োটা চিকিৎসা কোষ দৰাচলতে ইটো সিটোৰ পৰিপূৰক। দুয়োটা কোষ সম্পূৰ্ণ হোৱাৰ পিছত আমি অসমৰ ৰাইজক অতি বিশিষ্ট এলানি চিকিৎসা সেৱা আগবঢ়াব পাৰিম। সেইবাবে পূৰ্বৰ চিকিৎসা কোষৰ নিৰ্মাণ আৰু স্থাপনা সম্পূৰ্ণ কৰিবলৈ এই বাজেটত মই ৬ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

**অসমত এইমৃছ স্থাপন ঃ** মই সন্মানীয় সদস্যবৃন্দক জনাবলৈ বিচাৰিছোঁ যে ৰাজ্য চৰকাৰে অসমত এখন অখিল ভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠান (AIIMS) স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰক সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা সিদ্ধান্ত গ্ৰহণ কৰিছে। যাতে আমাৰ ৰাজ্যবাসীয়ে উন্নত মানৰ তৃতীয় পৰ্যায়ভুক্ত চিকিৎসা সেৱা তৎকালে লাভ কৰিব পাৰে।

**ছয়খন চিকিৎসা মহাবিদ্যালয়তে কেথলেব স্থাপন ঃ** ২৫ ৰ পৰা ৬৯ বছৰৰ বৰ্গত ২৫ শতাংশ লোক হৃদৰোগত মৃত্যুমুখত পৰে। গ্ৰাম্য তথা চহৰ অঞ্চলত বিগত কিছু বছৰ ধৰি হৃদৰোগে এক মাৰাত্মক ৰূপ ধাৰণ কৰি সৰ্বাধিক মৃত্যুৰ কাৰণ হিচাপে পৰিগণিত হৈছে। কেথেটাৰ ব্যৱহাৰ কৰি শৰীৰৰ অভ্যন্তৰৰ প্ৰতিচ্ছবি চাই হৃদৰোগ নিৰ্ণয় আৰু হৃদয়ৰ অস্বাভাৱিক অৱস্থা নিৰাময় কৰিবলৈ কেথলেবৰ প্ৰয়োজন। হৃদৰোগ নিৰ্ণয় কৰি চিকিৎসা কৰাৰ ই এক উত্তম আৰু

আধুনিক উপায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত কেথলেব আছে। ৰাজ্যৰ বাকী চাৰিখন চিকিৎসা মহাবিদ্যালয়তো অত্যাধুনিক কেথলেব স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ বাবে আৰম্ভণি হিচাপে মই দুই কোটি টকা ব্যয়ৰ প্ৰস্তাৱ কৰিছোঁ।

**গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত OPD Dialysis গোট ঃ** অসমত দীৰ্ঘস্থায়ী বৃক্কৰোগীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। গতিকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত বৰ্তমান প্ৰতিদিনে ৩০ গৰাকী ৰোগী Dialysis কৰিব পৰা ক্ষমতা যথেষ্ট নহয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰতিদিনে প্ৰায় ৭০ গৰাকী ৰোগী Dialysis কৰাৰ প্ৰয়োজন হয়। ইয়াৰে বুজনসংখ্যক ৰোগীয়ে ৰোগৰ জৰুৰী অৱস্থাৰ বাবে অধিক খৰচ কৰি হ'লেও ব্যক্তিগত চিকিৎসালয়লৈ ঢাপলি মেলিবলৈ বাধ্য হয়। কিছুসংখ্যক নিম্ন আয়ৰ লোকে উপায়ন্তৰ হৈ চিকিৎসাৰ অভাৱত ভোগে। সেয়েহে গুৱাহাটী মেডিকেল কলেজ হাস্পতালত প্ৰতিদিনে ১০০ গৰাকী ৰোগীৰ Dialysis কৰিব পৰা OPD গোট এটা স্থাপন কৰাৰ প্ৰস্তাৱ ৰখা হৈছে।

**গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৫০ খন বিচনাযুক্ত আই চি ইউ সংযোগৰ প্ৰস্তাৱ ঃ** বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২,১০০ খন বিচনা (IPD)ৰ ব্যৱস্থা আছে আৰু প্ৰতিদিনে ২০০০ তকৈও অধিক বৰ্হিবিভাগৰ ৰোগীৰ প্ৰতি চিকিৎসা সেৱা আগবঢ়োৱা হয়। এই চিকিৎসা মহাবিদ্যালয় গুৱাহাটীৰ লগতে সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰে চিকিৎসা সেৱাৰ প্ৰধান কেন্দ্ৰ। বহু সময়ত এই চিকিৎসালয়লৈ ব্যক্তিগত চিকিৎসালয়েও ৰোগী প্ৰেৰণ কৰে। বৰ্তমানে গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ৬৮ খন বিচনাযুক্ত আই চি ইউৰ ব্যৱস্থা আছে। ফলত আই চি ইউ প্ৰয়োজন হোৱা বহুতো ৰোগীৰ ভিতৰত অতি কম সংখ্যকেহে উপযুক্ত সুবিধা লাভ কৰে। সেয়েহে ইয়াত আৰু ৫০ খন আই চি ইউৰ বিচনা সংযোগ কৰিবলৈ বিচৰা হৈছে।

**গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২০খন বিচনাযুক্ত ইনটেনচিভ কাৰডিয়াক কেয়াৰ ইউনিট (ICCU) স্থাপন ঃ** মই পূৰ্বতে কোৱাৰ দৰে হৃদৰোগ অসমৰ এক অন্যতম প্ৰধান সমস্যা। বহুতো ৰোগীৰ ক্ষেত্ৰত পেচমেকাৰ আৰু

ষ্টেন্‌ছৰ প্ৰয়োজন হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বৰ্তমান ৬ খন বিচনাযুক্ত আই চি চি ইউ যথেষ্ট নহয়। সেয়েহে ইয়াৰ হৃদৰোগ বিভাগত ২০ খন বিচনাযুক্ত আই চি চি ইউৰ প্ৰস্তাৱ ৰখা হৈছে যাতে হৃদৰোগীসকলে উন্নততৰ সেৱা লাভ কৰিব পাৰে।

**মৃত শৰীৰৰ পৰা অংগ আহৰণ আৰু সংস্থাপন (Cadaveric Organ Transplantation) ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিয়মিত ৰূপত বৃক্ক সংস্থাপন কৰা হয়। যোৱা এবছৰ ধৰি প্ৰতি মাহে গড়ে দুজনকৈ ৰোগীৰ দেহত বৃক্ক সংস্থাপন কৰি অহা হৈছে। কিন্তু দাতাৰ তুলনাত গ্ৰহিতাৰ চাহিদা অতি বেছি। এনে অভাৱ কেৱল মৃত শৰীৰৰ পৰা অংগৰ আহৰণ আঁচনিৰ দ্বাৰাহে পূৰ কৰিব পৰা যাব। ভাৰত চৰকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক অংগ আৰু কলা সংস্থাপনৰ অন্যতম আঞ্চলিক কেন্দ্ৰ হিচাপে ঘোষণা কৰিছে। ইয়াৰ দ্বাৰা মৃত শৰীৰৰ অংগ আহৰণ আঁচনি ৰূপায়ণ কৰিব পৰা যাব। ফলত জীৱিত দাতাৰ পৰা অংগ গ্ৰহণ কৰিব নোৱাৰা ৰোগীসকল যথেষ্ট উপকৃত হ'ব পাৰিব।

সেয়েহে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক মৃত শৰীৰৰ অংগ আহৰণ আৰু সংস্থাপন আঁচনিৰ অধীনলৈ অনাৰ প্ৰস্তাৱ কৰা হৈছে।

**অনুৰ্বৰতা চিকিৎসা কেন্দ্ৰ ঃ** দম্পতিৰ প্ৰধান স্বপ্ন হৈছে সন্তানসুখ লাভ কৰা। কিন্তু আধুনিক পৰিয়ালবোৰত বহুতো দম্পতি সন্তান লাভৰ পৰা বঞ্চিত হোৱাটো পৰিলক্ষিত হৈছে। ব্যক্তিগত চিকিৎসালয়বোৰত অনুৰ্বৰতা দূৰীকৰণৰ চিকিৎসা অত্যন্ত ব্যয়বহুল। এনে ক্ষেত্ৰত দুখীয়া পৰিয়ালবোৰক সকাহ দিয়াৰ উদ্দেশ্যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এক পূৰ্ণাংগ পৰ্যায়ৰ অনুৰ্বৰতা নিৰাময় কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। এই কেন্দ্ৰত পুৰুষ আৰু মহিলাৰ অনুৰ্বৰতাৰ কাৰণ নিৰ্ধাৰণ, Intra Uterine Insemination (IUI) আৰু In Vitro Fertilization (IVF)ৰ চিকিৎসা এক বহনক্ষম আৰ্থিক ক্ষমতাৰ ভিতৰত কৰোৱা হ'ব।

**বিনামূলীয়া ৰোগ নিৰ্ণয় ব্যৱস্থা ঃ** এক বৃহৎসংখ্যক ৰোগীয়ে যাতে বিনামূলীয়া ঔষধ আৰু ৰোগ নিৰ্ণয়ৰ সুবিধা গ্ৰহণ কৰিব পাৰে তাৰ বাবে আমাৰ

চৰকাৰে চেষ্টাৰ ত্ৰুটি কৰা নাই। এই দিশত চৰকাৰৰ কেইবাটাও পদক্ষেপ দেখিবলৈ পোৱা যাব। আমি জানো যে চিকিৎসাৰ ব্যয়ে সৰ্বসাধাৰণ লোকক বাৰুকৈয়ে জুৰুলা কৰে আৰু ই আমাৰ বাবে এক উদ্বিগ্নতাৰ বিষয়। ৰোগীয়ে যাতে বিনামূলীয়াকৈ ৰোগ নিৰ্ণয় কৰাব পাৰে তাৰ বাবে ৰাজহুৱা চিকিৎসা কেন্দ্ৰত আমাৰ চৰকাৰে বিনামূলীয়া অত্যাৱশ্যকীয় ৰোগ নিৰ্ণয় সেৱা (Free Essential Diagnostics Service Initiative) মুকলি কৰিব বিচাৰিছে। এই ব্যৱস্থাই খৰচান্ত হোৱাৰ পৰা ৰোগীক সকাহ দিব, চিকিৎসা গ্ৰহণত বাধা সৃষ্টি নহ'ব আৰু পুৰণি ৰোগৰ শুদ্ধ নিৰ্ণয় কৰি ৰোগীক চিকিৎসা প্ৰদান কৰিব পৰা যাব।

এই ব্যৱস্থাৰ অধীনত প্ৰধানকৈ তিনিবিধ সেৱা বিনামূলীয়াকৈ উপলব্ধ হ'ব।

(i) পৰীক্ষাগাৰৰ সুবিধা।

(ii) ৰঞ্জনৰশ্মি বিভাগৰ সেৱা (X-Ray)।

(iii) চিটি স্কেন (CT Scan)।

পৱিত্ৰ সদনৰ সন্মানীয় সদস্যবৃন্দ, আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ কল্যাণৰ বাবে বদ্ধপৰিকৰ এগৰাকী ভৱিষ্যদ্ৰষ্টা মুখ্যমন্ত্ৰী পাই আমি নিজকে সৌভাগ্যৱান বুলি গণ্য কৰিছোঁ। এইগৰাকী সহানুভূতিশীল, গ্ৰহণ ক্ষমতাশীল মুখ্যমন্ত্ৰী আমাৰ সকলোৰে কৰ্ম প্ৰেৰণাৰ উৎস। সেয়েহে সন্মানীয় মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি উৎসৰ্গিত এই আঁচনিখন 'মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি' নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত লোৱাত মই আগ্ৰহ প্ৰকাশ কৰিছোঁ।

'মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি'ৰ জৰিয়তে ৰোগীৰ চিকিৎসা ব্যয় হ্ৰাস পাব, চিকিৎসাৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকিব, দীৰ্ঘস্থায়ী ৰোগৰ কাৰণ নিৰ্ণয়ত সহায়ক হ'ব আৰু ইয়াৰ দ্বাৰা স্বাস্থ্যসেৱাৰ গুণাগুণ বৃদ্ধি পাব।

২০১৭ চনৰ ১ জানুৱাৰীৰ পৰা এই আঁচনিখন বলবৎ হ'ব।

**চিকিৎসা শিক্ষা খণ্ড আৰু স্বাস্থ্যৰ বাবে মানৱ সম্পদ ঃ** স্বাস্থ্যসেৱাত মানৱ সম্পদৰ অতি গুৰুত্বপূৰ্ণ বিষয়টোলৈ মই আগবাঢ়িছো। স্বাস্থ্য সেৱা বহু পৰিমাণে নিৰ্ভৰ কৰে চিকিৎসাৰ সা-সুবিধা যেনে — দক্ষ আৰু পৰ্যাপ্ত মানৱ সম্পদ, আনুষংগিক সহায়ক প্ৰণালী আৰু উন্নত চিকিৎসালয়ৰ সাহায্য আদিৰ সংযোগ

সাধনৰ ওপৰত। মানৱ সম্পদৰ ক্ষেত্ৰত আমাৰ আছে এক গুৰুতৰ অভাৱ, বিশেষকৈ চিকিৎসকৰ ক্ষেত্ৰত।

**নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন ঃ** মোৰ সহযোগীসকলে নিশ্চয় জানে যে ৰাজ্যত কেন্দ্ৰীয় আঁচনিৰ (CSS) অধীনত তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় নগাঁও, ধুবুৰী আৰু উত্তৰ লখিমপুৰত স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। বৰ্তমান চিকিৎসা স্নাতক শিক্ষাৰ বাবে বছৰেকত নামভৰ্তিৰ আসন আছে কেৱল ৭২৬ খন। ভাৰতীয় জনস্বাস্থ্য মানক বিধি (Indian Public Health Standard Norms) অনুসৰি চিকিৎসকৰ অভাৱ দূৰ কৰিবলৈ এই সংখ্যা পৰ্যাপ্ত নহয়। আসনৰ সংখ্যা বঢ়াবলৈ চৰকাৰে কেন্দ্ৰীয় আঁচনিৰ (CSS) অধীনত অতিৰিক্ত তিনিখন চিকিৎসা মহাবিদ্যালয় নগাঁও, ধুবুৰী আৰু নগাঁৱত স্থাপনৰ বাবে ২০১৬-১৭ বৰ্ষৰ বাবে প্ৰস্তাৱ দিছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ইয়াৰ বাবে ৩৭ কোটি টকা মোকলাই দিছে। ইয়াৰ সৈতে যুক্ত ৰাজ্যিক অংশৰ ৪.১ কোটি টকা মোকলাই দিয়াৰ বাবে এই বাজেটত প্ৰস্তাৱ কৰা হৈছে।

আমি কোকৰাঝাৰত দুশ কোটি টকা ব্যয় সাপেক্ষে কোকৰাঝাৰত এখন চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ লৈছো। আমি ইয়াৰ বাবে চলিত বৰ্ষৰ বাজেটত কিছু প্ৰাৰম্ভিক আৱণ্টন দিছো।

**অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান, ডিফু ঃ** ৰাজ্যিক পৰিকল্পনাৰ অধীনত ১৯৩ কোটি টকা ব্যয় সাপেক্ষ ডিফু চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণ কাৰ্য চলি আছে আৰু এই কামৰ ইতিমধ্যে ৪৮ শতাংশ অগ্ৰগতি লাভ কৰা হৈছে। অহা বছৰৰ পৰা এইখন চিকিৎসা মহাবিদ্যালয়ৰ সেৱা আৰম্ভ হ'ব। এই কামৰ বাবে এই বছৰৰ বাজেটত ২৯ কোটি টকা প্ৰস্তাৱ কৰা হৈছে। মই এই পৱিত্ৰ সদনক নিশ্চিতি প্ৰদান কৰিবলৈ বিচাৰিছোঁ যে ২০১৭ চনৰ পৰা এইকেইখন চিকিৎসা মহাবিদ্যালয়ৰ কাৰ্যক্ৰমণিকা আৰম্ভ হ'ব আৰু ভাৰতৰ মেডিকেল কাউন্সিলৰ অনুমোদন সাপেক্ষে ২০১৮ চনৰ পৰা ইয়াত শিক্ষাৰ্থীৰ নামভৰ্তি আৰম্ভ হ'ব।

**কনিষ্ঠ চিকিৎসকৰ বৃত্তি বৰ্ধিতকৰণ ঃ** চিকিৎসা মহাবিদ্যালয় হস্পিতালসমূহত স্নাতকোত্তৰ শিক্ষাৰ্থীসকলে নিঃস্বাৰ্থ সেৱা আগবঢ়াই আহিছে।

তেখেতসকলে দিনৰ লগতে ৰাতিও সমানে ৰোগীসকলক চিকিৎসা সেৱা প্ৰদান কৰে। বৰ্তমান স্নাতকোত্তৰ শিক্ষাৰ্থীসকলে প্ৰথম, দ্বিতীয় আৰু তৃতীয় শিক্ষাবৰ্ষত ক্ৰমে ২৬ হাজাৰ, ২৭ হাজাৰ আৰু ২৮ হাজাৰকৈ প্ৰতিমাহে বৃত্তি লাভ কৰে। তেখেতসকলৰ কৰ্মস্পৃহা বৃদ্ধি কৰিবৰ বাবে অনুপ্ৰেৰণাৰ প্ৰয়োজন। সেয়ে মই এই বৃত্তি বা দৰমহা বৃদ্ধি কৰিবৰ বাবে প্ৰস্তাৱ ৰাখিবলৈ বিচাৰিছোঁ। এই প্ৰস্তাৱ ৰাজ্যিক দন্ত চিকিৎসালয়, আয়ুৰ্বেদিক মহাবিদ্যালয়, হোমিঅ'পেথিক মহাবিদ্যালয়ৰ লগতে এম এছ চি নাৰ্ছিঙৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। নতুন হাৰ পৃথককৈ ঘোষণা কৰা হ'ব।

**বি ফাৰ্মা পাঠ্যক্ৰমৰ সূচনা ঃ** সাম্প্ৰতিক চিকিৎসা শিক্ষা ব্যৱস্থাত বি ফাৰ্মা এক অত্যন্ত গুৰুত্বপূৰ্ণ পাঠ্যক্ৰম। এই পাঠ্যক্ৰম ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আছে যদিও আসনৰ সংখ্যা শিক্ষা প্ৰত্যাশীৰ তুলনাত নগণ্য। সেয়েহে ভাৰতৰ ফাৰ্মাচী কাউন্সিলৰ অনুমোদন সাপেক্ষে অসমৰ ফাৰ্মাচী শিক্ষাৰ প্ৰতিষ্ঠানত বি ফাৰ্মা পাঠ্যক্ৰম মুকলি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

**স্বাস্থ্যৱান দাঁত, সৌন্দৰ্যৰ উৎস - দন্ত চিকিৎসা মহাবিদ্যালয় স্থাপন ঃ** স্বাস্থ্যৱান দাঁতে সুখী আৰু স্বাস্থ্যৱান হাঁহিৰ প্ৰকাশ ঘটায়। সেয়েহে দাঁতৰ বিশেষ যত্নৰ প্ৰয়োজন আছে। আজিৰ তাৰিখলৈ অসমত এখন মাত্ৰ আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয় আছে। সেয়েহে বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ডিব্ৰুগড় আৰু শিলচৰৰ মেডিকেল কলেজত এখনকৈ দন্ত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ ৰাখিছে। ইয়াৰ দ্বাৰা দাঁতৰ লগতে মুখৰ বিভিন্ন ৰোগৰ চিকিৎসাৰ লগতে শিক্ষা আৰু নিয়োগৰ সুবিধাও বৃদ্ধি পাব।

**চৰকাৰী চিকিৎসকৰ অৱসৰৰ বয়স ঃ** পূৰ্বেই কৈ আহিছোঁ যে চৰকাৰী চিকিৎসকৰ নাটনিয়ে আমাৰ চিকিৎসা সেৱা ব্যৱস্থাটোক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰি আহিছে। সকলো পৰ্যায়তে চিকিৎসকৰ এক গুৰুতৰ নাটনি অনুভূত হৈ আহিছে। অৱসৰৰ ফলতো এই নাটনি বৃদ্ধি পাইছে। উদাহৰণ স্বৰূপে এই বছৰতে তৃণমূল পৰ্যায়ৰ কৰ্মক্ষেত্ৰৰ পৰা ৫০ জনৰো অধিক চিকিৎসকে অৱসৰ ল'ব।

যদিও গৰিষ্ঠ সংখ্যক চৰকাৰী চিকিৎসকে ৬০/৬২ বছৰ বয়সত অৱসৰ লয়, তাৰ পিছতো তেওঁলোক যথেষ্ট কৰ্মক্ষম হৈ থাকে আৰু কিছু বছৰলৈ

চিকিৎসা সেৱা আগবঢ়াই থাকে। অৱসৰৰ পিছত যি স্থলত চৰকাৰী চিকিৎসালয়সমূহ দক্ষ আৰু অভিজ্ঞ চিকিৎসকৰ অভাৱত ভোগে সেই সময়ত ব্যক্তিগত খণ্ডৰ চিকিৎসালয়বোৰে অৱসৰপ্ৰাপ্ত চিকিৎসকসকলক তেওঁলোকৰ সেৱাত নিয়োগ কৰে। এই পৰিপ্ৰেক্ষিতত অভিজ্ঞ চিকিৎসকসকলক চৰকাৰী সেৱাতে বাহাল ৰাখিবলৈ অৱসৰকালীন বয়স ৬৫ লৈ বৃদ্ধি কৰাৰ প্ৰয়োজন। আশা কৰা হৈছে অৱসৰৰ বয়স বৃদ্ধিৰ দ্বাৰা চৰকাৰে অধিক সময়লৈ অভিজ্ঞ চিকিৎসকসকলক নিয়োজিত কৰি ৰাখিব পাৰিব আৰু ৰাজহুৱা স্বাস্থ্য সেৱা খণ্ডই অধিক সেৱা লাভ কৰিব। সম্পূৰ্ণৰূপে চৰকাৰী চিকিৎসা সেৱাৰ ওপৰত নিৰ্ভৰশীল দৰিদ্ৰ লোকসকল এই ব্যৱস্থাৰ দ্বাৰা সৰ্বাধিক উপকৃত হ'ব।

সন্মানীয় সদস্যসকল, মই সদায় সন্মানীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ প্ৰতিশ্ৰুতিপূৰ্ণ দৰ্শন আৰু তেওঁৰ বিচক্ষণতাৰ বাবে অনুপ্ৰাণিত হওঁ। তেওঁৰ ভৱিষ্যৎদৰ্শী কামসমূহ অনুকৰণৰ যোগ্য। অলপতে তেওঁ কেন্দ্ৰীয় স্বাস্থ্যসেৱাৰ চিকিৎসকলৰ অৱসৰৰ বয়স ৬৫ বছৰলৈ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লৈছে। তেওঁৰ পদাংক অনুসৰণ কৰি আমিও সকলো চৰকাৰী চিকিৎসৰ অৱসৰৰ বয়স ৬৫ বছৰলৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছো।

**'আয়ুস'ৰ পূৰ্ণ সম্ভাৱনীয়তাৰ ব্যৱহাৰ ঃ** আমাৰ সকলোৰে প্ৰিয় শ্ৰদ্ধেয় প্ৰধানমন্ত্ৰীয়ে এবাৰ কৈছিল ঃ

'যেতিয়া আত্মা, চেতনা আৰু বুদ্ধিমত্তা আভ্যন্তৰীণ শান্তিৰ সৈতে একাত্ম হয়, তেতিয়াই অনুকূল স্বাস্থ্য লাভ কৰা যায়।'

প্ৰধানমন্ত্ৰীয়ে আয়ুৰ্বেদৰ সামৰ্থতাৰ বিষয়ে প্ৰাসংগিকভাৱে কথাখিনি কৈছিল। স্বাভাৱিকতে আয়ুৰ্বেদক 'জীৱনৰ বিজ্ঞান' হিচাপে ব্যাখ্যা কৰা হয়। 'আয়ুস' মানে জীৱন আৰু 'বেদ' মানে বিজ্ঞান।

বেদৰ পৰা উদ্ভুত আয়ুৰ্বেদৰ জৰিয়তে ভাৰতবৰ্ষ চিকিৎসা বিজ্ঞানৰ এক বৃহৎ জ্ঞান ভাণ্ডাৰৰ অধিকাৰী। স্বাস্থ্য, ৰোগ আৰু চিকিৎসাৰ বিষয়ত আমাৰ এই পৰম্পৰাগত চিকিৎসা ব্যৱস্থাৰ এক সামগ্ৰিক দৃষ্টিকোণ আছে। সেইবাবে বিকল্প চিকিৎসা হিচাপে আয়ুসৰ কাৰ্যকাৰিতাৰ ওপৰত এক নতুন অনুৰাগ জাগ্ৰত হৈছে। স্বাস্থ্যসেৱাত আয়ুসৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰাৰ আমি চেষ্টা চলাইছোঁ যাতে বিকল্প

ব্যৱস্থা হিচাপে ইয়াক প্ৰতিষ্ঠা কৰিব পৰা যায়।

সমগ্ৰ বিশ্বৰ লগতে ২০১৬ চনৰ ২১ জুন তাৰিখে আমিও দ্বিতীয় আন্তৰ্জাতিক যোগ দিৱস পালন কৰিলোঁ। যোগৰ এগৰাকী অন্যতম আদি প্ৰবক্তা বি কে এছ আয়েঙ্গাৰৰ এযাৰ উক্তি মই স্মৰণ কৰিব খোজোঁ। তেওঁ কৈছিল —

'যোগে কেৱল আমাৰ দৃষ্টিভংগীৰে পৰিৱৰ্তন নঘটায়, ই দ্ৰষ্টাগৰাকীৰেই ৰূপান্তৰ সাধন কৰে।'

সন্মানীয় সদস্যসকলক এই কথা ভাগ দিবলৈ পাই আনন্দিত হৈছোঁ যে কেন্দ্ৰীয় চৰকাৰে এখন সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান (AIIA) অনুমোদন কৰা অসমেই হৈছে দেশৰ প্ৰথমখন ৰাজ্য। আমাৰ চৰকাৰে প্ৰস্তাৱিত সৰ্বভাৰতীয় আয়ুৰবেদ প্ৰতিষ্ঠান (AIIA) খন নগাঁও জিলাৰ ৰহাত স্থাপন কৰিবলৈ সিদ্ধান্ত কৰিছে।

ভাৰত চৰকাৰৰ সহযোগত আয়ুস মিছনৰ অধীনত দুখন ৫০ খন বিছনাযুক্ত চিকিৎসালয় মাজুলী আৰু দুধনৈত স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। সমগ্ৰ ৰাজ্যৰ কেতবোৰ নিৰ্বাচিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC), সমূহীয়া স্বাস্থ্য কেন্দ্ৰ (CHC) আৰু জিলা চিকিৎসালয়ত ৪৫ টা বহিঃ বিভাগ (OPD) খোলাৰ বাবে আমি প্ৰস্তাৱ দিছোঁ।

**প্ৰতিটো উন্নয়ন খণ্ডত যোগ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ ঃ** আমাৰ চৰকাৰে স্বাস্থ্য সেৱাৰ উন্নতি সাধনৰ লগে লগে ৰাজ্যবাসীৰ স্বাস্থ্য সম্বন্ধীয় সদ অভ্যাসৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। এই উদ্দেশ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰতিটো উন্নয়ন খণ্ড আৰু গাঁৱত যোগ কেন্দ্ৰ স্থাপনৰ ঘোষণা কৰিছে। ইতিমধ্যে এই ক্ষেত্ৰখনত জড়িত উৎসৰ্গিত বেচৰকাৰী সংগঠনৰ নেতৃত্বত আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহযোগিতাৰে যোগ কেন্দ্ৰ স্থাপন কৰা হ'ব। প্ৰথম পৰ্যায়ত ১০০ টা খণ্ডত অসম যোগ আঁচনিৰ শুভাৰম্ভ কৰা হ'ব আৰু প্ৰতিটো সক্ৰিয় অনুষ্ঠানে যোগকেন্দ্ৰ স্থাপনৰ বাবদ পাঁচ লাখ টকাকৈ লাভ কৰিব। এই সম্পৰ্কে আঁচনি প্ৰস্তুত কৰি থকা হৈছে। এই উদ্দেশ্যে ৫ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে।

**চাহ বাগিচালৈ সাহায্য ঃ** উল্লেখযোগ্য প্ৰগতি হ'লৈও ৰাজ্যত স্বাস্থ্য সূচকাংকসমূহ এতিয়াও কিছু হতাশজনক অৱস্থাত আছে। অসমত ২০০৪-২০০৬

বৰ্ষৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ (MMR) প্ৰতি লাখত ৪৮০ৰ পৰা ২০১১-১৩ বৰ্ষত ৩০০ লৈ হ্ৰাস পালে যদিও ২০১১-১৩ ৰ সৰ্বভাৰতীয় হাৰ ১৬৭ৰ তুলনাত ই এতিয়াও অধিক। চাহ বাগিচা থকা উজনি অসমৰ জিলাসমূহত প্ৰসূতি মৃত্যুৰ হাৰ অধিক। নৱজাতকৰ মৃত্যুৰ হাৰ (IMR) আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ (MMR)ৰ ক্ষেত্ৰত উন্নত ফল লাভৰ বাবে আমি চাহ বাগিচাসমূহৰ স্বাস্থ্য সেৱাৰ মান উন্নীত কৰিবই লাগিব।

মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ কথা মনত ৰাখি প্ৰাথমিক স্বাস্থ্য সেৱাৰ এক সৰ্বাত্মক ৰূপায়ণৰ বাবে আমি এক চাহ বাগিচা উপ-আঁচনি প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ। এই উদ্দেশ্যে চাহ বাগিচাসমূহৰ বিশদ জৰীপ কৰি চিকিৎসাৰ আন্তঃগাঁথনি, মানৱ সম্পদ, উপলব্ধ সেৱা আদিৰ ক্ষেত্ৰত অভাৱসমূহ চালিজাৰি চোৱাৰ ব্যৱস্থা কৰা হ'ব। বৰ্তমান ৪০ খন নতুন ভ্ৰাম্যমান চিকিৎসা গোট (MMU) চিকিৎসা সেৱাৰ অভাৱ মোচনৰ ব্যৱস্থা কৰা হৈছে।

সন্মানীয় সদস্যসকলৰ জ্ঞাত যে বাগিচাৰ স্থায়ী কৰ্মীসকলে প্ৰসূতি ছুটীৰ দৰে বিভিন্ন সা-সুবিধা পাই আহিছে যদিও অস্থায়ী কৰ্মীসকল তেনে সুধাৰ পৰা বঞ্চিত। সেয়েহে এনে অস্থায়ী গৰ্ভৱতী শ্ৰমিকৰ ক্ষেত্ৰত আমি এনে আঁচনি গ্ৰহণ কৰিব বিচাৰিছোঁ যাৰ দ্বাৰা তেওঁলোকে অন্ততঃ ছমাহ সময়ৰ প্ৰসূতি ছুটী লাভ কৰে আৰু প্ৰসৱৰ আগদিনালৈ বাগিচাত কৰ্মৰত হৈ থকাৰ প্ৰয়োজন নহয়।

দৰাচলতে ভাৰতৰ বিত্ত মন্ত্ৰালয়ৰ জৰিয়তে এই ক্ষেত্ৰত বিশ্ব বেংকৰ সহায় বিচৰা হৈছে। আমাৰ বাজেট দাখিলৰ সময়তে দিল্লীত চলি থকা বিশ্ব বেংকৰ স্ক্ৰিনিং কমিটীৰ মিটিঙৰ সুফল স্বৰূপে নিশ্চয় ভাল খবৰ এটা পোৱা যাব।

**অসম স্বাস্থ্য সেৱা নিগম (AMSC) ঃ** ঔষধ, শল্য চিকিৎসাৰ উপকৰণ আৰু ব্যৱহাৰ্য সামগ্ৰী (Consumable) সময় মতে আৰু পৰ্যাপ্ত মাত্ৰাত উপলব্ধ কৰাটো অতি প্ৰয়োজনীয় আৰু ই আমাৰ চৰকাৰৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয়। উপকৰণ অথবা সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত আমাৰ বহুবোৰ মাধ্যম আছে। অত্যাৱশ্যকীয় ঔষধৰ (Essential Drugs List) এখন দীঘলীয়া তালিকা আছে। ফলস্বৰূপে বিভ্ৰান্তিৰ পৰিৱেশ সৃষ্টি হয় আৰু আহৰণ প্ৰক্ৰিয়াত অযথা বিলম্ব ঘটে। এই

অৱস্থাৰ পৰিৱৰ্তনৰ বাবে আমি কিছু পদক্ষেপ লৈছোঁ।

তাৰ বাবে আমি অত্যাৱশ্যকীয় ঔষধৰ (Essential Drugs List) এখন শুদ্ধ তালিকা প্ৰস্তুত কৰিব লাগিব। তদুপৰি সামগ্ৰী আহৰণ আৰু যোগান এক ফলপ্ৰসূ, মিতব্যয়ী আৰু স্বচ্ছ প্ৰক্ৰিয়াৰ মাজেৰে সমাপন কৰিবলৈ আমি অন্যান্য ৰাজ্যৰ আৰ্হিত অসম স্বাস্থ্য সেৱা নিগম লিমিটেড (AMSCL) নামৰ এক সংস্থা গঠন কৰিছোঁ। সমগ্ৰ ৰাজ্যৰে চৰকাৰী স্বাস্থ্য কেন্দ্ৰসমূহত যাতে অত্যাৱশ্যকীয় ঔষধ আৰু ব্যৱহাৰ্য সামগ্ৰীৰ নিশ্চিত যোগান ধৰা হয় এয়ে হৈছে এই সংস্থাৰ মূল লক্ষ্য। অত্যাৱশ্যকীয় ঔষধ আৰু ব্যৱহাৰ্য সামগ্ৰীৰ (Consumable) সৰহীয়া আহৰণ, ভাণ্ডাৰণ আৰু যোগান নিশ্চিত কৰি ৰাজকোষৰ ব্যয়ো হ্ৰাস কৰিব পৰা যাব। এই নিগম, কোম্পানী আইন, ২০১৩ৰ অধীনত ২০১৬ চনৰ ২২ জুন তাৰিখে পঞ্জীয়ন কৰা হয়। আমি পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাবে অসম স্বাস্থ্যসেৱা নিগমৰ জৰিয়তে ২০০ কোটি টকাৰ ঔষধ যোগাৰ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ।

**এম্বুলেন্স আৰু নৌ এম্বুলেন্স**

চিকিৎসালয়লৈ যথা সময়ত আৰু সহজতে যাব পৰা যাতায়াত ব্যৱস্থাই ৰোগীৰ জীৱন ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বৰ্ধিত বাহন দুৰ্ঘটনা, গৰ্ভৱতী মহিলাৰ চিকিৎসালয় গমন, জীৱনৰ প্ৰতি ভাবুকি স্বৰূপ অসুখ-বিসুখ আৰু অন্যান্য দুৰ্যোগে এটা কেন্দ্ৰীভূত জৰুৰী সঁহাৰি কেন্দ্ৰৰ গুৰুত্ব বৃদ্ধি কৰে। বৰ্ধিত জৰুৰীকালীন অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে মৃত্যুঞ্জয় ১০৮ সেৱা ২০০৮ চনত আৰম্ভ কৰিছিল যাতে বছৰৰ ৩৬৫ দিনে ২৪ ঘণ্টাই জৰুৰীকালীন সেৱা মানুহে লাভ কৰিব পাৰে।

এয়াই যিয়েই নহওক কিছু বছৰ আগলৈকে সঁহাৰিৰ যি ২৩ মিনিট সময় আছিল সি বৰ্তমান ৩৭ মিনিটলৈ বৃদ্ধি পাইছে। পৰিস্থিতিটোৰে প্ৰত্যাৱৰ্তন কৰিব লাগিব। আমি এম্বুলেন্সৰ বিলম্বৰ কাৰণে মূল্যৱান মানৱ জীৱনক বিপদৰ মুখলৈ ঠেলি দিব নোৱাৰো। সেইবাবে আমি সেৱকসকলৰ ক্ষেত্ৰত 'সম্পাদন অথবা ধ্বংস কৰা' নীতি অনুসৰণ কৰিবলৈ সিদ্ধান্ত কৰিছোঁ। আমি তথাপিও জানো যে পুৰণা এম্বুলেন্সৰ ক্ষেত্ৰত কোনো কোনো অনুসবিধা আহি পৰে আৰু এনে বাহনবোৰ সলনি কৰাৰ প্ৰয়োজন আছে। চৰকাৰে সেইবাবে ৯৫ খন এম্বুলেন্স সলনি কৰাৰ

প্ৰস্তাৱ গ্ৰহণ কৰিছে।

জটিল ভৌগোলিক পৰিৱেশ আৰু নদীস্ৰোতযুক্ত অঞ্চলে আমাৰ ৰাজ্যখনৰ কোনো কোনো অঞ্চল দুৰ্গম কৰি তুলিছে। সমস্যাটো নদীস্ৰোতযুক্ত অঞ্চলত অধিক জটিল। বিশেষকৈ বাৰিষাকালত এই অৱস্থা ইমান জটিল হৈ পৰে যে নৌকা এম্বুলেন্সে নিকটৱৰ্তী চিকিৎসালয়লৈকে ৰোগী কঢ়িওৱাটো গুৰুতৰ বাধাত পৰিণত হয়। নিশাৰ ভাগত এই কাৰ্য আৰু অধিক ভয়াৱহ হৈ উঠে। সেয়ে এনে ভৌগোলিক পৰিৱেশত বাস কৰা জনসাধাৰণে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত নিজকে অসহায় যেন অনুভৱ কৰে। আমি এই বাজেটৰ জৰিয়তে আমাৰ জনসাধাৰণৰ কল্যাণৰ হকে ৰাতি চলিব পৰা আৰু এনেদৰে ২৪ ঘণ্টাই জৰুৰী সেৱা আগবঢ়াব পৰা অতি সক্ষম তথা আধুনিক সা-সঁজুলিৰে পৰিপূৰ্ণ এনে এম্বুলেন্স ১০৮ মৃত্যুঞ্জয় সেৱাৰ অধীনলৈ অনাৰ প্ৰস্তাৱ কৰা হৈছে যিসমূহ প্ৰথমতে শদিয়া, মাজুলী, গুৱাহাটী- উত্তৰ গুৱাহাটী, ধুবুৰী আৰু দক্ষিণ শালমাৰাত প্ৰযোজ্য হ'ব। এনে অত্যাধুনিক সা-সুবিধাযুক্ত নৌকা এম্বুলেন্সসমূহ যথোচিত চালক আৰু সহায়কৰ দ্বাৰা পৰিচালতি হ'ব।

উক্ত কাৰ্যাৱলীৰ বাবে সৰ্বমুঠ ৪৮.৫০ কোটি টকা বাজেটত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

**ৰাজহুৱা খণ্ডৰ উন্নতিৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ জড়িতকৰণ ঃ**

ৰাজ্যখনৰ প্ৰথমখন ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্বৰ স্বাস্থ্য খণ্ডৰ প্ৰতিষ্ঠান— উত্তৰ গুৱাহাটীৰ নাৰায়না হৃদয়ালয়ৰ পৰা আহৰিত অভিজ্ঞতাৰ দ্বাৰা এটা কথা স্পষ্ট হৈ পৰিছে যে মুক্তভাৱে পৰিকল্পিত অংশীদাৰযুক্ত চিকিৎসা প্ৰতিষ্ঠানে উচ্চ মানসম্পন্ন চিকিৎসা ন্যায়সংগত খৰচৰ ভিতৰতে জনসাধাৰণক প্ৰদান কৰিব পাৰে। এই অভিজ্ঞতাৰ ভিত্তিত চৰকাৰে ৰাজ্যখনৰ অন্যান্য ঠাইতো এনে অংশীদাৰিত্বযুক্ত চিকিৎসা প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ মানস কৰিছে। ব্যক্তিগত বিনিয়োগকাৰীক আকৰ্ষিত কৰি বিভিন্ন স্থানত উচ্চ মান সম্পন্ন আৰু ন্যায়সংগত খৰচযুক্ত চিকিৎসালয় স্থাপনৰ চিন্তা-চৰ্চা কৰিছে যাতে ৰাজ্যখনৰ জনসাধাৰণে গুণমান বিশিষ্ট চিকিৎসা সেৱা লাভ কৰিব পাৰে। এই উদ্দেশ্যে চৰকাৰে দুখন উচ্চ মানবিশিষ্ট চিকিৎসালয় চৰকাৰী ব্যক্তিগত অংশীদাৰিত্বৰ (Public Private

Partnership) ভিত্তিত ক্ৰমে শিলচৰ আৰু তেজপুৰত প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰিছে। মই চলিত বাজেটতে এই উদ্দেশ্যে যথোপযুক্ত খৰচ ব্যয় কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

**জাপানিজ এনকেফেলাইটিছৰ বিস্তৃত টিকাকৰণ**

জাপানিজ এনকেফেলাইটিছ আমাৰ ৰাজ্যৰ জনসাধাৰণক আক্ৰান্ত কৰা এক মাৰাত্মক ৰোগ। প্ৰতি বছৰে এই ঘাতক ৰোগত বহু লোকে প্ৰাণ হেৰুৱায়। এই বছৰেই অসমত ১৯ জুলাই পৰ্যন্ত ৫৪ জন লোকে জাপানিজ এনকেফেলাইটিছ ৰোগত প্ৰাণ হেৰুৱালে। একেদৰে ২০১৫ চনত ১৩৫, ২০১৪ চনত ১৬৫, ২০১৩ চনত ১৩৪, ২০১২ চনত ১০৭, ২০১১ চনত ১১৫ জন লোকে এই ৰোগত প্ৰাণ হেৰুৱাইছে। টিকাকৰণৰ উপৰি মানুহৰ মাজত জাগৰণ সৃষ্টি কৰাও এই ৰোগ প্ৰতিহত কৰা কৌশলৰ অন্তৰ্গত।

চলিত বৰ্ষত জাপানিজ এনকেফেলাইটিৰ এক বিস্তৃত টিকাকৰণৰ আঁচনি ৰূপায়ণৰ আমি প্ৰস্তাৱ কৰিছোঁ। জাপানিজ এনকেফেলাইটিছ ৰোগৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ বিদ্যালয়সমূহতো আমি এক প্ৰচাৰ অভিযান চলাম। আশা কৰা হৈছে গ্ৰামাঞ্চলত এই বাৰ্তা কঢ়িয়াই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলে এক উৎকৃষ্ট মাধ্যমৰূপে ক্ৰিয়া কৰিব। ছাত্ৰসকলৰ উপৰি ভ্ৰাম্যমাণ চিকিৎসা শিবিৰ বা গ্ৰাম্য স্বাস্থ্য আৰু পৰিপুষ্টি দিৱসত এই ৰোগৰ লক্ষণ আৰু চিকিৎসা সম্পৰ্কে মহিলাসকলৰ মাজত সজাগতা বৃদ্ধিৰ প্ৰচেষ্টা লোৱা হ'ব। তদুপৰি বৈদ্যুতিন আৰু ছপা মাধ্যমতো ইয়াৰ প্ৰচাৰ চলিব।

**চিকিৎসাৰ বাবে সুলভ ঔষধ আৰু নিৰ্ভৰযোগ্য সংৰোপন [Affordable Medicines and Reliable Implants for treatment (AMRIT)]** ঃ কৰ্কট আৰু হৃদৰোগৰ ৰোগীসকলৰ চিকিৎসা ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে অসম চৰকাৰে ৰাজ্যখনৰ তৃতীয় পৰ্যায়ভুক্ত (Tertiary) চিকিৎসা কেন্দ্ৰ যেনে — চিকিৎসা মহাবিদ্যালয় হাস্পতাল অথবা কৰ্কট ৰোগ চিকিৎসালয় আদিত কিছুমান অমৃত (**AMRIT**) বিপণী স্থাপন কৰাৰ প্ৰস্তাৱ কৰিছে। এই অমৃত বিপণীসমূহে এই দুই ৰোগৰ ঔষধ অতি সুলভ মূল্যত যোগান ধৰিব। হাজাৰ হাজাৰ ৰোগীয়ে এইসমূহ বিপণীত চিকিৎসকৰ ব্যৱস্থাপনা পত্ৰৰ বিপৰীতে উপলব্ধ ঔষধ আৰু

সংৰোপণ উপকৰণ ৰেহাই মূল্যত লাভ কৰিব।

**ব্যক্তিগত পৰিশুদ্ধি আৰু স্বাস্থ্যসন্মত ব্যৱস্থা ঃ** আমাৰ গ্ৰামাঞ্চলসমূহত এতিয়াও ঋতুস্ৰাৱ সম্বন্ধীয় ধ্যান-ধাৰণাবোৰ আওপুৰণি পৰ্যায়তে আছে। মহিলা আৰু আনকি কিশোৰী সকলো ৰক্ষণশীলতাৰ ক'লা ডাৱৰৰ দ্বাৰা আচ্ছন্ন। সেয়েহে প্ৰকৃতাৰ্থত তেওঁলোকৰ বিজ্ঞানসন্মত পৰিশুদ্ধি সম্ভাৱ হৈ নুঠেগৈ। সেয়েহে আজিৰ কিশোৰীয়ে কাইলৈৰ বাবে সন্তান প্ৰসৱ সম্বন্ধীয় সোচৰা ৰোগত আক্ৰান্ত হোৱাৰ প্ৰকট সম্ভাৱনা থাকে। ইয়াৰ দ্বাৰা প্ৰসূতি স্বাস্থ্যৰ অৱনিত ঘটে আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰো বৃদ্ধি পায়। এন এইচ এম আৰু শিক্ষা বিভাগৰ দ্বাৰা স্বাস্থ্যসন্মত নেপকিন বিতৰণৰ ব্যৱস্থা আছে। আমি এই ব্যৱস্থাক কিশোৰী আৰু মহিলাসকলৰ সু-স্বাস্থ্যৰ বাবে অবঢ়াই নিবলৈ প্ৰস্তাৱ কৰিছোঁ।

**ৰাজ্যিক জনসংখ্যা নীতি ঃ** ৰাজ্যৰ সন্মুখত জনসংখ্যা নিয়ন্ত্ৰণ এক বৃহৎ প্ৰত্যাহ্বান হৈ থিয় দিছে। ২০০১ চনৰ জনগণনা অনুসৰি অসমৰ জনসংখ্যা ২.৬৬ কোটিৰ পৰা ২০১১ চনত ৩.১২ কোটিলৈ বৃদ্ধি পালে। দশকটোৰ জনসংখ্যা (Decadal Growth) বৃদ্ধিৰ হাৰ ১৭.০৭ শতাংশ। ৰাজ্যৰ জন ঘনত্বও (Population Density) ২০০১ চনৰ ৩৪০ ৰ পৰা ২০১১ চনত ৩৯৮ লৈ বৃদ্ধি পালে। বৰ্তমানৰ মুঠ উৰ্বৰতাৰ হাৰ (Total Fertility Rate) ২.৩ (SRS 2013)। দেখা গৈছে যে উৰ্বৰতাৰ হাৰৰ নিৰ্ধাৰিত লক্ষ্য ২.১ তকৈ অসমৰ উৰ্বৰতাৰ হাৰ অধিক।

ৰাজ্যৰ সীমিত সম্পদৰ পৰিপ্ৰেক্ষিতত জনসংখ্যা বৃদ্ধিৰ এই হাৰ শুভ লক্ষণ নহয়, কিয়নো জনসংখ্যা বৃদ্ধিৰ বৰ্তমানৰ হাৰ বাহাল থাকিলে ৰাজ্যৰ সম্পদসমূহ যেনে — খাদ্য, পানী আৰু অন্যান্য সাধাৰণ আন্তঃগাঁথনিৰ ওপৰত বোজা বৃদ্ধি পাব। জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি। এক বৃহৎ জনসংখ্যাৰ চাপৰ পৰা মুক্তি পাবলৈ আৰু ৰাজ্যৰ নাগৰিকৰ জীৱনধাৰাৰ মান উন্নীত কৰিবলৈ ৰাজ্যৰ উৰ্বৰতাৰ হাৰ নিৰ্ধাৰিত লক্ষ্যত বান্ধি ৰাখিব লাগিব আৰু তাৰ বাবে প্ৰয়োজন হ'ব এক বিস্তৃত নীতি আৰু কৰ্মসূচীৰ।

এই পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰে শিশুৰ স্বাস্থ্য আৰু বংশ বৃদ্ধি সংক্ৰান্তীয়

বিষয়বোৰ সামৰি জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ এখন নতুন জনসংখ্যা নীতি প্ৰস্তুত কৰাৰ প্ৰস্তাৱ দিছে। ইয়াৰ উদ্দেশ্য হৈছে কিছুমান সহায়ক প্ৰক্ৰিয়া উপলব্ধ কৰাই আৰু এটা যোগাত্মক পৰিৱেশ বৰ্তাই ৰাখি জনসাধাৰণক সৰু পৰিয়ালত আবদ্ধ থাকিবলৈ উৎসাহ যোগোৱা। উদাহৰণ স্বৰূপে চৰকাৰী চাকৰি, উচ্চ শিক্ষাৰ বাবে আসন সংৰক্ষণ আদিৰ দৰে কিছুমান চৰকাৰী সুবিধা প্ৰদানত সৰু পৰিয়ালক অগ্ৰাধিকাৰ দিয়াৰ দৰে ব্যৱস্থা সম্বলিত কৰা।

**জ্যেষ্ঠ নাগৰিকৰ বাবে সান্ধ্য অ' পি ডি সেৱাৰ প্ৰস্তাৱ ঃ** সাধাৰণতে দেখা যায় যে চৰকাৰী হাস্পতালত জ্যেষ্ঠ নাগৰিকসকলে দিনৰ ভাগৰ ভিৰৰ সময়ত বৰ্হিবিভাগৰ সুবিধা ল'বলৈ কষ্ট পায়। জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰতি শান্তিপূৰ্বক চিকিৎসা সেৱাৰ বাবে চৰকাৰে চৰকাৰী হাস্পতালত সান্ধ্য বৰ্হিবিভাগৰ চিকিৎসা সেৱা প্ৰদানৰ পোষকতা কৰিছে। এই সুবিধা সকলোবোৰ মেধিকেল কলেজ আৰু জিলা হাস্পতালত পৰ্যায়ক্ৰমে প্ৰদান কৰা হ'ব। আমি ইতিমধ্যে থকা মানৱ সম্পদ আৰু অন্যান্য সা-সুবিধাৰ পূৰ্ণাংগ ব্যৱহাৰৰ দ্বাৰাই, কোনো ওপৰঞ্চি আৰ্থিক বোজা নোলোৱাকৈ উক্ত ব্যৱস্থা কৰাৰ প্ৰস্তাৱ কৰিছে।

মই স্বাস্থ্য সেৱাৰ এই খণ্ডটি উপনিষদত উল্লিখিত এটি প্ৰখ্যাত মন্ত্ৰৰ দ্বাৰা সামৰিব খুজিছোঁ ঃ

ওম, সৰ্বে ভৱন্তু সুখিনা ঃ
সৰ্বে সন্তু নিৰাময়া ঃ
সৰ্বে ভদ্ৰানী পষ্যন্তু
মা কাষচিতদুখ ভাগভৱেত

সকলো কুশলে থাকক আৰু সুখী হওক
সকলো অসুস্থতাৰ পৰা মুক্ত হওক
সকলো আধ্যাত্মিকভাৱে ঊৰ্ধমুখী হওক
কোনেও যেন দুৰ্ভোগ নোভোগে।

৩৩। **সমাজ কল্যাণ ঃ সকলোৰে বাবে যত্ন**

চৰকাৰে অংগনবাড়ী কেন্দ্ৰসমূহলৈ পূৰ্বৰ ২ লাখ টকাৰ অনুদান ৭ লাখ

টকালৈ বৃদ্ধি কৰি সকলো মৌলিক সা-সুবিধাযুক্ত উন্নত অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ অৰ্থে প্ৰদানৰ সিদ্ধান্ত লৈছে। এই বৰ্দ্ধিত হাৰত ২৩৭৫ টা অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব।

ৰাজ্যখনৰ সকলো অংগনবাড়ী কেন্দ্ৰত গ্ৰহণ কৰা পুষ্টিৰ কাৰ্যসূচী জনপ্ৰিয় কৰাৰ অৰ্থে জনসাধাৰণক এই কাৰ্যসূচীখনৰ বিষয়ে সজাগ কৰিবলৈ বহুল প্ৰচাৰ কৰা হ'ব আৰু এই কেন্দ্ৰসমূহত পুষ্টিকৰ খাদ্য উপলব্ধ কৰোৱা হ'ব।

আমাৰ চৰকাৰী মহাবিদ্যালয়সমূহত চিকিৎসা বিজ্ঞান অথবা অভিযান্ত্ৰিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদান কৰিবলৈ, মই প্ৰতিজন শিক্ষাৰ্থীক প্ৰতি মাহে ৩০০০ টকাৰ এক জলপানি আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছো।

পূৰ্বতে দুৰ্নীতি, হিতাধিকাৰীসকলক পুষ্টিকৰ সামগ্ৰী যোগান নধৰা আৰু স্বচ্ছতাৰ অভাৱৰ দৰে বিষয়বোৰৰ সমালোচনা হৈছিল। আমি সেয়েহে সমাজ কল্যাণ বিভাগৰ জৰিয়তে সকলো ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত 'ই-প্ৰকিউৰমেণ্ট' ব্যৱস্থাৰ সূচনা কৰাৰ বাবে প্ৰস্তাৱ লৈছো।

৩৪। **বানপানী আৰু দুৰ্যোগ ব্যৱস্থাপনা ঃ**

বানপানী আমাৰ ৰাজ্যত বাৰে বাৰে হোৱা এক পৰিঘটনা। আনকি মই আপোনালোকৰ সন্মুখত থিয় হৈ থকা এই মুহূৰ্ততো ৰাজ্যজুৰি বহু লোক বানপানীৰ তাণ্ডবৰ সন্মুখীন হৈছে। এই বিপদৰ সময়ত আমাৰ চৰকাৰ সকলো ব্যৱস্থাৰে বানাক্ৰান্ত লোকসকলৰ লগত থাকিব যাতে আমি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাহায্য আগবঢ়াব পাৰো।

প্ৰকৃতিৰ তাণ্ডৱৰ মুখামুখি হ'বৰ বাবে আমাক নিজকে ফলপ্ৰসুভাৱে সাজু কৰিবলৈ দুৰ্যোগ ব্যৱস্থাৰ বাবে আমাৰ চৰকাৰে আধুনিক ধ্যান-ধাৰণা আৰু সা-সঁজুলি ব্যৱহাৰ কৰিব আৰু এই অতিশয় গুৰুত্বপূৰ্ণ সেৱাত উচ্চ পৰ্যায়ৰ পেছাদাৰীত্ব আনিবলৈ আমি চেষ্টা কৰিম।

আমি কাৰ্যভাৰ লোৱাৰ পিছত SDRF/NDRF-ৰ বাবে ধন মোকলাবলৈ দিয়া প্ৰতিটো প্ৰস্তাৱতেই বিত্ত বিভাগে অগ্ৰাধিকাৰ প্ৰদান কৰিছে আৰু পুঁজিসমূহ নিয়মীয়াকৈ মুকলি কৰি দি থকা হৈছে। GR, RG আৰু FDR-ৰ বাবে থকা

প্ৰতিটো টকা অতিশয় দায়বদ্ধতা আৰু উচিত কৰ্তব্যনিষ্ঠাৰে খৰছ কৰাটো আমি নিশ্চিত কৰিম যাতে অভাৱগ্ৰস্তসকল ইয়াৰ দ্বাৰা উপকৃত হয়।

চলিত বৰ্ষত SDRF-ৰ বাবে হৈ এতিয়া ৭৬,১০৩.০৬ লাখ টকা আৱন্টনৰ বাবে প্ৰস্তাৱ কৰিছো। ইয়াৰ উপৰি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ(ASDMA)ৰ বাবেও মই ১,২৫৭.২৬ লাখ টকা আৱন্টন দিয়াৰ বাবে প্ৰস্তাৱ কৰিছো।

৩৫। **সমবায় বিভাগ ঃ**

সন্মানীয় অধ্যক্ষ, ৰাজ্যখনৰ সমবায় খণ্ডটোৱে এতিয়াও সঠিক দিশত বিকাশ লাভ কৰিবলৈ বাকী আছে। ৯,০০০ খন পঞ্জীয়নকৃত সমবায় সমিতিৰ বিত্তীয় অৱস্থা সন্তোষজনক নহয় আৰু ই এই সমবায় সমিতিসমূহৰ কাৰ্যকাৰিতাক যথেষ্ট বাধাগ্ৰস্ত কৰিছে। মাননীয় সদস্যসকলে এই ক্ষেত্ৰত মোৰ সৈতে একমত হ'ব যে গ্ৰাম্য অৰ্থনীতিত সমবায় খণ্ডটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু ৰাজ্যখনত এক শক্তিশালী আৰু সক্ৰিয় সমবায় খণ্ডৰ ক্ষীপ্ৰ উন্নয়ন সাধনৰ অৰ্থে অনুকূল বাতাৱৰণৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আছে।

আমাৰ চৰকাৰে ৰাজ্যখনত আত্ম-সংস্থাপনৰ সা-সুবিধা বৃদ্ধি কৰাৰ উদ্দেশ্যৰে কৃষি, মীন, দুগ্ধ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা অন্যান্য গুৰুত্বপূৰ্ণ জীৱিকা সৃষ্টিকাৰী খণ্ডসমূহত পেছাদাৰী ব্যৱসায়িক সংস্থা হিচাপে কাম-কাজ কৰি থকা লাভদায়ক সমবায় সমিতি গঠনক উৎসাহ তথা সহায় প্ৰদানৰ ক্ষেত্ৰত দায়বদ্ধ।

সমবায় সেৱাসমূহক পুনৰ বিন্যাস, পুনৰ গঠিত, দক্ষ আৰু এক আগৰণুৱা সহায়কাৰী ভূমিকা পালন কৰিবলৈ পৰিৱৰ্তিত কৰি তোলা হ'ব যাতে নিয়ন্ত্ৰণকাৰী কাম-কাজৰ লগতে এক শক্তিশালী সমবায় খণ্ড স্থাপন কৰিব পৰা যায়।

সমবায় আন্দোলনক জনপ্ৰিয় কৰাৰ লগতে ইয়াৰ প্ৰসাৰৰ বাবে ব্যৱসায়ত পাৰদৰ্শিতা আৰু নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত দেখুওৱা প্ৰদৰ্শনক উদগনি জনোৱাৰ অৰ্থে সৰ্বোৎকৃষ্ট কাৰ্য সম্পাদন কৰা সমবায় সমিতিসমূহক পুৰস্কৃত কৰিবলৈ মই ১০০ লাখ টকা ধাৰ্য্য কৰিছো।

তদুপৰি, গ্ৰাম্য আন্তগাঁথনি উন্নয়ন পুঁজি (RIDF)ৰ অধীনত ৫০০০

লাখ টকা ব্যয় সাপেক্ষে ২৪৪ টা গ্ৰাম্য ভঁড়াল নিৰ্মাণ কৰাৰ দ্বাৰা আমাৰ গ্ৰাম্য মজুতকৰণ সামৰ্থ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এনেকুৰা ১০০ টা ভঁড়াল দুমাহমানৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। অসম ৰাজ্যিক পণ্যাগাৰ নিগমে ৰহা, সৰুপথাৰ, চিলাপথাৰ আৰু কৰিমগঞ্জত ২০০০ মেট্ৰিকটনকৈ সামৰ্থৰ মুঠ ৪ টা বৃহৎ শীতল ভঁড়াল নিৰ্মাণ কৰি আছে। ইয়াৰে দুটা ভঁড়ালৰ নিৰ্মাণ কাৰ্য চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

৩৬। **ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ ঃ**

আমাৰ সংবিধান প্ৰণেতাসকলে ভাৰতবৰ্ষক দুৰ্বল শ্ৰেণীৰ লোকৰ সুৰক্ষা আৰু উৎকৰ্ষ সাধন হোৱাকৈ এখন সমাজতান্ত্ৰিক দেশ হিচাপে সপোন দেখিছিল। আমাৰ সংবিধানত মানুহৰ মাজত সামাজিক আৰু অৰ্থনৈতিক অসমতা দূৰীভূত কৰাৰ বাবে বহুতো দফাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

ৰাজ্যখনৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ (WPT&BC) বিভাগে স্ব-নিয়োজন, গুণগত শিক্ষা, স্বাস্থ্যৰ যতন, আন্তঃগাঁথনি উন্নয়ন আৰু অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আছে। অনুসূচিত জাতি আৰু জনজাতিৰ যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধিৰ আঁচনি লোৱা হ'ব। ৬ খন স্বায়ত্ত শাসিত পৰিষদৰ অধীনত বিভিন্ন নৃগোষ্ঠীয় লোকৰ বিশেষ উন্নয়নৰ বাবে এই বছৰৰ বাজেটত ১৮৭২৬.৫৩ লাখ টকা ধাৰ্য কৰা হৈছে। একেধৰণে ৰাজ্যখনৰ উন্নয়ন পৰিষদসমূহৰ বাবে ৮২৫.০০ লাখ টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

আমাৰ চৰকাৰে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ওপৰত বিশ্বাস কৰে। আমি প্ৰতিষ্ঠানসমূহৰ শক্তিশালীকৰণতো বিশ্বাস কৰো, যিয়ে সাধাৰণ মানুহৰ কল্যাণৰ বাবে দায়িত্বশীলতাৰ সৈতে ক্ষমতা ব্যৱহাৰ কৰিব পাৰে। কেৱল আইন প্ৰণয়ন অথবা পুঁজি মুকলি কৰিলেই এই লক্ষ্যত উপনীত হ'ব পৰা নাযায়। আমি প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰিব লাগিব। স্বায়ত্বশাসিত পৰিষদসমূহক শক্তিশালী কৰাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ।

সেয়েহে মই নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত এই স্বায়ত্বশাসিত পৰিষদসমূহৰ সচিবালয় ভৱনসমূহ নিৰ্মাণ কৰাৰ বাবে প্ৰস্তাৱ লৈছো। এই বছৰ লালুং(তিৱা),

মিছিং আৰু ৰাভা স্বায়ত্বশাসিত পৰিষদৰ সচিবালয় ভৱনসমূহ নিৰ্মাণৰ বাবে ২০০.০০ লাখকৈ টকা ধাৰ্য কৰা হৈছে। এই উদ্দেশ্যেৰে অহা দুবছৰত অধিক পুঁজিৰ যোগান ধৰা হ'ব। আনহাতে দেউৰী, সোণোৱাল কছাৰী আৰু ঠেঙাল স্বায়ত্বশাসিত পৰিষদৰ স্থায়ী সচিবালয় ভৱন যথা সময়ত নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব।

ৰাজ্যখনত আম্বেদকাৰ ভৱন সম্পূৰ্ণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ উপৰিও বিভাগে প্ৰতিষ্ঠাৰ দিনৰ পৰা চৰকাৰী চাকৰিত অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সংৰক্ষণ ব্যৱস্থা সম্পৰ্কত বিভাগে সকলো প্ৰয়োজনীয় নথি-পত্ৰ সুসংবদ্ধ কৰাৰ ব্যৱস্থা ল'ব আৰু ইয়াক হাতপুথি আকাৰত প্ৰকাশ কৰিব। বিভাগে অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ বাবে প্ৰত্যক্ষ লাভ হস্তান্তৰ (DBT) পদ্ধতি প্ৰৱৰ্তন কৰিব।

৩৭। **সংখ্যালঘুৰ কল্যাণ ঃ সৰ্বাত্মক উন্নয়ন**

সংখ্যালঘু অধ্যুষিত আৱাসিত অঞ্চলৰ প্ৰতিটো ব্যক্তিগত পৰিয়াললৈ চৰ অঞ্চল দূৰৱৰ্তী আৰু সুগমতাৰ সমস্যা থকা পাহাৰীয়া এলেকালৈ ঘৰৰ মুধচত বহুওৱা সৌৰ ফলক (Solar Panel) ভিত্তিক বিদুৎ যোগান ধৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

সংখ্যালঘুসকলৰ প্ৰাথমিক উন্নয়ন ৰূপায়নৰ উদ্দেশ্যে আমি আন্তৰিকতাৰে বহু খণ্ডীয় উন্নয়ন আঁচনিৰো প্ৰস্তাৱ লৈছো।

চৰকাৰে খোৱা পানীৰে সকলোকে সামৰি নোলোৱা সংখ্যালঘু এলেকাত খোৱা পানীৰ সুবিধা প্ৰদানৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিব।

৩৮। **চাহ জনজাতি উন্নয়ন**

চাহৰ বাবে অসমক বিখ্যাত কৰা শ্ৰমিক সকললৈ আমাৰ কৃতজ্ঞতাৰে—

আমাৰ চৰকাৰ চাহ বাগানৰ শ্ৰমিক সকললৈ মানবিশিষ্ট বিদ্যুৎ যোগানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

এই বিত্তীয় বৰ্ষৰ ভিতৰত চাহ বাগিচাৰ আৱাস গৃহলৈ (Quarters) ব্যক্তিগত মিটাৰ যোগান ধৰা হ'ব। মই শক্তি বিভাগত ৩৪০০ লাখ টকা বাজেটত

ধাৰ্য কৰিছো।

মই এতিয়া জীৱনৰ আধাৰ পানীৰ বিষয়লৈ আহিব বিচাৰিছো। আমাৰ চাহ বাগানৰ বাই-ভনীৰ বাবে বিশেষকৈ খোৱা-পানী এতিয়াও ডাঙৰ সমস্যা হৈ আছে। পৰিষ্কাৰ খোৱা পানীৰ অভাৱে তেওঁলোকৰ স্বাস্থ্যৰ বাবে গভীৰ ভাবুকি আনিছে এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ পানীজনিত ৰোগ, টাইফইড, কলেৰা আদি কিছু ৰোগৰ নাম ল'ব পৰা যায়। মই সকলো চাহ বাগানৰ শ্ৰমিকলৈ পৰিস্কাৰ খোৱা পানীৰ যোগান ধৰাৰ বাবে ঘোষণা কৰিছো। আমি জানো যে বাগিচা শ্ৰমিক আইন অনুসৰি বাগান পৰিচালনা ব্যৱস্থা পানী যোগান ধৰাৰ বাবে দায়বদ্ধ। যা হওক সমাজৰ বঞ্চিত অংশৰ সামাজিক দায়বদ্ধতা পূৰণৰ অংশীদাৰ হিচাপে আমাৰ চৰকাৰে সকলো চাহ বাগান শ্ৰমিকলৈ খোৱা পানী যোগানৰ ব্যয় তলত দিয়া ধৰণে ভাগ কৰি লোৱাৰ প্ৰস্তাৱ লৈছে।

| চাহ বাগানৰ প্ৰকাৰ | চৰকাৰৰ বৰঙণিৰ অংশ |
|---|---|
| বিত্তীয়ভাৱে সবল | ২৫ % |
| বিত্তীয়ভাৱে মধ্যমীয়া সবল | ৫০% |
| বিত্তীয়ভাৱে দুৰ্বল চাহ বাগিচা | ৭৫% |
| অসম চাহ নিগমৰ বাগিচা | ১০০% |

মই সকলো চাহ বাগান ব্যৱস্থাপনালৈ নিৰ্দ্ধাৰিত সময়ত অভিযান আকাৰে কৰ্ম সম্পাদন পূৰ্ণ কৰাৰ বাবে আগবাঢ়ি আহি উদ্যোগ ল'বলৈ আবেদন জনাইছো।

৩১৮. আমাৰ চাহ বাগানৰ যুৱকসকলৰ মাজত প্ৰচুৰ ক্ৰীড়া প্ৰতিভাত বিশেষকৈ ফুটবলৰ বিষয়ত নিহিত থকাটো সন্মানীয় সদস্য সকল অৱগত। চাহ বাগান এলেকাত এই খেল বিধৰ প্ৰতি প্ৰবল উদ্যম লক্ষ্য কৰিবলগীয়া। আমি চাহ বাগান এলেকাত স্থায়ীভাৱে আন্তঃবাগান মুখ্য মন্ত্ৰীৰ ফুটবল কাপ প্ৰতিযোগিতাৰ প্ৰস্তাৱ লৈছো আৰু চাহ বাগান এলেকাত ইয়াক অনুষ্ঠিত কৰা হ'ব।

চাহ জনজাতিৰ কল্যাণৰ বাবে আমি গুৱাহাটীত এটা ৰোগীৰ অতিথি শালা আৰু গণেশগুৰিত (গুৱাহাটী) মহিলা হোষ্টেল স্থাপন কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

চাহ বাগান শ্ৰমিকৰ গৃহত আৱশ্যকীয় পোহৰ আৰু বিদ্যুতৰ খৰচ কমোৱাৰ বাবে আমি এল ই ডি বাল্ব, খোৱা পানীৰ সুবিধা আদি প্ৰদান কৰিম।

চাহ জনজাতি কল্যাণ বিভাগে অন্‌লাইন যোগে বৰ্তমানৰ জলপানি প্ৰাক্ প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ শাখাত বঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩৯। **ক্ৰীড়া ঃ আমাৰ যুৱক-যুৱতীসকলৰ শক্তিৰ একত্ৰীকৰণ**

"যুৱ, যোগ আৰু ক্ৰীড়া" আমাৰ চৰকাৰৰ শক্তি। আমাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অলপতে অসমত "দক্ষিণ এছীয় ক্ৰীড়া সমাৰোহ" সফলতাৰে সম্পন্ন হোৱাৰ বিষয়টো মই সগৰ্বেৰে স্মৰণ কৰিছো। মাথো এইটোৱেই নহয়, কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা কালছোৱাত মাননীয় মুখ্যমন্ত্ৰীৰ কৃতিত্বৰ কথা আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে অসমৰ বিভিন্ন ৰাজহুৱা সভাত মুকলিকৈ প্ৰশংসা কৰিছে। সেয়েহে এইটো স্বাভাৱিক যে ক্ৰীড়াৰ বিষয়টোৱে আমাৰ চৰকাৰৰ পৰা অধিক মনোযোগ লাভ কৰিব।

আমাৰ যুৱ প্ৰতিভাৰ ইতিবাচক শক্তিক সঠিক দিশত সংঘবদ্ধ কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়, উত্তৰ লক্ষীমপুৰ আৰু কামৰূপ জিলাত তিনিখন অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈ মই প্ৰস্তাৱ লৈছো। নিৰ্ধাৰিত সময়ৰ ভিতৰত এই ষ্টেডিয়াম কেইখন নিৰ্মাণ কৰা হ'ব আৰু এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাৰম্ভিকভাবে ৩০০ লাখ টকাৰ আবণ্টন দিয়া হৈছে। আগন্তুক বৰ্ষত বাজেট আবণ্টন অধিক বৃদ্ধি কৰা হ'ব।

সদনে জানি সুখী হ'ব যে ২০১৭ চনত প্ৰথমবাৰৰ বাবে অসমত ১৭ বছৰৰ অনুৰ্দ্ধৰ ফিফা বিশ্বকাপ অনুষ্ঠিত হ'ব। এই ক্ষেত্ৰত আমাৰ মুখ্য মন্ত্ৰীয়ে দাখিল কৰা প্ৰস্তাব মাননীয় প্ৰধানমন্ত্ৰীয়ে শীঘ্ৰে গ্ৰহণ কৰাটো এটা উল্লেখযোগ্য বিষয়। 'ফিফা অনুৰ্দ্ধ-১৭' সফলতাৰে সম্পন্ন কৰাৰ উদ্দেশ্যে ঐক্যবদ্ধ হৈ কাম কৰাৰ বাবে আগবাঢ়ি আহিবলৈ মই অসমৰ ৰাইজক আহ্বান জনাইছো। এই বৃহৎ ক্ৰীড়া প্ৰতিযোগিতাই অসমক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাত এখন উপযুক্ত মঞ্চ প্ৰদান কৰিব বুলি আমি আশা কৰিছোঁ।

এই ঐতিহাসিক ক্ৰীড়া প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বাবে ১০০ লাখ টকাৰ

বাজেট আবণ্টন দিয়া হৈছে।

মই যেতিয়া অসমক ভাৰতৰ ক্ৰীড়াৰ ৰাজধানী বুলি কওঁ, সেয়া অকণো অতিৰঞ্জিত নহয়। আমাৰ যুৱ বক্সাৰ শিৱ থাপা আন্তৰ্জাতিক পৰ্যায়ত শ্ৰেষ্ঠ প্ৰতিশ্ৰুতিসম্পন্ন বক্সাৰসকলৰ ভিতৰত অন্যতম বক্সাৰ হিচাপে প্ৰতিষ্ঠিত হৈছে। শিৱ থাপাই মাত্ৰ ১৮ বছৰ বয়সতে কণিষ্ঠতম বক্সাৰ হিচাপে অৰ্হতা অৰ্জন কৰাৰ লগতে ২০১২ চনত লণ্ডনত অনুষ্ঠিত অলিম্পিক ক্ৰীড়া সমাৰোহত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ অৰ্জন কৰিছে। শিৱই কাৰাটে, এথলেটিক আৰু ফুটবলত ব্যস্ত ৰাখি বক্সিঙৰ প্ৰতি নিজকে উপযোগী কৰি তুলিছিল। পাছত টেলিভিচনত কিংবদন্তি মাইক টাইচনৰ খেল উপভোগ কৰি বক্সিং খেলৰ প্ৰতি অধিক আকৰ্ষিত হয়। ইয়াৰ পাছত শিৱ থাপাই আৰু উভতি চাব লগা হোৱা নাই। তেওঁ নিজকে উজ্জ্বলতম তাৰকা হিচাপে প্ৰতিষ্ঠিত কৰি ভাৰতীয় বক্সিং প্ৰেমীসকলৰ নয়নৰ মণি হৈ পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্ব শৃংখলা বক্সিঙত আমেৰিকাৰ এটা  ফ্ৰেন্সচাইজি দলৰ সৈতে চুক্তিবদ্ধ হোৱা শিৱ থাপা হৈছে প্ৰথম গৰাকী ভাৰতীয়।

আমাৰ চৰকাৰৰ শলাগৰ চিন স্বৰূপে তেওঁলৈ এই বছৰত ১০ লাখ টকাৰ পুৰস্কাৰ দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে। আনহাতে তেওঁ যদি ৰিঅ' অলিম্পিকত পদক অৰ্জন কৰিব পাৰে, তেন্তে তেওঁলৈ আমাৰ চৰকাৰে ১ কোটি টকাৰ পুৰস্কাৰ প্ৰদান কৰিব। তেওঁৰ সফলতাৰ বাবে সৰ্বশক্তিমানৰ ওচৰত প্ৰাৰ্থনা জনোৱাত আমাৰ মুখ্যমন্ত্ৰীৰ সৈতে সহযোগ কৰিবলৈ মই সদনৰ সমূহ সদস্য আৰু অসমৰ ৩ কোটিতকৈও অধিক জনসাধাৰণলৈ আহ্বান জনাইছো।

অসমৰ ক্ৰীড়াক্ষেত্ৰৰ আন এগৰাকী তাৰকা হ'ল তানিচা কাশ্যপ। মই জনাবলৈ পাই গৌৰৱ বোধ  কৰিছো যে তানিচা কাশ্যপেই হৈছে প্ৰথম গৰাকী অসমীয়া ছোৱালী যি গৰাকীয়ে টেনিছৰ জুনিয়ৰ শাখাত ভাৰতৰ ১ নম্বৰ খেলুৱৈ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। একেদৰে তেওঁ এই বছৰৰ আগষ্ট মাহত অনুষ্ঠিত হ'বলগীয়া ১৪ বছৰৰ অনুৰ্দ্ধৰ উইম্বলডনৰ টেনিছ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। এই বিৰল কৃতিত্বৰ বাবে তেওঁক অভিনন্দন জনোৱাৰ লগতে মই তেওঁলৈ নগদ ৫ লাখ টকাৰ এটা বঁটা  ঘোষণা কৰিছো।

সকলো ক্ৰীড়া ক্ষেত্ৰত যোগৰ সা-সুবিধাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে প্ৰয়োজনীয় সমৰ্থন আগবঢ়োৱা হ'ব।

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ৰাজ্যখনৰ সকলোবোৰ জিলাত বিভিন্ন বয়সৰ বিবিধ ক্ৰীড়া শাখাত ৰাজ্যিক আৰু জিলা পৰ্যায়ত বিদ্যালয় ক্ৰীড়া অনুষ্ঠিত কৰাৰ বাবে "ৰাজ্যিক বিদ্যালয় ক্ৰীড়া" নামেৰে এখন নতুন ধ্বজাবাহী আঁচনি হাতত ল'ব।

ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহত উল্লেখনীয় প্ৰদৰ্শন আগবঢ়োৱা ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰী আৰু খেলুৱৈসকলক ক্ৰীড়া প্ৰতিভা সন্ধানী জলপানি প্ৰদান কৰা হ'ব।

আমি প্ৰত্যক্ষ কৰিছো যে আমাৰ ৰাজ্যৰ ক্ৰীড়াৰ ক্ষেত্ৰখনত ভালেমান প্ৰতিভাসম্পন্ন ব্যক্তি আছে। কিন্তু উপযুক্ত মঞ্চৰ অভাৱত তেওঁলোক ৰাষ্ট্ৰীয় দলত স্থান পাবলৈ সক্ষম হোৱা নাই। এনে ধৰণৰ প্ৰতিভাসম্পন্ন খেলুৱৈক সমৰ্থন দিয়াৰ বাবে আমাৰ চৰকাৰ পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। এই ক্ষেত্ৰত খেলুৱৈসকলক উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণ আৰু অত্যাধুনিক সা-সৰঞ্জাম যোগান ধৰা হ'ব যাতে তেওঁলোকে ৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ উপযুক্ত স্থান লাভ কৰিব পাৰে। এই উদ্দেশ্যে ১০০ লাখ টকাৰ ব্যয়ৰ প্ৰস্তাৱ ৰাখিছোঁ।

খণ্ড পৰ্যায়ৰ পৰা জিলা আৰু ৰাজ্যিক পৰ্যায়লৈ গ্ৰামাঞ্চলসমূহত ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে 'খেলো ইণ্ডিয়া' নামৰ কেন্দ্ৰীয় ধ্বজাবাহী আঁচনিখনৰ ওপৰত শীৰ্ষ অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ আদৰ্শ আৰু প্ৰতিভা সকলো প্ৰজন্মৰ মাজত এতিয়াও অনুপ্ৰেৰণাৰ উৎস হৈ আছে। তেওঁৰ নাম আৰু বাণীৰ অধিক প্ৰসাৰ ঘটোৱাৰ উদ্দেশ্যে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এইক্ষেত্ৰত ২৫০ লাখ টকা ব্যয়েৰে চাবুৱাৰ বিন্ধাকাটা হাইস্কুলত কলাগুৰু বিষ্ণু ৰাভা সাংস্কৃতিক আৰু ক্ৰীড়া প্ৰকল্পৰ উন্নয়ন সাধনৰ ব্যৱস্থা লোৱা হৈছে।

৪০। **সংস্কৃতি-সুন্দৰ ভৱিষ্যতৰ বাবে সমূহীয়া সম্প্ৰীতি ঃ**

সপ্তম খ্ৰীষ্টাব্দৰ অসমৰ মহান ৰজা কুমাৰ ভাস্কৰ বৰ্মন সংস্কৃত শিক্ষাৰ এগৰাকী পৃষ্ঠপোষক আছিল। তেওঁৰ শাসন কালত অসমৰ বৈদিক সংস্কৃতি আৰু

সংস্কৃত ভাষাৰ-ব্যাপক প্ৰসাৰ হৈছিল। কথিত আছে যে কুমাৰ ভাস্কৰ বৰ্মন এনে এগৰাকী ব্যক্তিত্বসম্পন্ন ৰজা আছিল, যাৰ ব্যক্তিত্বত মুগ্ধ হৈ কণৌজৰ বিখ্যাত ৰজা হৰ্ষবৰ্দ্ধনে তেওঁৰ ধৰ্ম সংসদত ভাস্কৰ বৰ্মনলৈ ইন্দ্ৰৰ আসন আগবঢ়াইছিল। মই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আহিঁত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছোঁ।

চাওলং চুকাফা হ'ল আমাৰ ৰাজ্যখনৰ এগৰাকী মহান ঐতিহাসিক ব্যক্তি, যিয়ে মধ্যযুগীয় সময়ছোৱাত আহোম সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি সেইসময়ত কেন্দ্ৰীভূত প্ৰশাসনৰ এক উজ্জ্বল চানেকি দাঙি ধৰিছিল। এই কিম্বদন্তী ৰজাগৰাকীৰ প্ৰতি আমি ঋণী হৈ থাকিম। এই মহান নেতাগৰাকীৰ আদৰ্শ, সংস্কৃতি আৰু মূল্যবোধ প্ৰসাৰত আমাৰ চৰকাৰ বিশ্বাসী আৰু সেয়ে যোৰহাটত চুকাফা সমন্বয় ক্ষেত্ৰৰ বাবে ৫০০ লাখ টকাৰ ধাৰ্য কৰা হৈছে।

আমি সকলোৱে জানো যে স্বামী বিবেকানন্দই চিকাগোত দিয়া ঐতিহাসিক ভাষণত তেওঁৰ হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ গভীৰ জ্ঞান প্ৰতিফলিত হৈছিল আৰু এই ভাষণে বিশ্ববাসীক মুগ্ধ কৰিবলৈ সক্ষম হৈছিল। এইগৰাকী মহাপুৰুষৰ প্ৰতি আমাৰ চৰকাৰে সন্মান জনাই তেওঁৰ নামেৰে বৰাক উপত্যকাত এটা সাংস্কৃতিক আৰু গৱেষণা কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

বাগদাদৰ পৰা অহা বিখ্যাত ইছলাম ধৰ্মৰ সাধক আজান পীৰে দেশৰ এই অঞ্চলত চুফিবাদ প্ৰচাৰ কৰিছিল। শিৱসাগৰ জিলাৰ ওচৰৰ গড়গাঁৱত তেওঁ নিগাজীকৈ বসবাস কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে প্ৰভাৱিত হৈ তেওঁ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ ৰচনাৰ আহিঁত জিকিৰ ৰচনা কৰিছিল। মই ব্যক্তিগতভাৱে অনুভৱ কৰো যে বিশ্বৰ বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিশ্বত স্থায়ী শান্তি স্থাপনত চুফিবাদৰ আদৰ্শই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। শিৱসাগৰত এটা আজান পীৰ ক্ষেত্ৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। চলিত বছৰত এই তিনিওটা সাংস্কৃতিক প্ৰকল্প স্থাপনৰ উদ্দেশ্যে অসম আন্তগাঁথনি বিনিয়োগ প্ৰাধিকৰণ (AIFA) ৰ পৰা ১০০০ লাখ টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ লৈছো।

শ্ৰীঅনিৰুদ্ধ দেৱ এগৰাকী বৈষ্ণৱ সাধক আছিল আৰু তেওঁ মহাপুৰুষ

শ্ৰীমন্ত শংকৰদেৱৰ নিষ্ঠাৱান অনুগামী আছিল। তেওঁ সমগ্ৰ উজনি অসমত বৈষ্ণৱ আদৰ্শৰ প্ৰচাৰ কৰিছিল। তেওঁৰ আদৰ্শ জীয়াই ৰখাৰ বাবে তিনিচুকীয়াত অনুৰুদ্ধ দেৱ সাংস্কৃতিক প্ৰকল্পৰ উন্নয়নৰ বাবে ১০০ লাখ টকা আবণ্টন দিয়াৰ বাবে প্ৰস্তাৱ লৈছো।

মই লগতে নাৰায়ণপুৰত শ্ৰীমাধৱদেৱ কলাক্ষেত্ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ৫০ লাখ টকাৰ আবণ্টন দিবলৈ প্ৰস্তাৱ লৈছো। যদি এই কাম ক্ষীপ্ৰতাৰে সম্পন্ন হয়, তেন্তে পৰিপূৰক দাবী মঞ্জুৰীৰ অধিক ধন আবণ্টন দিবলৈ মই আগ্ৰহী।

নগাঁও জিলাৰ কুঠৰীত থকা ড° ভূপেন হাজৰিকাৰ আবাস গৃহ আৰু গোলাঘাট জিলাৰ সৰুপথাৰত থকা শ্বহীদ কুশল কোঁৱৰৰ আবাস গৃহ ৰাজ্যিক ঐতিহ্য আৰু কীৰ্তি চিহ্ন হিচাপে উন্নয়ন আৰু সংৰক্ষণ কৰা হ'ব। ইয়াৰ বাবে বাজেটত উপযুক্ত পৰিমাণৰ ধনৰ ব্যৱস্থা কৰা হৈছে।

শিলচৰৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহটোৱে ৰাজহুৱা জীৱনৰ বিভিন্ন কাম-কাজ, কাৰ্যসূচী আদি ৰূপায়ণত বৰঙণি যোগাই আহিছে। এই প্ৰেক্ষাগৃহটোৰ আন্তঃগাঁথনিৰ উন্নয়নৰ প্ৰয়োজনীয়তা অনুভৱ কৰি চলিত বাজেটত আমাৰ চৰকাৰে ১০০ লাখ টকাৰ আৱণ্টন দিয়াৰ প্ৰস্তাৱ লৈছে।

গোৱালপাৰা আৰু কৰিমগঞ্জ জিলাত ৰবীন্দ্ৰভৱনৰ আৰ্হিত অত্যাধুনিক প্ৰেক্ষাগৃহ স্থাপনৰ পদক্ষেপ লোৱা হৈছে।

ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক স্বৰ্গীয় অচ্যুত লহকৰৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ তেওঁৰ অৱদানৰাজি প্ৰতিফলিত কৰি বৰপেটা জিলাত থকা তেওঁৰ গৃহ গাঁৱত এটা স্মাৰক প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

সন্মানীয় মহাশয়, অসমৰ সংমিশ্ৰিত সংস্কৃতিক এক ঐক্যবদ্ধ সামাজিক শক্তি হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সত্ৰবোৰৰ ভূমিকা নুই কৰিব নোৱাৰি। এই সত্ৰসমূহে ৰাজ্যখনত পাঁচ শতিকাতকৈও অধিক সময় ধৰি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু অসমৰ ৰাইজৰ জীৱন প্ৰণালী আৰু চিন্তাধাৰাক প্ৰভাৱিত কৰি আহিছে। সংস্কৃতিৰ এই স্নায়ু কেন্দ্ৰসমূহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৃষ্টিভংগী প্ৰতিধ্বনিত হয়। আমি অসমৰ জনসাধাৰণে সত্ৰীয়া নৃত্যক লৈ গৌৰৱ

বোধ কৰো। ঐক্য আৰু সংহতি স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা আমাৰ সত্ৰীয়া নৃত্য দেশৰ আঠটা ধ্ৰুপদী নৃত্যৰ ভিতৰত অন্যতম হিচাপে স্বীকৃতি লাভ কৰিছে।

আমাৰ চৰকাৰে সময়ে সময়ে আৰ্থিক সাহায্য প্ৰদানেৰে সত্ৰসমূহক সহায় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এই উদ্দেশ্যে আমি ৫০ খন সত্ৰলৈ ৫০ লাখ টকাকৈ সাহায্য প্ৰদান কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছো।

অসম সাহিত্য সভাই এই বছৰ শতবৰ্ষ সম্পূৰ্ণ কৰিব। চৰকাৰে শতবৰ্ষ উদ্‌যাপনৰ বাবে অসম সাহিত্য সভালৈ স্বাভাৱিক অনুদানৰ উপৰিও ১০০ লাখ টকাৰ বিশেষ অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছে।

অসমত চলচ্চিত্ৰ আৰু বিনোদন ক্ষেত্ৰখনৰ উন্নয়নৰ প্ৰচুৰ সম্ভাৱনা আছে। মই গুৱাহাটীৰ বাহিৰে আন ঠাইত নতুন চলচ্চিত্ৰ গৃহ মুকলি কৰাৰ বাবে ১৫ লাখ টকাৰ আৰ্থিক সাহায্যৰ প্ৰস্তাৱ লৈছো। ইয়াৰ লগতে বন্ধ হৈ থকা চলচ্চিত্ৰ গৃহসমূহ মেৰামতি কৰি পুনৰ মুকলি কৰাৰ বাবে ১০ লাখ টকা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই আঁচনিখন আমাৰ আদৰৰ ড° ভূপেন হাজৰিকাৰ নামত নামকৰণ কৰা হ'ব।

আমি লগতে জালুকবাৰীত থকা ড° ভূপেন হাজৰিকা স্মৃতি উদ্যান নিৰ্মাণৰ বাকী থকা কামসমূহ সম্পূৰ্ণ কৰিবলৈ সিদ্ধান্ত লৈছো আৰু ইয়াৰ বাবে ৪২৫.৭৭ লাখ টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ লৈছো।

আমৰ চৰকাৰে শিক্ষাৰ কেন্দ্ৰ হিচাপে অসম বেদ বিদ্যালয়ৰ উন্নয়নত বিশ্বাস কৰে আৰু সেয়েহে চলিত বৰ্ষত এই প্ৰতিষ্ঠানৰ উন্নয়নৰ বাবে ১০০ লাখ টকাৰ আবণ্টন দিয়াৰ প্ৰস্তাব লৈছে।

৪১। **দক্ষতা উন্নয়ন, শ্ৰম আৰু নিয়োগ ঃ সময়ৰ দাবী**

আমাৰ চৰকাৰে উপলব্ধি কৰে যে এই খণ্ডটো অতি দ্ৰুত গতিত সলনি হৈছে আৰু আমি বজাৰৰ গতিৰ সৈতে খাপ খুৱাই চলাৰ প্ৰয়োজন আহি পৰিছে। এই বাবেই মাননীয় প্ৰধানমন্ত্ৰীয়ে 'স্কীল ইণ্ডিয়া' নামৰ এক ব্যাপক কাৰ্য্যসূচী আৰম্ভ কৰিছো।

সময়ৰ দাবীলৈ লক্ষ্য ৰাখি আমাৰ চৰকাৰে ৰাজ্যখনত এখন দক্ষতা

বিশ্ববিদ্যালয় স্থাপনৰ কথাও বিবেচনা কৰি আছে। সৰ্বোত্তম পৰ্যায়ৰ মাপকাঠী আৰু মান অৰ্জনৰ বাবে ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, হোটেল ব্যৱস্থাপনা আৰু অন্যান্য দক্ষতা বিকাশৰ প্ৰতিষ্ঠানসমূহক এই বিশ্ববিদ্যালয়ৰ পৰিসৰৰ অধীনলৈ অনা হ'ব। বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হৈ উঠিলে আনকি ডিগ্ৰী আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমো প্ৰণয়ন কৰি ৰাজ্যখনত প্ৰদান কৰিব পৰা যাব।

মোৰ মনলৈ অহা অতিশয় সাধাৰণ আৰু তাৎক্ষণিক প্ৰয়োজনটো হৈছে গাড়ী চালনাৰ দক্ষতা। ৰাজ্যখনত গাড়ী চালকৰ চাহিদা অতিকৈ বেছি। কিন্তু আনুষ্ঠানিক প্ৰশিক্ষণ কেন্দ্ৰৰ অভাৱত মানসম্পন্ন গাড়ীচালনা আৰু গাড়ী চালকৰ আচৰণ, ব্যৱহাৰ আৰু সৌজন্যতা আদি গুণসমূহৰ ক্ষেত্ৰত দক্ষতা অতি শোচনীয়। সেয়েহে মই ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব পদ্ধতিৰে দহখন গাড়ী চালনা প্ৰশিক্ষণ বিদ্যালয় খোলাৰ প্ৰস্তাৱ আগবঢ়াইছো। তদুপৰি জিলা পৰিবহণ বিষয়াসকলক অতি ঘনিষ্ঠভাৱে লৈ প্ৰশিক্ষণৰ এক অংশ হিচাপে প্ৰয়োজনীয় চালকৰ অনুজ্ঞাপত্ৰ আৰু অন্যান্য প্ৰয়োজনীয় নথিসমূহো প্ৰদান কৰা হ'ব। সেয়েহে মই গুৱাহাটী, নগাঁও, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, তেজপুৰ, বঙাইগাঁও, ধুবুৰী আৰু শিলচৰত একোখনকৈ মুঠ দহখন ড্ৰাইভিং স্কুল খোলাৰ প্ৰস্তাৱ আগবঢ়াইছো। নিয়োগ নিশ্চিত অভিযানৰ পৰা এই বিদ্যালয়সমূহৰ প্ৰতিখনলৈকে তিনি কোটিকৈ টকা আবণ্টনৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় অৱগত যে তিতাবৰ, পাঠশালা, ৰঙিয়া, বিশ্বনাথ চাৰিআলি আৰু দুধনৈত পাঁচখন নতুন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। তথাপি সেইবোৰ এতিয়াও কাৰ্যক্ষম হৈ উঠা নাই। পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা এইবোৰ কাৰ্যক্ষম কৰাৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

মই দৃঢ়ভাৱে উপলব্ধি কৰো যে নিয়োগ বৃদ্ধিৰ বাবে ব্যৱসায়-বাণিজ্যক উৎসাহিত কৰাটো অতিশয় প্ৰয়োজন আৰু ক্ৰয়-বিক্ৰয়ৰ বৰ্ধিত সময়ে নিযুক্তিৰ ক্ষেত্ৰত নতুন পথ উন্মুক্ত কৰিব। ৰাজস্থান হৈছে উদাৰ শ্ৰম আইন প্ৰয়োগৰ ক্ষেত্ৰত এখন অগ্ৰণী ৰাজ্য। অহা বিধান সভা অধিৱেশনত আমাৰ চৰকাৰে এনেধৰণৰ আইন প্ৰণয়নৰ বাবে সক্ৰিয়ভাৱে বিবেচনা কৰি আছে।

দোকান-পোহাৰ আৰু মলসমূহৰ ব্যৱসায়ৰ সময় বৃদ্ধি কৰি ভাৰত চৰকাৰে ইতিমধ্যে নিৰ্দেশ জাৰি কৰিছে। আমাৰ চৰকাৰেও গুৱাহাটীত নিশা ১২ বজা পৰ্যন্ত দোকান, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু মলসমূহ খোলা ৰখাৰ বাবে অনুমতি প্ৰদানৰ প্ৰস্তাৱ আগবঢ়াইছে। বিশেষ উপলক্ষ্যসমূহত এইবোৰ ২৪ ঘণ্টাই খোলা ৰখাৰ অনুমতি প্ৰদানৰ প্ৰস্তাৱ আগবঢ়াইছে। ইয়ে বিপণীসমূহক দুটাৰ পৰা তিনিটা পৰ্যায়ত কৰ্মচাৰী নিয়োগৰ বাবে সহায় কৰিব আৰু ফলস্বৰূপে ব্যক্তিগত খণ্ডত নিযুক্তি বৃদ্ধি পাব।

সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত, অসম চৰকাৰে অসংগঠিত শ্ৰমিকসকলক পঞ্জীয়নভুক্ত কৰা আৰু সামাজিক সুৰক্ষা পত্ৰ প্ৰদানৰ প্ৰস্তাৱ আগবঢ়াইছে আৰু সেই অনুসৰি ৩৬টা শ্ৰমিক সহায়ক কেন্দ্ৰলৈ জাননী জাৰি কৰা হৈছে।

৪২। **কৰ্মচাৰীৰ কল্যাণ ঃ আমাৰ চৰকাৰী যন্ত্ৰৰ মূল শক্তি**

আজি মোৰ ভাষণৰ পূৰ্বতে প্ৰথম অংশত মই উল্লেখ কৰিছো যে ‘ব্যক্তিগত ন্যায়নিষ্ঠতা’ হৈছে আমাৰ শাসনৰ অন্যতম মূল ভেটি। ইয়াৰ অংশ হিচাপে এই ভেটিক শক্তিশালী কৰা বিষয়সমূহ আমাৰ চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰি আছে। প্ৰথমেই আমি এই কথা অনুধাৱন কৰিছো যে চৰকাৰৰ ৪.২৫ লাখ কৰ্মচাৰীৰ মৌলিক প্ৰয়োজনীয়তাখিনি পূৰণ কৰাৰ প্ৰয়োজনীয়তা আছে। আমি বিশ্বাস কৰো যে জীৱনৰ মৌলিক প্ৰয়োজনীয়তাখিনি পূৰণ কৰাৰ ক্ষেত্ৰত আমাৰ বেছিভাগ কৰ্মচাৰীয়েই বিত্তীয় চাপৰ সন্মুখীন হৈ আহিছে। অলপতে মই এটা প্ৰবন্ধ পঢ়িছো। প্ৰাক্তন মহা নিয়ন্ত্ৰক বিনোদ ৰায়ে অতি সুন্দৰভাৱে বিশ্লেষণ কৰিছে যে চৰকাৰী কৰ্মচাৰীসকলে প্ৰতি বছৰে তেওঁলোকৰ দৰমহাৰ ক্ষেত্ৰত অতি নগন্য ২ শতাংশ বৃদ্ধিহে লাভ কৰিবলৈ সক্ষম হয়। যিহেতু প্ৰতি দহ বছৰৰ মূৰে মূৰে হে দৰমহা আয়োগ বহে, সেয়েহে মৰগীয়া বানচ মূল দৰমহাৰ সৈতে চামিল কৰি দিয়া হয় আৰু প্ৰকৃততে কৰ্মচাৰীসকলে কমকৈহে লাভান্বিত হয়।

সেয়েহে মই বিশ্বাস কৰো যে সন্তানক উচ্চ শিক্ষা গ্ৰহণৰ বাবে প্ৰেৰণ, অৱসৰকালীন জীৱন কটোৱাৰ বাবে নিজাববীয়াকৈ এটা ঘৰ নিৰ্মাণ আদিৰ দৰে নিজৰ পৰিয়ালৰ সৰু সৰু সপোনবোৰ পূৰণত তেওঁলোক ব্যৰ্থ হয়। এনে পৰিস্থিতিত ব্যক্তিগত ন্যায়নিষ্ঠাতাই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো প্ৰকট হৈ

পৰে আৰু ‘এই ব্যৱস্থাটোত প্ৰলোভিত হোৱাৰ সম্ভৱনাই অধিক’। এই প্ৰেক্ষাপটত আমাৰ চৰকাৰে নিম্নোক্ত ব্যৱস্থাৱলী ল’বলৈ প্ৰস্তাৱ কৰিছে—

ক) পূৰ্বৰ দৰে কৰাৰ পৰিৱৰ্তে এই চৰকাৰে সপ্তম ৰাজ্যিক দৰমহা আয়োগৰ গৃহীত অনুমোদনাৱলী ২০১৭ চনৰ পহিলা এপ্ৰিলৰ পৰা ৰূপায়ণ কৰিবলৈ প্ৰচেষ্টা ল’ব। ২০১৭-১৮ বিত্তীয় বৰ্ষত এই সহায়তাৰ ফলস্বৰূপে অতিৰিক্তভাৱে প্ৰায় ৪৮০০ কোটি টকাৰ প্ৰয়োজন হ’ব। ইতিমধ্যে আয়োগৰ প্ৰতিবেদনলৈ অপেক্ষা নকৰি আমাৰ চৰকাৰে ইয়াত উল্লেখ কৰা ধৰণে অন্যান্য সুবিধা প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰিছে।

খ) সকলো উপযুক্ত কৰ্মচাৰীলৈ ১৫ লাখ টকা পৰ্যন্ত গৃহ ঋণ প্ৰদান কৰা হ’ব আৰু চতুৰ্থ তথা তৃতীয় বৰ্গৰ কৰ্মচাৰীসকলক অধিক অগ্ৰাধিকাৰ আৰু গুৰুত্ব প্ৰদান কৰা হ’ব। সূদ সাহায্য ব্যৱস্থাৰ জৰিয়তে প্ৰায় ৩-৪ % ঋণৰ বোজা আমি বহন কৰিম যাতে কৰ্মচাৰীসকলে যথেষ্ট পৰিমাণে সকাহ লাভ কৰে। হাডকো (HUDCO), ভাৰতীয় ষ্টেট বেংক তথা আন বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সৈতে চৰকাৰে যোগাযোগ চলাই আছে আৰু অতি সোণকালে এই আঁচনিখনৰ সবিশেষ সদৰি কৰিব। এই উদ্দেশ্যে মই এই বাজেটত ১০০০ লাখ টকা আছুতীয়াকৈ ৰখাৰ প্ৰস্তাৱ কৰিছো।

গ) ৰাজ্য চৰকাৰৰ সকলো শ্ৰেণীৰ কৰ্মচাৰীৰ সন্তানৰ বাবে উচ্চ শিক্ষাৰ ঋণ প্ৰদান কৰা হ’ব আৰু ৰাজ্য চৰকাৰে ৪ % হাৰৰ সূদত ৫ লাখৰ পৰা ১০ লাখ টকা ঋণ প্ৰদান কৰিব। এই বাজেটত মই ৫০০ লাখ টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো আৰু প্ৰকৃততে কিমান টকাৰ পুঁজিৰ প্ৰয়োজন হ’ব সেইয়া জনাৰ পিছতহে বছৰটোৰ সঠিক সময়ত সম্পূৰ্ণ পুঁজি যোগান ধৰাটো মই সুনিশ্চিত কৰিম। মই লগতে আশ্বস্ত কৰিব বিচাৰেছো যে যদি ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ কোনো সন্তানে উচ্চ শিক্ষা ল’ব বিচাৰে, তেতিয়া পুঁজিৰ কোনো অভাৱ নহ’ব।

ঘ) আমি অবগত যে দূৰনিবটীয়া অঞ্চলৰ কৰ্মচাৰীসকলৰ বসবাসৰ বাবে পৰ্যাপ্ত সা-সুবিধা নাই আৰু সেয়েহে তেওঁলোকে কৰ্মক্ষেত্ৰত মনোযোগ দিবলৈ অপাৰগ হয়। এই বিষয়টোৰ প্ৰতি আমাৰ মুখ্যমন্ত্ৰী মহোদয় যথেষ্ট সহানুভূতিশীল আৰু আৱাস তথা ইয়াৰ লগত জড়িত সা-সুবিধাসমূহ এটা চৌহদতে উপলব্ধ

কৰাৰ দৰে উপযুক্ত চৰকাৰী সুবিধাসমূহ প্ৰদান কৰিবলৈ তেওঁ ইচ্ছুক। আৰম্ভণি হিচাপে মাজুলীত এটা চৰকাৰী-কৰ্মচাৰীৰ আৱাস চৌহদ নিৰ্মাণ কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। এই চৌহদত উন্নত পথ, ক্ৰীড়াৰ সা-সুবিধা আৰু এখন কেন্দ্ৰীয় বিদ্যালয় থাকিব। এই প্ৰচেষ্টাতো সফল হলে অন্যান্য জিলাৰ মুখ্য কাৰ্যালয় সমূহলৈকো আমি এই সুবিধাসমূহ সম্প্ৰসাৰণ কৰিম।

পঞ্চমতে, আপোনালোক সকলোৱে জানে যে, নতুন পেঞ্চন আঁচনি প্ৰৱৰ্ত্তন কৰাৰ পিছত পাৰিতোষিক পুঁজি আঁচনি (Gratuity Fund Scheme) ৰ ব্যৱস্থা নাথাকে। নতুন পেঞ্চন আঁচনিত অৰ্ন্তভূক্ত হোৱা কৰ্মচাৰী সকলে পেঞ্চনৰ বাহিৰে আন কোনো ধন নাপাব। এই কৰ্মচাৰীসকলৰ দৰমহাৰ এটা অংশ সঞ্চয় কৰাত সহায় কৰিবলৈ তেওঁলোকৰ মূল দৰমহাৰ ৬ শতাংশ কৰ্তন কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। এই কৰ্তন কৰা ধনৰ ওপৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হাৰ (Repo Rate) ত সুত দিয়াৰ কথা ৰাজ্য চৰকাৰে বিবেচনা কৰিব (বৰ্তমান এই সুতৰ হাৰ ৬.৫%)। সঞ্চয় বেংকৰ সুতৰ হাৰতকৈ ই যথেষ্ট বেছি। আমি সঠিক নিৰ্দেশনাৰে আগবাঢ়িম আৰু নতুন পেঞ্চন আঁচনি থকা আৰু নথকা কৰ্মচাৰীসকলৰ বাবে ই বৈকল্পিক হ'ব। অৱসৰৰ সময়ত কৰ্মচাৰীসকলক এই ব্যৱস্থাই এক মোটা অংকৰ ধন প্ৰদান কৰিব। তদুপৰি, সাধাৰণ ভবিষ্যনিধিৰ লেখীয়া ধনৰাশি প্ৰয়োজনীয় সময়ত কেতবোৰ নিৰ্বাচিত উদ্দেশ্যত উলিয়াব পাৰি।

ষষ্ঠতে বৰাক উপত্যকাত এটা ক্ষুদ্ৰ সচিবালয় স্থাপন কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। ইয়াৰ সম্ভীৱনীয়তা সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ এগৰাকী অতিৰিক্ত মুখ্য সচিব পৰ্যায়ৰ বিষয়াৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অনুমোদন সাপেক্ষে মই প্ৰস্তাৱ কৰিছো আৰু উক্ত বিষয়াগৰাকীয়ে ছমাহৰ ভিতৰত তেওঁৰ প্ৰতিবেদন দাখিল কৰিব লাগিব।

শেষত আমি কৰ্মস্থলীৰ উপযুক্ত পৰিৱেশৰ কথাও উপলব্ধি কৰিছো। ৪৭০ কোটি টকা ব্যয় সাপেক্ষে অসম ঔদ্যোগিক বিত্তীয় অভিকৰণ (AIFA) ৰ পুঁজিৰ প্ৰস্তাৱিত সঞ্চালকালয় প্ৰকল্পৰ বাবে এটা অত্যাধুনিক আৰু পৰিৱেশ অনুকূল

(Green) অট্টালিকা গুৱাহাটীৰ বেতকুছিত অহা  তিনি বছৰৰ ভিতৰত নিৰ্মাণ কৰি উলিওৱা হ'ব।

এইখিনিতে ৰাজহুৱা জীৱনত 'ব্যক্তিগত সত্যনিষ্ঠতা' অৰ্জন কৰাৰ বাবে জনসাধাৰণৰ অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰাৰ প্ৰয়োজনীয়তাও আমাৰ আছে। মই ইতিমধ্যে সোঁৰৱাই দিয়াৰ দৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱালদেৱে কবৰ দৰে ভয়ৰ পৰা ভক্তিৰ উদয় হয়। ৰামায়ণত ভগৱান ৰামে শ্ৰীলংকালৈ যাবলৈ এটা পথৰ বাবে 'সাগৰ'ক প্ৰাৰ্থনা কৰিছিল। তিনিদিনীয়া প্ৰাৰ্থনাৰ পিছতো 'সাগৰ' সদয় নহ'ল। তেতিয়া ভগৱান ৰাম ক্ৰোধান্বিত হৈছিল আৰু 'সাগৰ'ক কৈছিল— 'ভয় অবিহনে মৰম নোপোজে'। সেইবাবে প্ৰশাসন ব্যৱস্থাত ব্যক্তিগত সততা কাৰ্য্যকৰী কৰিবলৈ মই সতৰ্ককাৰীৰ ধাৰণাটো প্ৰস্তাৱ কৰিছো। কোনো ব্যক্তিৰ তথ্য প্ৰমাণ, ম'বাইল বা ভিডিঅ' ৰেকৰ্ডৰ ভিত্তিত চৰকাৰী কাম-কাজত উৎকোচ লওঁতা বা উৎকোচ দিওতাক যদি সফলতাৰে আটক কৰিব পৰা যায়, তেনে ব্যক্তিক ২৫,০০০/- নগদ টকাৰে পুৰস্কৃত কৰা হ'ব। পুৰস্কাৰৰ ধনৰ বাবে বাজেটত মই ১০০/- লাখ টকাৰ আবণ্টন দিছো।

৪৩। **পেঞ্চন ঃ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ বাবে কল্যাণমূলক ব্যৱস্থা**

অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক হাৰাশাস্তি কৰা প্ৰধান কাৰকসমূহ হৈছে— পেঞ্চন আৰু জিপিএফৰ ধন প্ৰদান। আমাৰ চৰকাৰে এই বিষয়টো সমাধানৰ বাবে এলানি কাৰ্যপন্থা গ্ৰহণৰ সিদ্ধান্ত লৈছে।

জি পি এফ ষ্টেটমেণ্টৰ ক্ষেত্ৰত পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগে ইয়াৰ সকলো উপভোক্তালৈ ই-মাধ্যমৰ যোগে এই ষ্টেটমেণ্ট যোগান ধৰিব।

ভাৰত চৰকাৰৰ বৰ্তমানে থকা নীতি অনুযায়ী যদিহে কোনো চৰকাৰী কৰ্মচাৰীৰ পৰিয়াল পেঞ্চন দাবী কৰিবলৈ পৰিয়ালৰ আন কোনো লোক নাথাকে তেনে ক্ষেত্ৰত পৰিয়াল পেঞ্চনপ্ৰাপ্তিৰ বাবে 'অভিভাৱক'ৰ অন্তৰ্ভুক্তকৰণৰ অৰ্থে 'পৰিয়াল পেঞ্চন নীতি'ৰ ইতিমধ্যে আমি সংশোধন কৰিছো।

চলিত বৰ্ষত বাজেটৰ ৩০.৯৩ কোটি টকা ব্যৱহাৰ কৰি ২০১৬ বৰ্ষৰ জুন মাহৰ শেষলৈকে ১,০২৩ টা পেঞ্চন সম্পৰ্কীয় বিষয় মঞ্জুৰ কৰা হৈছে।

আমি ইতিমধ্যে ২০,৮৩৮ টা বিষয়ৰ ভিতৰত শিক্ষা তথা পঞ্চায়ত আৰু

গ্ৰামোন্নয়ন বিভাগৰ বকেয়া অমীমাংসিত গোচৰসমূহকে ধৰি প্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ শিক্ষক আৰু অন্যান্য কৰ্মচাৰীৰ ১১,৪৬২ টা পেঞ্চন তথা পৰিয়াল পেঞ্চনৰ বিষয় মীমাংসা কৰিছো। পেঞ্চন সঞ্চালকালয়ত অসম বিত্তীয় সেৱাৰ ২৫ গৰাকী অৱসৰপ্ৰাপ্ত বিষয়াক বিশেষ কৰ্তব্যৰত বিষয়া হিচাপে নিযুক্তি দিবলৈ আমি সিদ্ধান্ত লৈছো যাতে ২০১৭ চনৰ ৩১ তাৰিখৰ ভিতৰত বাকী থকা সকলো বিষয় নিষ্পত্তি কৰিব পৰা যায়।

৪৪। **সচিবালয় প্ৰশাসন**

অসম সচিবালয়ত প্ৰৱেশ-পত্ৰ জাৰি কৰাৰ ব্যৱস্থাটো সৰলীকৰণ কৰাৰ অৰ্থে এন আই চি ৰ সহযোগিতাত ই-প্ৰৱেশপত্ৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে। ইয়াৰ জৰিয়তে আবেদন প্ৰক্ৰিয়া তথা প্ৰৱেশপত্ৰ, দৰ্শনাৰ্থীৰ প্ৰৱেশপত্ৰ আৰু যান-বাহনৰ প্ৰৱেশপত্ৰ অনলাইনযোগে জাৰি কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলস্বৰূপে প্ৰৱেশ পত্ৰ জাৰি কৰা সমগ্ৰ প্ৰক্ৰিয়াটো সৰলীকৃত হোৱাৰ লগতে অসম সচিবালয়ৰ সুৰক্ষা সম্বন্ধীয় বিষয়টো সমাধান হ'ব।

কৰ্মচাৰীসকলৰ পাৰদৰ্শিতা বৃদ্ধিৰ বাবে মুঠ দৰমহা বাজেটৰ ০.৫% কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ উদ্দেশ্যে আছুতীয়াকৈ ৰখা হৈছে।

৪৫। **প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ ঃ**

প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগে প্ৰৱৰ্তন কৰা অসম জনসেৱা অধিকাৰ আইন, ২০১২ বৰ্তমান ৬ষ্ঠ অনুসূচীৰ এলেকাসমূহক বাদ দি বাকী সমগ্ৰ অসমত ৰূপায়িত কৰা হৈ আছে। ৰাজ্য চৰকাৰে 'Assam Citizen Centric Delivery Project' নামেৰে বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত এক প্ৰকল্প হাতত লৈছে যিয়ে প্ৰাৰম্ভিকভাৱে অসম জনসেৱা অধিকাৰ আইনৰ ১৮ টা সেৱা সামৰি লৈছে।

ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে তেওঁলোকক প্ৰসিদ্ধ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সচিবালয়ৰ বিষয়াসকলকো নতুন দিল্লীৰ Institute of Secretariat & Management ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মুঠ আবন্টিত পুঁজি ১০০০.০০ লাখ টকাৰ ভিতৰত বিভিন্ন প্ৰশিক্ষণমূলক

কাৰ্যসূচীৰ বাবে ৩০০ লাখ টকা আৰু অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ৰ আধুনিকীকৰণ তথা উন্নীতকৰণৰ বাবে ৭০০ লাখ টকা নিৰ্দিষ্টকৈ ৰখা হৈছে।

৪৬। **মুদ্ৰণ আৰু লেখন সামগ্ৰী ঃ**

২০১৬-১৭ বিত্তীয় বৰ্ষত বিভাগটোৰ দ্বাৰা প্ৰস্তাৱিত যিবোৰ নতুন পদক্ষেপৰ বাবে ২০০.০০ লাখ টকাৰ আৱণ্টন দিয়া হৈছে, সেইবোৰ হ'ল ঃ

২০১৬ চনৰ জুলাই মাহৰ পৰা অসম চৰকাৰী ছপাশালৰ ৱেবছাইটৰ জৰিয়তে ই-গেজেটৰ শুভাৰম্ভ কৰা হৈছে। এই ৱেবছাইটৰ জৰিয়তে চৰকাৰৰ আইন আৰু নিয়মাৱলী উপস্থাপন কৰাৰ বাবেও ব্যৱস্থা হাতত লোৱা হৈছে।

ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰ, অসমৰ অধীনত উপলব্ধ ইণ্টাৰনেট সেৱা, তথ্য জনাৰ অধিকাৰ আইনৰ প্ৰয়োগ আৰু নিৰীক্ষণৰ বাবে মুদ্ৰণ আৰু লেখন সামগ্ৰীৰ সৈতে সংলগ্ন কৰা হ'ব তথা নিয়মিতভাৱে তথ্য-পাতিবোৰ পুনৰ নবীকৰণ কৰাৰ পদক্ষেপো হাতত লোৱা হ'ব।

মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগে অত্যাধুনিক মুদ্ৰণ যন্ত্ৰৰ ক্ৰয় আৰু সংস্থাপনৰ বাবেও ব্যৱস্থা হাতত লৈছে।

৪৭। **সাধাৰণ প্ৰশাসন**

শ্বিলং আৰু মুম্বাইত থকা আসাম হাউছ/অসম ভৱনৰ সম্প্ৰসাৰণ কাৰ্যৰ লগতে নতুন দিল্লী, বাঙ্গালোৰ, ভেলোৰ, চেন্নাই আৰু কলকাতাত নিৰ্মাণ কৰি থকা বহুমহলীয়া নতুন আসাম হাউছ/অসম ভৱনৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

অসম আন্তঃগাঁথনি বিনিয়োগ প্ৰাধিকাৰীৰ অধীনত গুৱাহাটীৰ বেতকুছিত ৪৭,১৪০ লাখ টকাৰ প্ৰাককলিত ব্যয়ত নিৰ্মাণ কৰিবলৈ লোৱা সংহত সঞ্চালকালয় প্ৰকল্পটোৰ প্ৰতি ২০১৫-১৬ বিত্তীয় বৰ্ষত অনুমোদন দিয়া হৈছে। একেধৰণে আটাইকেইখন জিলাত সকলো চৰকাৰী কাৰ্যালয়কে একেলগ কৰিবলৈ সংহত জিলা প্ৰশাসন প্ৰকল্প নিৰ্মাণৰ বিষয়টো বিবেচনাধীন হৈ আছে।

অসম সদায় প্ৰাকৃতিক দুৰ্যোগপ্ৰৱণ আৰু দুৰ্যোগ আক্ৰান্ত অঞ্চলসমূহ চৰকাৰ যন্ত্ৰই তাৎক্ষণিকভাৱে ঢুকি পোৱাটো অতিশয় প্ৰয়োজনীয়। সাধাৰণতে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰতিখন চৰকাৰতে ৰাজ্যৰ নিজা হেলিকপ্টাৰ

থাকে।

এনেধৰণৰ তাৎক্ষণিক গতিশীলতাৰ জৰিয়তে বানপানী তথা ভূমিকম্পৰ সৈতে জড়িত জৰুৰী অৱস্থা সমূহৰ উৎকৃষ্টভাৱে মোকাবিলা কৰিব পাৰি আৰু মই প্ৰস্তাৱ কৰিছো যে ভাড়াৰে লোৱা হেলিকপ্টাৰৰ জৰিয়তে ৰাজ্য চৰকাৰৰ এক নিৰ্ভৰযোগ্য, নিশ্চিত আৰু স্থায়ী ব্যৱস্থা থাকিব। এই উদ্দেশ্যে মই চলিত বৰ্ষৰ বাবে ৪৩০ লাখ টকা আছুতীয়াকৈ ৰাখিছো।

৪৮। **গড়কাপ্তানি বিভাগ ঃ আন্ত ঃ গাথনি শক্তিশালীকৰণ**

মহাশয়, আমি সকলোৱে জানো যে আমাৰ ৰাজ্যখনত পথ মেৰামতি কৰাটো প্ৰত্যাহ্বানমূলকেই নহয় স্পৰ্শকাতৰো । মই উপলব্ধি কৰো যে আশ্বাসিত আৰু পৰ্য্যাপ্ত পুঁজি যোগান নধৰিলে আৰু সময়মতে তাৰ গুণগত কাম সম্পন্ন নহ'লে দুৰ্গম বিপৰ্য্যস্ত যোগাযোগ ব্যৱস্থাৰ ফলত জনসাধাৰণে অবিৰতভাৱে দুৰ্ভোগ ভুগিবলগীয়া হ'ব ।

ইয়াৰ পৰিপ্ৰেক্ষিতত, মই আশ্বাস প্ৰদান কৰিব বিচাৰো যে পথ মেৰামতিৰ বাবে আগন্তুক তিনিবছৰত **২০০০** কোটি টকা আৱন্টন দিবলৈ বিত্ত বিভাগ প্ৰতিশ্ৰুতিবদ্ধ । বিভিন্ন আঁচনিৰ অধীনত এনেধৰণৰ আৱন্টন বিগত সময়ছোৱাত দেখা নগৈছিল ।

তাৎক্ষণিক ভাৱে কাম আৰম্ভ কৰিবলৈ চলিত বাজেটত **৬০০** কোটি টকা আৱন্টন দিয়াৰ বাবে মই প্ৰস্তাৱ কৰিছো । দ্বিতীয় বৰ্ষত **৮০০** কোটি আৰু তৃতীয় বৰ্ষত **৬০০** কোটি টকা আৱন্টন দিয়াৰ বাবে আশ্বাস প্ৰদান কৰিলো । এই নিৰ্দ্ধাৰিত পুঁজিৰ সৈতে গড়কাপ্তানি বিভাগে সকলো বাট পথ মেৰামতি সুনিশ্চিত কৰিব বুলি মই আশাবাদী ।

আপোনালোকক জনাবলৈ পাই মই সুখী যে ৰাজ্যিক বাজেটৰ অধীনত কলকাতা, ভেলোৰ, চেন্নাই আৰু বাঙ্গালোৰত স্থিত অসম হাউছ আৰু অসম আন্তঃগাথনি বিনিয়োগ প্ৰাধিকৰণ (AIFA) ৰ অধীনত দিল্লীত অসম হাউছ নিৰ্মাণৰ কাম চলি আছে আৰু চলিত বিত্তীয় বৰ্ষৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে । অহা ব'হাগ বিহুৰ প্ৰথমদিনটোতে এই

সকলোবিলাক ভৱন একাদিক্ৰমে অসমৰ ৰাইজলৈ উৎসৰ্গিত কৰাৰ বাবে আমি প্ৰস্তাৱ কৰিছো । ইয়াৰ পৰিপ্ৰেক্ষিতত চলিত বিত্তীয় বৰ্ষৰ কাৰণে চেন্নাইত অসম হাউছ সম্পূৰ্ণ কৰাৰ বাবে **৭০০** লাখ টকা আৰু বাঙ্গালোৰত **৫০০** লাখ টকা ধাৰ্য্য কৰাৰ মই প্ৰস্তাৱ কৰিছো ।

আমাৰ চৰকাৰে চণ্ডীগড় আৰু পুনেত এটাকৈ নতুন অসম হাউছ নিৰ্মাণ কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰিছে । নতুনকৈ প্ৰস্তাৱিত এই অসম হাউছত উপলব্ধ সা-সুবিধা গ্ৰহণৰ জৰিয়তে চণ্ডীগড় স্থিত স্নাতকোত্তৰ প্ৰতিষ্ঠান (PGI) ত দেখুৱাবলৈ যোৱা ৰোগীসকল আৰু পুনেত অধ্যয়নৰ বাবে যোৱা ছাত্ৰ-ছাত্ৰীসকল বাৰুকৈয়ে উপকৃত হ'ব । ইয়াৰ বাবে পুনে আৰু চণ্ডীগড়ৰ প্ৰস্তাৱিত অসম হাউছৰ প্ৰতিটোলৈ **৫০** লাখ টকা আৱন্টন দিয়াৰ মই প্ৰস্তাৱ কৰিছো ।

আমাৰ চৰকাৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত কুৰুৱা-নাৰেংগী সংযোগী দলং নিৰ্মাণৰ সৈতে জৰিত কাম-কাজ অব্যাহত ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ । একে সময়তে দক্ষিণ আৰু উত্তৰ গুৱাহাটীৰ মাজত আমি এখন নতুন দলং নিৰ্মাণ কৰিম । ইয়াৰ বাবে অসম আন্তঃ গাথনি বিনিয়োগ প্ৰাধিকৰণ (AIFA) ৰ পৰা পৰ্য্যাপ্ত পুঁজি ব্যৱহাৰ কৰা হ'ব ।

যোগাযোগ ব্যৱস্থাৰ আন্তঃ গাথনি উন্নয়নৰ বাবে ৰাজ্যখনত **১৩** টা নতুন ৰাষ্ট্ৰীয় ঘাইপথৰ ঘোষণা কৰা হৈছে । তদুপৰি, যানজঁট দুৰীকৰণৰ বাবে বিভিন্ন স্থানত **৯** টা বাইপাছ পুনৰ্বিন্যাসৰ কাম বিভিন্ন পৰ্য্যায়ত চলি আছে ।

৪৯। **শক্তি বিভাগ-য'ত প্ৰকৃত শক্তি বৰ্তমান**

শক্তি উৎপাদনে আজি ৰাজনৈতিক পৰিধি অতিক্ৰম কৰিছে। অতীতত ৰাজ্যসমূহে বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত নিজস্ব ভৌগোলিক পৰিসীমাৰ ওপৰত নিৰ্ভৰ কৰিছিল, এতিয়া এইটো অতীত। ঐক্যবদ্ধ ৰাষ্ট্ৰীয় গ্ৰীড (Grid) দৃশ্যপটৰ ক্ষেত্ৰত, বিদ্যুৎ উৎপাদনে ৰাজ্যসমূহৰ ৰাজনৈতিক পৰিধি মানি নচলে। ৰাষ্ট্ৰই আজি অখণ্ড উৎপাদন আৰু বিতৰণৰ সক্ষমতা সুবিধা প্ৰদান কৰে। আমাৰ দেশৰ অন্যান্য ৰাজ্যৰ অন্যান্য অংশীদাৰৰ লগত হাত মিলাই শক্তি উৎপাদন বৃদ্ধি কৰাৰ বাবে আমাৰ এটা সপোন আছে যাতে ভৱিষ্যতে আমাৰ ৰাজ্যখন বিদ্যুৎ ৰাহি ৰাজ্যলৈ পৰ্যবসতি হ'ব পাৰে।

তদুপৰি আপোনালোকে জানি সুখী হ'ব যে ৩ টা নিৰ্মীয়মাণ বিদ্যুৎ উৎপাদন প্ৰকল্প ( ১০০ মেগাৱাট শক্তিসম্পন্ন নামৰূপ ৰিপ্লেচমেন্ট বিদ্যুৎ প্ৰকল্প, ৭০ মেগাৱাট শক্তিসম্পন্ন লাকুৱা ৰিপ্লেচমেন্ট শক্তি প্ৰকল্প, ১০.৫ মেগাৱাট শক্তিসম্পন্ন মীনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প ৰূপায়ণৰ কাম বিভিন্ন পৰ্যায়ত চলি আছে। ১০.৫ মেগাৱাট মীনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ কাম-কাজ ২০১৭ চনৰ ৩১ মাৰ্চৰ পৰা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

মই আপোনালোকক জনাবলৈ পাই সুখী যে ভাৰত চৰকাৰে অসমৰ ২৭ খন জিলাৰ বৈদ্যুতিকৰণ নোহোৱা ৩০১ খন গাঁও, সাংসদ আদৰ্শ গ্ৰাম জ্যোতি যোজনাৰ অধীনত ৮০ খন গাঁও বৈদ্যুতিকৰণৰ বাবে মঞ্জুৰি দিয়াৰ লগতে আংশিকভাৱে বৈদ্যুতিকৃত গাঁওসমূহৰ সম্পূৰ্ণ বৈদ্যুতিকৰণ আৰু ফীডাৰ সৰলীকৰণৰ বাবেও মঞ্জুৰি দিছে। তদুপৰি দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ অধীনত ৫২১ খন দুৰ্গম গাঁৱত Solar Micro Grid/Standalon সৈতে মঞ্জুৰি দিয়া হৈছে।

তদুপৰি, ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প, ২৪ মেগাৱাট শক্তিসম্পন্ন বৰাপানী মধ্যম-২ জলবিদ্যুৎ প্ৰকল্প, ২১ মেগাৱাট শক্তিসম্পন্ন বৰাপানী মধ্যম-১ জলবিদ্যুৎ প্ৰকল্প আৰু ৬৬০ মেগাৱাট শক্তিসম্পন্ন মাৰ্ঘেৰিটা তাপ বিদ্যুৎ প্ৰকল্পৰ কাম হাতত লোৱা হৈছে।

আমাৰ চৰকাৰে সত্ৰ, মন্দিৰ আদি গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থান আৰু গুৰুত্বপূৰ্ণ ঐতিহাসিক স্থানত Grid Interactive Roof Top/Ground mounted SPV (Solar) আৰু Standalone Street Light System স্থাপনৰ দৰে বিভিন্ন আঁচনি হাতত লৈছে।

পুণৰ নৱীকৰণ নোহোৱা শক্তি সম্পদ মন্ত্ৰালয়ৰ সহযোগত আমি বিভিন্ন আৱাসিক চৌহদত নেট মিটাৰিঙৰ সুবিধাসহ Grid Interactive Roof top solar power plant ৰ কামো পৰ্যায়ক্ৰমে আৰম্ভ কৰিম।

অসম চৰকাৰে এচীয়ান ডেভেলপ্‌মেন্ট বেংকৰ পুঁজিৰে অসম শক্তি খণ্ডৰ বৃদ্ধি কাৰ্যক্ৰম (Assam Power Sector Enhancement Programme) অব্যাহত ৰাখিব। এই পুঁজি প্ৰধানকৈ উন্নত বিতৰণ নেটৱৰ্কৰ সাহায্যাৰ্থে ব্যৱহৃত

হৈ আছে। এই বছৰৰ বাজেটত মই ৫৫১৬৩ লাখ টকাৰ বাজেট আবন্টন দিছো।

৫০। **ভূমি সংৰক্ষণ ঃ**

অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগে শস্য উৎপাদন বৃদ্ধি তথা পৰিবেশতন্ত্ৰৰ ভাৰসাম্যতা বজাই ৰাখিবলৈ ভূমি তথা জল সংৰক্ষণৰ অৰ্থে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। বিভাগৰ প্ৰধান কাৰ্যসমূহ হ'ল— অসমান ভূমিত বোঁৱতী পানীয়ে কৰা দ নলা (Gully) নিয়ন্ত্ৰণ, ভূমি উন্নয়ন, প্ৰকৃতি সংৰক্ষণ, নগদী শস্য (Cash Crop), উন্নয়ন ভূমি আৰু আৰ্দ্ৰতা সংৰক্ষণ, পতিত ভূমি উন্নয়ন আৰু জলচ্ছেদ ব্যৱস্থা গ্ৰহণ। বিভাগে ১০০ দিনৰ কাৰ্যসূচীৰ অধীনত বৃক্ষ ৰোপন, ভূমিহীন লোকসকলৰ বাবে জীৱিকা সৃষ্টি, খেতি পথাৰত ভূমিৰ আৰ্দ্ৰতা বৃদ্ধিৰ বাবে ভূমি উন্নয়ন আৰু কৃষি ভূমিলৈ জলসিঞ্চনৰ সুবিধা প্ৰদানৰ অৰ্থে জল সংৰক্ষণ গাঁঠনিৰ দৰে বিভিন্ন আঁচনি ৰূপায়ন কৰিছে আৰু ২০১৬ চনৰ জুন মাহলৈ বিভাগটোৱে নিৰ্দিষ্ট লক্ষ্যৰ প্ৰায় ৩৫% কাম সম্পূৰ্ণ কৰিছে। ২০১৬ চনৰ আগষ্ট মাহৰ ভিতৰত এই সকলোবোৰ কাম সম্পূৰ্ণ কৰা হ'ব।

বিভাগটোৱে ২০০৯-১০ বৰ্ষৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত সংহত জলচ্ছেদ ব্যৱস্থাপনা কাৰ্যসূচী নামৰ এখন আঁচনি ৰূপায়ন কৰি আছে। বৰ্তমান পৰ্যন্ত ১৯৪৬.৩০ কোটি টকাৰ প্ৰকল্প ব্যয় সাপেক্ষে ১৫.৭৭ লাখ হেক্টৰ ভূমি সামৰি মুঠ ৩৭২ টা জলচ্ছেদ প্ৰকল্প ভাৰত চৰকাৰে অনুমোদন কৰিছে। এই আঁচনিৰ উদ্দেশ্য হৈছে অৱবাহিকা অঞ্চলত পানী সংৰক্ষণ আৰু খৰাং বতৰত খেতি পথাৰত জলসিঞ্চনৰ দ্বাৰা শস্য উৎপাদন বৃদ্ধি কৰাৰ অৰ্থে বিল, পুখুৰী আদিত জমা হোৱা পানী ব্যৱহাৰ কৰা।

বিভাগটোৱে ২০০৯-১০ বৰ্ষৰ পৰা উত্তৰ-পূব পৰিষদৰ দ্বাৰা পুঁজি যোগান ধৰা প্ৰকল্পৰ অধীনত বশিষ্ঠ বাহিনী নদীৰ জৈৱ-বৈচিত্ৰ সংৰক্ষণৰ কাম-কাজ ৰূপায়ন কৰাৰ উপৰি জলচ্ছেদৰ ব্যৱস্থা কৰি আছে। মুঠ ৪৯৬.৭৬ লাখ টকা প্ৰকল্প ব্যয়ৰ ভিতৰত ৩২৮.৭৬ লাখ টকা ব্যয়ৰে ২৭৪০ হেক্টৰ ভূমিত ব্যৱহাৰিক সফলতা অৰ্জন কৰা হৈছে আৰু এই প্ৰকল্পৰ কাম চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ আশা আছে।

৫১। **জলসম্পদ ঃ ৰাজ্যখনৰ শক্তিৰ আধাৰ**

আমাৰ ৰাজ্যখন জলসম্পদত চহকী। কিন্তু আমাৰ সকলো প্ৰচেষ্টা কেৱল নিজকে বানপানীৰ পৰা সুৰক্ষা দিয়াৰ অৰ্থে মথাউৰি নিৰ্মাণ আৰু সেইবোৰক সুৰক্ষিত কৰাটোতে সীমাবদ্ধ ৰাখিছো। আমাৰ চৰকাৰ এই বিভাগটোৰ ভূমিকা অধিক উৎপাদনশীলতাৰ দিশে পুনৰ সজ্জিত কৰিবলৈ যথেষ্ট আগ্ৰহী। লগতে আমি নতুন জিঅ' টেক্সটাইল প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত উদ্ভাৱনৰ ওপৰত অগ্ৰাধিকাৰ দিম।

মহোদয়, মই আপোনাক জনাবলৈ পাই সুখী হৈছো যে ৰাজ্য চৰকাৰে ১৫০০ কোটি টকা ব্যয় সাপেক্ষ 'অসম বানপানী গৰাখহনীয়া আৰু নদী ব্যৱস্থাপনা আধুনিকীকৰণ' প্ৰকল্প গ্ৰহণৰ বাবে বিশ্ব বেংকক সক্ৰিয়ভাৱে অনুৰোধ জনাই আহিছে। এই প্ৰকল্পৰ অংশ স্বৰূপে ব্ৰহ্মপুত্ৰ নদীৰ বুকু খন্দা আৰু সুতিকৰণকো সামৰি লোৱা হৈছে।

বিশ্ব বেংকৰ সাহাৰ্যপ্ৰাপ্ত National Hydrology Project-ৰ অধীনৰ আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি জল-বতৰ বিজ্ঞানৰ তথ্য আহৰণৰ ব্যৱস্থাটোৰ আধুনিকীকৰণৰ বাবেও যাৱতীয় পদক্ষেপ হাতত লোৱা হৈছে।

বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মাজুলী নদী-দ্বীপৰ বানপানী আৰু গৰাখহনীয়া সমস্যা ৰোধৰ অৰ্থে বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। এই সংক্ৰান্তত বিভাগটোৱে চৰকাৰক উপযুক্ত আঁচনি গ্ৰহণৰ পৰামৰ্শ প্ৰদানৰ বাবে অতি সোনকালে অংশীদাৰ আৰু বিশেষজ্ঞসকলক আমন্ত্ৰণ কৰি 'মাজুলী নদী-দ্বীপৰ সুৰক্ষা' বিষয়ক এক কৰ্মশালা আয়োজন কৰিব আৰু এক বিশেষজ্ঞ সমিতি গঠন কৰিব।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ বাবে এছীয় উন্নয়নী বেংকৰ আৰ্থিক সাহায্যত ১৪১.৫০ কোটি টকা ব্যয় সাপেক্ষ এক প্ৰস্তাৱ যুগুত কৰা হৈছে আৰু সেয়া নতুন দিল্লীত কেন্দ্ৰীয় জল আয়োগৰ বিবেচনাধীন হৈ আছে।

৫২। **জলসিঞ্চন ঃ সম্ভাৱনীয়তা / অব্যৱহৃত**

জলসিঞ্চন হৈছে বহু তৰপীয় কৃষিৰ বাবে আৰু কৃষি উৎপাদন বৃদ্ধি কৰাৰ অৰ্থে অত্যন্ত আৱশ্যকীয় উপাদান। কিন্তু ৰাজ্যখনত জলসিঞ্চনৰ

সম্ভাৱনীয়তাৰ যথোপযুক্ত ব্যৱহাৰ হোৱা নাই আৰু সেয়েহে এই খণ্ডটোত যথেষ্ট পৰিমাণে সম্ভাৱনীয়তা আৰু সুযোগ আছে।

আমাৰ চৰকাৰে ১৯৭৪ হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টিৰ অৰ্থে ২১ খন ক্ষুদ্ৰ জলসিঞ্চনৰ আঁচনিলৈ পুঁজি যোগানৰ প্ৰস্তাৱ লৈছে। একেদৰে আমি ৫৪ খন জলসিঞ্চন আঁচনিৰ মেৰামতি তথা চোৰা-চিতাৰ জৰিয়তে সম্ভাৱনীয়তা হেৰাই যোৱা ৩২১১ হেক্টৰ ভূমি পুনৰুদ্ধাৰ কৰিবলৈ প্ৰস্তাৱ লৈছো।

লগতে মই সৌৰ ব্যৱস্থাৰ প্ৰয়োগেৰে DTW আঁচনিৰ বাবে এক প্ৰাৰম্ভিক প্ৰকল্প আৰম্ভ কৰিবলৈ প্ৰস্তাৱ লৈছো। ইয়াৰ বাবে মই ৩.৭৫ কোটি টকা ধাৰ্য কৰি থৈছো।

৫৩। **জনস্বাস্থ্য কাৰিকৰী**

বিপুল পানীৰ উৎস থকা সত্বেও অসমত পৰ্য্যাপ্ত পৰিস্কাৰ পানী এক প্ৰধান চিন্তাৰ কাৰক। আৰ্চেনিক আৰু ফ্লৰাইডযুক্ত পানীয়ে ভাবুকিৰ উদ্ৰেক ঘটাইছে। চলিত বছৰত জনস্বাস্থ্য কাৰিকৰী বিভাগে ২৮৪ টা আৰ্চেনিক আৰু ১৫৫ টা ফ্লৰাইডযুক্ত বসতি স্থানত ইয়াৰ প্ৰভাৱ লাঘৱ কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। মই কবলৈ পাই আনন্দিত হৈছো যে অসমৰ ৭ খন জিলাৰ ১৬ টা উন্নয়ন খণ্ডৰ এলেকা নিৰ্বাচিত কৰি বিশ্ববেংকৰ অৰ্থ সাহায্যত “নীৰ নিৰ্মল পৰিযোজনা” ৰ দ্বাৰা জনস্বাস্থ্য কাৰিকৰী বিভাগে ৭ টা বৃহৎ বহু গাঁও বিশিষ্ট আঁচনি হাতত লৈছে। প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰ, যোৰহাট আৰু হাইলাকান্দি জিলাৰ ১৯৬১ টা বসতি অঞ্চল ইয়াৰ দ্বাৰা উপকৃত হ’ব।

স্বচ্ছ ভাৰত মিছন (গ্ৰামীন) হ’ল এক নতুন আঁচনি। প্ৰায় ৩০.৮৯ লাখ পৰিয়াললৈ চেনিটেৰী টয়লেট আৰু ২৩২ খন গাঁও আৰু ১৯ খন গাঁও পঞ্চায়তক মুকলিকৈ মল ত্যাগ মুক্ত অঞ্চল হিচাবে ঘোষনা কৰা হৈছে। চলিত বিত্তীয় বৰ্যত শিৱসাগৰ, ডিব্ৰুগড়, কামৰূপ মহানগৰ আৰু নলবাৰী- এই চাৰিখন জিলাক মুকলিকৈ মল ত্যাগ মুক্ত জিলা হিচাবে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ উপৰিও ৮,৫০,০০০ টি ব্যক্তিগত পৰিয়ালৰ শৌচাগাৰ (IHHL), ১৯২ টা সামূহিক চেনিটেৰী কলেক্স (CSC) আৰু ৫০ টি গোটা আৰু পনীয়া অৱৰ্জনাব্যৱস্থাপনা (SLWM) নিৰ্মাণৰ বাবে এই বিত্তীয় বৰ্যত লক্ষ্য লোৱা হৈছে।

৫৪। **বিজ্ঞান আৰু প্ৰযুক্তি ঃ আমাৰ অস্তিত্বৰ ভৱিষ্যত**

ৰাজ্যখনত উৎকৰ্ষতাৰ প্ৰতিষ্ঠান হিচাপে বিজ্ঞান মহানগৰ আৰু বায়’টেক পাৰ্ক স্থাপন কৰিবলৈ লোৱা হৈছে। বিজ্ঞান মহানগৰৰ বাবে গুৱাহাটীৰ টেপেচিয়াত ২৪৯ বিঘা ভূমি অধিগ্ৰহণ কৰা হৈছে। বিজ্ঞান মহানগৰখন স্থাপনৰ প্ৰক্ৰিয়াটো বাস্তৱৰূপ দিয়াৰ অৰ্থে অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ মাজত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। বায়’টেক পাৰ্কখনৰ বাবে গুৱাহাটী বায়’টেক পাৰ্ক ছ’চাইটিৰ নামত ৪৪ বিঘা ভূমি প্ৰদান কৰা হৈছে। ভূমি অধিগ্ৰহণ, প্ৰৱেশ পথ আৰু সীমাৰ বেৰ নিৰ্মাণৰ লেখীয়া প্ৰাথমিক কামসমূহ আৰম্ভ কৰাৰ বাবে বাজেটত মই ১১০০ লাখ টকা আছুতীয়াকৈ ৰাখিছো।

কোকৰাঝাৰ তাৰকাগৃহ, নলবাৰী তাৰকাগৃহ আৰু উত্তৰ লখিমপুৰ তাৰকাগৃহৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। এই কেন্দ্ৰসমূহে উক্ত এলেকাসমূহৰ জনসাধাৰণৰ বৈজ্ঞানিক প্ৰয়োজনীয়তাখিনি পূৰণ কৰিবলৈ সমৰ্থ হ’ব। যিহেতু এই তাৰকাগৃহ কেইটা অহা কেইটামান মাহতে সম্পূৰ্ণ হৈ উঠিব। সেয়েহে মই ৰাজ্যখনত আৰু ছয়টা তাৰকাগৃহ নিৰ্মাণৰ প্ৰস্তাৱ হাতত লৈছো। নতুনকৈ তাৰকাগৃহ নিৰ্মাণ হ’বলগীয়া ঠাইসমূহ হ’ল ঃ শিলচৰ, ডিফু, কলিয়াবৰ, মাজুলী, বঙাইগাঁও আৰু আমিনগাঁও। বৰ্তমানৰ তিনিটা তাৰকাগৃহ আৰু নতুন তাৰকাগৃহ কেইটা আৰম্ভ কৰাৰ বাবে ১৫০০ লাখ টকা ধাৰ্য্য কৰিছো।

অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ চৌহদত এটা বায়’টেক চে’ল স্থাপন কৰা হৈছে। এই চে’লটোৱে জনসাধাৰণৰ মাজত জৈৱ প্ৰযুক্তিক্ষেত্ৰ সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰি আহিছে আৰু ই শেলুৱৈ জাতীয় উদ্ভিদ তথা উদ্ভিদ কোষতন্ত্ৰৰ ওপৰত গৱেষণা কৰি আছে।

বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাবে মহাকাশ ভিত্তিক তথ্য সাহায্য ৰূপায়ণৰ নডেল এজেন্সি হিচাপে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে ২৮,২২১ খন কেডেষ্ট্ৰেল মেপ (cadastral map) ডিজিটাইজেছনৰ কাম সম্পূৰ্ণ কৰিছে। এই কেডেষ্ট্ৰেল মেপসমূহ পৰিকল্পনা আৰু উন্নয়নৰ বাবে থিমেটিক ৰিচ’ৰ্ছ মেপৰ সৈতে জি.আই.এচ-ত একেলগ কৰা হৈছে। এই জি.আই.এচ. ডাটাবেচখিনি পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহলৈ পঠিয়াই দিয়া হ’ব। Record of Rights ৰ

সৈতে সংলগ্ন কৰাৰ অৰ্থে কেডেষ্ট্ৰেল মেপসমূহ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ তথা এন আই চি, অসমৰ সৈতে ভগাই লোৱা হৈছে।

৫৫। **তথ্য আৰু প্ৰযুক্তিঃ**

চলিত বৰ্ষৰ ভিতৰত চৰকাৰে ১ লাখ লোকক ডিজিটেল স্বাক্ষৰতা কাৰ্যসূচীৰ অধীনত সামৰি লবলৈ লক্ষ্য নিৰ্ধাৰিত কৰিছে। এই কাৰ্যসূচীখন ১২৬ টা বিধানসভা সমষ্টিৰে এখনকৈ গাঁও পঞ্চায়তত আৰম্ভ কৰা হ'ব।

উন্নয়নমূলক কাম-কাজসমূহক সাধাৰণ জনতাৰ  কাষ চপাই নিবলৈ ৰাজ্যখনৰ চুকে-কোণে ইন্টাৰনেট সেৱা উপলব্ধ কৰাটো আমাৰ ৰাজ্যখনৰ বাবে অতিকে প্ৰয়োজনীয়। ৰাজ্যখনৰ প্ৰতিখন ঘৰতে ইন্টাৰনেট সেৱা উপলব্ধ কৰাৰ অৰ্থে, কাম কৰিবলৈ প্ৰয়োজনীয়তা থকা ক্ষেত্ৰসমূহ নিৰ্ধাৰণ কৰাৰ লগতে এক কৰ্মসূচী আৰু ডি পি আৰ (DPR) চুড়ান্তকৰণৰ বাবে আমি 'কনচাল্টিং এজেন্সী' সমূহ ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত লৈছো। আমাৰ লক্ষ্য হৈছে ৰাজ্যখনৰ সকলো জনসাধাৰণকে ইন্টাৰনেট সেৱা ৰ জৰিয়তে সংযোগ কৰাটো।

আমাৰ চৰকাৰে বাণিজ্য আৰু প্ৰতিভা আকৰ্ষিত কৰিবলৈ আই টি পাৰ্ক তথা ইনকিউবেশ্বনৰ সুবিধা স্থাপনৰ বিষয়টোত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। চলিত বৰ্ষৰ ভিতৰতে গুৱাহাটীৰ উপৰি ডিব্ৰুগড় আৰু শিলচৰত আই টি পাৰ্কৰ বাবে Techno Economic Feasibility Study-ৰ কাম আৰম্ভ কৰিম। উপৰোক্ত প্ৰচেষ্টাসমূহৰ লক্ষ্য হৈছে চফ্‌ট্‌ৱেৰ সেৱা আৰু Electronic Systems, Design and Manufacturing (ESDM) সা-সুবিধাৰ প্ৰসাৰ কৰা।

'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম উন্নয়ন যোজনা' নামৰ বৃহৎ অভিযানটোৱে প্ৰতিখন ৰাজহ গাঁৱতে তথা প্ৰযুক্তিৰ পদক্ষেপসমূহলৈ যথেষ্ট উদগনি যোগাব কিয়নো এই বৃহৎ অভিযানটোৰ উপ-অভিযানসমূহৰ ভিতৰত এটা হ'ব 'ই-গ্ৰাম'। সমুদায়, যুৱক সংঘ আদিক সামৰি গ্ৰাম্য জ্ঞান কেন্দ্ৰ (Village Knowledge Centre)ৰ উন্নয়নৰ বাবে প্ৰতিখন ৰাজহ গাঁৱঁকে হাই স্পীড আৰু ব্ৰডবেণ্ড ইন্টাৰনেটেৰে সংযোজিত কৰা হ'ব।

৫৬। **পৰ্যটন ঃ মহিমাময়ী অসম**

দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটকক আকৰ্ষণ কৰাৰ উদ্দেশ্যে অসমৰ ৰাজ্য

চৰকাৰখনে পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবে এক অভিলাষী কাৰ্যসূচী হাতত লৈছে। আমি ভালদৰেই জ্ঞাত যে প্ৰকৃতিয়ে অসমক অতুলনীয় আৰু প্ৰচুৰ সম্পদেৰে বিভূষিত কৰিছে যিটো পৃথিৱীৰ কম সংখ্যক ঠাইৰ লগতহে মিলে। বন্যপ্ৰাণী, ধৰ্মীয় ঠাই, চাহ, গ'লফ্, দুঃসাহসিক ক্ৰীড়া, নৌ বিহাৰ, বাৰে ৰহনীয়া পৰম্পৰাগত উৎসৱসমূহক সামৰি পৰ্যটকৰ বাবে আকৰ্ষণীয় আমাৰ বহু ঠাই আছে। ইয়াৰ উপৰি, নাতিশীতোষ্ণ জলবায়ু আৰু অতিথি পৰায়ণ জনসাধাৰণেৰে ৰাজ্যখন ভাগ্যশালী। পৰ্যটনৰ ভূ-স্বৰ্গ হোৱা স্বত্বেও বিভিন্ন কাৰণত ঘৰুৱা আৰু আন্তৰ্জাতিক পৰ্যটনৰ ক্ষেত্ৰত ৰাজ্যখনে বিকাশ লাভ কৰিব পৰা নাই। সেয়েহে আমি আমাৰ চৰকাৰৰ প্ৰথমটো বৰ্ষতে আমাৰ শক্তিশালী দিশসমূহৰ প্ৰদৰ্শন আৰু ৰাজ্যখনৰ আইন-শৃংখলাজনিত পৰিস্থিতি সম্পৰ্কত থকা ভুল ধাৰণাসমূহ দূৰীকৰণৰ ব্যৱস্থা গ্ৰহণেৰে পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবে কিছু পদক্ষেপ হাতত ল'ব বিচাৰিছো। অসমক ভৱিষ্যতে পৰ্যটনৰ কেন্দ্ৰ বিন্দু হিচাপে প্ৰদৰ্শিত কৰিবলৈ মই কিছুমান পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ কৰিছো।

আগতে অসমৰ পৰ্যটনৰ কাৰ্যাৱলীসমূহ বিক্ষিপ্ত আৰু অপৰিকল্পিত আছিল। পৰ্যটনৰ বিকাশ আৰু বিপণনৰ ক্ষেত্ৰত ৰাজ্যখন সদায় পিছ পৰি আছিল। কথাছবি বা ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰৰ পৰা ব্ৰেণ্ড এম্বেচাদৰ নিয়োগ কৰি অসমক আগ্ৰাসীৰূপত বিপণন কৰাৰ বাবে আমি এতিয়া প্ৰস্তাৱ লৈছো। এই ক্ষেত্ৰত ব্যাপক বিপণন কৌশল উন্মোচিত কৰিবলৈ আমি পেছাদাৰী সন্থা এটা নিয়োগ কৰিছো। ইতিমধ্যে প্ৰচাৰ কৌশল আৰু সৃষ্টিমূলক বিষয়বস্তুসমূহক চূড়ান্ত কৰা হৈছে যিবোৰ অহা পৰ্যটনৰ সময়ছোৱাত আৰম্ভ কৰিবলৈ আমি প্ৰস্তাৱ কৰিছো। অসমৰ অতুলনীয় আৰু অসাধাৰণ শোভা অংকন কৰি "অতুলনীয় অসম" ৰ ভাৱ মূৰ্তি (Brand Image) এটা সৃষ্টি কৰা হ'ব। "অতুলনীয় অসম" ব্ৰেণ্ডটি জনপ্ৰিয় কৰা, ব্ৰেণ্ড এম্বেচাদৰ নিয়োগ কৰা আৰু প্ৰচাৰ অভিযান হাতত ল'বলৈ এইবাৰৰ বাজেটত মই ১০০০ লাখ টকাৰ আবন্টন দিয়াৰ প্ৰস্তাৱ দিছো।

শ্বিলঙৰ বৰাপানীৰ বিকল্প হিচাপে আমি আমাৰ ৰাজ্যৰ উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ ওমৰাংচুৰ নিচিনা চিৰসেউজ প্ৰাকৃতিক শোভাৰে আবৃত ধুনীয়া অথচ অজনাজাত কেন্দ্ৰসমূহৰ উন্নয়ন কৰিব বিচাৰিছো। ওমৰাংচুক পৰ্যটকৰ

লক্ষ্যস্থান হিচাপে গঢ়ি তুলিবলৈ মই বিশেষ ব্যৱস্থা ৰাখিছো আৰু কায়িক আন্তঃগাঁথনিকে ধৰি উন্নয়নমূলক কাৰ্যসূচীসমূহ আৰম্ভ কৰিবলৈ মই ২০০ লাখ টকাৰ আৱন্টন দিবলৈ প্ৰস্তাৱ কৰিছো। এই ঠাইডোখৰৰ উন্নয়নৰ বাবে মোচৌৰীত থকা আই এ এচ একাডেমীৰ লেখীয়াকৈ অসম অসামৰিক সেৱাৰ লোকসকলৰ বাবে ওমৰাংচুত ৰাজ্যিক প্ৰশিক্ষণ একাডেমী স্থাপন কৰিবলৈ আমি সিদ্ধান্ত লৈছো। ইয়াৰ বাবে মই পৃথকে বাজেট আবন্টনৰ দিহা কৰিছো।

অসমীয়া বৈষ্ণৱ সংস্কৃতি আৰু বিশ্ব ঐতিহ্য ক্ষেত্ৰ মাজুলীক লৈ আমি সকলোৱে গৌৰৱ কৰো। কিন্তু এই ঠাই টুকুৰাক পৰ্যটকৰ লক্ষ্যস্থান হিচাপে গঢ়ি তুলিবলৈ আমি কৰণীয়খিনি কৰা নাই। মাজুলীক বহনক্ষম আৰু পৰিৱেশ সন্মতভাৱে বিশ্ব বিখ্যাত লক্ষ্যস্থান হিচাপে গঢ়ি তুলিবলৈ মই এক বহু খণ্ডীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ দিছো। এই ব্যৱস্থাসমূহৰ ভিতৰত নৈৰ অৱবাহিকা উন্নয়ন, দ্ৰুত ফেৰী সেৱাৰ প্ৰৱৰ্তন, জল যাতায়াতৰ সা-সুবিধা, বিলাসী জাহাজৰ ব্যৱস্থা, ঘৰত থকাৰ সা-সুবিধা, বিভিন্ন আয়ৰ লোকৰ বাবে ৰিজৰ্ট আৰু হোটেলসমূহৰ উন্নয়ন আৰু সত্ৰসমূহক ধৰ্মীয় আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা কাৰ্যক সাঙুৰি লোৱা হৈছে।

ৰাজহুৱা খণ্ডৰ পৰা 'ব্যৱসায়ীক সংঘৰ সামাজিক দায়বদ্ধতা' (Corporate Social Responsibility) ৰ অধীনত পুঁজি লাভ কৰিবলৈও আমি এটা প্ৰস্তাৱ হাতত লৈছো।

অসমত ঐতিহাসিক চাহ উদ্যোগ আছে। অথচ আমি এই চাহ বাগিচাসমূহৰ পৰ্যটনৰ সম্ভাৱনীয়তা কামত লগাব পৰা নাই। এই খণ্ডটিত জীৱন সঞ্চাৰিত কৰিবলৈ আৰু বিদেশৰ পৰ্যটকসকলক আকৰ্ষিত কৰিবৰ বাবে ডিব্ৰুগড়ত এটা অত্যাধুনিক চাহ সংগ্ৰহালয় স্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰিছো যিটোৱে চাহ উদ্যোগ সম্বন্ধত পৰ্যটকসকলক সামগ্ৰিক ধাৰণা দিব। গ'লফ পৰ্যটনৰ উন্নয়ন সাধন কৰা হ'ব আৰু পৰিৱেশ পৰ্যটন আৰু চাহ পৰ্যটনৰ লগত সংযুক্ত কৰা হ'ব। চাহ সংগ্ৰহালয়টো আৰম্ভ কৰিবৰ বাবে মই ১২০ লাখ টকাৰ আবন্টন দিছো । কাম আৰম্ভ কৰাৰ পিছত অতিৰিক্ত পুঁজিৰ আবন্টন দিয়া হ'ব ।

এইখিনিতে মই উল্লেখ কৰিব খুজিছো যে হাজো এখন পৱিত্ৰ স্থান য'ত

তিনিটা ধৰ্মৰ লোক হিন্দু, মুছলমান আৰু বৌদ্ধধৰ্মাৱলম্বীসকল মিলিত হয় । হয়গ্ৰীৱ-মাধৱ মন্দিৰকে মুখ্য কৰি হাজোত বহু মন্দিৰ আছে । পোৱা মক্কা নামেৰে খ্যাত পীৰ গিয়াচুদ্দিন আউলীয়াৰ দৰগাহৰ অৱস্থিতিৰ বাবে হাজোক মুছলিমসকলৰ তীৰ্থস্থান ৰূপেও গণ্য কৰা হয় । আমি হাজোত পৰ্যটনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰস্তাৱ লৈছো আৰু ইয়াৰ বাবে মই অসম আন্তঃগাঁথনি বিনিয়োগ প্ৰাধিকৰণ (AIFA) ৰ পৰা ১০০ লাখ টকাৰ আৱন্টন দিছো ।

ভাৰত চৰকাৰৰ আঁচনি 'প্ৰসাদ' (PRASAD) ৰ অধীনত আমি কামাখ্যা মন্দিৰৰ উন্নয়নৰ কাম হাতত লৈছো। মন্দিৰটোৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে ইয়াক বিশ্ব প্ৰসিদ্ধ ধৰ্মীয় স্থান হিচাপে পৰিগণিত কৰিবলৈ এই প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব। 'প্ৰসাদ' আঁচনিখন ৰূপায়ণ কৰিবলৈ মই এই বাজেটত ১,৬৭৯.৫২ লাখ টকাৰ আৱন্টন দিছো। অসমত বন্যপ্ৰাণী পৰ্যটনৰ প্ৰসাৰৰ বাবে আমি ভাৰত চৰকাৰৰ স্বদেশ দৰ্শন আঁচনি (Swadesh Darshan Scheme) খন ৰূপায়ণ কৰিম।

আমাৰ ধুনীয়া ৰাজ্যখনত বাস কৰা অসংখ্য জনগোষ্ঠীৰ চহকী সাংস্কৃতিক ঐতিহ্যসমূহ বিশ্বৰ আগত প্ৰদৰ্শিত কৰাটো অতি গুৰুত্বপূৰ্ণ। গুৱাহাটীত উত্তৰ-পূৱ ৰাজ্যিক প্ৰদৰ্শনী প্ৰকল্প কেন্দ্ৰ (North East State Pavilions Exhibition Centre) স্থাপন কৰিবলৈ প্ৰস্তুত কৰা হৈছে। পৰ্যটন, স্থাৱৰ আৰু অস্থাৱৰ আদি দিশ সাঙুৰি ৰাজ্যকেইখনক প্ৰদৰ্শনীমূলকভাৱে উপস্থাপন কৰাটোৱেই এই কেন্দ্ৰৰ উদ্দেশ্যে। এই কেন্দ্ৰটোৱে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনজাতীয় সংস্কৃতি আৰু জনগণক আৰ্হিৰ সহায়ত প্ৰদৰ্শন কৰিব। এই কেন্দ্ৰটোৰ জৰিয়তে সংস্কৃতি, জীৱন, জীৱন ধাৰণৰ প্ৰণালী সম্বন্ধীয় কাৰ্যাৱলীৰ বিষয়ে গৱেষণা কৰাৰো ব্যৱস্থা থাকিব।

ৰাজহুৱা আৰু ব্যক্তিগত অংশগ্ৰহণেৰে এইটো গঢ়ি তুলিবলৈ আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো।

মই আশা কৰো এই পদক্ষেপসমূহেৰে আমি অসম পৰ্যটনৰ বৰ্তমানৰ অৱস্থাটো সলনি কৰিব পাৰিম আৰু বিশ্ব দৰবাৰলৈ লৈ যাব পাৰিম।

৫৭। **পৰিবেশ আৰু বন ঃ সংৰক্ষণেই মূল চাবি-কাঠি**

দেশৰ পৰিসীমাৰ বাহিৰত আমাৰ ৰাজ্যখনক কিহে প্ৰতিষ্ঠা কৰিছে এইটো ক'বলৈ প্ৰায়েই কঠিন হৈ পৰে। অসমৰ চাহ আৰু এশিঙীয়া গঁড়ৰ মাজত এইক্ষেত্ৰত জয় পৰাজয়হীন নিকট প্ৰতিযোগিতা হ'ব পাৰে। ক্ৰমাগতভাৱে এশিঙীয়া গঁড়ে অন্যবোৰৰ ওপৰত শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে। কিছুদিনৰ আগতে ব্ৰিটেইনৰ ৰাজবংশীয় দম্পত্তিয়ে কৰা ভ্ৰমণে এই সত্যৰ প্ৰমাণ দিয়ে। সময় অতিবাহিত হোৱাৰ লগে লগে গঁড়েই ৰাজ্যখনৰ পৰিচয় হৈ পৰিছে। চোৰাংচিকাৰীৰ হাতত হেৰুওৱাৰ আগতে আমাৰ পৰিচয়ক আমি সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এশিঙীয়া গঁড় আৰু অন্যান্য বন্যপ্ৰাণী সুৰক্ষাৰ বাবে কেন্দ্ৰীয় সাহায্যৰে ১১২ জন জোৱানৰ বিশেষ গঁড় সুৰক্ষা বাহিনীৰ প্ৰথমটো কোম্পানী আমি গঠন কৰিবলগীয়া হৈছে। যিসময়ত আমি বিশেষ কেন্দ্ৰীয় সাহায্যৰে বিশেষ গঁড় সুৰক্ষা বাহিনী নিযুক্তি দিছো, একে সময়তে চোৰাংচিকাৰীৰ কু-অভিপ্ৰায়ত বাধা দিবৰ বাবে বৰ্তমানে থকা বন সুৰক্ষা বাহিনীক অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে আধুনিকীকৰণ কৰাটো আন এক অগ্ৰাধিকাৰৰ বিষয়। আধুনিক অস্ত্ৰ-শস্ত্ৰ আহৰণ কৰিবৰ বাবে এইবাৰৰ বাজেটত মই ১০০০ লাখ টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ দিছো। এই পৰিমাণ খৰতকীয়াকৈ ব্যৱহাৰ কৰিলে এই বছৰৰ পৰিপূৰক বাজেটত মই অতিৰিক্ত পুঁজি দিবলৈ ইচ্ছা কৰিছো।

অসম বন আৰু জৈৱ-বৈচিত্ৰ সংৰক্ষণ প্ৰকল্পৰ অধীনত সংৰক্ষিত বনাঞ্চল আৰু সংৰক্ষিত এলেকাৰ দাতিকাষৰীয়া অঞ্চলত বাস কৰা যুৱক-যুৱতীৰ দক্ষতা বৃদ্ধিৰ বাবে এক কাৰ্যসূচী লোৱা হ'ব।

স্পৰ্শকাতৰ সংৰক্ষিত বনাঞ্চল আৰু বন্যপ্ৰাণী বিচৰণস্থলীসমূহৰ সীমা নিশ্চিত কৰি স্থায়ী সীমা খুঁটি স্থাপন কৰিবলৈ অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা লোৱা হ'ব।

বনাঞ্চলত বে-আইনী কাৰ্য তথা পাহাৰ কটা ৰোধ কৰাৰ বাবে সম্ভৱপৰ সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।

স্পৰ্শকাতৰ সংৰক্ষিত বনাঞ্চল আৰু সংৰক্ষিত এলেকাত অগ্ৰাধিকাৰ

ভিত্তিত স্থায়ী সীমা খুঁটি স্থাপন কৰাৰ জৰিয়তে বনাঞ্চলৰ সীমাসমূহ সৰলীকৰণ কৰা হ'ব।

২০১৬ৰ ৩১ মাৰ্চ পৰ্যন্ত বনৰীয়া হাতী অথবা অন্যান্য বন্যজন্তুৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা ১৪,২৯৭ টা পৰিয়ালক এককালীন সাহায্য/ক্ষতিপূৰণ দিবৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

লাইকা আৰু দাধিয়া সংৰক্ষিত বনাঞ্চল বিখ্যাত ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰা-ওচৰিকৈ অৱস্থিত। এই বনাঞ্চল এলেকাসমূহত বৰ্তমান থকা জনসমষ্টিক মূল ভূখণ্ডলৈ স্থানান্তৰ কৰাটো এক প্ৰত্যাহ্বান হৈ পৰিছে। তেওঁলোকক যথোপযুক্ত জীৱিকাৰ আৰ্হিৰে স্থানান্তৰ কৰিবলৈ আমি এলানি কাৰ্য্যসূচী হাতত লোৱাৰ প্ৰয়োজনীয়তা আছে। এই সংৰক্ষিত বনাঞ্চল দুখনৰ পৰা জনসমষ্টিটোক স্থানান্তৰকৰণ প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ মই ১০০০ লাখ টকা আবণ্টনৰ বাবে প্ৰস্তাৱ দিছো।

৫৭। **পৰিবহণ বিভাগ**

পৰিবহণ বিভাগে ১৫ খন বিভিন্ন ধৰণৰ ব্যৱহাৰোপযোগী জাহাজ নিৰ্মাণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মাজুলীৰ ঘাটসমূহৰ মাজত চলা ফেৰী সেৱা আৰু ধুবুৰীত ব্ৰহ্মপুত্ৰৰ ওপৰত চলাচল কৰা যাত্ৰী-বাহী জাহাজসমূহ গধুৰ যান-বাহন কঢ়িয়াব পৰা ব্যৱস্থাৰ সৈতে বাম পানীত চলাচল কৰিব পৰাৰ বিশেষ আৰ্হি প্ৰস্তুত কৰা হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ২০১৬-১৭ বিত্তীয় বৰ্ষত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ১৫ খন জাহাজৰ ভিতৰত ৭ খনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি কাৰ্যক্ষম কৰি তুলিব।

আমাৰ চৰকাৰে জনসাধাৰণৰ সন্তুষ্টি আৰু স্বচ্ছতা বৃদ্ধিৰ বাবে প্ৰযুক্তি আৰু ই-প্ৰশাসনৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি গভীৰভাৱে সচেতন। চলি থকা 'সাৰথি' আৰু 'বাহন' সকলো জিলাতে সম্পূৰ্ণকৈ কাৰ্যকৰী কৰা হ'ব।

এই পদক্ষেপসমূহে ফলপ্রসু নিৰীক্ষণ, সুৰুঙা ৰোধ আৰু ৰাজহ সংগ্ৰহৰ কাৰ্যকুশলতা উন্নত কৰাৰ বাবে প্ৰয়োজনীয় তথ্য ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব।

উজনি অসমলৈ ভ্ৰমণ কৰা যাত্ৰীসকলৰ সুবিধাৰ্থে খানাপাৰাত এটা ক্ষুদ্ৰ আন্তঃ ৰাজ্যিক বাছ আস্থান স্থাপন কৰিবলৈ আমি প্ৰস্তাৱ কৰিছো। গুৱাহাটীৰ পল্টনবজাৰ, ৰূপনগৰ আৰু অন্যান্য জিলাসমুহতো মাটিৰ সৰ্বাধিক উন্নয়নৰ এক সম্ভাৱনীয়তা অধ্যয়ন চলোৱা হ'ব।

অসমৰ জলপথসমূহে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত চালকৰ ভূমিকা পালন কৰিব পাৰে। দুৰ্ভাগ্যক্ৰমে, বছৰ বছৰ ধৰি অৱহেলিত হৈ থকা আভ্যন্তৰীণ জল পৰিবহণ বিভাগটোৱে ৰাজ্যখনত এতিয়াও বিকাশ লাভ কৰিব পৰা নাই। আমাৰ জলপথসমূহৰ অত্যাধিক সম্ভাৱনীয়তাৰ ব্যৱহাৰৰ জৰুৰী প্ৰয়োজনীয়তাৰ বিষয়টো বিভাগটোৱে উপলব্ধি কৰে। এই উদ্দেশ্য আগত ৰাখি বিভাগটোৱে ১৫০ মিলিয়ন ইউ এছ ডি (প্ৰায় ১০০০ কোটি টকা) ৰ বিশ্ব বেংক প্ৰকল্পৰ প্ৰথম পৰ্যায় ৰূপায়ণ কৰিব। চলিত বৰ্ষত এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব আৰু অতি প্ৰয়োজনীয় কৌশলগত লক্ষ্যৰ উন্নয়ন, সামৰ্থ বৃদ্ধি আৰু নৌবাহিনীৰ আধুনিকীকৰণ ইত্যাদিৰ জৰিয়তে আভ্যন্তৰীণ জল পৰিবহণ খণ্ডটোৰ পুনৰ গঠন আৰু পুনৰোজ্জীৱিতকৰণৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব।

তদুপৰি, মই ভাবো যে পৰিবহণ বিভাগৰ জিলা পৰ্যায়ৰ আন্তঃগাঁথনি উন্নীত কৰাৰ প্ৰয়োজনীয়তা আছে। সেই অনুসৰি, চলিত বিত্তীয় বৰ্ষত মাজুলী, চৰাইদেউ, হোজাই, বিশ্বনাথ আৰু দক্ষিণ শালমাৰাত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় নিৰ্মাণ কৰিবলৈ পৰিকল্পনা বৰ্হিভূত শিতানত ২০০ লাখ টকাৰ প্ৰস্তাৱ কৰিছো।

৫৯। **গুৱাহাটী উন্নয়ন ঃ নিৰ্মীয়মাণ ‘স্মাৰ্ট চিটী’**

মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে অহা পহিলা বহাগৰ ভিতৰত জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় চহৰী নৱীকৰণ অভিযান (JnNURM) আৰু জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণ (JICA)- ৰ প্ৰকল্পৰ জৰিয়তে ক্ৰমে পশ্চিম গুৱাহাটী আৰু দক্ষিণ গুৱাহাটীৰ একাংশ অঞ্চলত আমি খোৱাপানীৰ যোগান ধৰিবলৈ সক্ষম হ’ম ।

অধ্যক্ষ মহোদয়, মই সদনক অৱগত কৰাৰ প্ৰয়োজনবোধ কৰো যে ভাৰত চৰকাৰৰ চহৰ উন্নয়ন মন্ত্ৰালয়ে যোগান ধৰা পুঁজিৰে জে এন এন ইউ আৰ এম- ৰ অধীনত পশ্চিম গুৱাহাটী খোৱাপানী যোগান প্ৰকল্প সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছিল । কিন্তু প্ৰকল্পটো ৰূপায়ণত বিলম্ব হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে প্ৰকল্পটো বন্ধ কৰি দিছিল । যদিহে আমি উক্ত অঞ্চলত খোৱাপানী যোগান ধৰিব লগা হয়, তেনেহ’লে ইয়াৰ ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব লাগিব। সেয়েহে, পশ্চিম গুৱাহাটী খোৱাপানী যোগান প্ৰকল্প সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিবলৈ ৫১৫০ লাখ টকা আৱণ্টনৰ প্ৰস্তাৱ আগবঢ়োৱাৰ প্ৰয়োজনবোধ কৰিছো।

আপোনালোক আটায়ে জ্ঞাত যে স্মাৰ্ট চিটী মিছনৰ অধীনত গুৱাহাটী মহানগৰীক এখন অন্যতম স্মাৰ্ট চিটী হিচাপে নিৰ্বাচিত কৰা হৈছিল । প্ৰকল্পটো ৰূপায়ণৰ বাবে ‘গুৱাহাটী স্মাৰ্ট চিটী ডেভেলপ্‌মেণ্ট এজেঞ্চি লিমিটেড’ নামৰ এক বিশেষ উদ্দেশ্য ব্যৱস্থা (Special Purpose Vehicle - SPV) গঠন কৰা হৈছে ।

মহানগৰখনৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ অহা পাঁচ বছৰৰ বাবে এই প্ৰকল্পত ২২৫৬ কোটি টকা বিনিয়োগৰ পৰিকল্পনা কৰা হৈছে । ইয়াৰ ভিতৰত ভাৰত চৰকাৰৰ বৰঙণি হৈছে **৪৮৮** কোটি টকা আৰু ৰাজ্য চৰকাৰৰ বৰঙণিৰ পৰিমাণ **৫০০** কোটি টকা । অৱশিষ্ট **১২৭৬** কোটি টকাৰ পুঁজি অটল মিছন ফৰ ৰিজুভিনেশ্যন এণ্ড আৰবান ট্ৰেন্সফৰ্মেশ্যন (AMRUT) (**৭৮৬** কোটি টকা) আৰু ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব (PPP ) (**৪৬৮** কোটি টকা) ৰ দৰে বৰ্তমানে চলি থকা আঁচনিৰ সমন্বয়েৰে আহৰণ কৰা হ’ব ।

স্মাৰ্ট চিটী মিছনৰ প্ৰধান উপাদানসমূহ হৈছে ভৰলু, মৰা ভৰলু, দীপৰ

বিল, বৰচলা বিল আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ উন্নয়নৰ দৰে অঞ্চলভিত্তিক কাৰ্য্যসূচী আৰু ৰাজহুৱা পৰিবহণ, ষ্ট্ৰীট-স্কেপিং (Streel Scaping) ইত্যাদিৰ বাবে সংহত তথ্য আৰু যোগাযোগ প্ৰযুক্তি ভিত্তিক আহিলাৰ দৰে মহানগৰৰ সামগ্ৰিক উন্নয়ন কাৰ্য্যসূচী । মাটিৰ তলেৰে তাঁৰসমূহৰ সংযোগ ব্যৱস্থা (Underground cabling) ইত্যাদিৰ বাবে শক্তি বিভাগৰ অন্যান্য কাৰ্য্যসূচীসমূহো সমান্তৰালভাৱে হাতত লোৱা হ'ব ।

কেন্দ্ৰীয় অংশ মূকলিৰ বাবে চলিত বৰ্ষত মই বাজেটৰ পৰা ১৯৬ কোটি টকা আছুতীয়াকৈ ৰাখিছোঁ ।

গুৱাহাটীৰ বানপানী আমাৰ বাবে এক প্ৰধান উদ্বিগ্নতাৰ কাৰণ । এক ব্যাপক আৰু প্ৰযুক্তিগতভাৱে ফলপ্ৰসু সমাধানৰ বাবে আমি এছিয়ান ডেভেলপমেণ্ট বেংকৰ সৈতে যোগাযোগ কৰি আছো । আমি আশাবাদী যে উক্ত বেংকৰ সৈতে আলোচনাৰ অন্তত আপোনালোকক বিশদভাৱে অৱগত কৰিব পাৰিম ।

গুৱাহাটীৰ সেউজ আৱৰণ দ্ৰুতভাৱে নোহোৱা হৈ আহিছে । গুৱাহাটীখন সেউজীয়া কৰাটো হ'ল আমাৰ মুখ্যমন্ত্ৰীৰ আদৰৰ বিষয় । তেওঁৰ পৰা পোৱা অনুপ্ৰেৰণাৰে বৃহত্তৰ গুৱাহাটীৰ মুকলি ঠাই আৰু উদ্যানসমূহৰ বাবে এখন মাষ্টাৰ প্লেন প্ৰস্তুত তথা চিংগাপুৰৰ উদ্যান আন্তঃসংযোগ আৰ্হিৰ নিচিনাকৈ সেইবোৰৰ আন্তঃ সংযোগ আৰু উন্নয়ন সাধন কৰিবলৈ মই প্ৰস্তাৱ কৰো । এই প্ৰকল্পক জি অ' পি আই নেটৱৰ্ক (Guwahati Open Spaces and Park Integrator Network) হিচাপে জনা যাব । নাগৰিকসকলে এখন উদ্যানৰ পৰা আন এখনলৈ খোজ কাঢ়ি, চাইকেলেৰে অথবা বাছেৰে অবিৰতভাৱে অহাযোৱা কৰিবলৈ সক্ষম হ'ব। ইয়ে জলাশয় সমূহকো সামৰি ল'ব। ইয়াৰ আৰম্ভণি হিচাপে আমাৰ চৰকাৰে ফাঁচীবজাৰস্থিত পুৰণি কাৰাগাৰ চৌহদত আন্তঃৰাষ্ট্ৰীয় মানৰ এখন উদ্ভিদ উদ্যান স্থাপনৰ সিদ্ধান্ত লৈছে। ইয়াৰ প্ৰস্তুতিমূলক কাম-কাজ হিচাপে মই ৫০০ লাখ টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

গুৱাহাটী মহানগৰখন সেউজ মহানগৰ হিচাপে উন্নীত কৰাটো হ'ল আমাৰ চৰকাৰৰ এক সপোন। প্ৰতিটো বিদ্যুৎ খুঁটাত সৌৰফলক স্থাপন কৰাৰ লগতে এই সৌৰ ফলকৰ দ্বাৰা উৎপাদিত সৌৰশক্তি অকল বাট-পথ পোহৰোৱাৰ

ক্ষেত্ৰতেই নহয় বিদ্যুৎ গ্ৰীডটো যোগান ধৰিবলৈও মই প্ৰস্তাৱ কৰো। তদুপৰি গুৱাহাটীৰ সকলোবোৰ ষ্ট্ৰীট লাইটত এল ই ডি বাল্ব লগোৱা হ'ব । ইয়াৰ দ্বাৰা শক্তি ৰাহি হোৱাৰ লগতে মহানগৰীখন আলোকিত কৰাৰ মানো উন্নত হ'ব ।

অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় এই কথা লক্ষ্য কৰিছে যে গুৱাহাটীত নিৰ্মাণ কৰা ফুট অভাৰ ব্ৰীজ (Foot Over Bridges) সমূহ পথচাৰী সকলে ব্যৱহাৰ নকৰে । এইবোৰ পথচাৰীসকলৰ বাবে ব্যৱহাৰৰ অনুকুল নহয় । সেয়েহে নিৰাপদ আৰু উন্নত ট্ৰেফিক ব্যৱস্থাৰ বাবে ফুট্ - অভাৰ ব্ৰীজ সমূহৰ ওপৰত লিফ্ট (Lift) স্থাপন কৰিবলৈ মই প্ৰস্তাৱ লৈছো ।

মহানগৰীত গাড়ী ৰখা ঠাইৰ বৰ নাটনি হৈছে । সেইবাবে যদি আৱাসিক আৰু বাণিজ্যিক অট্টালিকা সমূহে পৰ্য্যাপ্ত গাড়ী ৰখা ঠাই সৃষ্টি কৰিব বিচাৰে তেন্তে অতিৰিক্ত এফ. এ.আৰ. প্ৰদান কৰিবলৈ মই প্ৰস্তাৱ কৰিছো ।

মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে আমি মহানগৰত বহুমহলীয়া কাৰ পাৰ্কিঙৰ ব্যৱস্থা ত্বৰান্বিত কৰি আছো । শ্ৰদ্ধাঞ্জলি কাননৰ বহুমহলীয়া কাৰ পাৰ্কিঙৰ বাবে মই ১,৩৬৩.৯৫ লাখ টকাৰ আবণ্টন দিবলৈ আৰু মহেন্দ্ৰ মোহন চৌধুৰী হাস্পাতালৰ কাৰ পাৰ্কিঙৰ বাবে ৫০০ লাখ টকাৰ আৱণ্টন দিবলৈ প্ৰস্তাৱ কৰিছো যাতে এই বিত্তীয় বৰ্ষতে দুয়োটা কাৰ পাৰ্কিং ব্যৱহাৰৰ উপযোগী হৈ উঠে ।

ৰাজ্যখনত পৰ্যটনক উৎসাহিত কৰিবলৈ গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটীলৈ ৰোপ-ৱে'প্ৰকল্প হাতত লোৱা হৈছে আৰু যিমান পাৰি সোনকালে ইয়াক সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা কৰা হৈছে । এই উদ্দেশ্যে বাজেটত মই ২,৩৪৯.৮৫ লাখ টকাৰ ধন আছুটীয়াকৈ ৰাখিছো ।

স্বয়ংক্ৰিয় পৰীক্ষণ ছফ্টৱেৰৰ সহায়ত গৃহ সজাৰ অনুমতি, বাণিজ্যিক অনুজ্ঞাপত্ৰৰ প্ৰদান আৰু নবীকৰণ প্ৰক্ৰিয়া অনলাইন যোগে কৰাৰ কাম নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

৬০। **নগৰ উন্নয়ন ঃ বিকাশৰ চালিকাশক্তি হিচাপে নগৰাঞ্চল**

বিকাশৰ চালিকাশক্তি হিচাপে নগৰাঞ্চল আন্তঃগাঁথনি সবলীকৰণৰ দ্বাৰা

নগৰসমূহৰ সমানুপাতিকভাৱে উন্নয়ন সাধন কৰিলে দ্ৰুত নগৰীকৰণ বিকাশৰ চালিকাশক্তি হৈ পৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নখন চহৰ যেনে-গুৱাহাটী, নগাওঁ, শিলচৰ, ডিব্ৰুগড়, তিনিচুকীয়া, তেজপুৰ, যোৰহাট, কোকৰাঝাৰ আৰু ধুবুৰীত আমাৰ চৰকাৰে নতুনকৈ ঘোষণা কৰা সকলোৰে বাবে বাসগৃহ (নগৰ) অভিযান নামৰ আঁচনিখন ৰূপায়ণ কৰিবলৈ প্ৰস্তাৱ লৈছে।

ইয়াৰোপৰি ২০১৬-১৭ বৰ্ষৰ সময়ছোৱাত চাৰিখন চহৰ গুৱাহাটী, শিলচৰ, নগাওঁ আৰু ডিব্ৰুগড়ত 'অটল মিছন ফৰ্ ৰিজুভিনেশ্যন এণ্ড আৰ্বান ট্ৰান্সফৰ্মেশ্যন (AMRUT)' নামৰ আঁচনিখন ৰূপায়ণ কৰা হ'ব।

স্বচ্ছ ভাৰত অভিযানৰ অধীনত ব্যক্তিগত বাসগৃহৰ শৌচালয়, সমূহীয়া শৌচালয় আৰু ৰাজহুৱা শৌচালয় নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

নগৰাঞ্চলসমূহত দক্ষতা উন্নয়ন হৈছে অত্যন্ত প্ৰয়োজনীয়। ৰাষ্ট্ৰীয় নগৰীয় জীৱিকা অভিযানৰ অধীনত আমাৰ চৰকাৰে সকলো নগৰীয় এলেকাত এক বৃহৎ দক্ষতা উন্নয়ন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে ইয়াৰ বাবে 'দক্ষতাৰ উৎকৰ্ষ' (আৰ্বান ট্ৰান্সফৰ্মেশ্যন থ্ৰু নলেজ এণ্ড ৰাইট স্কিল্‌ছ উইথ্ হলিষ্টিক এপ্ৰোচ) নামৰ এক বিশেষ দৃষ্টিপূৰ্ণ কাৰ্যসূচী অলপতে গুৱাহাটীত উন্মোচন কৰা হৈছে।

আপোনালোকে জানিবলৈ পাই সুখী হ'ব যে আমাৰ চৰকাৰে পৌৰ নিগম এলেকাসমূহৰ উন্নয়ন তথা নগৰীয় অঞ্চলত প্ৰশাসন ব্যৱস্থা উন্নত কৰিবলৈ ১,২০০ কোটি টকা ব্যয় সাপেক্ষ বিশ্ব বেংকৰ সাহায্যৰে 'বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প'ৰ বাবে এক প্ৰস্তাৱ দাখিল কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

৬১। **পাৰ্বত্য অঞ্চল উন্নয়ন ঃ**

অসমৰ পাৰ্বত্য অঞ্চলসমূহ ৰাজ্যখনৰ অলংকাৰ আৰু পৰিৱেশ তন্ত্ৰৰ হাওঁফাও (Green Lungs) স্বৰূপ।

মই এইটো লিপিবদ্ধ কৰিবলৈ পাই সুখী হৈছো যে উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদে যুৱক-যুৱতীসকলক পৰ্যটন, উদ্যোগ, হস্ততাঁত আৰু বস্ত্ৰ, পশুপালন, মীন, বন, কৃষি আৰু উদ্যান শস্য আদি ক্ষেত্ৰত নিয়োজিত হ'ব পৰাকৈ দক্ষতা বৃদ্ধিৰ কাৰ্যসূচী গ্ৰহণৰ পদক্ষেপ লৈছে।

ডিফুত নিৰ্মাণৰত চিকিৎসা মহাবিদ্যালয়ৰ কাম ক্ষীপ্রতৰ কৰি ইয়াক সোনকালে কাৰ্যক্ষম কৰি তোলা হ'ব। হামৰেণৰ ৫০ খন বিছনাযুক্ত মহকুমা অসামৰিক চিকিৎসালয়খন ২০০ বিছনাযুক্ত জিলা চিকিৎসালয়লৈ পৰ্যায়ক্রমে উন্নীত কৰা হ'ব।

কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদলৈ ২৯২.৩৯ কোটি টকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদলৈ ১২৫.৩১ কোটি ২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত আৱণ্টন দিবলৈও মই প্ৰস্তাৱ কৰিছো।

৬২। **বড়োলেণ্ড আঞ্চলিক পৰিষদ ঃ এক নতুন যুগৰ সূচনা**

আমাৰ সন্মানীয় সদস্যসকলৰ এইটো জ্ঞাত যে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে বড়ো চুক্তি স্বাক্ষৰিত হৈছিল, যাৰ ফলত বড়োলেণ্ড আঞ্চলিক পৰিষদখন গঠন হৈছে। এইটো আছিল এটা ঐতিহাসিক দিন। এটা বৃহৎ অঞ্চলৰ জনগণৰ যুক্তিসংগত আশা-আকাংক্ষাসমূহ পূৰণ কৰাটোৱে হৈছে ইয়াৰ লক্ষ্য। ইয়ে ভাল ফল দিছে। ই অঞ্চলটোলৈ স্থায়ী শান্তি ঘূৰাই আনিছে। সকলো ক্ষেত্ৰতে ই উন্নয়নৰ ইংগিত বহন কৰিছে। আজি বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অধীনত থকা এলেকা ৩,০৮২ খন গাঁৱক সামৰি সম্প্ৰসাৰিত হৈছে। ৪০ টা বিভাগৰ ক্ষেত্ৰত এই পৰিষদখনলৈ বিধায়িনী ক্ষমতা হস্তান্তৰ কৰা হৈছে। সাংস্কৃতিক পৰিচয়, ভাষা, শিক্ষা আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বড়ো জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ বাবে সংহত প্ৰচেষ্টা হাতত লোৱাৰ প্ৰতি আমি প্ৰতিশ্ৰুতিবদ্ধ।

নিয়ম অনুসৰি উন্নয়ন শিতানত চলিত বৰ্ষত পৰিকল্পনা পুঁজিৰ হস্তান্তৰ হিচাপে মই ৪৬২৬৬ লাখ টকা আৱন্টনৰ প্ৰস্তাৱ হাতত লৈছো।

দ্বিতীয়তে, এচ পি এ ইত্যাদিৰ কেবাখনো বৰ্তমানে চলি থকা আঁচনি আছে আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদে ইয়াৰ বাবে প্ৰয়োজনীয় ধন বাজেটত ৰাখিছে। ইয়াৰ বাবে এই বাজেটখনত মই ৮৮৩৫২ কোটি টকা আৱন্টনৰ প্ৰস্তাৱ হাতত লৈছো।

অৱশ্যে মই পুনৰ উল্লেখ কৰিব বিচাৰিছো যে এই ধনখিনি মুকলি কৰি দিয়া হ'ব যদিহে ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা পুঁজি লাভ কৰে, আৰু ইয়াক

ভৱিষ্যতৰ ৰেফাৰেঞ্চ পইন্ট(Reference point) হিচাপে গণ্য কৰিব নোৱাৰি। মই ৰাজ্যিক বাজেটত ৪২১০২ লাখ টকাৰ প্ৰস্তাৱ কৰিছো যাতে ২০১৬ চনৰ মাৰ্চ মাহৰ শেষ সপ্তাহত নীতি আয়োগে মুকলি কৰি দিয়া ধনখিনি অনুমোদিত নিৰ্দেশাৱলী অনুসৰি বি টি চি লৈ মুকলি কৰি দিব পৰা যায়।

তৃতীয়তে, যদিও কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো পুঁজি পোৱা হোৱা নাই, তথাপি বি টি চি ৰ বাবে প্ৰদান কৰা প্ৰধান মন্ত্ৰীৰ পেকেজ হিচাপে চলিত বাজেটত ১০,০০০ লাখ টকা প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰিছো, যাতে আমি কেন্দ্ৰৰ পৰা পুঁজি পোৱাৰ লগে লগে বি টি চি য়ে উক্ত পুঁজি কৰিব পাৰে।

চতুৰ্থতে যদিও কোকৰাঝাৰত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ কথা আমি ঘোষণা কৰিছিলো, তথাপি ইয়াৰ বাবে কোনো পুঁজি আৱন্টন দিয়া হোৱা নাছিল নাইবা কোনো কাৰ্য্য ব্যৱস্থাও গ্ৰহণ কৰা হোৱা নাছিল। এই ক্ষেত্ৰত মই যথোপযুক্ত পদক্ষেপ লোৱাৰ আশ্বাস প্ৰদান কৰিলো। স্বাস্থ্য খণ্ডটোৰ বাবে বাজেট ভাষণত মই পৃথকভাৱে ঘোষণা কৰিছো। প্ৰাথমিক কাম-কাজ আৰম্ভ কৰাৰ বাবে মই প্ৰথম পৰ্যায়ত বাজেটত ১০০ লাখ টকাৰ আৱন্টন দিছো।

সেয়েহে মই জনাবলৈ পাই সুখী হৈছো যে চলিত বৰ্ষত বি টি চি-ৰ বাবে মুঠতে মই ১৮৬৮২০ লাখ টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ হাতত লৈছো।

মই উল্লেখ কৰিব বিচাৰো যে পৰিকল্পনা আয়োগৰ বিলুপ্তিকৰণ আৰু পৰিকল্পনা তথা পৰিকল্পনা বহিৰ্ভূত শিতানৰ আসন চামিলকৰণৰ পিছত ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকাসমূহৰ বাবে বিত্তীয় হস্তান্তৰ ব্যৱস্থাটোৰ ব্যাপক পুনৰবিন্যাস ঘটোৱা হ'ব। আইনগত অধিকাৰ অনুসৰি ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকাসমূহলৈ সকলোধৰণৰ ৰাজহ উৎসৰ সম্পূৰ্ণ হস্তান্তৰতকৰণৰ প্ৰতি আমি প্ৰতিশ্ৰুতিবদ্ধ। সেয়েহে, এই বিষয়টো সমাধান কৰাৰ অৰ্থে ৰাজ্য চৰকাৰে এক বিতং ব্যৱস্থা যুগুত কৰিবলৈ এখন সমিতি গঠনৰ কথা বিবেচনা কৰি আছে।

৬৩। **অসম বিধান মণ্ডল ঃ গণতন্ত্ৰৰ মন্দিৰ**

মাননীয় অধ্যক্ষ মহোদয়, আমি আসন গ্ৰহণ কৰা আৰু সিদ্ধান্ত লোৱা এই পৱিত্ৰ সদনে প্ৰকৃততে অসমৰ তিনি কোটিৰো অধিক জনসাধাৰণৰ আকাংক্ষা আৰু অনুপ্ৰেৰণাক প্ৰতিনিধিত্ব কৰিছে। এই বিধান সভা হৈছে জনসাধাৰণ আৰু

চৰকাৰৰ মাজৰ এক দৃঢ় যোগ সূত্ৰ। বিধান সভাৰ মুখ্য কাৰ্য হ'ল সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো দিশতে জনসাধাৰণক সৰলীকৰণৰ উদ্দেশ্যে আইন প্ৰণয়ন কৰি কাৰ্যবাহীৰ ওপৰত নিয়ন্ত্ৰণ প্ৰয়োগৰ লগতে সকলো ক্ষেত্ৰতে দায়বদ্ধতা গঢ়ি তোলা।

বিগত বছৰবোৰত, সদনৰ সন্মানীয় সদস্যসকলে প্ৰদান কৰা শক্তিশালী ভাষণৰ বহুতো উল্লেখযোগ্য সিদ্ধান্ত আৰু নিৰ্দেশনাৰ এই সন্মানীয় সদন সাক্ষী হৈ আছে। সন্মানীয় সদস্যসকল, ২০২১ চনত ৫০ বছৰীয়া এক ঐতিহাসিক ক্ষণত উপনীত হোৱাৰ দিশত আমি অগ্ৰসৰ হৈছো আৰু সেই একেসময়তে আমাৰ চৰকাৰখনেও ৫ বছৰ সম্পূৰ্ণ কৰিব। এয়া এক উল্লেখনীয় পৰিঘটনা হৈ ৰ'ব। মই মাননীয় অধ্যক্ষ মহোদয়ক এই বিষয়টো বিবেচনা কৰিবলৈ আহ্বান জনাইছো আৰু সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সঠিক হিচাপে গ্ৰাহ্য কৰি ইয়াৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও আবেদন জনালো।

কেতবোৰ উদ্যোগ গ্ৰহণ কৰি ৰাজ্যখনত পোন প্ৰথমবাৰৰ বাবে সংসদীয় পৰিক্ৰমাৰ জৰিয়তে এখন আঁচনি সংযোজন কৰিব বিচাৰিছো যাৰ দ্বাৰা ৰাজ্যখনৰ ৰাজনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অসম বিধান সভা বিস্তৃতভাৱে পৰিদৰ্শন কৰাৰ সুযোগ পাব। এই উদ্দেশ্যে মই চলিত বাজেটত ১০০ লাখ টকা পৃথকে ৰখাৰ প্ৰস্তাৱ কৰিছো।

অসম বিধান সভাৰ নতুন ভৱনৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি সম্পৰ্কে মই সম্পূৰ্ণভাৱে অৱগত। আমি এই নিৰ্মান কাৰ্য অনতিপলমে সম্পূৰ্ণ হোৱাটো বিচাৰো। মই এই পবিত্ৰ সদনক আশ্চস্ত কৰিব বিচাৰো যে, এই ক্ষেত্ৰত পুঁজিৰ কোনো সমস্যা নহয়। চলিত বাজেটৰ পৰা পৰিকল্পনা শিতান আৰু পৰিকল্পনা বহিৰ্ভূত শিতানৰ পৰা মুঠ ২৫০০ লাখ টকা পৃথকে ৰখাৰ প্ৰস্তাৱ লৈছো, ইয়াৰে পৰিকল্পনা শিতানত ১৫০০ লাখ টকা আৰু পৰিকল্পনা বহিৰ্ভূত শিতানত ১০০০ লাখ টকা।

প্ৰতিটো বিধান সভা সমষ্টিৰ (LAC) নিম্নস্তৰৰ জনসাধাৰণ (MLALAD) হিচাবে জনাজাত বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ জৰিয়তে প্ৰত্যক্ষভাৱে উপকৃত কৰা হৈছে। আমাৰ চৰকাৰে এই কাৰ্যসূচী অব্যাহত

ৰাখিব। সেই অনুসৰি, মই চলিত বাজেটত প্ৰতিটো বিধান সভা সমষ্টিৰ বাবে ১০০ লাখ টকাকৈ মুঠ ১২,৬০০ লাখ টকা পৃথকে ৰখাৰ বাবে প্ৰস্তাৱ কৰিছো। তাৰোপৰি অভাৱগ্ৰস্ত আৰু দৰিদ্ৰ লোকে কেন্সাৰ আদিকে ধৰি জটিল ৰোগৰ চিকিৎসা আৰু বিভিন্ন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে সহায় তথা সাহায্যৰ বাবে সন্মানীয় বিধায়কৰ ওচৰ চপাৰ বিষয়েও মই ভালদৰে বোধগম্য। আমাৰ হাতত থকা সমলসমূহ নগন্য তথা বিৰল যদিও চৰকাৰে এই ক্ষেত্ৰত হোৱা ব্যয় বহন কৰি বিধায়ক সকলৰ ওপৰত থকা চাপৰ পৰিমাণ হ্ৰাস কৰিব বুলি মই বিশ্বাস কৰো। সেই হেতুকে মই ইয়াৰ বাবে প্ৰতিটো বিধান সভা সমষ্টিৰ বিপৰীতে ৫০ লাখ টকা আৱন্টনৰ প্ৰস্তাৱ আগবঢ়াইছো। যদিও, এনেকুৱা ৰাজহুৱা ধন ব্যৱহাৰৰ ক্ষেত্ৰত বিধায়ক সকলে অধিক স্বচ্চতা আৰু দায়বদ্ধতা বজায় ৰখা আৱশ্যক। নিজৰ পৰিয়ালৰ সদস্য, সম্পৰ্কীয় ব্যক্তি, কৰ্মচাৰী আদিয়ে এই সুবিধা গ্ৰহণ কৰিব নোৱাৰে তাৰ নিশ্চয়তা প্ৰদানৰ বাবে মই তেঁওলোকক আহ্বান জনাব বিচাৰো। হিতাধিকাৰীসকলৰ তালিকা সংসদীয় পৰিক্ৰমা বিভাগৰ ৱেব-চাইট যোগে উপস্থাপন কৰাটো এক উচিত পদক্ষেপ হ'ব।

তাৰোপৰি মই প্ৰতিটো বিধান সভা সমষ্টিৰ বাবে আছুঁতীয়া পুঁজি হিচাবে ৫০ লাখকৈ টকা যোগান ধৰাৰ বাবে বিবেচনা কৰি আছো আৰু এই সম্পৰ্কে বিত্তীয় পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্দিষ্ট সময়ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

৬৪। **ন্যায় প্ৰশাসন আৰু আইনী শিক্ষা**

মহাশয়, এক শক্তিশালী গণতন্ত্ৰৰ বাবে এক সবল ন্যায়পালিকাৰ প্ৰয়োজন। আমাৰ চৰকাৰ এক শক্তিশালী ন্যায়পালিকাত বিশ্বাসী। আমি প্ৰতিটো দিশত ৰাজ্যিক ন্যায়পালিকাক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ, যাতে আন্তগাঁথনিমূলক সা-সুবিধাৰ অভাৱৰ বাবে ইয়াৰ কাম-কাজ বাধাগ্ৰস্ত নহয়।

জনসাধাৰণলৈ আগবঢ়োৱা সেৱাৰ মান উন্নত কৰাৰ স্বাৰ্থত আমাৰ চৰকাৰে ন্যায়পালিকাৰ সৈতে উচ্চমানৰ বৃত্তিগত মনোভাবেৰে ঘনিষ্ঠ সম্পৰ্ক স্থাপনত বিশ্বাস কৰে। ন্যায় প্ৰশাসন আৰু আইনী শিক্ষা সম্পৰ্কীয় বিভিন্ন বিষয়ত মাননীয় মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় মুখ্য ন্যায়াধীশৰ

সৈতে ঘনিষ্ঠভাৱে সম্পৰ্ক ৰক্ষা কৰি আছে।

মানবিশিষ্ট আইনী শিক্ষাৰ প্ৰসাৰৰ বাবে গুৱাহাটীত ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী (NALUJA) স্থাপনত ৰাজ্যিক ন্যায়পালিকাৰ সৈতে সহযোগী হ'বলৈ পাই আমি বিশেষ গৌৰৱ অনুভৱ কৰিছো। এই একাডেমীৰ নিৰ্মাণৰ কাম-কাজ বৰ্তমান পূৰ্ণোদ্যমে চলি আছে আৰু প্ৰথম পৰ্যায়ৰ নিৰ্মাণৰ কাম ২০১৬ চনৰ ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। এই উদ্দেশ্যেৰে ১৬০৫ লাখ টকা ধাৰ্য কৰা হৈছে।

ইয়াৰ উপৰিও ন্যায়পালিকাৰ কাম-কাজ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ প্ৰধান আন্তগাঁথনিমূলক উন্নয়নৰ বাবে ৫১৯ লাখ টকাৰ আবন্টনৰ প্ৰস্তাৱ লোৱা হৈছে।

মই অনুভৱ কৰো যে ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমীখনৰ সম্প্ৰসাৰণ আৰু ভূমি অধিগ্ৰহণৰ প্ৰয়োজন আছে। সেয়েহে চলিত বাজেটত ভূমি অধিগ্ৰহণৰ খৰচৰ বাবদ ৩৫০০ লাখ টকা ধাৰ্য কৰা হৈছে।

চতুৰ্দশ বিত্ত আয়োগৰ অধীনত প্ৰশাসন ব্যৱস্থাৰ মান উন্নত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ১৫৫০ লাখ টকাৰ এক প্ৰস্তাৱ আছে। সেয়েহে এই বাজেটত নিৰ্ধাৰিত ধনৰ সম্পূৰ্ণ আৱণ্টন দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ বাহিৰেও ত্ৰয়োদশ বিত্ত আয়োগৰ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধীয় দেনাৰ অন্তৰ্ভুক্তিৰ বাবে চৰকাৰৰ অনুৰোধ বিবেচনা কৰা হৈছে আৰু এই উদ্দেশ্যে ৭৯৩.৮৬ লাখ টকা যোগান ধৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

ইয়াৰ উপৰিও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন আৰু পুৰণি ভৱনৰ মাজত আন্তঃসংযোগী পথ নিৰ্মাণৰ প্ৰস্তাৱ আছে আৰু ইয়াৰ বাবে আমি ১৬৯৬ লাখ টকাৰ আৱণ্টনৰ প্ৰস্তাৱ লাভ কৰিছো। চলিত বাজেটত ইয়াৰ বাবে প্ৰস্তাৱিত সম্পূৰ্ণ ধন ধাৰ্য্য কৰা হৈছে।

দ্ৰুত ন্যায় প্ৰশাসনৰ বাবে লোক আদালতসমূহ অতি ফলপ্ৰসু ব্যৱস্থা বুলি মই বিশ্বাস কৰোঁ। লোক আদালতসমূহ অনুষ্ঠিত কৰাৰ বাবে আমাৰ চৰকাৰে বিত্তীয় আৰু আনুসংগিক ব্যৱস্থাপনাকে ধৰি সকলো প্ৰয়োজনীয় সমৰ্থন আগবঢ়াব আৰু এই ক্ষেত্ৰত আমি ৰাজ্যিক ন্যায়পালিকাৰ সমৰ্থন বিচাৰিম।

ত্ৰয়োদশ বিত্ত আয়োগৰ পুঁজিৰ অধীনত দৰং, নলবাৰী আৰু তিনিচুকীয়া

জিলাত বিকল্প বিবাদ নিষ্পত্তি কেন্দ্ৰ (ADR) নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু বঙাইগাওঁ, শোণিতপুৰ, ধেমাজি, কাছাৰ, গোলাঘাট, যোৰহাট আৰু ডিব্ৰুগড় জিলাৰ এই কেন্দ্ৰসমূহৰ নিৰ্মাণৰ কাম চলি আছে । আনহাতে চতুৰ্দশ বিত্ত আয়োগৰ পুঁজিৰ অধীনত অন্যান্য জিলাসমূহতো পৰ্যায়ক্ৰমে এই কেন্দ্ৰসমূহৰ নিৰ্মাণৰ কাম হাতত লোৱা হ'ব ।

৬৫। **নাগৰিক ঃ আমাৰ শাসনৰ কেন্দ্ৰস্বৰূপ**

আমাৰ চৰকাৰে সু-প্ৰশাসনত বিশ্বাস কৰে যিটোৰ অৰ্থ হৈছে উন্নয়নী প্ৰক্ৰিয়াটোত জনসাধাৰণৰ অংশ গ্ৰহণ সুনিশ্চিতকৰণ। এইক্ষেত্ৰত আমি কেইবাটাও বিষয়ৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। সেইবোৰ হ'ল— জৱাবদিহিতা তথা স্বচ্ছতাৰ পৰা যথোপযুক্ত আৰু সময়মতে প্ৰদান কৰা তথ্যৰ সৰবৰাহ।

আমি উপলব্ধি কৰিছো যে সময়ৰ লগে লগে বৰ্তমান শাসনৰ ওপৰত আমাৰ নাগৰিকসকলৰ আস্থা ক্ৰমান্বয়ে লোপ পাবলৈ ধৰিছে। এই আস্থা ওভতাই অনাৰ প্ৰয়োজন। আমি জানো যে আস্থা ওভতাই আনোতে কিছু সময় ল'ব। এই ক্ষেত্ৰত আমাৰ যথোপযুক্ত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা আছে। অৱশ্যে পৱিত্ৰ সদনক মই আশ্বস্ত কৰিব বিচাৰিছো যে এই দিশত আমি সঠিক পথেৰে আগবাঢ়ি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

জনসাধাৰণ প্ৰতি জবাবদিহিতা সম্পৰ্কে এক সাধাৰণ ধাৰণা আছে যে চৰকাৰে ৰাইজৰ আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত পিছ পৰি আছে। অসম জনসেৱা অধিকাৰ আইন, ২০১২ ৰূপায়ণৰ দিশটো নিৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে আৰু প্ৰতিটো পৰ্যায়তে এই আইনখন মানি চলাটো সুনিশ্চিত কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত 'আসাম চিটিজেন চেণ্ট্ৰিক ডেলিভাৰি প্ৰজেক্ট' নামৰ প্ৰকল্পটোৰ জৰিয়তে অসম জনসেৱা অধিকাৰ আইনৰ ১৮ টা সেৱা গ্ৰহণ কৰি এই ব্যৱস্থাটো অধিক শক্তিশালী কৰা হ'ব।

অসম লোকসেৱা আয়োগ সম্পৰ্কে আমি যথেষ্ট উদ্বিগ্ন। শ্ৰীতপন লাল বৰুৱা কমিটী আৰু আৰু শ্ৰী এম পি বেজবৰুৱা কমিটীৰ পৰামৰ্শাৱলীৰ লগত

সংগতি ৰাখি অসম লোকসেৱা আয়োগৰ কাম-কাজ নিয়াৰিকৈ, দক্ষতাৰে আৰু জৱাবদিহিতাৰে সম্পন্ন কৰাত সহায়ক হোৱাকৈ আমি এক নীতি গ্ৰহণ কৰিবলৈ বিচাৰিছো।

অধ্যক্ষ মহোদয়, মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছে যে আমাৰ মুখ্যমন্ত্ৰী মহোদয় ৰাজ্যিক আমোলাতন্ত্ৰ আৰু অসম অসামৰিক সেৱাৰ বিষয়াসকলৰ কাম-কাজ উন্নত কৰিবলৈ আগ্ৰহী। ৰাজ্যখনৰ এক মনোৰম স্থান উমৰাংচুত আমি এখন প্ৰশিক্ষণ একাডেমী স্থাপনৰ প্ৰস্তাৱ হাতত লৈছো। ই প্ৰশিক্ষণ গ্ৰহণৰ এক যথোপযুক্ত পৰিৱেশ প্ৰদান কৰাৰ লগতে দুৰ্গম আৰু পিছপৰা অঞ্চলসমূহৰ লোকসকলে সন্মুখীন হৈ অহা অসুবিধাসমূহৰ প্ৰতিও প্ৰয়োজনীয় সংবেদনশীলতা সৃষ্টিত অৰিহণা যোগাব।

৬৬। **নাগৰিক সমাজ আৰু মাধ্যম**

শাসনত ৰাইজৰ অংশগ্ৰহণ সম্পৰ্কে মই ইতিমধ্যেই কৈছো। নাগৰিক সমাজখন হৈছে অসমৰ সমাজখনত আমাৰ মূল চালিকা শক্তি। ৰাজ্যখনত আমাৰ বুজনসংখ্যক অনা-চৰকাৰী সংস্থা আছে। সমাজ গঠনত এই অনা-চৰকাৰী সংস্থাসমূহৰ ইতিবাচক দিশটো কামত খটুৱাৰ প্ৰতি আমাৰ চৰকাৰ আগ্ৰহী। কিন্তু বৰ্তমানে থকা পঞ্জীয়ন ব্যৱস্থাটো আওঁ-পুৰণি আৰু কায়িক। ই সমাজ/অনা-চৰকাৰী সংস্থা সম্পৰ্কে কোনো নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰে। মই ফাৰ্ম আৰু ছ'ছাইটি সমূহৰ পঞ্জীয়কৰ কাৰ্যালয়টো শক্তিশালী কৰাৰ প্ৰস্তাৱ হাতত লৈছো আৰু সকলো অনা-চৰকাৰী সংস্থা পঞ্জীয়ন কৰাৰ বাবে অনলাইন সুবিধা প্ৰদান কৰিবলৈ বিচাৰিছো।

চৰকাৰী বিজ্ঞাপনৰ বিপৰীতে ছপা মাধ্যমসমূহলৈ বহুদিন ধৰি পৰিশোধ কৰিবলৈ বাকী ধনখিনি প্ৰদান কৰাৰ প্ৰতি আমাৰ চৰকাৰ সজাগ। পৰিশোধ কৰিবলৈ বাকী থকা ধনখিনিক এই কাৰণেই এতিয়াও প্ৰদান কৰিবলৈ বাকী আছে যে পঢ়ুৱৈসকলে বিজ্ঞাপনটো পঢ়িব পাব নে নাপাই এই বিষয়টো নাইবা লক্ষ্য নিৰ্দ্ধাৰিত পঢ়ুৱৈৰ সংখ্যা নিৰূপণ নকৰাকৈ আমি বিজ্ঞাপন প্ৰকাশ কৰো। আমি এই কথাকেইটা নিৰূপণ কৰিবলৈ আমি চেষ্টা কৰিছো। এতিয়াৰে পৰা চৰকাৰী বিজ্ঞাপন প্ৰকাশৰ সম্পূৰ্ণ ব্যৱস্থাটোকে শৃংখলিত কৰাৰ বাবে আমি প্ৰস্তাৱ লৈছো যাতে বাতৰিকাকত

সমূহে সময়মতে তেওঁলোকৰ পাবলগীয়া ধনৰ পৰা বঞ্চিত নহয়। বিগত সময়ছোৱাত পৰিশোধ কৰিবলৈ বাকী থকা ধনখিনি মুকলি কৰি দিয়াৰ অৰ্থে মই ৩০০০ লাখ টকা আবণ্টনৰ প্ৰস্তাৱ হাতত লৈছো। এইক্ষেত্ৰত মই আস্বত্ত কৰিব বিচাৰিছো যে এইদৰে পৰিশোধ কৰিবলগীয়া ধনৰাশি যাতে বাধ্যতামূলক এফ অ' চি (FOC) সহ প্ৰতিমাহে মুকলি কৰি দিব পৰা যায় তাৰ বাবে আমি ব্যৱস্থা হাতত ল'ম।

৬৭। **খাদ্য আৰু অসামৰিক যোগান ঃ মুদ্ৰাস্ফীতি ৰোধ তথা উন্নত খাদ্য সুৰক্ষা**

মুদ্ৰাস্ফীতিৰ আটাইতকৈ বেছি ভুক্তভোগী হয় দুখীয়া লোকসকল। আমাৰ চৰকাৰে তেওঁলোকক এখন সুৰক্ষাৰ আৱৰণ দিব বিচাৰে। পূৰ্বৰ চৰকাৰে বজাৰতকৈ কম মূল্যত অত্যাৱশ্যকীয় সামগ্ৰী বিক্ৰীৰ বাবে গাঁও পঞ্চায়ত পয্যায়ত 'আমাৰ দোকান' আৰম্ভ কৰিছিল। আমি এই দোকানসমূহৰ কাম-কাজ উন্নত কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিম।

কিন্তু এই আঁচনিখনে নগৰাঞ্চলসমূহক সামৰি ল'ব পৰা নাই। দ্বিতীয়তে, অসম চৰকাৰে গুৰিতে সমস্যাৰ সমাধান কৰিব বিচাৰে। মুদ্ৰাস্ফীতিয়ে একচেটিয়া ব্যৱসায় আৰু জোঁটবন্ধনৰ প্ৰৱণতা সৰল কৰি তোলে। আমি এই অসৎ চক্ৰক উৎখাত কৰিব লাগিব। সেয়েহে আমাৰ চৰকাৰে তিনিদফীয়া কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ লৈছো।

প্ৰথমতে, এক বিস্তৃত অধ্যয়নৰ পিছত অহা তিনি মাহৰ ভিতৰত মূল্য সুস্থিৰতা পুঁজি প্ৰদান কৰা হ'ব।

দ্বিতীয়তে, নাগৰিক সমিতিক জড়িত কৰি গাঁও পঞ্চায়ত সমবায় সমিতি পৰ্য্যায়ত আমাৰ দোকানসমূহৰ কাম-কাজ শক্তিশালী কৰি তোলা হ'ব।

তৃতীয়তে, নগৰীয়া অঞ্চলত নিৰ্বাচিত দোকান/মল আদিত কম মূল্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ উপলব্ধতা নিশ্চিত কৰিবলৈ এক উপযুক্ত ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ আৰ্হি প্ৰস্তুত কৰা হ'ব।

মহোদয়, মই আপোনাক জনাব বিচাৰিছো যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ৰ অধীনত বৰ্তমান ২.৫২ কোটি হিতাধিকাৰীক সামৰি লোৱা হৈছে। অন্ত্যোদয়া অন্ন যোজনাৰ কাৰ্ড থকা সকলো লোককে প্ৰতি মাহতে প্ৰতি কিলোত

৩ টকা ৰাজ সাহায্যযুক্ত দৰত ৩৫ কেজিকৈ চাউল প্ৰদান কৰা হয়। অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ কাৰ্ড থকা সকলোলৈ প্ৰতিগৰাকী সদস্যৰ হিচাপত প্ৰতিমাহে ৩ টকা দৰত ৫ কিলোকৈ চাউল যোগান ধৰা হয়। এই চাউল সুলভ মূল্যৰ দোকান পৰ্যন্ত যোগান ধৰা হয়। যাতায়াত খৰচ আৰু উপান্ত খৰচ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে ৭৫ঃ২৫ অনুপাতত বহন কৰে।

এই কাৰ্যসূচীখন অত্যন্ত গুৰুত্বপূৰ্ণ হোৱা হেতুকে মই গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাবে উপান্ত ধন প্ৰদান কৰিবলৈ ৩১৭ কোটি টকা আৰু খাদ্য শস্যৰ পৰিবহণৰ বাবে ৩০৮ কোটি টকা বাজেটত সম্পূৰ্ণভাৱে আবণ্টন দিবলৈ প্ৰস্তাৱ লৈছো। ইয়াৰ বাবে কেন্দ্ৰীয় অংশকে ধৰি মুঠ ৬২৫ কোটি টকা বাজেটত নিৰ্দ্ধাৰণ কৰা হৈছে। সেয়েহে মই সংশ্লিষ্ট সকলোকে অনুৰোধ জনাইছো যাতে চিনাক্ত হোৱা হিতাধিকাৰীসকলক আৱশ্যকীয় পৰিমাণৰ খাদ্য শস্য সময়মতে যোগান ধৰাটো নিশ্চিত কৰা হয়। একে সময়তে মই এই কথা স্পষ্ট কৰি দিব বিচাৰো যে দুখীয়া পৰিয়ালসমূহৰ হানি কৰিব পৰা কোনো ধৰণৰ খেলিমেলি সহ্য কৰা নহ'ব।

মহোদয়, আপুনি জানিবলৈ পাই সুখী হ'ব যে প্ৰায় ৩০,০০০ দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালে ১৫০০ টকা সামান্য দৰত এল পি জি চিলিণ্ডাৰ লাভ কৰিব আৰু এই মূল্য আনকি হিতাধিকাৰীয়ে লাভ কৰিবলগীয়া ৰাজসাহায্যৰ পৰা মিলাই ল'ব পাৰিব। চলিত বিত্তীয় বৰ্ষৰ ভিতৰত এই কাৰ্যসূচী প্ৰধানমন্ত্ৰী 'উজ্জ্বলা যোজনা'ৰ অধীনত ৰূপায়ণ কৰা হ'ব।

## দ্বিতীয় খণ্ড

১। আমাৰ ৰাজ্যই ৰাজহ আহৰণ কৰা প্ৰধান উৎসকেইটা হ'ল — বাণিজ্যিক কৰ, ৰাজ্যিক আবকাৰী শুল্ক, পৰিবহণ কৰ, ভূমি ৰাজহ, মুদ্ৰাংক শুল্ক আৰু পঞ্জীয়ন ৰাজহ।

২। আমি এই কথা জনাবলৈ পাই আনন্দিত হৈছোঁ যে প্ৰথমবাৰৰ বাবে অসমৰ ৰাইজ তেওঁলোকৰ মতামত আৰু পৰামৰ্শ দি বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ সুযোগ পাইছে।

মই নিশ্চিত যে পৱিত্ৰ সদনে জানিবলৈ পাই সুখী হ'ব যে তাৰেই কেতবোৰ পৰামৰ্শ, বিশেষকৈ সম্পদ আহৰণ সম্বন্ধীয় কিছুমান উপদেশ অতি সুন্দৰ আছিল। উদাহৰণ স্বৰূপে

(i) অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছত বিজ্ঞাপন দিয়াৰ ব্যৱস্থা কৰা।

(ii) ৰাজহ সংগ্ৰহৰ সুবিধাৰ বাবে মৌজাদাৰৰ কাৰ্যালয়ত ইলেক্ট্ৰনিক সংযোজনৰ ব্যৱস্থা।

(iii) প্ৰদূষণকাৰী উদ্যোগৰ পৰা পৰিৱেশ কৰ আহৰণ কৰা।

(iv) চৰকাৰী কৰ্মচাৰীৰ দৰমহাৰ পৰা ২ শতাংশ কৰ্তন কৰি আন্তঃগাঁথনি পুঁজি গঠন কৰা আৰু ধনৰাশি অৱসৰৰ সময়ত ওভতাই দিয়া।

(v) ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে পাৰ হৈ যোৱা মটৰগাড়ীৰ ক্ষেত্ৰত সেউজ কৰ আৰোপ কৰা।

এই পৰামৰ্শসমূহৰ বাবে মই ৰাইজৰ ওচৰত অতি কৃতজ্ঞ। ইয়াৰে কিছুমান পৰামৰ্শ উদ্ভাৱনশীল আৰু চিন্তা উদ্রেগকাৰী। এই বিষয়ৰ অধিক আলোচনাৰ পাছত আমাৰ চৰকাৰে এক চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

৩। মই আগতে কোৱাৰ দৰে সাম্প্ৰতিক কালত ৰাজহ আহৰণৰ ধাৰা বিশ্লেষণ কৰি দেখা পাওঁ যে ৰাজ্যৰ আভ্যন্তৰীণ ৰাজহ সংগ্ৰহৰ অৱস্থা বৰ আশাপ্ৰদ নহয়। মোৰ শ্বেতপত্ৰত অংগীকাৰ কৰা মতে আমি ReSTART শীৰ্ষক এলানি কৰ্মসূচী এক অভিযানৰ ৰূপত ৰূপায়িত কৰিবলৈ আগবাঢ়িছোঁ। তাৰে কেইটামান হ'ল —

(i) যিবোৰ ব্যৱসায়ী বা সংগঠন আইন অনুসৰি দায়বদ্ধ তেওঁলোকৰ পৰা কৰ আহৰণৰ ব্যৱস্থা কৰি ৰাজহ বৃদ্ধি কৰা।

(ii) দায়বদ্ধ ব্যৱসায়ী আৰু সংগঠনবোৰৰ পৰা সময় মতে কৰ আদায়ৰ ব্যৱস্থা কৰা।

(iii) বৃহৎ ব্যৱসায়ীসকলে কৰ আদায় দিয়াৰ স্থিতি আৰু গুৰুত্বপূৰ্ণ পণ্যসমূহৰ পৰা আহৰিত ৰাজহ আদায়ৰ ধাৰা সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰা।

(iv) কৰ ফাঁকি দিয়া ব্যৱসায়ীসকলৰ সম্পত্তি বাজেয়াপ্ত কৰা, আটক কৰা আদিৰ দৰে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰা।

(v) পথ, ৰে'ল ষ্টেচন, বিমান বন্দৰ, পৰিবহণকাৰীৰ গুদাম, ব্যৱসায়ীৰ বিপণী আদি বিভিন্ন সম্ভাব্য স্থানত ফ্লাইং স্কোৱাডৰ দ্বাৰা নিয়মীয়া অনুসন্ধান তথা তদাৰকৰ ব্যৱস্থা কৰা।

(vi) ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি হোৱা অথবা ৰাজ্যলৈ আমদানি হোৱা বিভিন্ন সামগ্ৰীৰ পৰিবহণৰ ওপৰত লক্ষ্য ৰাখিবলৈ তালাচী চকীসমূহক সতৰ্ক কৰি ৰখা।

(vii) ব্যৱসায়ী আৰু কৰদাতাসকলৰ বাবে অনলাইনযোগে চালান পত্ৰ, পথ অনুজ্ঞাপত্ৰ, প্ৰেৰণ পত্ৰ আদি লাভ কৰাৰ ব্যৱস্থা কৰা যাতে মালপত্ৰ প্ৰেৰণ কৰাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ সহজে লাভ কৰিব পাৰে।

(viii) আয় কৰ, বাণিজ্যিক কৰ, বিলাস কৰ, আমোদ কৰ আদিৰ পঞ্জীয়নৰ বাবে ব্যৱসায়ী আৰু কৰদাতাসকলৰ দ্বাৰা অনলাইন আবেদনৰ ব্যৱস্থা কৰা।

(ix) ব্যৱসায়ী আৰু কৰদাতাসকলৰ বাবে ধন ওভতাই বিচৰাৰ ই-ৰিফাণ্ড যোগে অনলাইন আবেদন।

(x) যি ক্ষেত্ৰত উৎসতে কৰ পৰিশোধ কৰিবলগীয়া হয়, তেনে ক্ষেত্ৰত TDS Return অনলাইনযোগে প্ৰেৰণ কৰাৰ ব্যৱস্থা।

(xi) অনলাইন কৰ সংগ্ৰহৰ ক্ষেত্ৰত ভাৰতীয় ষ্টেট বেংকৰ ইলেক্ট্ৰনিক ধন জমা ব্যৱস্থা E-pay ৰ লগত কৰ বিভাগৰ সংযুক্তি সাধন কৰা। এই ব্যৱস্থাৰ ফলত ব্যৱসায়ী অথবা কৰদাতাসকলে বেংকৰ জৰিয়তে কৰ জমা দিব পাৰিব। এই ক্ষেত্ৰত স্বীকৃত বেংককেইটা হৈছে — ভাৰতীয় ষ্টেট বেংক, আই ডি বি আই, ইউনিয়ন বেংক, ইউনাইটেড বেংক, এইচ ডি এফ চি আৰু আই চি আই চি আই।

(xii) উপৰোক্ত অনলাইন সেৱাসমূহ উপলব্ধ কৰোৱাৰ বাবে বিভাগে বৰ্তমানৰ ইয়াৰ তথ্যকোষৰ উন্নীতকৰণ কৰা আৰু বিভাগৰ সক্ষমতা বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। তদুপৰি বৰ্তমানৰ হাৰ্ডৱেৰৰ স্থিতিৰো (Server, Field level, Networking) উন্নীতকৰণ কৰা হয়।

**বাণিজ্যিক কৰ বিভাগ** (Commercial Tax Department)

**তথ্য প্ৰযুক্তি প্ৰণালী**

৪। ব্যৱসায়ী আৰু উদ্যোগ খণ্ডলৈ কাৰ্যকৰী আৰু উন্নত সেৱা আগবঢ়াব লাগিলে বিভাগটো তথ্য প্ৰযুক্তিৰ দিশত উন্নীত হ'বই লাগিব। বৰ্তমানে আমাৰ তথ্য প্ৰযুক্তিৰ যি আন্তঃগাঁথনি আছে, তাৰ দ্বাৰা কেইবাধৰণৰো

ইলেক্ট্ৰনিক সেৱা আগবঢ়াই থকা হৈছে, যাতে ব্যৱসায়ী আৰু উদ্যোগ খণ্ডই অনলাইন পঞ্জীয়ন, কৰ পৰিশোধ, পৰিশোধনীয় কৰৰ প্ৰতিবেদন (Return), চি আৰু এফ ফৰ্ম প্ৰেৰণ কৰা আদি সেৱাসমূহ সুচলভাৱে পাই থাকে। বহিঃৰাজ্যৰ সৈতে সংযোগী পথেৰে অহা-যোৱা কৰা সামগ্ৰীসমূহৰ সবিশেষ তথ্য আহৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে যাতে সেই তথ্য আমাৰ তালাচী চকীসমূহে দাখিল কৰাৰ তথ্যৰ সৈতে মিলাই চাব পৰা যায় আৰু এই ব্যৱস্থা কৰি কৰ ফাঁকি ৰোধ কৰিব পৰা যাব। অনলাইনযোগে চালানপত্ৰ (Delivery Note), প্ৰেৰণ পত্ৰ (Dispatch Note) আৰু পথ অনুজ্ঞাপত্ৰ (Road Permit) মোকলাই দিয়াৰ প্ৰক্ৰিয়া মই প্ৰস্তাৱ কৰিব খুজিছোঁ। অৱশ্যে বৰ্তমানৰ কেইবা দশকো পুৰণি ছফটৱেৰসমূহ সম্পৰ্কে কৰদাতা আৰু কৰ প্ৰশাসন উভয়ে যথেষ্ট সন্দিহান।

৫। অসমত সময়-নিৰ্ধাৰিত কৰ আহৰণ কৰা আৰু আহৰণ প্ৰক্ৰিয়াত জড়িত হৈ থকা খৰচ হ্ৰাস কৰাৰ বাবে আৰু সহজসাধ্য ব্যৱসায়ৰ (Ease of Doing Business) স্বাৰ্থত বাণিজ্যিক কৰ বিভাগে অহা বছৰৰ পৰা এক নতুন ছফটৱেৰ প্ৰণালী ব্যৱহাৰ কৰাৰ বাবে সাজু হৈছে। এই ক্ষেত্ৰত NISG (National Institute of Smart Governance) ক ইতিমধ্যে নতুন ব্যৱস্থাটোৰ ওপৰত বিশ্ব বেংকৰ সাহায্যৰ অধীনত বিশদ প্ৰকল্প প্ৰতিবেদন (Detailed Project Report-DPR) প্ৰস্তুত কৰিবলৈ কোৱা হৈছে।

**সামগ্ৰী আৰু সেৱা কৰৰ বাবে প্ৰস্তুতি** (Goods and Services Tax)

৬। কেন্দ্ৰীয় আৰু ৰাজ্যৰ সকলোবোৰ পৰোক্ষ কৰ আঁতৰাই একক কৰ আৰোপণৰ ব্যৱস্থা প্ৰণয়ন কৰিব খোজা সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই (GST) পূৰ্বৰ ব্যৱস্থাটোৰ এটা আমূল পৰিৱৰ্তন সাধন কৰিব। এই ব্যৱস্থাই দেশত একক বজাৰৰ সৃষ্টি কৰিব, ঢাপে ঢাপে কৰ আৰোপণৰ বিলুপ্তি কৰিব, একক পঞ্জীয়নযোগে কৰ পৰিশোধৰ খৰচ হ্ৰাস কৰিব, মোকৰ্দমা

হ্ৰাস কৰিব, সকলো কৰৰ বাবে একক কৰ প্ৰতিবেদন (Single Return and Payment) আৰু একক কৰ পৰিশোধৰ ব্যৱস্থা, শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰি কাৰ্য-কুশলতা আৰু ন্যায্যতা বৃদ্ধি কৰিব। তদুপৰি এই ব্যৱস্থাই ৰাজ্য আৰু কেন্দ্ৰৰ মাজৰ ফেডাৰেল সম্পৰ্ককো সুদৃঢ় কৰি তুলিব।

৭। সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'ব লগা ৰাজ্যিক কৰসমূহ হ'ল—

(i) ৰাজ্যিক মূল্য সংযোজিত কৰ (State VAT)

(ii) কেন্দ্ৰীয় বিক্ৰী কৰ (Central Sales Tax)

(iii) বিলাস কৰ (Luxury Tax)

(iv) প্ৰৱেশ কৰ (Entry Tax (All froms))

(v) আমোদ কৰ (Entertainment Tax, except Levied by the Local Bodies)

৮। সামগ্ৰী আৰু সেৱা কৰ (GST) ব্যৱস্থাই যিসমূহ প্ৰত্যাহ্বান কঢ়িয়াই আনিব, আমাৰ ৰাজ্যই সেইবোৰৰ মোকাবিলা কৰিবৰ বাবে সাজু হৈছে। আমাৰ ৰাজ্যই এই কৰ ব্যৱস্থা প্ৰণয়ণ কৰোঁতে মডেল - 2 গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰিছে য'ত সামগ্ৰী আৰু সেৱা কৰ (GST)ৰ নেটৱৰ্কে ফ্ৰন্ট এণ্ড আৰু বেক এণ্ড দুয়োবিধ ছফটৱেৰকে বিকশাই ইনফ'ছিছৰ যোগেদি ৰাজ্যক যোগান ধৰা হ'ব। এই ব্যৱস্থাই ব্যৱসায়ী অথবা উদ্যোগ আৰু কৰ বিভাগ উভয়কে গুণগত তথ্য প্ৰযুক্তিৰ সেৱা আগবঢ়াব। তথ্য প্ৰযুক্তিৰ হাৰ্ডৱেৰ আৰু নেটৱৰ্কিং ব্যৱস্থাক বিশ্ব বেংকৰ সাহায্যপুষ্ট এক প্ৰকল্পৰ যোগেদি অত্যাধুনিক ৰূপত গঢ়ি তোলাৰ প্ৰস্তাৱ দিয়া হৈছে। বিশ্ব বেংকে ইতিমধ্যে ৰাজ্যখনত সামগ্ৰী আৰু সেৱা কৰ (GST) ব্যৱস্থাৰ প্ৰয়োগ আদি সম্পৰ্কে ইতিমধ্যে দিহা-পৰামৰ্শ দিয়া আৰম্ভ কৰিছে।

৯। সামগ্ৰী আৰু সেৱা কৰ (GST) ব্যৱস্থাবৌ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াটো যাতে সৰলভাৱে আগবাঢ়ে, তাৰ বাবে জিএছটি আইনৰ বিধি ব্যৱস্থা সম্পৰ্কে বিভাগৰ বিষয়া আৰু ব্যৱসায়ী তথা উদ্যোগ জগত অৱগত হোৱাটো প্ৰয়োজনীয়। বাণিজ্য কৰ বিভাগে ইতিমধ্যে ভাৰত চৰকাৰৰ পৰা প্ৰশিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থাৱলী সম্পৰ্কে দিহা-পৰামৰ্শ বিচাৰিছে। এনে প্ৰশিক্ষকে পৰৱৰ্তী পৰ্যায়ত বিভাগৰ বিষয়া আৰু হিতধাৰকসকলৰ প্ৰতিনিধিবৰ্গক জিএছটি আইনৰ বিধি সম্পৰ্কে পৰ্যায়ক্ৰমে প্ৰশিক্ষণ দিব।

**বছৰেকীয়া কৰ প্ৰতিবেদন (Tax Return) আৰু চাৰ্টাৰ্ড একাউটেন্টৰ পৰীক্ষণ বিৱৰণ দাখিলৰ অন্তিম সময় বৃদ্ধি**

১০। উদ্যোগী আৰু ব্যৱসায়ীসকলৰ এক দীৰ্ঘদিনীয়া দাবী আছিল যে বছৰেকীয়া কৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষণ বিৱৰণ দাখিলৰ অন্তিম সীমা স্থায়ীভাৱে বৃদ্ধি কৰা হওক। এই দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই যিসকল ব্যৱসায়ীৰ বছৰি ব্যৱসায় এক কোটি টকাৰ অধিক সেইসকলৰ ক্ষেত্ৰত মই এই সময়সীমা বৰ্তমানৰ ৩১ অক্টোবৰৰ পৰা ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছোঁ। অন্যান্য ব্যৱসায়ীসকলৰ বাবে এই সময়সীমা বৰ্তমানৰ ৩১ মে'ৰ পৰা ৩০ ছেপ্টেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

**কৰ তত্বাৱধায়ক গোট আৰু শাস্তিমূলক ব্যৱস্থা**

১১। এনে বহু বিবেকবৰ্জিত ব্যৱসায়ী আৰু পৰিবহণ সংস্থা আছে যিসকলে কৰ ফাঁকি দিয়াৰ নানান উপায় বিচাৰি ফুৰে। বৰ্তমান এনে ব্যৱসায়ীসকলৰ দ্বাৰা তথ্য প্ৰযুক্তি ব্যৱহাৰ হোৱাৰ ফলত সমস্যাটো অধিক জটিল হৈছে। সেইবাবে কৰ ফাঁকি দিয়া আৰু অসৎ উপায় অৱলম্বন কৰা লোকসকলক চিনাক্ত কৰি উলিয়াবলৈ মই প্ৰয়োজনীয় সা-সৰঞ্জামৰে সৈতে কৰ আয়ুক্তৰ কাৰ্যালয়ত এটা কৰ তদাৰকী শাখা গঠন কৰাৰ প্ৰস্তাৱ দিছোঁ যি শাখাৰ অধিক্ষেত্ৰ সমগ্ৰ ৰাজ্যজুৰি ব্যাপ্ত হ'ব।

১২। মই ইতিমধ্যে কোৱাৰ দৰে কৰ ফাঁকি দিয়া সমস্যাটো চিন্তনীয়ভাৱে বৃদ্ধি

পাইছে। সেইবাবে মই এনে এক কঠোৰ ব্যৱস্থা বলবৎ কৰাৰ পক্ষপাতী যাতে কৰ ফাঁকিত উৎসাহ যোগোৱা পৰিবহণ সংস্থা তথা কৰ ফাঁকি দিবলৈ কুণ্ঠাবোধ নকৰা ব্যৱসায়ীসকলে এই দুষ্কাৰ্য কৰাৰ আগতে অন্তত দুবাৰ চিন্তা কৰিবলৈ বাধ্য হয়। এনে কামত অভ্যস্ত অপৰাধীসকলক বিৰত ৰখাৰ বাবে প্ৰথম অপৰাধত কৰ আৰু জৰিমণা, দ্বিতীয় অপৰাধত কৰ আৰু জৰিমণাৰ উপৰি ফৌজদাৰী কাৰ্যবিধি আৰম্ভ কৰা য'ত সাত বছৰ পৰ্যন্ত কাৰাবাস হ'ব পাৰে আৰু তৃতীয় অপৰাধত কৰ আৰু জৰিমণাৰ উপৰি ফৌজদাৰী কাৰ্যবিধি আৰম্ভ কৰা য'ত চৈধ্য বছৰ পৰ্যন্ত কাৰাবাস হ'ব পাৰে।

**উপভোক্তাক উৎসাহিত কৰা আঁচনি**

১৩। সামগ্ৰী ক্ৰয়ৰ বিপৰীতে গ্ৰাহকক নগদ ৰচিদ, বিল আদি সংগ্ৰহ কৰিবলৈ উৎসাহ যোগোৱা হ'ব। তাৰ বাবে চৰকাৰে 'ৰচিদ জমা দিয়ক পুৰস্কাৰ গ্ৰহণ কৰক আঁচনি' প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ দিছে। এই আঁচনিয়ে বিক্ৰেতা তথা ব্যৱসায়ীক নগদ ৰছিদ দিবলৈ বাধ্য কৰাব আৰু ফলস্বৰূপে ৰাজ্যৰ ৰাজকোষত অধিক ৰাজহ জমা হ'ব। তদুপৰি নগদ ৰচিদ অথবা বিল আদি ছপা কৰাৰ ক্ষেত্ৰত থাৰ্মেল পেপাৰৰ ব্যৱহাৰ বন্ধ কৰিবলৈ প্ৰস্তাৱ দিয়া হৈছে।

**কৰ প্ৰস্তাৱ**

১৪। কৰ আৰোপণ ব্যৱস্থা সভ্যতাৰ সমানে পুৰণি। কৰ এক স্থিতিশীল ধাৰণা নহয়, ই হ'ল গতিশীল ধাৰণা আৰু কৰ আৰোপণ নীতিক দ্ৰুত পৰিৱৰ্তনশীল অৰ্থনৈতিক পৰিস্থিতিৰ সৈতে খাপ খুৱাই ল'ব লাগে। এতিয়া মই মোৰ কৰ প্ৰস্তাৱ উপস্থাপন কৰিবলৈ আগবাঢ়িব খুজিছোঁ।

১৫। ই-ৰিক্সা ঃ শেহতীয়াকৈ পৰিবহণৰ এক জনপ্ৰিয় মাধ্যমৰূপে পৰিগণিত হৈছে ই-ৰিক্সা আৰু ইয়াৰ ব্যৱহাৰ দ্ৰুতগতিত বাঢ়িব ধৰিছে। এক সেউজ উদ্যম হিচাপে মই ই-ৰিক্সাৰ মূল্য সংযোজিত কৰৰ হাৰ (VAT)

১৪.৫ % ৰ পৰা ৬ % লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ।

১৬। মম ঃ বৰ্তমান মমৰ কৰ ৬ % আৰু ইয়াৰ কেঁচা সামগ্ৰী পেৰাফিন ৱাক্সৰ কৰো ৬ %। এই ক্ষেত্ৰত পেৰাফিনত আৰোপিত কৰ মমৰ ক্ষেত্ৰত ৰেহাই পোৱা যাব। আমাৰ প্ৰতিবেশী ৰাজসমূহত মমৰ ওপৰত কৰ নাই। সেই বাবে মম ব্যৱসায়ৰ গতি পৰিৱৰ্তনৰ বাবে মই মমৰ মূল্য আৰোপিত কৰ ৰেহাইৰ প্ৰস্তাৱ দিছোঁ।

১৭। চিত্ৰনালা তেল ঃ বৰ্তমান চিত্ৰনালা তেলৰ কৰ ১৪.৫%। চিত্ৰনালাৰ ভেষজ গুণৰ বাবে ৰাজ্যত চিত্ৰনালাৰ খেতিক উদগনি যোগাবলৈ মই ইয়াৰ মূল্য সংযোজিত কৰ ৬% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ।

১৮। গুৰ আৰু গুৰ জাতীয় খাদ্য ঃ গুৰ আৰু গুৰ জাতীয় খাদ্যৰ বৰ্তমান কৰ ৬%। সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে গুৰৰ ব্যৱহাৰ কৰে আৰু সেয়ে মই ইয়াৰ মূল্য সংযোজিত কৰ ২% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ।

১৯। তেতেলী আৰু খান্দচাৰী ঃ তেতেলী আৰু খান্দচাৰীৰ বৰ্তমান কৰ ৬%। এই জাতীয় খাদ্য সমাজৰ অধিক মানুহে গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত মই ইয়াৰ মূল্য সংযোজিত কৰ ৰেহাই দিয়াৰ প্ৰস্তাৱ দিছোঁ।

২০। শিশুৰ গাখীৰ খোৱা বটল আৰু নিপুল ঃ শিশুৰ গাখীৰ খোৱা বটল আৰু নিপুলৰ বৰ্তমান কৰ ৬%। মই ইয়াৰ মূল্য সংযোজিত কৰ ২% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ।

২১। কেৰাচিনৰ চুলা আৰু তাৰ অংশ ঃ কেৰাচিনৰ চুলা অৰ্থনৈতিকভাৱে পিছপৰা সাধাৰণ মানুহে ব্যৱহাৰ কৰে। কেৰাচিনৰ চুলাৰ বৰ্তমান কৰ ১৪.৫%। মই ইয়াৰ মূল্য সংযোজিত কৰ ২% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ।

২২। বটলৰ খোৱাপানী (Packaged Drinking Water) ঃ বটলৰ খোৱাপানীত বৰ্তমানে কৰ ধাৰ্য কৰা হৈছে ১৪.৫% য'ত বেলেগ বেলেগ তৰহৰ

ফলৰ ৰসৰ বটলত কৰ ধাৰ্য কৰা হৈছে ৬%। আপাত দৃষ্টিতে ই অৱাস্তৱ যে খোৱাপানীৰ বটলত আৰোপ কৰা কৰ ফলৰ ৰসৰ বটলতকৈ উচ্চ। মই সেইবাবে বটলৰ খোৱাপানীত কৰ ৬% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ।

২৩। এল ই ডি আৰু চি এফ এল ঃ শক্তি সঞ্চয় কৰাই হ'ল শক্তি উৎপাদন কৰা। শক্তি সঞ্চয়ক অনুপ্ৰাণিত কৰাৰ বাবে এল ই ডি বাল্‌বৰ ব্যৱহাৰক উৎসাহিত কৰা উচিত। মই এল ই ডি বাল্‌ব, এল ই ডি টিউব আৰু তাৰ হোল্ডাৰৰ বিক্ৰীৰ ওপৰত বৰ্তমান মূল্য সংযোজিত কৰ ১৪.৫% ৰ পৰা ৬% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছোঁ। তদুপৰি চি এফ এল বাল্‌বৰ ওপৰত শ্ৰেণী বহিৰ্ভূক্ত সামগ্ৰী হিচাপে কৰ আৰোপ কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ।

২৪। মেখেলা-চাদৰ ঃ মেখেলা-চাদৰ বৰ্তমান মূল্য সংযোজিত কৰৰ পৰা মুক্ত। দেখা যায় অন্যান্য ৰাজ্যতো মেখেলা-চাদৰ তৈয়াৰ কৰি অসমত বিক্ৰীৰ বাবে অনা হয়। মই কৰৰ ৰেহাই কেৱল থলুৱা আৰু স্থানীয়ভাৱে তৈয়াৰ কৰি অসমত বিক্ৰী কৰা মেখেলা-চাদৰৰ ক্ষেত্ৰতহে বাহাল ৰখাৰ প্ৰস্তাব দিছোঁ।

২৫। বিতুমিন ইমালচন ঃ বৰ্তমান বিতুমনি অসম মূল্য সংযোজিত আইন, ২০০৩ৰ অধীনৰ চতুৰ্থসূচীত ৫% কৰ প্ৰযোজ্য হৈ আছে। বিতুমিন আৰু বিতুমিন ইমালচন উভয়ে একে উদ্দেশ্যত ব্যৱহাৰ হয়। সেউজ প্ৰযুক্তিক উৎসাহিত কৰিবলৈ আৰু শ্ৰেণীভূক্তিৰ বিবাদৰ পৰা আঁতৰি থাকিবলৈ মই বিতুমানি ইমালচনক বিতুমিনৰ শাৰীতে ৰাখিবলৈ প্ৰস্তাৱ কৰিছোঁ। লগতে উভয়কে চতুৰ্থসূচীৰ ৬% কৰ প্ৰজোয্য কৰিবলৈ প্ৰস্তাৱ ৰাখিছোঁ।

২৬। সোণ আৰু সোণৰ গহনা ঃ গুৱাহাটীত স্থাপিত এম এম টি চিৰ যোগেদি স্থানীয় স্বৰ্ণশিল্পীৰ মাজত সোণৰ বিক্ৰীক উৎসাহিত কৰিবৰ বাবে মই মূল্য সংযোজিত কৰ বৰ্তমানৰ ১%ৰ পৰা ০.৭৫%লৈ হ্ৰাস কৰিবলৈ

প্ৰস্তাৱ দিছোঁ। তদুপৰি স্থানীয় স্বৰ্ণশিল্পীসকলক এক প্ৰতিযোগিতামূলক সুবিধা দিয়াৰ উদ্দেশ্যে মই বহিঃৰাজ্যৰ পৰা আমদানিকৃত পূৰ্বে নিৰ্মিত গহনাৰ ক্ষেত্ৰত কৰ ১%ৰ পৰা ২%লৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ দিছোঁ।

২৭। ক্ষুদ্ৰ আৰু মজলীয়া স্তৰৰ বাঁহ জাতীয় উদ্যোগ ঃ বাঁহৰ খেতিক উৎসাহিত কৰিবৰ বাবে আৰু ক্ষুদ্ৰ আৰু মজলীয়া স্তৰৰ বাঁহজাতীয় উদ্যোগক অনুপ্ৰাণিত কৰিবৰ বাবে মই এই ক্ষেত্ৰত মূল্য সংযোজিত কৰ ৰেহাইৰ প্ৰস্তাৱ দিছোঁ।

২৮। হিন্দুস্তান পেপাৰ কৰ্প'ৰেচনক বাঁহ কিনাৰ বাবদ Input Tax Credit ৰ সুবিধা ঃ অসমত হিন্দুস্তান পেপাৰ কৰ্প'ৰেচনৰ দুটাকৈ উৎপাদন গোট আছে। আমাৰ বাবে এয়া যথেষ্ট উদ্বিগ্নতাৰ বিষয় যে প্ৰায় ২১০০ লোকৰ নিয়োগৰ ব্যৱস্থা কৰা এই উদ্যোগটোৰ অস্তিত্বৰ ক্ষেত্ৰত সংগ্ৰাম কৰিবলগীয়া হৈছে। সেইবাবে শুভেচ্ছাসূচক পদক্ষেপ হিচাপে আৰু উদ্যোগটোত জড়িত লোকসকলৰ মঙ্গলৰ বাবে মই উদ্যোগটোৰ দুয়োটা গোটকে বাঁহ কিনাৰ বাবদ জমা দিয়া কৰ উৎপাদিত সামগ্ৰীত ৰেহাই দিয়াৰ বাবে (Input Tax Credit) প্ৰস্তাৱ দিছোঁ। এই ব্যৱস্থাত বৰ্তমান বাঁহ কিনাৰ বাবদ পৰিশোধ কৰা সমগ্ৰ কৰ ৰেহাই পাব আৰু সেই ধন দুয়োটা গোটৰ পুনৰ উজ্জীৱিতকৰণৰ বাবে সহায়ক হ'ব।

২৯। চিকিৎসালয়ৰ উপকৰণৰ প্ৰৱেশ কৰৰ হ্ৰাস ঃ ৰাজহুৱা খণ্ডৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় ক্ষেত্ৰত প্ৰৱেশ কৰ ৰেহাই বাহাল আছে। ৰাজহুৱা খণ্ডৰ এনেধৰণৰ স্বাস্থ্য কেন্দ্ৰসমূহে ৰাজ্যৰ জনতাৰ স্বাস্থ্যসেৱাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অপাৰগ হয়। সেইবাবে এই ক্ষেত্ৰত ব্যক্তিখণ্ডৰ চিকিৎসালয়বোৰৰো এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। ব্যক্তিগত খণ্ডৰ চিকিৎসা সেৱাক উৎসাহ যোগাবৰ বাবে মই চিকিৎসালয় উপকৰণৰ প্ৰৱেশ কৰ ২%ৰ পৰা ১%লৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ দিছোঁ।

৩০। ক্ষুদ্ৰ চাহ খেতিয়কলৈ সকাহ ঃ অসমৰ মুঠ চাহ উৎপাদনৰ ৩০% উৎপাদন

কৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলে আৰু ইয়াৰ যোগেদি তেওঁলোক অসমৰ অৰ্থনীতিত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে। তদুপৰি এই উদ্যোগটোৱে এক বৃহৎসংখ্যক লোকক নিয়োজনৰ সুবিধা দিছে। তেওঁলোকৰ এই অৱদানক স্বীকৃতি দি আৰু ক্ষুদ্ৰ চাহ খেতিয়কক চাহ খেতিৰ বাবে উৎসাহ যোগাবলৈ মই তেওঁলোকক অসম কৰ আৰোপণ (নিৰ্দিষ্ট ভূমিৰ ওপৰত) আইন (Assam Taxation (On Specified Lands) Act) আৰু অসম কৃষি আয় কৰ আইন (Assam Agricultural Income Tax Act) ৰ অধীনত সকাহ দিবলৈ প্ৰস্তাৱ দিছোঁ।

(ক) ক্ষুদ্ৰ চাহ খেতিয়কৰ বাবে নিৰ্দিষ্ট ভূমি উপকৰ হ্ৰাস ঃ ৪০ হেক্টৰতকৈ কম ভূমিৰ ক্ষুদ্ৰ চাহ বাগানৰ খেতিয়কৰ বাবে প্ৰতি কেজি সেউজীয়া চাহত দিব লগা উপকৰ ২৫ পইচাৰ পৰা ১৫ পইচালৈ হ্ৰাস কৰিবলৈ মই প্ৰস্তাৱ দিছোঁ। এই প্ৰস্তাৱে ক্ষুদ্ৰ চাহ খেতিয়কসকলক মুঠ ১০০০ লাখ টকাৰো অধিক মূল্যৰ মুনাফা দিব। মোৰ পৰৱৰ্তী বাজেটত ক্ষুদ্ৰ চাহ খেতিয়কৰ বাবে পৰ্যায়ক্ৰমে অধিক কৰ ৰেহাইৰ ব্যৱস্থা কৰা হ'ব। মই এই পৱিত্ৰ সদনৰ সদস্যসকলক ক'ব খোজোঁ যে চাহ বাগানত কৰ্মৰত কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে যি পুঁজি আছে সেয়া বৃদ্ধি কৰাৰ বাবে চাহ কল্যাণ বিভাগৰ জৰিয়তে পদক্ষেপ লোৱা হ'ব।

(খ) কৃষিভিত্তিক আয়কৰ ৰেহাইৰ ঊৰ্ধ্বসীমা বৃদ্ধি ঃ কোম্পানীৰ বাহিৰে ক্ষুদ্ৰ চাহ খেতিয়ক/কৰদাতাসকলে কৃষি উপাৰ্জনৰ এক লক্ষ টকালৈ আয়কৰ প্ৰদান কৰিবলৈ দায়বদ্ধ নহয়। কৃষিভিত্তিক কৰদাতাসকলক বিশেষকৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলক বাৰুকৈয়ে সকাহ দিয়াৰ নিমিত্তে মই কৃষিভিত্তিক কৰ পৰিশোধেয় উপাৰ্জনৰ উৰ্ধ্বসীমা এক লাখৰ পৰা ২.৫ লাখলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

চলিত ব্যৱস্থা মতে কোম্পানীৰ বাহিৰে ক্ষুদ্ৰ চাহ খেতিয়ক/কৰদাতাসকলে কৃষি আয় ১ লাখ টকাৰ পৰা ১.৫ লাখ পৰ্যন্ত ১০% কৰ, ১.৫ লাখ টকাৰ পৰা ২.৫ লাখ পৰ্যন্ত ২০% কৰ আৰু ২.৫ লাখ টকাৰ অধিক হ'লে ৩০% কৰ দিবলগীয়া হয়।

ইয়াৰ বিপৰীতে আনকি ২.৫ লাখ টকাৰ ওপৰৰ কৃষি আয়তো তেওঁলোকৰ কৰৰ বোজা হ্ৰাস কৰিবলৈ মই কেন্দ্ৰীয় আয়কৰৰ সমানুপাতিকভাৱে নিম্ন উল্লিখিত তালিকাত দিয়াৰ দৰে পৃথক কৰ শ্ৰেণীৰ প্ৰস্তাৱ কৰিছোঁ।

| কোম্পানীৰ বাহিৰে আনৰ ক্ষেত্ৰত | কৰৰ হাৰ |
|---|---|
| (ক) কৃষি আয় ২৫০,০০০ টকা পৰ্যন্ত | নাই |
| (খ) কৃষি আয় ২৫০,০০০ টকাৰ পৰা ৩৫০,০০০ টকা পৰ্যন্ত | এটকাত ১০ পইচা |
| (গ) কৃষি আয় ৩৫০,০০০ টকাৰ পৰা ৫০০,০০০ টকা পৰ্যন্ত | এটকাত ২০ পইচা |
| (ঘ) কৃষি আয় ৫,০০,০০০ টকাৰ অধিক | এটকাত ৩০ পইচা |

৩১। চিকিৎসালয়ৰ বিলাস কৰ হ্ৰাস ঃ এই কথা লক্ষণীয় যে হোটেলৰ ক্ষেত্ৰত ২০০০ টকাৰ কম ভাৰাৰ প্ৰতিটো কোঠাৰ ক্ষেত্ৰত বিলাস কৰ ইতিমধ্যে উঠাই দিয়া হৈছে। কিন্তু চিকিৎসালয়ৰ প্ৰতিটো কোঠাৰ ভাৰা ১০০০ টকাৰ কম হ'লেহে বিলাস কৰ ৰেহাই দিয়াৰ ব্যৱস্থা আছে। এই বেমেজালি শুধৰাবলৈ লগতে ৰাজ্যৰ চিকিৎসা পৰ্যটনৰ বিকাশ সাধিবলৈ নিম্ন উল্লিখিত ধৰণে মই ৰাজ্যৰ চিকিৎসালয়ৰ বিলাস কৰৰ শ্ৰেণী পুনৰ গঠনৰ প্ৰস্তাৱ কৰিছোঁ।

(ক) প্ৰতিদিনে প্ৰতিটো কোঠাত দুই হাজাৰ টকাৰ কম নাই
ভাৰাৰ চিকিৎসালয়ৰ ক্ষেত্ৰত বিলাস কৰ

(খ) দুই হাজাৰ টকাৰ পৰা প্ৰতিদিনে চাৰি হাজাৰ টকালৈ
প্ৰাপ্তিৰ পাঁচ শতাংশ
প্ৰতিটো কোঠাত চিকিৎসালয়ৰ ক্ষেত্ৰত বিলাস কৰ

(গ) প্ৰতিদিনে প্ৰতিটো কোঠাত চাৰি হাজাৰ টকাৰ অধিক প্ৰাপ্তিৰ আঠ শতাংশ

ভাৰাৰ চিকিৎসালয়ৰ বিলাস কৰ

৩২। চিনেমা প্ৰদৰ্শনত হল স্বত্বাধিকাৰীয়ে প্ৰৱেশ মাচুল আৰু সেৱা মাছুলৰ ওপৰত আমোদকৰ পৰিশোধ কৰিব লাগে। হলৰ স্বত্বাধিকাৰীয়ে প্ৰদান কৰা সুবিধা অনুযায়ী প্ৰতিটো টিকটত ৪০ টকালৈকে সেৱা মাছুল ল'ব পাৰে। এনে বৃহৎ পৰিমাণৰ সেৱা মাছুল সংগ্ৰহ কৰাটোৱে চিনেমা প্ৰযোজকসকলক বিপদত পেলায়। যিহেতু স্বত্বাধিকাৰীগৰাকীয়ে সমগ্ৰ সেৱা মাছুল আৰু আংশিক প্ৰৱেশ মাছুল গ্ৰহণ কৰাৰ ফলত এক বৃহৎ পৰিমাণৰ ধন স্বত্বাধিকাৰীয়ে লাভ কৰে।

সেইবাবে চিনেমাৰ প্ৰযোজকসকলে যাতে প্ৰৱেশ মাছুলৰ ওপৰত কৰ ওভোতাই পোৱাৰ ৰূপত এক সন্মানজনক ৰাশি লাভ কৰিব পাৰে তাৰ বাবে এই আমোদকৰৰ হাৰ ১৫%ৰ পৰা ২০% আৰু ২০%ৰ পৰা ৩০%লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছোঁ। এই ব্যৱস্থাই অনাঅসমীয়া চিনেমাৰ পৰা ৰাজ্য চৰকাৰে অধিক ৰাজহ লাভ কৰিব। সেয়া মাছুলৰ ক্ষেত্ৰত থকা বেমেজালি দূৰ কৰিব বাবে আৰু চিনেমা প্ৰযোজকসকলৰ স্বাৰ্থ সুৰক্ষিত ৰখাৰ বাবে মই সেৱা মাছুলৰ শ্ৰেণীৰ মান সৰ্বোচ্চ ৪০ টকাৰ সলনি ১২ টকালৈ প্ৰতিটো টিকটত হ্ৰাস কৰিবলৈ পৰামৰ্শ দিছো। তদুপৰি প্ৰতিটো টিকটত 'শিল্পী আৰু কলা-কুশলী কল্যাণ নিধি'ৰ নামত এটকাকৈ সংগ্ৰহ কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ। এই নিধিৰ ধন কেৱল চিনেমা আৰু থিয়েটাৰ কৰ্মীসকলৰ কল্যাণৰ বাবে ব্যৱহাৰ হ'ব।

৩৩। কেবল টিভিৰ আমোদকৰ হ্ৰাস ঃ ডাইৰেক্ট টু হোম (DTH) সেৱাৰ তুলনাত ৰাজ্যত কেৱল টিভি সেৱা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলেহে অধিক ব্যৱহাৰ কৰে। এই কথা মনত ৰাখি মই কেৱল টিভি সেৱাৰ আমোদকৰৰ হাৰ প্ৰতিগৰাকী উপভোক্তাৰ বিপৰীতে ৩০ টকাৰ পৰা ২৫ টকালৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

৩৪। ফাৰ্ণেছ অইল আৰু শ্ৰেণী বহিৰ্ভূত সামগ্ৰী ঃ চতুৰ্থ সূচীৰ অন্তৰ্গত ফাৰ্ণেছ অইলৰ কৰৰ হাৰ ৫%ৰ পৰা ৬%লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে। কিয়নো দ্বিতীয় সূচীৰ অন্তৰ্গত সামগ্ৰীৰ কৰৰ হাৰ ইতিমধ্যে ৬%শতাংশলৈ বৃদ্ধি কৰা হৈছে।

ইয়াৰোপৰি অসম মূল্য সংযোজিত কৰ আইনৰ অধীনত পঞ্চম সূচীৰ শ্ৰেণী বহিৰ্ভূত সামগ্ৰীৰ কৰৰ হাৰ সামান্য পৰিমাণে মাত্ৰ ০.৫% বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

৩৫। ভিডিঅ’ ফোন আৰু মোবাইল ফোন ঃ ১৫,০০০ টকাৰ তলৰ খুচুৰা মূল্যৰ ভিডিঅ’ ফোন আৰু মোবাইল ফোনৰ বৰ্তমানৰ কৰৰ হাৰ ৬ শতাংশ। এতিয়াৰে পৰা ৫০০০ টকাৰ তলৰ খুচুৰা মূল্যৰ মোবাইল আৰু ভিডিঅ’ ফোনত ৬%লৈ কৰ প্ৰস্তাৱ কৰা হৈছে।

৩৬। চিএছডি আৰু চিপিচিৰ ৰেহাই হাৰ কৰৰ পুনৰ গঠন ঃ কেন্টিন ষ্টোৰ্ছ ডিপাৰ্টমেন্ট (CSD) আৰু চেন্ট্ৰেল পুলিচ কেন্টিনছ (CPC)সমূহে প্ৰতিৰক্ষা কৰ্মী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ কৰ্মীসকললৈ সামগ্ৰী সৰবৰাহ কৰি দৈনন্দিন প্ৰয়োজন পূৰণ কৰে। এই সামগ্ৰীসমূহৰ মাজত আছে কিছু ৬% আৰু কিছুমান ১৪.৫ % হাৰৰ কৰৰ সামগ্ৰী। যি কৰ কেন্টিন ষ্টোৰ্ছ ডিপাৰ্টমেন্ট (CSD) আৰু চেন্ট্ৰেল পুলিচ কেন্টিনছ (CPC)য়ে পৰিশোধ কৰিব লাগে। এই ব্যক্তিসকলৰ সেৱা স্বীকৃতি স্বৰূপে মই কেন্টিন ষ্টোৰ্ছ ডিপাৰ্টমেন্ট (CSD) আৰু চেন্ট্ৰেল পুলিচ কেন্টিনছ (CPC)য়ে ৰেহাই হাৰৰ কৰ যথাক্ৰমে ৬% আৰু ৭.৫%কৰৰ প্ৰস্তাৱ দিছোঁ।

৩৭। চিগাৰেটৰ কৰৰ পুনৰবিন্যাস ঃ ধপাত আৰু ধপাতজাতীয় সামগ্ৰী সমূহ স্বাস্থ্যৰ বাবে ক্ষতিকৰ আৰু এইবোৰৰ বহু সামাজিক কুফল আছে। উচ্চহাৰৰ কৰ আৰোপ কৰি বা আন ধৰণে চৰকাৰে এই ধৰণৰ সামগ্ৰীৰ প্ৰচলনৰ নিৰুৎসাহ কৰে। কিন্তু বহু ক্ষেত্ৰত কৰ বৃদ্ধিৰ ফলত কৰত

বৈশাদৃশ্য দেখা যায় আৰু তাৰ ফলত অন্য ৰাজ্যৰ বাণিজ্য উদগতি কৰে।

অলপতে কেন্দ্ৰীয় আবকাৰী শুল্কৰ আহৰণ সূত্ৰ ধৰি আৰু পশ্চিমবংগৰ উদাহৰণ লৈ আমি চিগাৰেটৰ দৈৰ্ঘ্যৰ ওপৰত কৰ নিৰ্ধাৰণ কৰা এক অভিনৱ প্ৰথা হাতত লৈছিলো। অৱশ্যে ভাৰত চৰকাৰে বিভিন্ন দৈৰ্ঘ্যৰ চিগাৰেটৰ ওপৰত কেন্দ্ৰীয় আবকাৰী শুল্ক বৃদ্ধি কৰে, ফলত চিগাৰেটৰ দাম বৃদ্ধি পায়। কেন্দ্ৰীয় আবকাৰী শুল্ক বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত মই মূল্য সংযোজিত কৰ বিভিন্ন শ্ৰেণীত তলত দিয়া ধৰণে সালসলনিৰ প্ৰস্তাৱ কৰিছোঁ।

| চিগাৰেট | বৰ্তমানৰ মূল্য সংযোজিত কৰৰ হাৰ (প্ৰতি এহাজাৰ দাল চিগাৰেটত) | প্ৰস্তাৱিত মূল্য সংযোজিত কৰৰ হাৰ (প্ৰতি এহাজাৰ দাল চিগাৰেটত) |
|---|---|---|
| (ক) ৭৫ মিঃমিঃৰ অধিক দৈৰ্ঘ্যৰ ফিল্টাৰ চিগাৰেট | ১,৬০০ টকা | ১,৮৫০ টকা |
| (খ) ৭০ ৰ পৰা ৭৫ মিঃমিঃ দৈৰ্ঘ্যৰ ফিল্টাৰ চিগাৰেট | ১,২২৫ টকা | ১,৪৫০ টকা |
| (গ) ৬৫ ৰ পৰা ৭০ মিঃমিঃ দৈৰ্ঘ্যৰ ফিল্টাৰ চিগাৰেট | ৮১০ টকা | ৯৭৫ টকা |
| (ঘ) ৬০ ৰ পৰা ৬৫ মিঃমিঃ দৈৰ্ঘ্যৰ ফিল্টাৰ চিগাৰেট | ৫৫০ টকা | ৭৭৫ টকা |
| (ঙ) ওপৰৰ শ্ৰেণীত নপৰা চিগাৰেটৰ ক্ষেত্ৰত | ১৬০০ টকা | ১৮৫০ টকা |
| (চ) ফিলটাৰ চিগাৰেটৰ বাহিৰে ৬৫ মিঃমিঃৰ কম দৈৰ্ঘ্যৰ চিগাৰেট | নাই | ৭৫০ টকা |

৩৮। স্থানীয় উদ্যোগ আৰু বাণিজ্যক সুৰক্ষা দিবৰ বাবে প্ৰৱেশ কৰৰ পুনৰ বিন্যাস ঃ নিজস্ব ব্যৱহাৰৰ বাবে বহিৰাজ্যৰ পৰা অনা সামগ্ৰীৰ বাবদ

অসমৰ ক্ৰেতাই মূল্য সংযোজিত কৰ দিব নালাগে। সেইবাবে ৰাজহৰ আহৰণৰ বাবে আৰু বহিঃৰাজ্যলৈ বাণিজ্যক ফালৰি কাটি যোৱাৰ পৰা ৰক্ষা কৰিবলৈ বহিঃৰাজ্যৰ পৰা আমদানিকৃত সামগ্ৰীত প্ৰৱেশ কৰ আৰোপ কৰা হয়। দেখা গৈছে যে বহু সামগ্ৰীৰ প্ৰৱেশ কৰ, মূল্য সংযোজিত কৰতকৈ কম। ফলস্বৰূপে বাণিজ্য বহিৰ্মুখী (Trade Diversion) হোৱা দেখা হৈছে। বহু সামগ্ৰী স্থানীয় বজাৰৰ পৰা অধিক মূল্য সংযোজিত কৰত নিকিনি বাহিৰৰ পৰা আমদানি কৰা হয়। উদাহৰণ স্বৰূপে টাইলছ, মাৰ্বল, গ্ৰেণাইট, গা-ধোৱা ঘৰত সংযোগী উপকৰণ আদি মূল্য সংযোজিত কৰ ১৪.৫ % আৰু আন ৰাজ্যৰ পৰা আমদানি কৰিলে প্ৰৱেশ কৰ দিয়া হয় ৬ %। একেদৰে ফিটকিৰি এবিধ ঔদ্যোগিক কেঁচা সামগ্ৰী। যদিহে কোনো উদ্যোগে আন ৰাজ্যৰ পৰা ফিটকিৰি ক্ৰয় কৰে তেন্তে প্ৰৱেশ কৰ পৰিশোধ কৰে ২% য'ত স্থানীয় বজাৰত মূল্য সংযোজিত কৰ ১৪.৫ %। ইয়াৰ ফলত স্থানীয় ফিটকিৰি প্ৰস্তুত কৰা উদ্যোগবোৰ লোকচানৰ সন্মুখীন হোৱা দেখা যায়। গতিকে স্থানীয় বাণিজ্য আৰু উদ্যোগৰ সুৰক্ষাৰ বাবে এক সমতুল বজাৰ উপলব্ধ কৰাৰ স্বাৰ্থত, তদুপৰি আমাৰ ৰাজহ আহৰণৰ উদ্দেশ্য আগত ৰাখি মই সকলোধৰণৰ টাইলছ, চেনিটেৰী সামগ্ৰী আৰু গা-ধোৱা ঘৰৰ সংযোগী সামগ্ৰী (Bath Fitting), মাৰ্বল, গ্ৰেণাইট, ডেকোৰেটিভ শ্লেব, ইলেভেটৰ আৰু তাৰ অংশ, গাড়ী, ফিটকিৰি আৰু শ্ৰেণী বহিৰ্ভূত সামগ্ৰীকে ধৰি আন সামগ্ৰীৰ প্ৰৱেশ কৰ বৃদ্ধিৰ প্ৰস্তাৱ কৰিছোঁ। এনে প্ৰৱেশ কৰ বৃদ্ধিয়ে ৰাজ্যৰ উপভোক্তাসকলক স্থানীয় বজাৰৰ সামগ্ৰী ক্ৰয় কৰিলে ক্ষতিগ্ৰস্ত নকৰে। অৱশ্যে এই প্ৰৱেশ কৰ হাৰৰ বৃদ্ধি মই আজি প্ৰস্তাৱ কৰা নাই। কিয়নো এয়া কেৱল মোৰ প্ৰাথমিক ধাৰণা আৰু ইয়াক বিভিন্ন কোণৰ পৰা বিশ্লেষণ কৰা প্ৰয়োজন। মই মোৰ উদ্দেশ্য পৰিস্কাৰ কৰি জনোৱা উচিত যে কেঁচা সামগ্ৰীৰ কৰ বৰ্তমানৰ হাৰতকৈ অধিক বৃদ্ধি কৰা অনুচিত। স্থানীয় উদ্যোগৰ স্বাৰ্থ সুৰক্ষাৰ বাবে যদিহে কোনো কেঁচা সামগ্ৰীৰ কৰৰ হাৰ বৃদ্ধি কৰাৰ প্ৰয়োজন

এনে বৃদ্ধিৰ বাবে উদ্যোগ বিভাগ বাণিজ্য সংগঠন FINER, CII আদিৰ সৈতে আলোচনা কৰা হ'ব।

দেশীয় সুৰা প্ৰস্তুত প্ৰক্ৰিয়াত ব্যৱহৃত পৰিশোধিত স্পিৰিট (Rectified Spirit)ৰ ক্ষেত্ৰত 'অসম প্ৰৱেশ কৰ আইন'ৰ অধীনত ২০% প্ৰৱেশ কৰ বৃদ্ধিৰ প্ৰস্তাৱ কৰিছোঁ।

৩৯। বকেয়া পৰিশোধৰ বাবে ক্ষমাদান আঁচনি ঃ স্বাধীন ভাৰতৰ ইতিহাসৰ সবাতোকৈ উল্লেখযোগ্য কৰ সংস্কাৰ 'সামগ্ৰী আৰু সেৱাকৰ' ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা মুকলি হোৱাৰ আশা কৰা হৈছে। এনে এটা নতুন ব্যৱস্থা লৈ সলনি কৰোতে গুৰুত্বপূৰ্ণ কথাটো হ'ল অতীতৰ পাবলগীয়া কৰসমূহৰ যিমানলৈ পৰা যায় তাৰ মীমাংসা কৰা। সেইবাবে পাবলগীয়া কৰসমূহ যাতে আহৰণ কৰিব পৰা যায় তাৰ বাবে এক ক্ষমাদান (Amnesty) আঁচনি তলত দিয়া বৈশিষ্ট্যসহ ঘোষণা কৰা হ'ব।

(ক) ৩১ মাৰ্চ ২০১৫ পৰ্যন্ত কৰ আৰোপন বিভাগে বলবৎ কৰা সকলোবোৰ আইন অমীমাংসিত দেনা পৰিশোধৰ বাবে ক্ষমাদান আঁচনি (Amnesty Scheme for Liquidation of Outstanding Dues)য়ে সামৰি ল'ব।

(খ) অমীমাংসিত দেনা পৰিশোধৰ বাবে দুখন খিৰিকি থাকিব। প্ৰথম ২০১৬ চনৰ ৩১ ডিচেম্বৰ বা তাৰ পূৰ্বৰ আৰু দ্বিতীয় খিৰিকি ২০১৭ চনৰ ২১ মাৰ্চ বা তাৰ আগৰ।

(গ) আঁচনিখন অসম ৰেভিনিউ ব'ৰ্ড, আদালত আবেদন আৰু পুনৰীক্ষণ গোচৰসমূহ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। অৱশ্যে এই গোচৰসমূহ প্ৰত্যাহাৰ কৰা হ'ব লাগিব।

(ঘ) আঁচনিখনৰ যোগেদি বহুসংখ্যক অমীমাংসিত গোচৰৰ নিষ্পত্তি হ'ব আৰু ৰাজ্যই বহু পৰিমাণৰ পৰিশোধ নকৰা কৰ লাভ কৰিব।

৪০। বিদেশী সুৰাৰ কৰ সংগ্ৰহ ঃ বৰ্তমান বিদেশী সুৰা (ভাৰতত তৈয়াৰী হোৱা বা নোহোৱা)ৰ ক্ষেত্ৰত খুচুৰা অনুজ্ঞাপত্ৰধাৰী বিক্ৰেতাক বিক্ৰী কৰাৰ সময়তে মূল্য সংযোজিত কৰ সংগ্ৰহ কৰা হয়। দীৰ্ঘ সময় ধৰি লক্ষ্য কৰা হৈছে যে এটা বণ্ডৰ পৰা আন এটা বণ্ডৰ ৱেৰহাউচলৈ সুৰাৰ ৰপ্তানিত কৰ প্ৰযোজ্য নহয়। সেয়ে এতিয়াৰে পৰা প্ৰথম ঢাপতে ৰাজ্যৰ ভিতৰত সুৰাৰ ৰপ্তানিত মূল্য সংযোজিত কৰ আৰোপ কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

৪১। বিদেশী সুৰাত কৰৰ হাৰ বৃদ্ধি আৰু সৰ্বাধিক খুচুৰা মূল্য সংযোজিত কৰ আৰোপ ঃ বৰ্তমান বিদেশী সুৰা (ভাৰতত প্ৰস্তুত কৰা বা নকৰা) প্ৰকৃত বিক্ৰী দামৰ ৩০ শতাংশ কৰ আৰোপৰ যোগ্য। য'ত আবকাৰী শুল্ক সংযুক্ত হৈ থাকে। মই এই কৰৰ হাৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

অৱশ্যে সৰ্বাধিক খুচুৰা দামৰ ভিত্তিতহে ৰাজ্যিক আবকাৰী শুল্ক প্ৰস্তাৱ কৰা হৈছে। মই ইয়াৰ জৰিয়তে পাইকাৰী বিক্ৰতাক সুৰাৰ আচল বিক্ৰী দামৰ সলনি সৰ্বাধিক খুচুৰা মূল্যৰ ভিত্তিত কৰ প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ।

পৰিবহণ বিভাগ

৪২। পৰিবহন বিভাগটোৰ ৰাজহ সংগ্ৰহৰ যথেষ্ট সুযোগ আছে। পৰিবহণ বিভাগে ইতিমধ্যে ৰাজহ সংগ্ৰহৰ বিভিন্ন পথত যাত্ৰা আৰম্ভ কৰিছে আৰু গুণগত ৰাজহ সংগ্ৰহৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

৪৩। দিল্লী, পঞ্জাৱ, কৰ্ণাটক, মহাৰাষ্ট্ৰ আদিৰ দৰে ৰাজ্যই যান-বাহনৰ বিশেষ/নিৰ্দিষ্ট/পছন্দৰ পঞ্জীয়ন নম্বৰ প্ৰদান কৰাৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক নিলাম প্ৰক্ৰিয়া ব্যৱস্থা আৰম্ভ কৰিছে। ভি আই পি পঞ্জীয়ন নম্বৰ যেনে ০০০১, ০০০২ আদি নম্বৰ এই নিলাম প্ৰক্ৰিয়াত সন্নিৱিষ্ট হৈছে।

৪৪। অধ্যক্ষ মহোদয়, আপুনি জানি সুখী হ'ব যে আমাৰ ৰাজ্যতো পৰিবহণ

বিভাগে ৪১৩ টা এনে বিশেষ/নিৰ্দিষ্ট/পছন্দৰ পঞ্জীয়ন নম্বৰ নিলাম কৰাৰ প্ৰক্ৰিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ। প্ৰতিটো নম্বৰৰ বিপৰীতে এক নিৰ্দিষ্ট মাছুলৰ জৰিয়তে এই নিলাম প্ৰক্ৰিয়া সমাপন হ'ব। উদাহৰণ স্বৰূপে ব্যক্তিগত বাহনৰ বাবে '০০০১' পঞ্জীয়ন নম্বৰৰ সংৰক্ষিত মাছুল হ'ব ১,০০,০০০ টকা, বাণিজ্যিক বাহনৰ বাবে হ'ব ২০,০০০ টকা। '০০০২' পঞ্জীয়ন নম্বৰৰ পৰা '০০০৯' পঞ্জীয়ন নম্বৰলৈ সংৰক্ষিত মাছুল হ'ব ব্যক্তিগত বাহনৰ ক্ষেত্ৰত ৫০,০০০ টকা।

৪৫। বৰ্তমান দুচকীয়া বাহনৰ ক্ষেত্ৰত বাহনখনৰ নিজস্ব ওজনৰ ওপৰত কৰ আৰোপ কৰা হৈছে। অৱশ্যে বজাৰত বৰ্তমান ৬০,০০০ টকাৰ পৰা ২০,০০,০০০ টকা দামৰ বিভিন্ন প্ৰকাৰৰ দুচকীয়া বাহন আছে। চৰকাৰে ব্যক্তিগত দুচকীয়া আৰু তিনিচকীয়া বাহনৰ মূল দামৰ ৬% শুদ্ধ কৰ (Flate rate) আৰোপৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

৪৬। উক্ত সংশোধনী প্ৰস্তাৱে চলিত বিত্তীয় বৰ্ষতে ৰাজ্যৰ ৰাজকোষলৈ অতিৰিক্ত ১০০ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিব।

৪৭। ৰাজ্যিক আবকাৰী শুল্ক ঃ যোৱা বছৰটোৰ ভিতৰত বিশাল পৰিমাণ শুল্ক আহৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ১ জুন ২০১৫ ৰ পৰা কাৰ্যকৰী হোৱাকৈ মূল্য ভিত্তিক (ad-valoram) কৰ আৰোপৰ হাৰ ৭০% লৈ বৃদ্ধি কৰিছে। ইয়াৰ ফলত সামগ্ৰীৰ সৰ্বাধিক খুচুৰা মূল্য (MRP) ২৫% ৰ পৰা ৩০% লৈ বৃদ্ধি পায়। লগতে জনপ্ৰিয় সা-সামগ্ৰীৰ ক্ষেত্ৰত চুবুৰীয়া ৰাজ্যসমূহৰ লগত প্ৰতি কেছত ১০০০ ৰ পৰা ৪০০০ টকা পৰ্যন্ত দামৰ পাৰ্থক্যৰ সৃষ্টি কৰে।

ইয়াৰ ফলস্বৰূপে ভাৰতত প্ৰস্তুত কৰা বিদেশী সুৰাৰ বিক্ৰী অসমত ২০.৮৩% হ্ৰাস পায়। অৱশ্যে ইয়ে অসমত সুৰাপান কমি যোৱাটো নুবুজায়। ইয়ে ৰাজ্যত বাণিজ্যৰ বৰ্হিগমন/সুৰুঙা থকাৰ কথাটো প্ৰমাণ

কৰিছে। ৰাজ্যখনে ইয়াৰ বাবে এবছৰতে হেৰুৱাইছে ১৫২ কোটি টকাৰ ৰাজহ।

সমান্তৰালকৈ অসমত এই সময়ছোৱাত বিয়েৰৰ বিক্ৰী ৩৯.৩১% হ্ৰাস পাইছে। ইয়াৰ ফলত ৰাজ্যখনে হেৰুৱাইছে প্ৰায় ৫০ কোটি টকাৰ ৰাজহ।

ইয়াৰ দ্বাৰা দুটা কথা স্পষ্ট হৈ পৰিছে। প্ৰথমতে শুল্কৰ হাৰ বৃদ্ধিয়ে সদায়ে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি নকৰিবও পাৰে। দ্বিতীয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যত একেধৰণৰ কৰৰ গাঁথনি সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আছে। যাতে বাণিজ্যিক বহিৰ্গমনৰ সুৰুঙাৰ অৱকাষ নাথাকে। ওপৰৰ তথ্যৰ ভিত্তিত মই অতি বিনম্ৰতাৰে ক'ব বিচাৰিছো যে কৰৰ গঠন আৰু গতি বিজ্ঞান অতিশয় জটিল আৰু সেইবাবে ইয়াক বিভিন্ন দৃষ্টিকোণেৰে অতি সাৱধানে পৰ্যবেক্ষণ কৰা উচিত।

সেয়েহে মই সুৰাৰ ক্ষেত্ৰত আবকাৰী শুল্ক আৰু মূল্য সংযোজিত কৰৰ বিষয়ে যথাযোগ্য পৰ্যবেক্ষণৰ দ্বাৰা নিৰ্দেশাৱলী প্ৰস্তুত কৰিবলৈ অসম চৰকাৰৰ এগৰাকী অৱসৰপ্ৰাপ্ত মুখ্য সচিবৰ অধীনত এখন কমিটী গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ। এই কমিটীয়ে স্বাস্থ্যজনিত দিশ আৰু বাণিজ্যিক বৰ্হিগমনৰ ওপৰতো বিতং অধ্যয়ণ কৰি চৰকাৰক কৰৰ নিৰিখ নিৰ্ধাৰণ কৰাৰ বাবে পৰামৰ্শ দিব।

৪৮। আবকাৰী শুল্ক নীতি, নিয়মাৱলী, দেশীয় সুৰা আৰু বিভাগৰ কাৰ্য কুশলতাৰ পৰ্যবেক্ষণৰ ভিত্তিত ৰাজ্যিক আবকাৰী বিভাগৰ প্ৰণালীবদ্ধ সংশোধনৰ প্ৰয়োজন আহিছে। মই ইয়াৰ বাবে এলানি পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ কৰিছোঁ।

৪৯। অসম আবকাৰী বিধি, ১৯৪৫ৰ স্থানত অসম আবকাৰী বিধি, ২০১৬ ঃ বৰ্তমান প্ৰৱৰ্তিত ১৯৪৫ চনৰ অসম আবকাৰী বিধিৰ স্থানত নতুনকৈ

অসম আবকাৰী বিধি, ২০১৬ প্ৰৱৰ্তন কৰা হ'ব। এই ব্যৱস্থাৰে ৰাজ্যিক আবকাৰী বিভাগে প্ৰস্তুতিৰ পৰ্যায়তে শুল্ক আদায় কৰি শুল্ক আদায় নোহোৱা সুৰাৰ প্ৰচলনত বাধা দিয়ে। ৰপ্তানি হোৱা সকলো সুৰাৰ ক্ষেত্ৰত এক আমানতৰ ধনৰ প্ৰস্তাৱ কৰা হৈছে। এই ধনৰাশি হ'ব আবকাৰী শুল্কৰ সমপৰ্যায়ৰ। দেশীয় সুৰাৰ খুচুৰা বিক্ৰীৰ অনুজ্ঞা মাচুল বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। শুল্ক পৰিশোধ নকৰিলে তেনে ক্ষেত্ৰত ৩০০ শতাংশ পৰ্যন্ত জৰিমনা ব্যৱস্থা কৰা হৈছে।

৫০। দেশীয় সুৰাৰ উৎপাদন, বিতৰণ আৰু বিক্ৰীৰ ক্ষেত্ৰত সংস্কাৰ ঃ বৰ্তমান দেশীয় সুৰাৰ মহলসমূহ আৱন্টন কৰাৰ প্ৰক্ৰিয়াটো যথেষ্ট পুৰণি, অফলপ্ৰসূ আৰু কৰফাঁকিৰ আশংকাপূৰ্ণ লগতে দুৰ্নীতিৰ সুযোগযুক্ত। সেইবাবে মই মহল ব্যৱস্থাৰ সলনি এটা বিজ্ঞানসন্মত বটলিং ব্যৱস্থাৰ পোষকতা কৰোঁ। য'ত বিদেশী সুৰাৰ মানৰে দেশীয় সুৰাৰ বটলিং কৰা হ'ব। এনে ব্যৱস্থাই দেশীয় সুৰাৰ পৰিচ্ছন্নতা বৃদ্ধি কৰিব। এনেধৰণৰ সুৰা ভাৰতত প্ৰস্তুত বিদেশী সুৰাৰ খুচুৰা বিপণীত অথবা আবকাৰী বিভাগে সঠিক বিবেচনা কৰা স্থানত উপলব্ধ হ'ব। ফলত দেশীয় সুৰাৰ পৰা ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ প্ৰশস্ত পথ মুকলি হ'ব।

৫১। আমাৰ চৰকাৰে উপৰোক্ত ব্যৱস্থ্যাসমূহৰ দ্বাৰা সংশ্লিষ্ট বিভাগৰ জৰিয়তে বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহৰ পথ মুকলি কৰাত জোৰ দিছে।

৫২। আমোলা-বিষয়াক উৎসাহিত কৰিবলৈ আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজহ সংগ্ৰহত উৎকৃষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰা আমোলা-বিষয়াক আমাৰ চৰকাৰে উদগনি জোগোৱাৰ সিদ্ধান্ত লৈছে।

৫৩। ঐতিহ্যপূৰ্ণ পানীয় ঃ বৈচিত্ৰ্যময় সংস্কৃতি অসমৰ এক অন্যতম শক্তি। এনে বৈচিত্ৰ্যৰ ফলস্বৰূপে সৃষ্টি হোৱা নানা সমলেৰে অসম সংস্কৃতিৰ সমৃদ্ধ হৈছে। চৰকাৰ হিচাপে আমি ৰাজ্যৰ অৰ্থনীতিক ইয়াৰ নৃতাত্বিক সংস্কৃতিৰ

সৈতে সংপৃক্ত কৰি গঢ়িব খোজো। বহু জনজাতীয় পানীয় সম্ভাৰেৰে আমাৰ সংস্কৃতি সমৃদ্ধ। এই উপাদানসমূহ স্বাস্থ্যসন্মত হোৱাৰ লগে লগে ঔষধী গুণ বিশিষ্ট বুলিও প্ৰমাণিত হৈছে। আমাৰ চৰকাৰে এনে পানীয় উপাদানৰ বিষয়ে গৱেষণা হোৱাটো বিচাৰে। যাতে এইবোৰৰ মান নিয়ন্ত্ৰণ নিশ্চিত কৰাৰ লগতে পৰিচ্ছন্নতা সুনিশ্চিত কৰি আধুনিক পেকেজিঙৰ আৰ্হিত আগবঢ়াই দিব পৰা যায়। এনে সামগ্ৰী অনুজ্ঞালব্ধ দ্ৰব্যৰূপে বিভিন্ন বিপণীত উপলব্ধ হ'ব। গোৱাৰ ফেনী, ৰাজস্থানৰ ঐতিহ্যপূৰ্ণ সুৰা, ৰাছিয়াৰ ভডকাকো এনে পানীয়ই চেৰ পেলাব পাৰিব।

এনে পদক্ষেপে দেশীয় সুৰাৰ প্ৰতি প্ৰৱল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব, যিবোৰ স্থানীয় পানীয়তকৈ অধিক ক্ষতিকাৰক। অসম চৰকাৰে এই স্থানীয় পানীয়বোৰ অনুজ্ঞাকৰণ আৰু বিক্ৰীৰ প্ৰস্তাৱ বিবেচনা কৰিব। আৰু ই জনজাতীয় পৰিয়ালসমূহৰ ঐতিহ্য সংৰক্ষণৰ লগে লগে আয় বৃদ্ধিত অৰিহণা যোগাব।

৫৪। ৰাজহ আৰু পঞ্জীয়ন ঃ সংগ্ৰহৰ দক্ষতা বৃদ্ধিৰ দ্বাৰা ৰাজ্যৰ ৰাজহ বিভাগে ভূমি ৰাজহ, ষ্টাম্প শুল্ক, পঞ্জীয়ন মাচুল আৰু চৰকাৰক পৰিশোধ কৰিবলগীয়া অন্যান্য কৰৰ সংগ্ৰহৰ জৰিয়তে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ হাৰ বৃদ্ধি কৰাৰ প্ৰয়াস কৰিব। এই বিভাগে ষ্টাম্প শুল্ক আৰোপ কৰিব পৰা অন্যান্য সম্ভাৱনীয়তাৰো অনুসন্ধান কৰিব।

৫৫। ৰাজ্যৰ ৰাজহ বিভাগে চহৰাঞ্চলৰ কেন্দ্ৰত অৱস্থিত বাণিজ্যিক ভূমি খণ্ডৰ চলিত নিৰ্ধাৰিত মূল্য বৃদ্ধি কৰিব।

৫৬। ৰাজ্য চৰকাৰ আৰু ইয়াৰ অধীনস্থ সংস্থাপনৰ নিবিদাৰ প্ৰ-পত্ৰ পূৰণৰ বাবদ কোৰ্ট মাচুল ষ্টাম্পৰ মূল্য ১০০ টকালৈ বৃদ্ধি কৰা হ'ব।

৫৭। সম্পত্তিৰ পঞ্জীয়ন মাচুল বৰ্তমান মহিলাৰ ক্ষেত্ৰত অকলে বা যৌথভাৱে ২% আৰু পুৰুষ বা কোম্পানীৰ ( Legal person) ক্ষেত্ৰত এই মাচুলৰ

পৰিমাণ হ'ল ৩%। মহিলাসকলক উন্নততৰ সামাজিক আৰু অৰ্থনৈতিক মৰ্যাদা প্ৰদানৰ উদ্দেশ্যে মই মহিলাসকলৰ চলিত ষ্টাম্প শুল্ক ২% ৰ পৰা ১% লৈ হ্ৰাস কৰা প্ৰস্তাৱ দিছোঁ। যৌথভাৱে ক্ৰয় কৰা সম্পত্তিৰ ক্ষেত্ৰত পূৰ্বৰ ২% শুল্ক বাহাল থাকিব। কিন্তু পুৰুষ বা কোম্পানীৰ ( Legal person) ক্ষেত্ৰত এই হাৰ পূৰ্বৰ ৩% ৰ পৰা ৪% লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিছোঁ। মই অন্তকৰণেৰে আশা কৰোঁ যে এনে ব্যৱস্থাৰ দ্বাৰা আমাৰ মাতৃ আৰু ভগ্নীসকলৰ নামত সম্পত্তি পঞ্জীয়নৰ হাৰ বৃদ্ধি পাব যাৰ দ্বাৰা তেখেতসকলৰ আৰ্থ সামাজিক ব্যৱস্থাৰ যথেষ্ট উন্নতি সাধন হ'ব। একেদৰে অকল মহিলাৰ ক্ষেত্ৰত চলিত পঞ্জীয়ন মাছুল ১% আৰু মহিলাৰ সৈতে যৌথ পঞ্জীয়নৰ ক্ষেত্ৰত থকা ২% পঞ্জীয়ন মাছুল বাহাল থাকিব, কিন্তু পুৰুষৰ ক্ষেত্ৰত সেই হাৰ ২% ৰ পৰা ৩% লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰখা হৈছে।

৫৮। ই-ষ্টাম্পিঙৰ ব্যৱস্থা ঃ বৰ্তমান ৰাজ্যৰ দুখন জিলাত ই-ষ্টাম্পিং ব্যৱস্থা বলবৎ হৈ আছে। মই নতুনকৈ আৰু দহখন জিলাত ই-ষ্টাম্পিং ব্যৱস্থা বলবৎ কৰাৰ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ ফলত নাগৰিকৰ পঞ্জীয়ন ব্যৱস্থাটো সৰল আৰু অধিক সৰল কৰি তুলিব। ৰাজ্যৰ ৰাজহ বৃদ্ধিত বিশেষ অৰিহণা যোগোৱাৰ লগতে নথিপত্ৰ জমা দিয়া ব্যৱস্থাটো অধিক সহজ হ'ব।

৫৯। প্ৰদূষক কাৰখানাৰ ওপৰত উপকৰ আৰোপ ঃ অসম ঔদ্যোগিক আৰু বিনিয়োগ নীতি ২০১৪ৰ অধীনত কেইটামান নিৰ্দিষ্ট উদ্যোগক পৰিৱেশ প্ৰদূষণৰ কাৰক হিচাপে তালিকাভুক্ত কৰা হৈছে। মই তেনে প্ৰদূষক উদ্যোগ কাৰখানাৰ ওপৰত উপকৰ আৰোপ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ। এনে উপকৰ আৰোপ আৰু কৰ সংগ্ৰহৰ বিস্তৃত পৰিমাণৰ বিষয়ে জাননী দিয়া হ'ব।

৬০। **বাজেট প্ৰাক্কলন**

অধ্যক্ষ মহোদয়, এতিয়া মই ২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰাক্কলন উত্থাপন কৰিব খুজিছো। পঞ্চবাৰ্ষিক মধ্যকালীন বিত্তীয় পৰিকল্পনা আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫ ৰ প্ৰাসংগিক ধাৰাসমূহৰ আধাৰত দাখিল কৰিবলগীয়া প্ৰবিৰণো পৱিত্ৰ সদনত আন এখন সুকীয়া পুস্তিকাৰ ৰূপত দাখিল কৰা হ'ল।

২০১৬-১৭ বৰ্ষৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ৭৭৪২২.৭১ কোটি টকা প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। তাৰে ৬৬১৭৯.৮৮ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ১১২৪২.৮৩ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ ১ নং তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত ১৭৭০৭৭.১৬ কোটি টকা আৰু উপ-নিমিত্ত পুঁজিৰ ১০০ কোটি টকা আদায়ৰ পাছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২৫৪৫৯৯.৮৬ কোটি টকা। ইয়াৰ বিপৰীতে ২০১৬-১৭ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ৭৮২৫৩.৩৬ কোটি টকা বুলি অনুমান কৰা হৈছে। ইয়াৰে ৰাজহ শিতানত ৬২৪৫৯.০৪ কোটি টকা আৰু মূলধন শিতানত ১৫৭৯৪.৩৩ কোটি টকা। ২০১৬-১৭ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰি অনুযায়ী ব্যয়সমূহৰ প্ৰাককলন তালিকা নং-২ ত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত হোৱা ব্যয়ৰ ১৬৯৬২১.১৪ কোটি টকা আৰু উপ-নিমিত্ত পুঁজিৰ ১০০ কোটি টকাকে ধৰি বছৰটোৰ সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হ'ব ২৪৭৯৭৪.৫০ কোটি টকা। এইদৰে বছৰটোত হোৱা প্ৰাক্কলিত লেন-দেনৰ বাবদ আনুমানিক ৬৬২৫.৩৬ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ৯৫০৬.২৭ কোটি টকা ঘাটিৰ হিচাপ মিলালে ২০১৬-১৭ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ২৮৮০.৯১ কোটি টকা হ'বগৈ।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পৱিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

**বাজক ডবা, বাজক শংখ**
**বাজক মৃদংগ খোল,**
**অসম আকৌ উন্নতিৰ পথত**
**জয় আই অসম বোল।**

**ভাৰত মাতা কি জয়**

# TABLE- 1

## Estimated of Inflows into the Consolidated Fund of the State during 2016-17

(Rs. in Crore)

| | |
|---|---|
| State Tax Revenue | 15634.31 |
| Non-Tax Revenue | 5846.52 |
| Share of Central Taxes | 18938.27 |
| State Plan Grants | 20246.46 |
| Non-Plan Grants from Centre | 3527.35 |
| Other Plan Grants from the Centre | 1986.97 |
| Public Debt | 10673.36 |
| Recoveries of Loans & Advances | 569.47 |
| **Total** | **77422.71** |

# TABLE- 2

**Estimates of Grantwise outflows from the Consolidated fund and a part of the Public Account of the State during 2016-17**

**(Rs. in lakhs)**

| No.of Demand/ Appropriation | Title of Demand/ Appropriation-2016-2017 | | Revenue | Capital | Total |
|---|---|---|---|---|---|
| দাবী/বিনিয়োজনৰ সংখ্যা | দাবী / বিনিয়োজনৰ নাম | | ৰাজহ | মূলধন | মুঠ |
| [1] | [2] | | [3] | [4] | [5] |
| 1 | State Legislature | Voted | 7128.18 | 5759.03 | **12887.21** |
| | ৰাজ্যিক বিধান মণ্ডল | Charged | 64.08 | | **64.08** |
| | Head of State | Charged | 686.03 | | **686.03** |
| | ৰাজ্যিক মুৰব্বী | | | | |
| 2 | Council of Ministers | Voted | 1338.90 | | **1338.90** |
| | মন্ত্ৰী পৰিষদ | | | | |
| 3 | Administration of Justice | Voted | 30965.71 | | **30965.71** |
| | ন্যায় প্ৰশাসন | Charged | 6122.70 | | **6122.70** |
| 4 | Elections | Voted | 4519.63 | | **4519.63** |
| | নিৰ্বাচন | | | | |
| 5 | Sales Tax and other Taxes | Voted | 14389.06 | | **14389.06** |
| | বিক্ৰী কৰ, অন্যান্য কৰ | | | | |
| 6 | Land Revenue & Land Ceiling | Voted | 34379.39 | | **34379.39** |
| | ভূমি ৰাজহ আৰু ভূমি সীমিতকৰণ | | | | **0.00** |
| | Public Service Commission | Charged | 1369.56 | | **1369.56** |
| | লোক সেৱা আয়োগ | | | | |
| 7 | Stamps & Registration | Voted | 4479.61 | | **4479.61** |
| | ষ্টাম্প আৰু পঞ্জীয়ন | | | | |
| 8 | Excise & Prohibition | Voted | 6889.60 | | **6889.60** |
| | আবকাৰী আৰু মাদক দ্ৰব্য নিবাৰণ | | | | |
| 9 | Transport Services | Voted | 25899.07 | 5235.00 | **31134.07** |
| | পৰিবহণ সেৱা | | | | |
| 10 | Other Fiscal Services | Voted | 246.48 | | **246.48** |
| | অন্যান্য অৰ্থনৈতিক সেৱা | | | | |
| 11 | Secretarial and Attached Offices | Voted | 205834.74 | 310.00 | **206144.74** |
| | সচিবালয় আৰু সংশ্লিষ্ট কাৰ্যালয় | | | | |
| 12 | District Administration | Voted | 20961.25 | | **20961.25** |
| | জিলা প্ৰশাসন | | | | |
| 13 | Treasury & Accounts Administration | Voted | 9954.72 | | **9954.72** |
| | কোষাগাৰ আৰু হিচাপ প্ৰশাসন | | | | |
| | | | | | |
| | | | | | |
| | | | | | |

| No.of Demand/ | Title of Demand/ | | Revenue | Capital | Total |
|---|---|---|---|---|---|
| Appropriation | Appropriation-2016-2017 | | | | |
| দাবী/বিনিয়োজনৰ সংখ্যা | দাবী / বিনিয়োজনৰ নাম | | ৰাজহ | মূলধন | মুঠ |
| 14 | Police | Voted | 394264.16 | 7353.00 | **401617.16** |
| | আৰক্ষী | Charged | 225.00 | | **225.00** |
| 15 | Jails | Voted | 7457.64 | | **7457.64** |
| | কাৰাগাৰ | Charged | 20.00 | | **20.00** |
| 16 | Stationery and Printing | Voted | 4181.36 | | **4181.36** |
| | লেখন সামগ্ৰী আৰু মুদ্ৰণ | | | | |
| 17 | Administrative and Functional Buildings | Voted | 28424.55 | 40850.92 | **69275.47** |
| | প্ৰশাসনীয় আৰু কাৰ্যালয় ভৱন | | | | |
| 18 | Fire Services | Voted | 14188.36 | | **14188.36** |
| | অগ্নিনিৰ্বাপক সেৱা | Charged | 1.51 | | **1.51** |
| 19 | Vigilance Commission and others | Voted | 43690.76 | | **43690.76** |
| | নিৰীক্ষণ আয়োগ আৰু অন্যান্য | | | | |
| 20 | Civil Defence and Home Guards | Voted | 19705.71 | | **19705.71** |
| | অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী | | | | |
| 21 | Guest Houses, Govt. Hostels etc. | Voted | 2355.02 | | **2355.02** |
| | অতিথিশালা আৰু চৰকাৰী আবাস ইত্যাদি | | | | |
| 22 | Administrative Training | Voted | 1169.32 | 5.00 | **1174.32** |
| | প্ৰশাসনীয় প্ৰশিক্ষণ | | | | |
| 23 | Pension & Other Retirement Benefit | Voted | 764487.60 | | **764487.60** |
| | পেন্সন আৰু অন্যান্য অৱসৰ গ্ৰহণ সুবিধা | Charged | 1411.00 | | **1411.00** |
| 24 | Aid Meterials and Equipments | Voted | 1.00 | | **1.00** |
| | সাহায্য সামগ্ৰী আৰু সা-সঁজুলি | | | | |
| 25 | Miscelleneous General Services | Voted | 75876.49 | | **75876.49** |
| | বিবিধ সাধাৰণ সেৱা | | | | |
| 26 | Education (Higher Education) | Voted | 227005.18 | | **227005.18** |
| | শিক্ষা (উচ্চ শিক্ষা ) | | | | |
| 27 | Art and Culture | Voted | 13173.20 | | **13173.20** |
| | কলা আৰু সংস্কৃতি | | | | |
| 28 | State Archives | Voted | 197.88 | | **197.88** |
| | ৰাজ্যিক মহাফেজখানা | | | | |
| 29 | Medical and Public Health | Voted | 364686.56 | 11438.82 | **376125.38** |
| | চিকিৎসা আৰু জনস্বাস্থ্য | Charged | 106.66 | | **106.66** |
| 30 | Water Supply and Sanitation | Voted | 46498.15 | 151230.18 | **197728.33** |
| | পানী যোগান আৰু অনাময় | Charged | 126.40 | | |
| | | | | | |

| No.of Demand/ | Title of Demand/ | | Revenue | Capital | Total |
|---|---|---|---|---|---|
| Appropriation | Appropriation-2016-2017 | | | | |
| দাবী/বিনিয়োজনৰ সংখ্যা | দাবী / বিনিয়োজনৰ নাম | | ৰাজহ | মূলধন | মুঠ |
| 31 | Urban Development (T & CP) | Voted | 16551.93 | | **16551.93** |
| | নগৰ উন্নয়ন (নগৰ আৰু চহৰ পৰিকল্পনা) | | | | |
| 32 | Housing Schemes | Voted | 179.35 | 4.00 | **183.35** |
| | গৃহনিৰ্মাণ আঁচনি | Charged | 0.00 | | **0.00** |
| 33 | Residential Buildings | Voted | 774.13 | 4510.44 | **5284.57** |
| | আবাসিক ভৱন | | | | |
| 34 | Urban Development (MAD) | Voted | 26238.82 | 1800.00 | **28038.82** |
| | চহৰ উন্নয়ন (পৌৰ প্ৰশাসন বিভাগ) | | | | |
| 35 | Information and Publicity | Voted | 5665.03 | 13.03 | **5678.06** |
| | তথ্য আৰু প্ৰচাৰ | | | | |
| 36 | Labour & Employment | Voted | 15030.33 | | **15030.33** |
| | শ্ৰম আৰু নিয়োগ | | | | |
| 37 | Food Storage, Warehousing and Civil Service | Voted | 71613.80 | 22.30 | **71636.10** |
| | খাদ্য সংগ্ৰহ, মজুতকৰণ আৰু অসামৰিক সেৱা | | | | |
| 38 | Welfare of SC/ST & OBC | Voted | 115892.34 | 0.00 | **115892.34** |
| | অনুসূচিত জাতি/অনুসূচিত জনজাতি আৰু | | | | |
| | পিছপৰা শ্ৰেণীৰ কল্যাণ | | | | |
| 39 | Social Security, Welfare & Nutrition | Voted | 119292.12 | 0.03 | **119292.15** |
| | সামাজিক নিৰাপত্তা, কল্যাণ আৰু পুষ্টিকৰণ | | | | |
| 40 | Sainik Welfare (Freedom Fighters) | Voted | 8093.00 | | **8093.00** |
| | সৈনিক কল্যাণ (মুক্তি যুঁজাৰু ) | | | | |
| 41 | Natural Calamities | Voted | 206215.67 | | **206215.67** |
| | প্ৰাকৃতিক দুৰ্যোগ | | | | |
| 42 | Social Services | Voted | 19680.55 | | **19680.55** |
| | সামাজিক সেৱাসমূহ | | | | |
| 43 | Co-operation | Voted | 15432.41 | 282.50 | **15714.91** |
| | সমবায় | | | | |
| 44 | North-Eastern Council Schemes | Voted | 2919.47 | 109248.98 | **112168.45** |
| | উত্তৰ-পূব পৰিষদ আঁচনি | | | | |
| 45 | Census, Surveys & Statistics | Voted | 5631.31 | | **5631.31** |
| | গণনা, জৰীপ আৰু পৰিসংখ্যা | | | | |
| 46 | Weights and Measures | Voted | 1565.61 | 0.00 | **1565.61** |
| | ওজন আৰু জোখ-মাখ | | | | |
| | | | | | |
| | | | | | |

| No.of Demand/ Appropriation দাবী/বিনিয়োজনৰ সংখ্যা | Title of Demand/ Appropriation-2016-2017 দাবী / বিনিয়োজনৰ নাম | | Revenue ৰাজহ | Capital মূলধন | Total মুঠ |
|---|---|---|---|---|---|
| 47 | Trade Adviser | Voted | 109.82 | | **109.82** |
| | বাণিজ্যিক উপদেষ্টা | | | | |
| 48 | Agriculture | Voted | 137559.51 | 5792.00 | **143351.51** |
| | কৃষি | | | | |
| 49 | Irrigation | Voted | 49189.05 | 109715.54 | **158904.59** |
| | জলসিঞ্চন | | | | |
| 50 | Other Special Areas Programme | Voted | 12506.24 | 4033.00 | **16539.24** |
| | অন্যান্য বিশেষ অঞ্চল আঁচনি | | | | |
| 51 | Soil & Water Conservarion | Voted | 8522.87 | 2327.00 | **10849.87** |
| | কৃষি আৰু জল সংৰক্ষণ | | | | |
| 52 | Animal Husbandry | Voted | 30441.08 | 8560.23 | **39001.31** |
| | পশু পালন | Charged | 50.00 | | **50.00** |
| 53 | Dairy Development | Voted | 3256.35 | | **3256.35** |
| | দুগ্ধ উন্নয়ন | | | | |
| 54 | Fisheries | Voted | 6102.85 | | **6102.85** |
| | মীনমহল | Charged | 0.00 | | **0.00** |
| 55 | Forestry and Wildlife | Voted | 76925.73 | | **76925.73** |
| | বন আৰু বন্যপ্ৰাণী | | | | |
| 56 | Rural Development (Panchayat) | Voted | 200074.34 | | **200074.34** |
| | গ্ৰামোন্নয়ন (পঞ্চায়ত ) | Charged | 34.82 | | **34.82** |
| 57 | Rural Development | Voted | 404667.21 | | **404667.21** |
| | গ্ৰামোন্নয়ন | | | | |
| 58 | Industries | Voted | 18825.32 | 17723.83 | **36549.15** |
| | উদ্যোগ | | | | |
| 59 | Sericulture and Weaving | Voted | 32842.93 | 1055.25 | **33898.18** |
| | ৰেচম আৰু বয়ন | | | | |
| 60 | Cottage Industries | Voted | 5551.65 | 990.76 | **6542.41** |
| | গ্ৰাম্য উদ্যোগ | | | | |
| 61 | Mines & Minerals | Voted | 1880.56 | 0.00 | **1880.56** |
| | খনি আৰু খনিজ দ্ৰব্য | | | | |
| 62 | Power (Electricity) | Voted | 19512.78 | 93988.00 | **113500.78** |
| | শক্তি (বিদ্যুৎ ) | | | | |
| 63 | Water Resources | Voted | 29850.19 | 176136.55 | **205986.74** |
| | জল সম্পদ | | | | |
| 64 | Roads and Bridges | Voted | 161642.79 | 212179.53 | **373822.32** |
| | পথ আৰু দলং | | | | |
| 65 | Tourism | Voted | 2780.06 | 3111.92 | **5891.98** |
| | পৰ্যটন | | | | |

| No.of Demand/ | Title of Demand/ | | Revenue | Capital | Total |
|---|---|---|---|---|---|
| Appropriation | Appropriation-2016-2017 | | | | |
| দাবী/বিনিয়োজনৰ সংখ্যা | দাবী / বিনিয়োজনৰ নাম | | ৰাজহ | মূলধন | মুঠ |
| 66 | Compensation, Assignment to Local | Voted | 69444.00 | | 69444.00 |
| | Bodies and Panchayati Raj Institutions | | | | 0.00 |
| | ক্ষতিপূৰণ, স্থানীয় নিকায় আৰু পঞ্চায়তী ৰাজ অনুষ্ঠান | | | | |
| 67 | Horticulture | Voted | 4657.13 | | 4657.13 |
| | উদ্যান শস্য | | | | |
| | Public Debt & Servicing of Debt | Charged | 338453.22 | 482915.09 | 821368.31 |
| | ৰাজহুৱা ঋণ আৰু ঋণ সেৱা | | | | |
| 68 | Loans to Government Servants | Voted | | 10551.50 | 10551.50 |
| | চৰকাৰী কৰ্মচাৰীসকললৈ ঋণ | | | | |
| 69 | Scientific Services & Research | Voted | 3530.05 | | 3530.05 |
| | বৈজ্ঞানিক সেৱা আৰু গৱেষণা | | | | |
| 70 | Hill Areas | Voted | 518.94 | 423.00 | 941.94 |
| | পাৰ্বত্য অঞ্চল | | | | |
| 71 | Education (Elementary, Secondary etc) | Voted | 1177331.75 | | 1177331.75 |
| | শিক্ষা (প্ৰাথমিক, মাধ্যমিক শিক্ষা ইত্যাদি) | | | | |
| 72 | Relief and Rehabilitation | Voted | 7002.00 | | 7002.00 |
| | সাহাৰ্য আৰু পুনৰ সংস্থাপন | | | | |
| 73 | Urban Development (GDD) | Voted | 30552.92 | 62074.61 | 92627.53 |
| | নগৰ উন্নয়ন (গুৱাহাটী উন্নয়ন বিভাগ) | | | | |
| 74 | Sports and Youth Welfare | Voted | 10155.81 | 0.00 | 10155.81 |
| | ক্ৰীড়া আৰু যুৱ কল্যাণ | | | | |
| 75 | Information & Technology | Voted | 220.01 | 3729.09 | 3949.10 |
| | তথ্য আৰু প্ৰযুক্তি | | | | |
| 76 | Karbi Anglong Autonomous Council | Voted | 82364.43 | 9510.00 | 91874.43 |
| | কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ | | | | |
| 77 | N.C. Hills Autonomous Council | Voted | 41310.26 | 3105.00 | 44415.26 |
| | উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদ | | | | |
| 78 | Bodoland Territorial Council | Voted | 262978.82 | 33447.68 | 296426.50 |
| | বড়োলেণ্ড টেৰিটৰিয়েল পৰিষদ | | | | |
| | Total | Voted | 5897232.60 | 1096517.72 | 6993750.32 |
| | মুঠ | ভোটিত | | | |
| | | Charged | 348670.98 | 482915.09 | 831586.07 |
| | | ধাৰ্য | | | |
| | | Grand Total | 6245903.58 | 1579432.81 | 7825336.39 |
| | | সৰ্বমুঠ | | | |

**Annexure**

**Abstract of Transactions**

(Rs. in crores)

| | | Actuals 2014-15 | Budget Estimates 2015-16 | Revised Estimates 2015-16 | Budget Estimates 2016-17 |
|---|---|---|---|---|---|
| | | [1] | [2] | [3] | [4] |
| **A. RECEIPTS** | | | | | |
| I | Consolidated Fund | **44337.08** | **64839.69** | **52918.34** | **77422.71** |
| | Revenue Account | 38181.49 | 57064.1 | 44263.13 | 66179.88 |
| | Capital Account | 6155.59 | 7775.59 | 8655.21 | 11242.83 |
| II | Contingency Fund | | 100.00 | 100.00 | 100.00 |
| III | Public Account | 147533.56 | 185352.55 | 187269.84 | 177077.16 |
| | **Total (I + II + III )** | **191870.64** | **250292.24** | **240288.18** | **254599.87** |
| **B. XPENDITURE** | | | | | |
| I | Consolidated Fund | **46811.38** | **66142.17** | **74818.5** | **78253.37** |
| | Revenue Account | 39078.16 | 51562.85 | 58274.88 | 62459.04 |
| | Capital Account | 7733.22 | 14579.32 | 16543.62 | 15794.33 |
| II | Contingency Fund | | 100.00 | 100.00 | 100.00 |
| III | Public Account | 145007.22 | 182440.30 | 173223.36 | 169621.14 |
| | **Total (I + II + III )** | **191818.60** | **248682.47** | **248141.86** | **247974.51** |
| **C. TRANSACTIONS DURING THE YEAR** | | | | | |
| | Surplus (+ ) | 52.04 | 1609.77 | | 6625.36 |
| | Deficit ( - ) | | | -7853.68 | |
| **D. OPENING BALANCE** | | | | | |
| | Surplus (+ ) | | | | |
| | Deficit ( - ) | -1704.63 | -1875.10 | -1652.59 | -9506.27 |
| **E. CLOSING BALANCE** | | | | | |
| | Surplus (+ ) | | | | |
| | Deficit ( - ) | -1652.59 | -265.32 | -9506.27 | -2880.91 |